গুৱাহাটী বিশ্ববিদ্যালয়ৰ
স্নাতক মহলাৰ ষষ্ঠ ষাণ্মাসিকৰ
CBCS পাঠ্যক্ৰম অনুসৰি যুগুতোৱা পাঠ্যপুথি

**ষষ্ঠ ষাণ্মাসিকৰ সন্মান পাঠ্যক্ৰমৰ**
**দ্বিতীয় মূল (Core) কাকতৰ বাবে**
(POL-HC-6026)

# ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰা- II
## (Indian Political Thought-II)


**ড° ছাইকী তালুকদাৰ**
বিভাগীয় মুৰব্বী, ৰাজনীতি বিজ্ঞান বিভাগ
কামৰূপ মহাবিদ্যালয়, চামতা



মৃত্যুঞ্জয় প্ৰকাশন
পাণবজাৰ, গুৱাহাটী-৭৮১০০১

# ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰা- II ঃ

স্নাতক মহলাৰ ষষ্ঠ ষান্মাসিক (Semester)ৰ CBCS পাঠ্যক্ৰমৰ
ছাত্ৰ-ছাত্ৰী আৰু অনুৰাগী পাঠকৰ বাবে লিখিত।

---

*সম্পাদনা* - **ড° ছাইকী তালুকদাৰ**


প্ৰকাশক-

**মৃত্যুঞ্জয় প্ৰকাশন**
পানবজাৰ, গুৱাহাটী- **১**
দূৰভাষ ঃ ৭০০২২১৪২২৭, ৯৩৬৫৮৮৭৮০৫
E-mail: mrityunjoyprakashan@gmail.com



*No part of this book may be reprinted or reproduced or utilized in any form or by any electric, mechanical or other means, now known or here after invented including photocopying and recording, or in any information storage and retrieval system, without permission in writing from the publishers.*



প্ৰথম প্ৰকাশ ঃ এপ্ৰিল, **২০২২**


© প্ৰকাশকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত



ISBN : 978-93-90826-46-9

মূল্য ঃ ` ১৭০.০০

মুদ্ৰণ ঃ শৰাইঘাট অফছেট প্ৰেছ, গুৱাহাটী-২১

**পৰিবেশক ঃ**

মৃত্যুঞ্জয় প্ৰকাশন, পাণবজাৰ; অশোক বুক ষ্টল, পাণবজাৰ; বুক এম্প'ৰিয়াম, পাণবজাৰ; ডি. কে. বুক ষ্টল, পাণবজাৰ; বুক লেণ্ড, পাণবজাৰ; মৃত্যুঞ্জয় প্ৰকাশন, সৰ্থেবাৰী; ফ্ৰেইণ্ডচ বুক ষ্টল, পাণবজাৰ; বি. আৰ বুক ষ্টল, পাণবজাৰ; বুক ভেলী, পাণবজাৰ; আসাম বুকচ্, বৰপেটাৰোড।

# উৎসৰ্গা

ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰা-II কিতাপখন মোৰ উচ্চ শিক্ষাৰ গুৰু আৰু মানৱদৰদী শিক্ষক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক নিৰু হাজৰিকাৰ নামত শ্ৰদ্ধাৰে উৎসৰ্গা কৰিছোঁ—

-সম্পাদক-

# পাতনি

আধুনিক ভাৰতীয় চিন্তাবিদ- II শীৰ্ষক এই কিতাপখন ৰাজনীতি বিজ্ঞানৰ ষষ্ঠ যান্মাসিকৰ সন্মান পাঠ্যক্ৰমৰ দ্বিতীয় মূল কাকতখনৰ বাবে লিখি উলিওৱা হৈছে। আশা ৰাখিছোঁ এইখনে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা সকলৰ পাঠ্যক্ৰম কেন্দ্ৰিক প্ৰয়োজন পূৰণ কৰাত সহায় কৰিব। এই কিতাপখনত দুটাকৈ অধ্যয় লিখিছে ক্ৰমে ড° ভবেন কাকতি, সহকাৰী অধ্যাপক, কামৰূপ মহাবিদ্যালয়, চামতা আৰু কটন বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰী কংকণা তালুকদাৰে। আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাবিদসকলৰ অধ্যয়ন ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয়। এই অধ্যয়নে তেওঁলোকৰ মনত চিন্তাৰ নতুন দুৱাৰ খুলিব পাৰে কাৰণ ভাৰতীয় সমাজৰ প্ৰেক্ষাপটত ভাৰতীয় চিন্তাবিদসকলে ৰাজনৈতিক তত্ত্বৰ বিভিন্ন দিশ আলোচনা কৰিছিল। যিমান সম্ভৱ সহজ ভাষাৰে চিন্তাবিদসকলৰ ধাৰণাক ছাত্ৰ-ছাত্ৰীৰ সন্মুখত তুলি ধৰাৰ প্ৰচেষ্টা কৰা গৈছে। এই প্ৰচেষ্টাত বিভিন্ন লিখকৰ গ্ৰন্থৰ সহায়ত লোৱা গৈছে। এই সহায়ক কৃতজ্ঞতাৰে স্বীকাৰ কৰিছোঁ। অবাঞ্চিত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি কিতাপখন আগবঢ়াইছোঁ। শেষত, প্ৰকাশকৰ প্ৰচেষ্টাৰ শলাগ লৈছোঁ কিতাপখন যথাসময়ত ছাত্ৰ-ছাত্ৰীৰ বাবে সাজু কৰাৰ বাবে।

ধন্যবাদেৰে—

সম্পাদক

দিনাংক ঃ ৫/৫/২০২২

**POL HC 6026**

# Indian Political Thought-II


I. Introduction to Modern Indian Political Thought

II. Rammohan Roy: Rights

III. Pandita Ramabai: Gender

IV. Vivekananda: Ideal Society

V. Gandhi: Swaraj

VI. Ambedkar: Social Justice

VII. Tagore: Critique of Nationalism

VIII. Iqbal: Community

IX. Savarkar: Hindutva

X. Nehru: Secularism

XI. Lohia: Socialism

# — সূচীপত্ৰ —

# ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰা- II
## (Indian Political Thought-II)


| | | |
|---|---|---|
| Unit-1 | আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰা<br>ড° ছাইকী তালুকদাৰ | ০০ |
| Unit-2 | ৰাজা ৰামমোহন ৰয়<br>ড° ভবেন কাকতি | ০০ |
| Unit-3 | পণ্ডিতা ৰামাবাই<br>কংকণা তালুকদাৰ | ০০ |
| Unit-4 | স্বামী বিবেকানন্দ<br>ড° ছাইকী তালুকদাৰ | ০০ |
| Unit-5 | মহাত্মা গান্ধী<br>ড° ছাইকী তালুকদাৰ | ০০ |
| Unit-6 | বাবা চাহেব আম্বেদকাৰ<br>ড° ছাইকী তালুকদাৰ | ০০ |
| Unit-7 | ৰবীন্দ্ৰ নাথ ঠাকুৰ<br>ড° ছাইকী তালুকদাৰ | ০০ |
| Unit-8 | মহম্মদ ইক্বাল<br>ড° ছাইকী তালুকদাৰ | ০০ |
| Unit-9 | বীৰ দামোদৰ সৰৰকাৰ<br>ড° ছাইকী তালুকদাৰ | ০০ |
| Unit-10 | জৱাহৰলাল নেহৰু<br>ড° ভবেন কাকতি | ০০ |
| Unit-11 | ৰাম মনোহৰ লোহিয়া<br>কংকণা তালুকদাৰ | ০০ |

## প্ৰথম অধ্যায়

# আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰা
# (Modern Indian Political Thought)

আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰা বা দৰ্শন হ'লে 18 শতিকাৰ শেষৰ ফালে ভাৰতীয় চিন্তাবিদ তথা দাৰ্শনিক আৰু সমাজ সংস্কাৰকসকলৰ মনত ৰাষ্ট্ৰ, জাতি, সমাজ, জাতীয়তা, ব্যক্তি আৰু ৰাষ্ট্ৰৰ সম্পৰ্ক, স্বতন্ত্ৰতা, সমতা, সমাজ সংস্কাৰ, গণতন্ত্ৰ ইত্যাদি সম্পৰ্কত উৎপত্তি আৰু বিকাশ হোৱা চিন্তাধাৰা আৰু দৰ্শনৰ সমষ্টি। অৰ্থাৎ, জাতি, ৰাষ্ট্ৰ, সমাজ, সমতা, স্বতন্ত্ৰতা ইত্যাদি বিষয়ত আধুনিক ভাৰতীয় চিন্তাবিদসকলে আগবঢ়োৱা চিন্তা-চৰ্চাৰ সমষ্টিয়েই হ'ল আধুনিক ভাৰতীয় চিন্তাধাৰা।

দৰাচলতে আধুনিক ভাৰতীয় চিন্তাধাৰা হ'ল ওঠৰ শতিকাৰ শেষৰ ফালে আৰু ঊনৈশ শতিকাৰ আৰম্ভণিত ভাৰতত আৰম্ভ হোৱা নৱজাগৰণৰ এক ফল। ভাৰতীয় নৱজাগৰণ হ'ল এক সজাগতা, যি সজাগতা ভাৰতীয় বৌদ্ধিক সমাজৰ মাজত ভাৰতীয় সমাজত পৰম্পৰাগতভাৱে চলি থকা কিছুমান ব্যৱস্থাৰ বিৰুদ্ধে আৰম্ভ হৈছিল। অৰ্থাৎ সমাজৰ কিছুমান ক্ষতিকাৰক, অযুক্তিকৰ ব্যৱস্থাৰ অৱসানৰ বাবে ভাৰতীয় বৌদ্ধিক সমাজৰ মাজত সৃষ্টি হোৱা সচেতনতাই হ'ল ভাৰতীয় নৱজাগৰণ। দৰাচলতে এই সময়ৰ পূৰ্বে ভাৰতত কিছুমান এনেকুৱা ব্যৱস্থা প্ৰচলিত হৈ আছিল যিবোৰে বিভিন্ন শ্ৰেণীৰ ব্যক্তিৰ মানৱীয় মৰ্যাদা আৰু অধিকাৰ লংঘন কৰিছিল। উদাহৰণস্বৰূপে হিন্দু জাতি ব্যৱস্থা আৰু ইয়াৰ অন্যতম অংগ অস্পৃশ্যতাৰ কথা উল্লেখ কৰিব পাৰি। এই ব্যৱস্থা এহাতে আমনৱীয় আৰু আনহাতে শোষণমূলক আৰু দমনমূলক আছিল। পিছপৰা জাতি হিচাপে পৰিগণিত লোকসকল এই জাতি ব্যৱস্থাৰ মূল ভুক্তভোগী আছিল। ইয়াৰ উপৰিও বাল্য-বিবাহ, বহু বিবাহ, সতী প্ৰথা ইত্যাদিয়ে ভাৰতীয় সমাজক কলুষিত কৰি তুলিছিল। মূঠৰ ওপৰত অন্ধবিশ্বাস আৰু পৰম্পৰাই সমগ্ৰ ভাৰতীয় সমাজখনক ছানি ধৰিছিল। গতিকে, অৱধাৰিতভাৱে নতুন চিন্তা, সজাগতাৰ প্ৰয়োজন হৈছিল আৰু এই প্ৰয়োজনক সফলভাৱে উদগনি যোগাইছিল নৱজাগৰণে। ভাৰতত ইউৰোপতকৈ পিছত আৰম্ভ হোৱা নৱজাগৰণে কিছুমান মহান ভাৰতীয়ৰ মনত নতুন চেতনাৰ উন্মেষ ঘটাইছিল। ইয়াৰ লগতে ভাৰতীয় সভ্যতাৰ গৌৰৱোজ্জ্বল ইতিহাসেও এই লোকসকলৰ মনত এক নতুন সমাজ স্থাপনৰ প্ৰেৰণা যোগাইছিল। ভাৰতীয় নৱজাগৰণ সৃষ্টিত ইংৰাজী শিক্ষাইও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল বুলি মত প্ৰকাশিত হোৱা দেখা যায়। কিন্তু এই কথাও সত্য যে ইংৰাজী শিক্ষা নোহোৱাকৈও বিভিন্ন ভাৰতীয় ব্যক্তিয়ে ভাৰতত হোৱা নৱজাগৰণৰ মূল হোতা হৈ পৰিছিল। এইসকলৰ ভিতৰত অন্যতম আছিল ৰাজা ৰামমোহন ৰয়। ঠিক একেদৰে স্বামী দয়ানন্দ সৰস্বতী, ৰামকৃষ্ণ পৰমহংস আদিও ইংৰাজী শিক্ষা অবিহনেই ভাৰতীয় নৱজাগৰণৰ হোতা হৈ পৰিছিল। অৱশ্যে

স্বামী বিবেকানন্দৰ দৰে কিছুমান চিন্তাবিদ ইংৰাজী শিক্ষাৰ দ্বাৰা প্ৰভাৱিত আছিল।

ৰাজা ৰামমোহন ৰয়ৰ দ্বাৰা প্ৰতিষ্ঠিত ব্ৰাহ্ম সমাজ (1828), প্ৰাৰ্থনা সমাজ (1864), স্বামী দয়ানন্দ সৰস্বতীৰ আৰ্যসমাজ (1875), স্বামী বিবেকানন্দৰ দ্বাৰা প্ৰতিষ্ঠিত ৰামকৃষ্ণ মিশ্যন (1896), এনি বেচান্তৰ থিয়'চফিকেল ছ'চাইটি ইত্যাদিয়ে ভাৰতীয় সমাজৰ বিভিন্ন দিশৰ সংস্কাৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল ভাৰতীয় বেদ, পুৰাণ, সভ্যতা-সংস্কৃতিৰ মূল্যবোধৰ প্ৰকৃত ব্যাখ্যাৰ জৰিয়তে।

মুছলমান সমাজত এই সামাজিক আৰু ধৰ্মীয় সংস্কাৰ আৰম্ভ কৰিছিল ছাৰ চৈয়দ আহমদ খানে। মুছলিম সমাজৰ অজ্ঞতা, অন্ধবিশ্বাস আতৰ কৰি বৈজ্ঞানিক চিন্তা-চৰ্চা আৰম্ভ কৰাৰ বাবে তেওঁ যথেষ্ট প্ৰচেষ্টা গ্ৰহণ কৰিছিল। এই সমাজৰ মহিলাৰ মৰ্যাদা, শিক্ষা আৰু অধিকাৰৰ সুৰক্ষাৰ বাবে তেওঁ যথেষ্ট প্ৰচেষ্টা চলাইছিল। তেওঁৰ এই প্ৰচেষ্টাৰে ফল আছিল বৰ্তমানৰ আলিগড় মুছলিম বিশ্ববিদ্যালয় যিখন ১৮৭৭ চনত এংলো অ'ৰিয়েণ্টেল কলেজ হিচাপে প্ৰতিষ্ঠা হৈছিল।

## আধুনিক ভাৰতীয় চিন্তাৰ ধাৰাসমূহ (Streams of Modern Indian Political Thought) ঃ

আধুনিক ভাৰতীয় চিন্তাক ইয়াৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধাৰাৰ ভিতৰত আলোচনা কৰিব পাৰি। যেনেঃ উদাৰতাবাদী ধাৰা (Liberal Stream), আদৰ্শগত ধাৰা (Idealist Stream), মানৱতাবাদী ধাৰা (Humanist Stream), নাৰীবাদী ধাৰা (Feminist Stream), সমাজবাদী ধাৰা (Socialist Stream) ইত্যাদি।

## উদাৰতাবাদী ধাৰা (Liberal Stream) ঃ

বিখ্যাত আধুনিক ভাৰতীয় চিন্তাবিদ যিসকলে উদাৰতাবাদী ধাৰাৰ প্ৰৱৰ্তন কৰিছিল সেইসকলৰ ভিতৰত অন্যতম আছিল ৰাজা ৰামমোহন ৰয়, দাদাভাই নৌৰজী, মহাদেৱ গোবিন্দ ৰানাডে, চৈয়দ আহমদ খান, গোপালকৃষ্ণ গোখলে ইত্যাদি।

ভাৰতীয় উদাৰতাবাদীসকল বৃটিছ উদাৰতাবাদী সকলৰ দ্বাৰা মূলতঃ প্ৰভাৱিত আছিল। অৰ্থাৎ, ভাৰতীয় উদাৰতাবাদী সকলেও উদাৰতাবাদৰ মূল ভিত্তি ব্যক্তি স্বতন্ত্ৰতাক গুৰুত্ব দিছিল আৰু বিশ্বাস কৰিছিল যে সমাজৰ প্ৰগতি ব্যক্তিৰ সম্পূৰ্ণ প্ৰতিভা বিকাশৰ ওপৰতে নিৰ্ভৰ কৰে। গতিকে ব্যক্তিৰ প্ৰতিভাৰ বিকাশৰ সম্পূৰ্ণ সুযোগ থকা এক সমাজ প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দিব লাগে। গতিকে ব্যক্তি আৰু ব্যক্তিৰ মৰ্যাদা তথা স্বতন্ত্ৰতাক অগ্ৰাধিকাৰ প্ৰদান কৰা সমাজ গঢ় দিবলৈ উদাৰতাবাদী ভাৰতীয় চিন্তাবিদসকলে প্ৰচলিত সমাজ ব্যৱস্থাৰ সংস্কাৰৰ ওপৰত গুৰুত্ব দিছিল।

এই ধাৰাৰ প্ৰৱৰ্তকসকলৰ এক অন্যতম বৈশিষ্ট্য আছিল যে এওঁলোকে ইংৰাজ শাসনক সমাজ সংস্কাৰৰ এক মাধ্যম হিচাপে গণ্য কৰিছিল এওঁলোকৰ মতে বৈজ্ঞানিক চিন্তা, যুক্তি, আধুনিকতা, আইনৰ শাসন ইত্যাদিৰ জৰিয়তে ইংৰাজ শাসনে ভাৰতবৰ্ষত এক প্ৰগতিশীল সমাজ প্ৰতিষ্ঠা কৰাত সহায় কৰিব।

আধুনিক ভাৰতীয় চিন্তাৰ এই ধাৰাৰ চিন্তাবিদসকল কিন্তু বহু পৰিমাণৰ সামাজিক সংস্কাৰৰ ক্ষেত্ৰত সফল আছিল। উদাহৰণস্বৰূপে, ৰাজা ৰামমোহন ৰায় 1829 চনত সতীদাহ প্ৰথা ৰোধ আইন প্ৰৱৰ্তন কৰিবলৈ ইংৰাজ চৰকাৰক বাধ্য কৰি ভাৰতীয় হিন্দু সমাজৰ এক অমানৱীয় প্ৰথা চিৰদিনৰ বাবে ৰোধ কৰিবলৈ সক্ষম হৈছিল। কিন্তু এই ধাৰাৰ এক অন্যতম সমস্যা আছিল যে ই ইংৰাজ শাসনক সমৰ্থন কৰিছিল (যদিও ভাৰতৰ সমাজ সংস্কাৰৰ স্বাৰ্থত)। বিভিন্নজনৰ মতে এই ধাৰাই পশ্চিমীয়া সভ্যতাৰ শ্ৰেষ্ঠতাত বিশ্বাস কৰিছিল আৰু ই বহু পৰিমাণে সম্ভ্ৰান্তবাদী আছিল। আকৌ, এই সময়ছোৱাৰ চিন্তাবিদসকলে যদিও নাৰীৰ অধিকাৰৰ কথা কৈছিল

তথাপিও ই পুৰুষতান্ত্রিকতাৰ অৱসানৰ দৰে মূল বিষয়সমূহৰ পৰা আতৰি আছিল।

## ভাৱবাদী বা জাতীয়তাবাদী ধাৰা (Idealist or Nationalist Stream) ঃ

আধুনিক ভাৰতীয় চিন্তাৰ এই ধাৰাক প্ৰতিনিধিত্ব কৰা চিন্তাবিদসকল হ'ল লালা লাজপট ৰয়, বাল গংগাধৰ তিলক, বিপিন চন্দ্ৰ পাল, শ্ৰীঅৰবিন্দ, বীৰ সাৱাৰকাৰ ইত্যাদি। ভাৱবাদী ধাৰাত অন্তৰ্ভুক্ত বেছিভাগ চিন্তাবিদেই জাতীয়তাবাদী আছিল। ভাৰতীয় উদাৰতাবাদী চিন্তাবিদসকলৰ বিপৰীতে এওঁলোক ইউৰোপীয় পৰম্পৰাৰ প্ৰতি উৎসাহী নাছিল। বৰঞ্চ এওঁলোকে ভাৰতৰ জাতীয় চৰিত্ৰ, ভাৰতীয় সভ্যতা সংস্কৃতি পুনৰ উদ্ধাৰৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল। পশ্চিমীয়া ভাৱবাদী চিন্তাবিদসকলৰ দৰে এওঁলোকেও জাতি ৰাষ্ট্ৰৰ প্ৰতি উচ্চ প্ৰশংসিত আছিল আৰু মত প্ৰকাশ কৰিছিল যে প্ৰত্যেক সামাজিক অনুষ্ঠানৰ ভিত্তি এটা নিৰ্দিষ্ট ভাৱধাৰা হোৱাৰ দৰে ৰাষ্ট্ৰৰ ভিত্তি হ'ল ইয়াৰ সজাগতা। ৰাষ্ট্ৰৰ এই সজাগতা হ'ল ইয়াৰ ব্যক্তিসকলৰ মতামতৰ সমষ্টি। এই ভিত্তিতে এই ধাৰাৰ চিন্তাবিদসকলে মত প্ৰকাশ কৰিছিল যে ভাৰতে ইয়াৰ ঐতিহ্যপূৰ্ণ সভ্যতাৰ বাবে এক ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠাৰ সুযোগ পাব লাগে। অৰ্থাৎ ভাৰতীয় ভাৱবাদী চিন্তাবিদসকলে ভাৰতৰ জাতীয় চৰিত্ৰ সংৰক্ষণ আৰু প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সেয়েহে এওঁলোকে ভাৰতীয় জনসাধাৰণৰ মনত ভাৰতৰ গৰিমা সম্পৰ্কে প্ৰয়োজনীয় সচেতনতা সৃষ্টিৰ জৰিয়তে স্বাধীনতাৰ আগ্ৰহ আৰু আন্দোলন উজ্জীৱিত কৰিবলৈ চেষ্টা কৰিছিল। স্বাধীনতা আহৰণৰ পথ সম্পৰ্কতো এওঁলোক বৈপ্লৱিক পন্থাৰ সমৰ্থনকাৰী আছিল। বীৰ সাৱাৰকাৰ এই ক্ষেত্ৰত অন্যতম আছিল। তেওঁ ভাৰতৰ স্বাধীনতা আহৰণৰ ক্ষেত্ৰত বিপ্লৱ আৰু হিংসাকেই আশ্ৰয় কৰাৰ পোষকতা কৰিছিল। মুঠ কথাত এওঁলোকে ভাৰতীয় সভ্যতাৰ পুনৰ উত্থানত বিশ্বাসী জাতীয়তাবাদী, ইংৰাজ শাসন বিৰোধী আছিল।

এই ধাৰাৰ উল্লেখযোগ্য দিশবোৰ হ'ল যে ই প্ৰাচীন ভাৰতীয় সভ্যতা সংস্কৃতিৰ গৌৰৱোজ্জল দিশসমূহ প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দিছিল। লগতে এই ধাৰাই মানুহৰ মাজত জাতীয়তাবাদী চেতনাৰ উন্মেষ ঘটাইছিল। বাল-গংগাধৰ তিলকৰ 'স্বৰাজ মোৰ জন্মস্বত্ব অধিকাৰ' শ্লোগান, সাৱাৰকাৰৰ হিন্দুত্বৰ ধাৰণা ইত্যাদিয়ে আজিও ভাৰতীয় জনসাধাৰণৰ মনত জাতীয়তাবাদী চেতনাৰ উদ্ৰেক কৰে। আধুনিক ভাৰতীয় চিন্তাৰ এই ধাৰাটোৱেই ভাৰতৰ স্বাধীনতা আন্দোলনৰ বৈপ্লৱিক পন্থাৰ গুৰি ধৰিছিল।

এই ধাৰা অৱশ্যে বিভিন্ন দিশৰ দ্বাৰা সমালোচিত। সমালোচক সকলৰ মতে এই ধাৰাই কোনো ধৰণৰ সন্মিলিত চিন্তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা নাছিল আৰু ই বহু সময়ত হিন্দু ধৰ্ম আৰু পৰম্পৰাকহে অগ্ৰাধিকাৰ দিছিল। লগতে ই পিছপৰা তথা দুৰ্বল শ্ৰেণীৰ অধিকাৰৰ দিশটো সম্পূৰ্ণ আওঁকাণ কৰিছিল বুলিও সমালোচকসকলে মত প্ৰকাশ কৰে। এই ধাৰাই সম্পূৰ্ণৰূপে পশ্চিমীয়া আধুনিকতা আৰু মূল্যবোধক আওকান কৰিছিল। বৈপ্লৱিক জাতীয়তাবাদৰ প্ৰৱক্তা হিচাবেও এই ধাৰাৰ চিন্তাবিদসকল সমালোচিত হৈছিল।

## মানৱতাবাদী ধাৰা (Humanist Stream) ঃ

ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাত মানৱতাবাদী ধাৰাক প্ৰতিনিধিত্ব কৰা চিন্তাবিদসকল হ'ল স্বামী বিবেকানন্দ, ৰবীন্দ্ৰ নাথ ঠাকুৰ, মানবেন্দ্ৰ নাথ ৰয় ইত্যাদি। মানৱতাবাদ হ'ল সেই চিন্তাধাৰা যিয়ে ব্যক্তিৰ মানৱীয় মৰ্যাদাক আন সকলোতকৈ অগ্ৰাধিকাৰ প্ৰদান কৰে আৰু মত প্ৰকাশ কৰে যে ব্যক্তিৰ মাজত থকা যুক্তিৰ ক্ষমতাই তেওঁক নিজৰ মৰ্যাদা সম্পৰ্কে প্ৰয়োজনীয় জ্ঞান প্ৰদান কৰে। সেয়েহে ব্যক্তিৰ মানৱীয় মৰ্যাদাৰ সুৰক্ষাৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰিব লাগে। এই ধাৰণাৰ মতে প্ৰত্যেক ব্যক্তি মান-মৰ্যাদাৰ অধিকাৰী।

সেয়েহে জাতি, ধৰ্ম, লিঙ্গ, বৰ্ণ ভিত্তিক কোনো ধৰণৰ বৈষম্যৰ দ্বাৰা ব্যক্তিৰ মানৱীয় মৰ্যাদাক আঘাট কৰা উচিত নহয়। ভাৰতীয় মানৱতাবাদীসকল পশ্চিমীয়া মানৱতাবাদী চিন্তাবিদসকলৰ পৰা বিশেষ পৃথক নাছিল আৰু তেওঁলোকেও ব্যক্তিকেই সৰ্বোচ্চ হিচাপে গণ্য কৰি ব্যক্তিৰ মৰ্যাদা সুৰক্ষাৰ ওপৰত গুৰুত্ব দিছিল। তেওঁলোকৰ মতেও মানৱতা নামৰ বিশাল বৃক্ষৰ ৰাষ্ট্ৰসমূহ একো একোটা শাখা-প্ৰশাখা। এই ধাৰাই সাৰ্বজনীন মানৱতাবাদ আৰু বিশ্ব ভাতৃত্বৰ ধাৰণাত বিশ্বাস কৰিছিল।

এই ধাৰাৰ উল্লেখনীয় দিশবোৰ হ'ল যে ই 'বসুধৈৰ কুটুম্বকম' অৰ্থাৎ বিশ্ব ভাতৃত্বৰ ধাৰণাত বিশ্বাসী। সমতাপূৰ্ণ সমাজ (egalitarian society) প্ৰতিষ্ঠা এই ধাৰাৰ অন্যতম লক্ষ্য। ই সাংস্কৃতিক বিভিন্নতাক সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ধাৰাই বিশ্বাস কৰিছিল যে ব্যক্তিৰ প্ৰতি সেৱাই দৰাচলতে ভগৱানৰ সেৱা। এই ধাৰা পিছপৰা তথা দুৰ্বল শ্ৰেণীৰ লোকৰ অধিকাৰৰ অন্যতম সমৰ্থক আছিল। মানবেন্দ্ৰ নাথ ৰয়ৰ চৰম মানৱতাবাদ, ৰবীন্দ্ৰ নাথৰ প্ৰকৃত স্বতন্ত্ৰতাৰ ধাৰণাই দৰাচলতে মানৱতাবাদৰেই প্ৰতিফলন ঘটায়।

সমালোচক সকলৰ মতে এই ধাৰা এক কথাত কল্পনাপ্ৰৱণ আৰু এইবোৰ বাস্তৱায়িতকৰণ সম্ভৱ নহয়। এই ধাৰাৰ আন এটা উল্লেখযোগ্য সমালোচনা আছিল যে ই স্বাধীনতা আন্দোলনৰ অংশ হ'ব পৰা নাছিল বা জাতি বা ৰাষ্ট্ৰৰ ধাৰণা সম্পৰ্কত কেনো বৰঙণি আগবঢ়াব পৰা নাছিল।

## নাৰীবাদী ধাৰা (Feminist Stream) ঃ

আধুনিক ভাৰতীয় চিন্তাত নাৰীবাদী ধাৰাই নাৰীৰ বিষয়সমূহ প্ৰতিষ্ঠা কৰাত আৰু নাৰীৰ মৰ্যাদা উন্নীতকৰণৰ ওপৰত গুৰুত্ব দিছিল। এই ধাৰাৰ অন্তৰ্গত অন্যতম চিন্তাবিদসকল হ'ল ৰাজা ৰামমোহন ৰয়, জ্যোতিবা ফুলে, মহাত্মা গান্ধী, পণ্ডিতা ৰামাবাঈ, সাবিত্ৰীবাঈ ফুলে ইত্যাদি। অৱশ্যে এইসকলৰ ভিতৰত পণ্ডিতা ৰমাবাঈহে কেৱল মহিলা সম্পৰ্কীয় বিষয়তে নিজৰ চিন্তা আৰু কৰ্মক আগবঢ়াইছিল। ৰাজা ৰামমোহন ৰয় আৰু মহাত্মা জ্যোতিবা ফুলেৰ অৱদান এই ধাৰণাত উল্লেখযোগ্য বিবেচনা কৰিব পাৰি। অৱশ্যে এওঁলোকে সমাজ সংস্কাৰৰ এক অংশ হিচাপেহে নাৰীৰ মৰ্যাদা সম্পৰ্কীয় দিশটো আলোচনা কৰিছিল। কিন্তু পণ্ডিতা ৰমাবাঈ এইক্ষেত্ৰত ব্যতিক্ৰম আছিল।

এই ধাৰাৰ অন্যতম সফলতা আছিল যে ই মহিলাসকলৰ মৰ্যাদাৰ প্ৰশ্নটো প্ৰতিষ্ঠা কৰিব পাৰিছিল আৰু মহিলাৰ অধিকাৰ আৰু মৰ্যাদা হানিকৰ বিভিন্ন ভাৰতীয় পৰম্পৰাৰ অৱসান ঘটাইছিল। আগতেই উল্লেখ কৰা হৈছে যে ৰাজা ৰামমোহন ৰয়ে ব্ৰিটিছৰ সহযোগত সতীদাহ প্ৰথাক বে আইনী ঘোষণা কৰি ইয়াৰ অৱসান ঘটাইছিল। অৱশ্যে এই ধাৰাৰ চিন্তাবিদসকলে নাৰীৰ বিষয়টো ৰাজনৈতিক চিন্তাৰ মূল সূতীত অন্তৰ্ভুক্ত কৰাত বিশেষ সফলতা লাভ কৰিব নোৱাৰিলে।

## সমাজবাদী ধাৰা (Socialist Stream) ঃ

আচাৰ্য নৰেন্দ্ৰ দেৱ, ৰাম মনোহৰ লোহিয়া, জৱাহৰলাল নেহৰু, মিনু মাচানী, এচ. এ. ডাংগে আদিয়ে আধুনিক ভাৰতীয় চিন্তাৰ সমাজবাদী ধাৰাক প্ৰতিনিধিত্ব কৰিছিল। ভাৰতীয় সমাজবাদী চিন্তাবিদসকল পশ্চিমীয়া সমাজবাদী চিন্তাৰ দ্বাৰা প্ৰভাৱিত আৰু সেয়েহে এওঁলোকেও সমাজৰ দুৰ্বল তথা শ্ৰমিক শ্ৰেণীৰ অধিকাৰ ৰক্ষা, উৎপাদনৰ আহিলাৰ ৰাজহুৱা মালিকীস্বত্ব, আৰ্থ-সামাজিক দিশৰ পুনৰ্গঠনৰ ওপৰত প্ৰধানকৈ গুৰুত্ব আৰোপ কৰিছিল। অৱশ্যে পশ্চিমীয়া সমাজবাদৰ বৈষয়িক দিশৰ বিপৰীতে ভাৰতীয় সমাজবাদী চিন্তাত আধ্যাত্মিক চিন্তাৰ অধিক প্ৰভাৱ দেখা যায়। আচাৰ্য নৰেন্দ্ৰ দেৱক ভাৰতীয় সমাজবাদী চিন্তাৰ পথ-প্ৰদৰ্শক আখ্যা দিয়া হয়।

তেওঁ পশ্চিমীয়া সমাজবাদী ধাৰণাত অৰ্থাৎ মাৰ্ক্সবাদী নীতিসমূহৰ লগত গান্ধীৰ অহিংসা নীতিৰ এক অভিনৱ সংযোজন ঘটাইছিল। ঠিক একেদৰে ৰাম মনোহৰ লোহিয়াই এচিয়াৰ প্ৰেক্ষাপটত এক সমাজবাদী চিন্তা আগবঢ়াইছিল। জৱাহৰলাল নেহৰুৱে সমাজবাদৰ এক নতুন ব্যাখ্যা আগবঢ়াইছিল য'ত মিশ্ৰ অৰ্থনীতিৰ কথা কোৱা হৈছিল।

এই ধাৰাৰ উল্লেখযোগ্য দিশটো হ'ল যে ই এক বাস্তৱবাদী বা প্ৰকৃত গণতন্ত্ৰ (Substantive Democracy) প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল য'ত ব্যক্তি বা ব্যক্তিগোষ্ঠীৰ মাজত কোনো পাৰ্থক্য নাথাকিব। অৰ্থাৎ ই এখন শ্ৰেণীহীন সমাজৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰিছিল। অৱশ্যে এই ধাৰাৰ চিন্তাবিদসকলে পশ্চিমীয়া সমাজবাদীসকলৰ মতে ব্যক্তি স্বতন্ত্ৰতাত কোনো গুৰুত্ব আৰোপ কৰা নাছিল।

**গান্ধীবাদী চিন্তা (Gandhian Thought) ঃ**

আধুনিক ভাৰতীয় চিন্তাৰ এক অন্যতম ধাৰা হ'ল— গান্ধীবাদী চিন্তা। মহাত্মা গান্ধী এই ধাৰাৰ মূল ব্যক্তি আছিল আৰু তেওঁৰ চিন্তাক পিছলৈ বিনোৱাভাৱে, জয় প্ৰকাশ নাৰায়ণ আদিয়ে আগবঢ়োৱাৰ চেষ্টা কৰিছিল। ৰাজনীতিত নৈতিকতাৰ অন্তৰ্ভুক্তিকৰণৰ জৰিয়তে মহাত্মা গান্ধীয়ে এক নতুন চিন্তাৰ উন্মেষ ঘটাইছিল। তেওঁৰ অহিংসা, সত্যাগ্ৰহ, স্বৰাজ, সৰ্বোদয়ৰ ধাৰণাই আধুনিক ভাৰতীয় চিন্তাত নতুন দিশৰ সূচনা কৰিছিল। তেওঁৰ এই ধাৰণাসমূহ পিছৰ অধ্যায়ত বহলভাৱে আলোচনা কৰা হৈছে। গান্ধীৰ এই ধাৰণাসমূহ কাল্পনিক বুলি বিভিন্ন সময়ত সমালোচিত যদিও তেওঁ স্বাধীনতা আন্দোলনৰ সময়ছোৱাত এইবোৰ বাস্তৱত প্ৰয়োগ কৰি দেশৰ বেছিসংখ্যক জনসাধাৰণক স্বাধীনতা আন্দোলনৰ অংশগ্ৰহণকাৰীলৈ ৰূপান্তৰিত কৰি ইয়াক এক সফল গণ আন্দোলনলৈ ৰূপান্তৰিত কৰিব পাৰিছিল।

## আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাৰ প্ৰকৃতি

## (Nature of Modern Indian Political Thought)

ইতিমধ্যেই উল্লেখ কৰা হৈছে যে আধুনিক ভাৰতীয় চিন্তাৰ সময়ছোৱা আৰম্ভ হৈছিল ওঠৰ শতিকাৰ শেষত। এই সময়ছোৱাত ভাৰতত ঔপোনিবেশিকতাবাদে ভালকৈ খোপনি পুতিছিল আৰু লগতে আৰম্ভ হৈছিল জাতীয়তাবাদী চেতনা। আকৌ সেই সময়ছোৱাতে ভাৰতত নৱজাগৰণৰ সূচনা হৈছিল। নৱজাগৰণৰ অন্যতম উপাদান, যুক্তিবাদ, আলোকতাবাদ ইত্যাদিয়ে সেই সময়ৰ ভাৰতীয় চিন্তাবিদ সকলৰ ওপৰত এক গভীৰ প্ৰভাৱ পেলাইছিল। গতিকে আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তা ভাৰতীয় নৱজাগৰণৰ লগত ওতঃপ্ৰোতভাৱে জড়িত।

আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাৰ বিশ্লেষণ ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ পৰা কোনোপধ্যে পৃথক কৰিব নোৱাৰি। দৰাচলতে স্বাধীনতা সংগ্ৰামৰ লগে লগেই ভাৰতত ৰাজনৈতিক দৰ্শনে এক নতুন গতি লাভ কৰিছিল। আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তা প্ৰাচীন আৰু মধ্যযুগীয় চিন্তাতকৈ কিছু পৃথক হ'লেও একেবাৰে সামঞ্জস্যহীন নহয়। অৰ্থাৎ ইয়াত কিছু পৰিমাণে ধাৰাবাহিকতা দেখা যায়।

আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল মানৱতাবাদ, আধ্যাত্মিকতাবাদ, সমাজিক ধৰ্মীয় সংস্কাৰগত শিক্ষাৰ সৰল উপস্থিতি। ৰবীন্দ্ৰনাথ ঠাকুৰ, ৰাজা ৰামমোহন ৰয়ৰ চিন্তাত ক্ৰমান্বয়ে আধ্যাত্মিকতা, মানৱতাবাদ আদিৰ উপস্থিতি লক্ষ্যণীয় আছিল।

পশ্চিমীয়া আধুনিকতাৰ প্ৰতি পোষণ কৰা ধাৰণাৰ পৰাও আধুনিক ভাৰতীয় চিন্তাধাৰাৰ প্ৰকৃতি আলোচনা কৰিব পাৰি। এই সম্পৰ্কে আধুনিক চিন্তাবিদসকলে তিনি ধৰণৰ ধাৰণা পোষণ কৰিছিল— ধনাত্মক (Positive), ঋণাত্মক (Negative) আৰু ভাৰসাম্যমূলক (Balanced)। পশ্চিমীয়া আধুনিকতা সম্পৰ্কত ধনাত্মক ধাৰণা পোষণ কৰা চিন্তাবিদসকল আছিল ৰাজা ৰামমোহন ৰয়, মহাদেৱ গোবিন্দ ৰাণাডে, দাদাভাই নৌৰজী, গোপাল কৃষ্ণ গোখলে ইত্যাদি। এওঁলোকে পশ্চিমীয়া ভাৱধাৰাক ভাৰতৰ সমাজ সংস্কাৰৰ বাবে প্ৰয়োজনীয় বুলি বিবেচনা কৰিছিল। ইয়াৰ বিপৰীতে আন এচাম চিন্তাবিদে পশ্চিমীয়া আধুনিকতাক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল আৰু ইয়াক ভাৰতীয় চিন্তা, সভ্যতা আৰু দৰ্শনৰ শত্ৰু গণ্য কৰিছিল। এই চিন্তাবিদসকলে প্ৰাচীন ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ পুনৰ প্ৰতিষ্ঠাত গুৰুত্ব দিছিল। এইসকলৰ অন্যতম আছিল বীৰ সাৱাৰকাৰ যিজনে প্ৰাচীন ভাৰতীয় হিন্দু জাতিৰ গৌৰৱক হিন্দুত্বৰ ধাৰণাৰ জৰিয়তে পুনৰ উদ্ধাৰত গুৰুত্ব দিছিল। দয়ানন্দ সৰস্বতী, লালা লাজপাট ৰয় আদিও এই চিন্তাৰ সমৰ্থক আছিল। এই দুয়োটা পৰস্পৰ বিপৰীতমুখী ধাৰাৰ মাজত আন এটা ধাৰাই আকৌ পশ্চিমীয়া আধুনিকতাৰ লগত ভাৰতীয় চিন্তাৰ ভাৰসাম্য প্ৰতিষ্ঠাত গুৰুত্ব দিয়ে। সেইসকলৰ ভিতৰত অন্যতম হ'ল মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, ৰবীন্দ্ৰ নাথ ঠাকুৰ ইত্যাদি।

আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাৰ কেইটামান উল্লেখনীয় দিশ হ'ল মহান বা বিখ্যাত তত্ত্বৰ অভাৱ (Lack of general theory), সন্মিলিত চিন্তাৰ অভাৱ (Lack of syncretic tradition), সম্ভ্ৰান্তবাদীতা (Elitist) আৰু ৰাজনৈতিক নেতাৰ দ্বাৰা আলোচিত। প্ৰাচীন ভাৰতীয় ৰাজনৈতিক চিন্তাই ৰাজনৈতিক চিন্তাৰ ক্ষেত্ৰত যিদৰে কিছুমান বিখ্যাত তত্ত্ব বা ধাৰণা আগবঢ়াইছিল তাৰ তুলনাত আধুনিক চিন্তাই কোনো বিখ্যাত তত্ত্ব ৰাজনৈতিক ক্ষেত্ৰলৈ আগবঢ়াব নোৱাৰিলে। প্ৰাচীন চিন্তাৰ অন্তৰ্গত কৌটিল্যৰ সপ্তাঙ্গ, মণ্ডল তত্ত্ব, বেদব্যাসৰ ৰাজধৰ্ম আদিৰ দৰে কোনো প্ৰতিষ্ঠিত তত্ত্ব আধুনিক ভাৰতীয় চিন্তাত দেখা নাযায়। ইয়াৰ বিপৰীতে পশ্চিমীয়া আধুনিক চিন্তা কিন্তু যথেষ্ট চহকী। সামাজিক চুক্তিতত্ত্ববিদ হ'বছ, ল'ক, কাৰ্ল মাৰ্ক্স, হেগেল আদিৰ তত্ত্ব পশ্চিমীয়া আধুনিক চিন্তাৰ অন্যতম মহান তত্ত্ব হিচাপে পৰিগণিত। অৱশ্যে ইয়াৰ আৰত কিছুমান বাস্তৱ কাৰণো আছে। পশ্চিমীয়া চিন্তাবিদসকলৰ বিপৰীতে বেছিভাগ আধুনিক ভাৰতীয় চিন্তাবিদ হয় ৰাজনৈতিক নেতা নাইবা সমাজ সংস্কাৰক আছিল। এওলোক দৰাচলতে কোনো দাৰ্শনিক নহয় আৰু সেয়েহে তেওঁলোকে কোনো দাৰ্শনিক তত্ত্বও আগবঢ়োৱা নাই। তেওঁলোকে মাত্ৰ কিছুমান কৰ্মপন্থাহে আগবঢ়াইছিল যিবোৰ সমাজৰ কল্যাণৰ বাবে প্ৰয়োজনীয়।

সন্মিলিতবাদৰ অভাৱ আধুনিক ভাৰতীয় চিন্তাৰ আন এটা বৈশিষ্ট্য। সন্মিলিতবাদে বিভিন্ন ধৰ্মীয়, সাংস্কৃতিক আৰু সামাজিক দিশৰ সমন্বয়ক বুজায়। সন্ত কবীৰক এই ধাৰাৰ (প্ৰাচীন ভাৰতীয় চিন্তাৰ) এজন অন্যতম প্ৰৱৰ্তক আখ্যা দিয়া হয়। কিন্তু আধুনিক ভাৰতীয় চিন্তাই ইছলামিক, বৌদ্ধিক, জৈন ইত্যাদি ধাৰাক একাষৰীয়া কৰি কেৱল হিন্দু ধৰ্মীয় ধাৰাটোকহে অগ্ৰাধিকাৰ দিয়া দেখা যায়।

বিভিন্ন বিশ্লেষকৰ মতে আধুনিক ভাৰতীয় চিন্তাধাৰা মূলতঃ সম্ভ্ৰান্তবাদী প্ৰকৃতিৰ। ইয়াত সমাজৰ পিছপৰা, দুৰ্বল শ্ৰেণীৰ লোকসকল অংশগ্ৰহণকাৰী নাছিল।

ৰাজনৈতিক স্বাধীনতা আৰু সামাজিক স্বাধীনতাৰ মাজৰ বিতৰ্ক আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাৰ আন এক উল্লেখযোগ্য দিশ। এচাম চিন্তাবিদৰ মতে সামাজিক সংস্কাৰ আৰু স্বাধীনতা ৰাজনৈতিক স্বাধীনতাতকৈ বেছি প্ৰয়োজনীয়। ৰাজা ৰামমোহন ৰয়, আম্বেদকাৰ, মহাত্মা গান্ধী আদিয়ে এই মত পোষণ কৰিছিল। ইয়াৰ বিপৰীতে বাল গংগাধৰ তিলক, বীৰ সাৱাৰকাৰ আদিৰ দৰে চিন্তাবিদে মত প্ৰকাশ কৰিছিল যে সামাজিক স্বতন্ত্ৰতাতকৈ ৰাজনৈতিক স্বতন্ত্ৰতাহে অধিক প্ৰয়োজনীয়।

**Excercise :**

1. Write a short note on Modern Indian Political Thought.
2. Analyse the nature of Modern Indian Political Thought.
3. What are the major streams of Modern Indian Political Thought? Discuss in brief.
4. What are the main limitations of Modern Indian Political Thought?
5. Discuss in brief the liberal stream of Modern Indian Political Thought.

দ্বিতীয় অধ্যায়

# ৰাজা ৰামমোহন ৰয় (১৭৭২-১৮৩৩)
# (Raja Rammohan Roy 1772-1833)

**তেওঁৰ ৰচনাৱলী ঃ**

1. A letter to Lord Amherest on English Education.
2. A tract on religious toleration.
3. Petition against the press regulation to the supreme court and to the king in council.
4. Rights of hindus over ancestral properties according to law of Bengal.
5. Remarks on Settlement in India by Europeans.
6. Gift to Monotheist.
7. Precepts of Jesus.
8. Final Apeal to the chirstian public.
9. An Exposition of Revenue and Jidicial system of India.
10. Universal Religion
11. The Modern encrochment on the ancient rights of females according to the hindu law of inheritance.

**তেওঁৰ আন কৰ্মৰাজী ঃ**

(i) 1815 চনত আত্মীয়সভা (Spirtual Society) প্ৰতিষ্ঠা।

(ii) 1821 চনত 'সংবাদ কৌমুদী' প্ৰকাশ।

(iii) 1821 চনত কলিকতা ইউনিটেৰিয়ান এচোছিয়েচন প্ৰতিষ্ঠা।

(iv) 1828 চনৰ 20 আগষ্টত ব্ৰাহ্মসমাজ প্ৰতিষ্ঠা।

## জীৱন পৰিক্ৰমা ঃ

যিসকল মণিষীয়ে আজিৰ ভাৰতৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক বিকাশৰ বুনিয়াদ ৰচনা কৰিছিল তাৰ ভিতৰত ৰাজা ৰামমোহন ৰায়ৰ নাম অন্যতম। তেওঁক আধুনিক ভাৰতৰ পিতৃপুৰুষ নামেও অভিহিত কৰা হয়। ৰামমোহন ৰয়ৰ নেতৃত্বতে ভাৰতীয় নৱজাগৰণৰ সূত্ৰপাত হৈছিল। ভাৰতীয় নৱজাগৰণৰ প্ৰভাৱত গঢ় লোৱা পৰিৱৰ্তনমুখী নতুন সংস্কৃতি, আধুনিকধৰ্মী আৰু মানৱতাবাদী ভাৱধাৰাৰ বিচাৰ বিশ্লেষণ কৰোতে ৰয়ৰ আদৰ্শবোৰ অতি তাৎপৰ্যপূৰ্ণ।

ৰামমোহন ৰয়ৰ জন্ম হৈছিল 1772 চনত বঙ্গৰ মেদিনীপুৰ জিলাত। তেওঁ জাৰ্মান চিন্তাবিদ হেগেলৰ সমসাময়িক আছিল। ৰামমোহন ৰয়ৰ দেউতাক ৰমাকান্ত ৰয় এজন বৈষ্ণৱ আছিল আকৌ মাক ফুল ঠাকুৰাণী আছিল এগৰাকী শাক্ত ধৰ্মত বিশ্বাসী লোক। সেইবাবে সৰু কালৰে পৰা ধৰ্মই তেওঁৰ অন্তৰত এক বিশেষ প্ৰভাৱ পেলাইছিল। এফালেদি তেওঁ বিভিন্ন ধৰ্ম আৰু তাৰ লগত জড়িত অনুষ্ঠানবোৰৰ প্ৰতি কৌতুহলী হৈ পৰিছিল আনহাতে ধৰ্মীয় নীতি-নিয়মৰ সংকীৰ্ণতা আৰু আতিশয্যাই তেওঁৰ মন বিদ্ৰোহী কৰি তুলিছিল। তেওঁ সৰুৰে পৰা বাংলা, পাৰ্চী আৰু সংস্কৃত ভাষা অধ্যয়ন কৰিছিল। ইয়াৰ যোগেদি তেওঁ হিন্দু ধৰ্মৰ বেদ আৰু ইছলাম ধৰ্মৰ কোৰাণৰ জ্ঞান আয়ত্ব কৰিবলৈ সক্ষম হৈছিল। এনেদৰেই এফালে সংস্কৃত সাহিত্যৰ যোগেদি ভাৰতীয় দৰ্শনৰ তাৎপৰ্য উপলব্ধি কৰিছিল আনফালে আৰবী সাহিত্যৰ যোগেদি পাশ্চাত্য যুক্তিবাদৰ লগত পৰিচয় ঘটিছিল (সেই সময়ত আৰবী ভাষাত গ্ৰীক দৰ্শন, চিন্তা, জ্যোতিৰ্বিদ্যা আৰু অংকশাস্ত্ৰৰ ওপৰত বিশেষ ৰচনা ওলাইছিল)। ৰামমোহন ৰয়ে যুক্তিবাদৰ দ্বাৰা পৰিচালিত হৈ হিন্দু ধৰ্মৰ বিভিন্ন দোষ ত্ৰুটি আঙুলিয়াই দিছিল। ৰয়ৰ এই কাৰ্যত ক্ষুব্ধ হৈ দেউতাকে তেওঁক ঘৰৰ পৰা উলিয়াই দিছিল। ৰয় অৱশ্যে নিজৰ সিদ্ধান্তত অটল আছিল। দেউতাকৰ মৃত্যুৰ পিচত ৰামমোহন ৰায় 1803 চনত মুৰ্চিদাবাদলৈ গৈ তাত কোম্পানীৰ চিৰস্তাদাৰৰ চাকৰি কৰিছিল। অৱশ্যে ৰয় এই চাকৰিক লৈ বিশেষ সন্তুষ্ট নাছিল 1814 চনত তেওঁ এই পদ ত্যাগ কৰি কলিকতালৈ আহে আৰু 1815 চনত এক আত্মীয় সমাজ (Spiritual Society) নামৰ এক অনুষ্ঠান প্ৰতিষ্ঠা কৰে। এই সভাৰ যোগেদি বেদ উপনিষদ আৰু ব্ৰহ্মতত্বৰ বিষয়ে আলোচনা কৰি সামাজিক কু-সংস্কাৰবোৰ কেনেকৈ দূৰ কৰিব পৰা যায় সেই বিষয়ে গভীৰভাৱে চিন্তা কৰা হৈছিল। ৰয়ৰ তত্বাৱধানতে 1821 চনত 'সংবাদ কৌমুদী' প্ৰকাশ পায়। ইয়াৰ যোগেদি তেওঁ গ্ৰহণ কৰা আন্দোলনৰ সপক্ষে জনমত গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছিল।

ৰয়ে 1821 চনত কলিকতাত ভাৰতীয় জনগণৰ সকলো দিশৰ উন্নয়নৰ কাৰণে ইউনিটেৰিয়ান এছোচিয়েচন বা অদ্বৈতবাদী সমাজ প্ৰতিষ্ঠা কৰে। এই সমাজৰ দ্বাৰা ধৰ্মৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে জনসাধাৰণৰ সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ প্ৰতিও লক্ষ্য কৰা হৈছিল।

1822 চনত ৰয়ে পাৰ্চী সংবাদপত্ৰ 'মিৰাল উল আহ্বাৰ' প্ৰকাশ কৰিছিল। সেই চনতে তেওঁ ডেভিদ হেয়াৰ আৰু ৰেভাৰেণ্ড উইলিয়াম এডামৰ সৈতে লগ লাগি এংলো হিন্দু স্কুল স্থাপন কৰে। 1828 চনত ৰামমোহন ৰয়ে ব্ৰাহ্মসমাজ প্ৰতিষ্ঠা কৰি সকলো ধৰ্মৰ লোককে একেশ্বৰবাদত বিশ্বাস কৰাৰ লগতে ধৰ্মীয় সহিষ্ণুতা বৃদ্ধি কৰি ধৰ্মীয় সংকীৰ্ণতা নাশ কৰাৰ বাবে প্ৰচেষ্টা চলাইছিল।

ৰামমোহন ৰয়ে ভাৰতৰ দাবীসমূহ বৃটিছ চৰকাৰৰ ওচৰত দাঙি ধৰাৰ বাবে 1831 চনত ইংলেণ্ডলৈ গৈছিল। তাত পোনপোটিয়াকৈ বৃটিছ চৰকাৰক প্ৰভাবান্বিত কৰিব চেষ্টা কৰিছিল। 1833 চনত এই মহান সমাজ সেৱক জনৰ ব্ৰিটেইনৰ ব্ৰিষ্টল চহৰ 'Meningitis' ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে।

## সমাজ সংস্কাৰক হিচাবে ৰাজা ৰামমোহন ৰয়

## (Raja Rammohan Roy as a Social Reformer)

আধুনিক ভাৰতৰ অন্যতম চিন্তাবিদ ৰাজা ৰামমোহন ৰয়ৰ দাৰ্শনিক অৱদান বিশেষ নাই। তেওঁ মূলতঃ এজন সমাজ সংস্কাৰক। ৰামমোহন ৰায়ে সমাজৰ প্ৰায় আটাইকেইটা দিশতে থকা দোষ ত্ৰুটিবোৰ আঙুলিয়াই দি ভাৰতীয় সমাজ ব্যৱস্থা সংস্কাৰৰ কাৰণে বিশেষ পদক্ষেপ গ্ৰহণ কৰা দেখা যায়।

ৰামমোহন ৰয় যি সময়ত জন্ম গ্ৰহণ কৰিছিল সেই সসময়ত ভাৰতীয় সমাজৰ প্ৰায় আটাইবোৰ দিশতে অনেক সমস্যাই গা কৰি উঠিছিল। ৰামমোহন ৰয়ৰ সময়ছোৱাত ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত অস্থিৰতাই গা কৰি উঠিছিল। মোগল সাম্ৰাজ্যৰ পতনে সাৰ্বভৌম কৰ্তৃপক্ষৰ শূন্যতাৰ সৃষ্টি কৰিছিল। বিভিন্ন অঞ্চলত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে দখল স্থাপন কৰিবলৈ সক্ষম হৈছিল ইয়াক প্ৰতিৰোধ কৰাৰ বাবে উপযুক্ত ভাৰতীয় কৰ্তৃপক্ষৰ অভাব আছিল। সামাজিক ক্ষেত্ৰতো হিন্দু মুছলমানৰ মাজত ব্যৱধান বৃদ্ধি হৈছিল। হিন্দু সমাজ ব্যৱস্থাত সতীদাহ প্ৰথা, জাতিব্যৱস্থা, মূৰ্তি পূজা, বহুবিবাহ আদিয়ে গা কৰি উঠিছিল। মহিলাৰ সামাজিক মৰ্যাদাৰ যথেষ্ট অৱক্ষয় ঘটিছিল। অৰ্থাৎ প্ৰাচীন ভাৰতীয় মূল্যবোধ আৰু ঐতিহ্য ম্লান হৈছিল, তাৰ ঠাইত অনীতি অসুয়াই গা কৰি উঠিছিল। অৰ্থনৈতিক ক্ষেত্ৰত গঢ়ি উঠা জমিদাৰী প্ৰথাই কৃষক আৰু শ্ৰমিক শ্ৰেণীৰ আৰ্থিক অৱস্থা কোঙা কৰি পেলাইছিল। এনেবোৰ সমস্যাৰ মাজত ডাঙৰ হোৱা ৰয়ে এই সমস্যাৰ পৰা ভাৰতীয় সমাজ ব্যৱস্থাক উদ্ধাৰ কৰাৰ বাবে যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছিল। তাৰ ভিত্তিতে তেওঁ বিভিন্ন সংস্কাৰ আন্দোলন গঢ়ি তুলিছিল।

ৰামমোহন ৰয়ে যি সংস্কাৰ আন্দোলন গঢ়ি তুলিছিল— সি আছিল মূলতঃ সামাজিক প্ৰকৃতিৰ। ৰাজনৈতিক স্বাধীনতা অৰ্থাৎ ভাৰতৰ পৰা বৃটিছ শাসন ওফৰাই পেলোৱাৰ ক্ষেত্ৰত ৰয়ৰ অৱদান সীমিত আছিল। সেয়ে V. P. Varma ই কৈছে— Ram Mohan Roy loved his country, he was a profound religious scholar and a mighty social reformer but he was not a martyr. Student of Indian history and politics should not forget that at a time when the marathas and sikh in howsoever local and limited a way, were fighting for independence, this 'Father of Modern India' was writing in praise of British rule. ৰামমোহন ৰয় যথেষ্ট উদাৰ ব্যক্তিত্বৰ লোক আছিল। তেওঁ বৃটিছ সকলে ভাৰতৰ বাবে গ্ৰহণ কৰা সমাজ সংস্কাৰক কাৰ্য আৰু শিক্ষা বিস্তাৰৰ পদক্ষেপক ভূয়যী প্ৰশংসা কৰিছিল।

ৰামমোহন ৰয়ৰ সমাজ সংস্কাৰৰ আন্দোলনবোৰে মূলতঃ দুটা দিশক প্ৰাধান্য দিয়া দেখা যায়— (ক) ধৰ্মীয় সংস্কাৰ আৰু (খ) মহিলাৰ মৰ্যাদা উন্নতিকৰণ আৰু অধিকাৰ প্ৰদান।

### ধৰ্মীয় সংস্কাৰ

### (Religious reform)

ৰামমোহন ৰয়ে সৰু কালৰে পৰা ধৰ্ম সম্পৰ্কত সচেতন হৈ পৰিছিল। তেওঁ ডাঙৰ-দীঘল হৈছিল এক ভিন্ন ধৰ্মীয় পৰিবেশত। পিতৃ বৈষ্ণৱ আৰু মাতৃ শাক্ত এই দুই ধৰ্মীয় ধাৰাৰ প্ৰভেদে সৰুতেই তেওঁৰ অন্তৰ স্পৰ্শ কৰিছিল। তেওঁ সেই সিদ্ধান্ত মৰ্মে ধৰ্মৰ প্ৰচলিত অন্ধবিশ্বাস আৰু কু-সংস্কাৰবোৰ আতৰ কৰাৰ বাবে হাতে-কামে লাগিছিল। তেওঁৰ ধৰ্মীয় সংস্কাৰৰ মূল দিশবোৰ হ'ল—

(১) **মানৱতাবাদ হ'ল ধৰ্মৰ মূল ঃ** ৰয়ৰ মতে ধৰ্মৰ মূলবস্তু হ'ব লাগে মানৱতা। তেওঁৰ মতে প্ৰত্যেক ধৰ্মতে

কিছুমান আধ্যাত্মিক আৰু নৈতিক দিশ থাকে। ধৰ্মৰ এই দিশবোৰে কেন্দ্ৰীয় বিষয় হিচাবে মানৱীয় প্ৰমূল্যবোধক গুৰুত্ব দিব লাগে। সেয়ে তেওঁ এক সাৰ্বজনীন ধৰ্মৰ পোষকতা কৰিছিল। 1829 চনত ৰামমোহন ৰয়ে তেওঁৰ 'Universal Religion' নামৰ পুস্তিকাত এই কথাকে উল্লেখ কৰিছিল।

(২) **মূৰ্তি পূজাৰ বিৰুদ্ধাচৰণ ঃ** ৰামমোহন ৰয়ে হিন্দু সমাজ ব্যৱস্থাত প্ৰচলিত মূৰ্তি পূজাৰ বিৰুদ্ধাচৰণ কৰিছিল। তেওঁৰ মতে 'Idolatry in Hinduism was the main cause of useless and costly ceremonies. It was the source of prejudice and superstition and led often to the total destruction of moral principle and gave rise of evil social custom.' অৰ্থাৎ ৰয়ৰ মতে মূৰ্তি পূজাৰ নামত অবাৰত অৰ্থ খৰচ হয় লগতে ই মানুহৰ নৈতিক গুণৰ অৱক্ষয় কৰে আৰু কু-সামাজিক প্ৰথাৰ জন্ম দিয়ে।

(৩) **একেশ্বৰবাদত বিশ্বাস ঃ** ৰামমোহন ৰয়ৰ ধৰ্মীয় সংস্কাৰ আন্দোলনৰ আন এক দিশ হ'ল— সমাজত প্ৰচলিত বহু-ঈশ্বৰবাদৰ ধাৰণাৰ ঠাইত একেশ্বৰবাদত বিশ্বাস প্ৰতিষ্ঠা কৰা। 1804 চনত একেশ্বৰবাদৰ সমৰ্থনত তেওঁ 'তুহফাৎ উল মুয়াহদ্দিন' নামৰ এখন গ্ৰন্থ লিখি উলিয়াই ইয়াত তেওঁ ধৰ্ম আৰু সমাজ সম্পৰ্কীয় আলৌকিক আৰু অযৌক্তিক প্ৰথাৰ তীব্ৰ সমালোচনা কৰে। এই গ্ৰন্থখনিয়ে পৰৱৰ্তী সময়ত সৰ্বধৰ্মমতৰ তাত্বিক সমন্বয় সাধনৰ প্ৰচেষ্টাক মৌলিক অনুপ্ৰেৰণা যোগায় বুলি ক'ব পাৰি।

(৪) **ভগৱানৰ আলৌকিক শক্তিত অবিশ্বাস ঃ** ৰামমোহন ৰয়ে ধৰ্মক অন্ধবিশ্বাসৰ পৰা মুক্ত কৰাৰ প্ৰচেষ্টা চলাইছিল। ৰামমোহন ৰয় অলৌকিক শক্তিত অবিশ্বাসী আছিল। তেওঁৰ মতে কোনো আলৌকিক ক্ষমতা এই বিশ্বত নাই। তেওঁ ভগৱানৰ অলৌকিক শক্তিকো বিশ্বাস কৰা নাছিল। তেওঁৰ ভাষাত 'It is an admitted fact that the creator has no power to create impossibile things.'

**ৰামমোহন ৰয়ে ধৰ্মীয় সংস্কাৰৰ বাবে ভালেমান অনুষ্ঠানো প্ৰতিষ্ঠা কৰিছিল। তাৰ ভিতৰত উল্লেখনীয় হ'ল—**

**(ক) আত্মীয় সভা ঃ** 1815 চনত ৰয়ে আত্মীয় সভা প্ৰতিষ্ঠা কৰিছিল। এই সভাৰ যোগেদি বেদ উপনিষদ আৰু ব্ৰহ্মতত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছিল।

**(খ) ব্ৰাহ্মসমাজ ঃ** 1828 চনত ৰামমোহন ৰয়ে ব্ৰাহ্মসমাজ প্ৰতিষ্ঠা কৰি সকলো ধৰ্মৰ লোককে এক ভগৱানক বিশ্বাস কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ এই সমাজৰ যোগেদি ধৰ্মসংস্কাৰৰ বাবে এক আন্দোলন গঢ়ি তুলিব বিচাৰিছিল।

দৰাচলতে ৰয়ৰ চিন্তাৰ মুল ভিত্তি হ'ল যুক্তি আৰু মানৱতাবাদ। তেওঁ যুক্তিৰ ভিত্তিত ধৰ্মত প্ৰচলিত কু-সংস্কাৰবোৰ আতৰ কৰি মানৱতাৰ বেদিত প্ৰতিস্থিত ধৰ্মকহে সমৰ্থন কৰিছিল। ৰয়ে ধৰ্মীয় সংস্কাৰৰ স্বাৰ্থত ভাৰতীয় সমাজত শিক্ষাৰ ব্যাপক প্ৰসাৰণৰ ওপৰত গুৰুত্ব দিছিল। তেওঁৰ মতে উপযুক্ত শিক্ষাইহে মানুহৰ মনৰ সংকীৰ্ণতা আতৰ কৰি উদাৰ মনোভাৱ পোষণ কৰিব পাৰে।

## মহিলাৰ মৰ্যাদা উন্নিতকৰণ আৰু অধিকাৰ প্ৰদান

ৰামমোহন ৰয়ৰ সমাজ সংস্কাৰৰ আন এক গুৰুত্বপূৰ্ণ দিশ আছিল মহিলাৰ প্ৰস্থিতি উন্নিতকৰণ আৰু মহিলাক অধিকাৰ প্ৰদান। ৰামমোহন ৰয়ে লক্ষ্য কৰিছিল প্ৰাচীন উপনিষদবোৰত মহিলাক যথেষ্ট মৰ্যাদা দিয়া হৈছিল যদিও তেওঁৰ সময়ৰ সমাজ ব্যৱস্থাত বাল্য বিবাহ, সতীদাহ প্ৰথা, বহুবিবাহ আদিকে ধৰি মহিলাৰ মৰ্যাদা হানিকৰ যথেষ্ট প্ৰথা প্ৰচলিত আছিল। এই প্ৰথাবোৰ দূৰ কৰাৰ সপক্ষে তেওঁ সংস্কাৰ আন্দোলন গঢ়ি তুলিছিল।

নাৰীমুক্তিৰ ক্ষেত্ৰত ৰয়ে লোৱা কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ তলত উল্লেখ কৰা হ'ল—

(ক) **সতীদাহ প্ৰথাৰ বিৰুদ্ধে জনমত ঃ** ৰামমোহন ৰয়ে নাৰী মুক্তিৰ বাবে চলোৱা প্ৰচেষ্টাৰ অন্যতম আছিল সতীদাহ প্ৰথাৰ বিৰুদ্ধে গঢ়ি তোলা জনমত। সতীদাহ প্ৰথা অনুসৰি কোনো পত্নীৰ স্বামীৰ মৃত্যু হ'লে তেওঁৰ সতীত্ব অক্ষুণ্ণ ৰক্ষাৰ বাবে পতিৰ চিতাৰ জুইত জীৱন্তে পত্নীক পুৰি মৰা হয়। হিন্দু ব্যৱস্থাত প্ৰচলিত এই নীতিৰ তেওঁ তীব্ৰ বিৰুদ্ধাচৰণ কৰিছিল। সতীদাহ প্ৰথাৰ বিৰুদ্ধে ৰয়ৰ আন্দোলনৰ ভেটি গঢ়ি উঠিছিল 1811 চনত। 1811 চনত ৰামমোহনৰ ককায়েক জগমোহন ৰয়ৰ মৃত্যুৰ পাছত তেওঁৰ বিধৱা পত্নীক জীৱন্ত অৱস্থাত বলেৰে পুৰি মৰা কাৰ্যই তেওঁক তীব্ৰ আঘাট দিয়ে আৰু এই প্ৰথা ৰোধ কৰাৰ কাৰণে তেওঁ দৃঢ় প্ৰতিজ্ঞা হয়। তেওঁ সতীদাহ প্ৰথা ৰোধ কৰাৰ উদ্দেশ্যে সফল জনমত গঢ়ি তুলিবলৈ বেদ, উপনিষদ আৰু ভাগৱত গীতাৰ পৰা উদ্ধৃতি দি এইটো প্ৰতিপন্ন কৰিবলৈ বিচাৰিছিল যে হিন্দু ধৰ্মৰ কোনো ক্ষেত্ৰতে সতীদাহ প্ৰথাক সমৰ্থক কৰা নাই তাৰ বিপৰীতে বিধৱা সকলক পবিত্ৰ আৰু ধাৰ্মিক জীৱন যাপনৰহে বিধান আছে। 1813 চনৰ পৰা 1828 চনৰ কালছোৱাত সতীদাহ প্ৰথাৰ বিৰুদ্ধে সাহসী জনমত গঢ়ি তেওঁৰ মতামত যুক্তি সহকাৰে বাখ্যা কৰিছিল। তেওঁৰ প্ৰচেষ্টাৰ ভিত্তিতে লৰ্ড উইলিয়াম বেণ্টিংকে 1829 চনৰ 4 ডিচেম্বৰত সতীদাহ প্ৰথা বন্ধ কৰাৰ বাবে আইন প্ৰণয়ন কৰে। ৰয়ৰ নেতৃত্বত এনেদৰে এক অমানৱীয় কাৰ্য চিৰকাললৈ ভাৰতীয় সমাজৰ পৰা লোপ পালে।

(খ) **সম্পত্তিৰ উত্তৰাধিকাৰী স্বৰূপে মহিলাকো অংশ প্ৰদান ঃ** ৰামমোহন ৰয় ভাৰতৰ সমাজ ব্যৱস্থাই পৈতৃক সম্পত্তিৰ উত্তৰাধিকাৰী হিচাপে কেৱল মহিলাক স্বীকৃতি প্ৰদান কৰাৰ তীব্ৰ বিৰোধিতা কৰে। তেওঁৰ দৃষ্টিত সম্পত্তিৰ অধিকাৰ মহিলাই নোপোৱা কাৰণতে বহু সময়ত মহিলাৰ সামাজিক পদমৰ্যাদা নিম্ন হয়। ৰয়ে প্ৰাচীন ন্যায়বিদ নাৰদ, বিষ্ণু, বৃহস্পতি আদিৰ উক্তিৰ উদ্ধৃতি দি মন্তব্য কৰে যে স্বামীৰ মৃত্যুৰ পিছত সম্পত্তিৰ উত্তৰাধিকাৰী স্বৰূপে পত্নী আৰু পুত্ৰই পোৱাৰ উপৰিও ছোৱালীয়েও সেই সম্পত্তিৰ ১/৪ অংশ পোৱা উচিত। এই ক্ষেত্ৰত তেওঁ আইন প্ৰণয়নৰ বাবে সজোৰে দাবী উত্থাপন কৰে। অৱশ্যে বৰ্তমানৰ ভাৰতীয় আইন অনুসৰি মহিলায়ো পুৰুষৰ সমানে সম্পত্তিৰ উত্তৰাধিকাৰীৰ অধিকাৰ পাইছে।

এইবোৰৰ উপৰিও মহিলাৰ বিভিন্ন অধিকাৰৰ বাবে তেওঁ দাবী উত্থাপন কৰিছিল। তেওঁৰ মহিলা সম্পৰ্কীয় অন্যান্য দাবীৰ ভিতৰত অন্যতম হ'ল— বহুবিবাহ বন্ধ কৰা, বাল্যবিবাহ বন্ধ কৰা, বিধৱা বিবাহ প্ৰচলন কৰা আদি। তেওঁ লক্ষ্য কৰিছিল ধৰ্মীয় পৱিত্ৰতা ৰক্ষা কৰাৰ নামত ভাৰতীয় সমাজ ব্যৱস্থাত এনে কিছুমান প্ৰথা প্ৰচলিত আছে যিবোৰ অনৈতিক, অমানবীয় আৰু অন্যায়মূলক। আকৌ যদিও ধৰ্মীয় পবিত্ৰতাৰ দোহাই দি এই অকাৰ্যবোৰ সমাজত সমৰ্থন কৰা হৈছিল তথাপি প্ৰাচীন ধৰ্মীয় গ্ৰন্থসমূহেও এইবোৰক স্বীকৃতি দিয়া নাছিল। সেয়েহে তেওঁ প্ৰাচীন বেদ উপনিষদৰ উদ্ধৃতি সহ সেইবোৰ পৰিশোধনৰ ব্যৱস্থা কৰিছিল। স্ত্ৰী শিক্ষাৰ সপক্ষেও তেওঁ মতপোষণ কৰিছিল।

নাৰী অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত ৰামমোহন ৰয়ে লোৱা সৰল প্ৰচেষ্টাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁক নাৰী মুক্তিৰ প্ৰথম উদ্যোক্তা আখ্যা দিব পাৰি। ৰায়ৰ অক্লান্ত প্ৰচেষ্টাৰ ফলস্বৰূপেই ভাৰতীয় সমাজ ব্যৱস্থাত এক জাগৰণ গঢ়ি উঠিছিল। পৰৱৰ্তী সময়ত নাৰী অধিকাৰ সম্পৰ্কীয় অনেক দাবী গঢ়ি উঠাৰ লগতে ভালেমান নাৰী অধিকাৰ সম্পৰ্কীয় আইনো প্ৰণয়ন কৰা হৈছে।

## জাতি ব্যৱস্থাৰ সংস্কাৰৰ ক্ষেত্ৰত ৰাজা ৰামমোহন ৰয়

### (Raja Rammohan Roy's views on the reformation of Caste system)

ৰামমোহন ৰয়ে সমাজ সংস্কাৰৰ ক্ষেত্ৰত্ত্ব যি অভিমত প্ৰদান কৰিছিল তাৰ ভিতৰত অন্যতম হ'ল জাতি ব্যৱস্থাৰ সংস্কাৰ। তেওঁ ভাৰতৰ হিন্দু সমাজ ব্যৱস্থাত প্ৰচলিত জাতি ব্যৱস্থাক সংস্কাৰ কৰাৰ ওপৰতো অভিমত প্ৰদান কৰিছিল। তেওঁৰ মতে জাতিব্যৱস্থাই ভাৰতৰ সমাজ ব্যৱস্থাত বিভাজন আনি সমাজত বিশৃঙ্খলতাৰহে পাতনি মেলিছে। 1828 চনত তেওঁ এখন চিঠিত মন্তব্য কৰিছে 'The distinction of caste, introducing innumerable divisions and subdivisions among them has entirely deprived them of patriotic feeling and the multitude of religious rites, ceremonies and the laws of purification have totaly disqualified them from undertaking any difficult enterprise.'

মানৱতাবাদৰ অন্যতম প্ৰবক্তা ৰামমোহন ৰয়ে সামাজিক প্ৰগতিৰ স্বাৰ্থত জাতি ব্যৱস্থাত সাঙোৰ খাই থকা অযুক্তিকৰ ধাৰণাবোৰ আতৰাই পেলোৱাৰ বাবে আহ্বান জনাইছিল। তেওঁৰ মতে জাতিব্যৱস্থাত সৃষ্টি কৰা চাৰিওটা শ্ৰেণীৰ সম অধিকাৰ আছে। কাৰোবাক উচ্চ আৰু কাৰোবাক নীচ জ্ঞান কৰাটো এক পাপ।

জাতিব্যৱস্থাৰ সংস্কাৰৰ বাবে আন্তঃজাতি বিবাহ ব্যৱস্থাক সমৰ্থন কৰাৰ লগতে সমাজৰ সকলোৰে বাবে শিক্ষা প্ৰৱৰ্তনৰ সপক্ষে তেওঁ মতপোষণ কৰিছিল।

ৰামমোহন ৰয় মূলতঃ এজন ধৰ্মীয় আৰু সমাজ সংস্কাৰক হ'লেও তেওঁ অৰ্থনৈতিক, ৰাজনৈতিক আৰু শিক্ষাৰ ক্ষেত্ৰতো ভালেমান সংস্কাৰমূলক পদক্ষেপ গ্ৰহণ কৰিছিল। তলত ৰামমোহন ৰয়ে লোৱা অৰ্থনৈতিক আৰু ৰাজনৈতিক সিদ্ধান্তবোৰ আলোচনা কৰা হ'ল।

## ৰামমোহন ৰয়ৰ ভাৰতীয় শিক্ষা ব্যৱস্থা সংস্কাৰৰ বাবে প্ৰদান কৰা অভিমত

### (Rammohan Roy's views towards the reform of Indian Education System)

ভাৰতীয় শিক্ষা ব্যৱস্থা সংস্কাৰৰ কাৰণেও ৰাজা ৰামমোহন ৰয়ে কাৰ্যপন্থা হাতত লৈছিল। ৰামমোহন ৰয়ে, ভাৰতত পাশ্চাত্যৰ উদাৰনৈতিক শিক্ষা আৰু চিন্তা-চৰ্চাৰ ওপৰত গুৰুত্ব দিছিল। ভাৰতত নতুন শিক্ষাৰ প্ৰচলন আৰু তাৰ যোগেদি পাশ্চাত্য জ্ঞান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা গঢ় দিয়া উদ্দেশ্যে ৰামমোহন ৰয়ে চিন্তা চৰ্চা কৰিছিল। মাতৃভাষাত বিজ্ঞানৰ শিক্ষা প্ৰদান কৰাৰ সপক্ষে ৰামমোহন ৰয়ে চিন্তা কৰিছিল। তেওঁৰ দৃষ্টিত ভাৰতে উন্নতিৰ জখলাত বগাবলৈ হ'লে মধ্যযুগীয়া পণ্ডিত শিক্ষা ব্যৱস্থা পৰিহাৰ কৰি আধুনিক বিজ্ঞান শিক্ষা প্ৰবৰ্তন কৰাটো বাঞ্ছনীয়। পশ্চিমীয়া দেশবোৰে ৰসায়ন বিজ্ঞান, পদাৰ্থ-বিজ্ঞান, অংকশাস্ত্ৰ, প্ৰাকৃতিক দৰ্শন আদিৰ ওপৰত গুৰুত্ব দিয়াৰ কাৰণেহে শিক্ষাৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। কলিকতাত সংস্কৃত কলেজ স্থাপন কৰা কাৰ্যক প্ৰতিবাদ কৰি 1823 চনত সেই সময়ৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড আমহাৰ্ষ্টৰ ওচৰত স্মাৰক দাখিল কৰি কৈছিল যে 'দুহেজাৰ বছৰ আগতে যি জ্ঞানৰ প্ৰসাৰণ ঘটিছিল, সংস্কৃত কলেজত ছাত্ৰবিলাকে সেই জ্ঞানহে পাব পাৰে। ইংৰাজ চৰকাৰে যদি ভাৰতীয় সকলক অজ্ঞান অন্ধকাৰত ৰাখিব বিচাৰে তেন্তে সংস্কৃত কলেজ প্ৰতিষ্ঠাৰ দ্বাৰাই তেওঁলোকৰ উদ্দেশ্য সফল হ'ব কিন্তু যিহেতু স্থানীয় লোকৰ উন্নতিৰ কাৰণেহে ব্যৱস্থা ল'ব বিচাৰিছে সেয়েহে গণিত, বিজ্ঞান, সাহিত্য দৰ্শন আদি বিষয়ৰহে শিক্ষাৰ ব্যৱস্থা কৰা ভাল। ৰামমোহন ৰয়ৰ প্ৰচেষ্টাতে হিন্দু কলেজ প্ৰতিষ্ঠা হৈছিল। উপযুক্ত ইংৰাজী শিক্ষক পঠাবলৈ তেওঁ মিচনেৰীসকলক অনুৰোধ

কৰিছিল। ৰয়ৰ মতে ইংৰাজী শিক্ষা ব্যৱস্থাইহে ভাৰতীয় সকলৰ মনৰ পৰা সংকীৰ্ণতা, অন্ধবিশ্বাস আতৰ কৰি উদাৰ মনোভাৱ পোষণ কৰিব পাৰিব।

## ৰয়ৰ ৰাজনৈতিক চিন্তাধাৰা

## (Political Thought of Roy)

ৰাজা ৰামমোহন ৰয়ৰ চিন্তাধাৰাই ৰাজনৈতিক ক্ষেত্ৰত কিছুমান দিশকো সামৰি লৈছে। ৰাজনৈতিক ক্ষেত্ৰত ৰয়ে ব্যক্তিৰ স্বাধীনতা সম্পৰ্কে মন্তব্য প্ৰকাশ কৰিছে। ৰয়, লক, গ্ৰাটিয়াচ, থমাচ পেইন আদি চিন্তাবিদৰ নিচিনাকৈ প্ৰাকৃতিক অধিকাৰত বিশ্বাসী আছিল। তেওঁ ব্যক্তিৰ জীৱন ধাৰণ, ব্যক্তিগত স্বাধীনতা আৰু সম্পত্তিৰ প্ৰাকৃতিক অধিকাৰৰ লগতে নৈতিক অধিকাৰকো সমৰ্থন কৰিছিল।

ৰয়ে ৰাষ্ট্ৰ স্বাধীনতাকো সমৰ্থন কৰিছিল। অৱশ্যে তেওঁ কেৱল ভাৰতৰ স্বাধীনতাকে সমৰ্থক কৰা নাছিল বৰং বিশ্বৰ বিভিন্ন প্ৰান্তত সাৰ্বভৌম ৰাষ্ট্ৰ গঠনৰ বাবে হোৱা আন্দোলনক সমৰ্থন কৰিছিল।

চৰকাৰ সম্পৰ্কে ৰয়ে সংসদীয় পদ্ধতিৰ চৰকাৰকহে সমৰ্থন কৰিছিল। ৰয়ৰ মতে সংসদীয় চৰকাৰেহে নাগৰিকৰ অধিকাৰ আৰু স্বাধীনতা সুৰক্ষিত কৰি ৰাখিব পাৰে।

ৰয়ে ব্যক্তিৰ স্বাধীনতাৰ লগতে প্ৰেচৰো স্বাধীনতাক সমৰ্থন কৰিছিল। 1828 চনত গৱৰ্ণৰ জেনেৰেল আদামে প্ৰেচৰ স্বাধীনতা খৰ্ব কৰাৰ বাবে ‘প্ৰেচ আইন বলবৎ’ কৰাত ৰয়ে তাৰ তীব্ৰ বিৰুদ্ধাচৰণ কৰাৰ লগতে আইনখনৰ বিৰুদ্ধে ন্যায়ালয়ত আপীল কৰিছিল। ন্যায়ালয়ে তেওঁলোকৰ প্ৰতিবেদন অগ্ৰাহ্য কৰাত প্ৰিভি কাউন্সিললৈ তেওঁলোকৰ দাবী প্ৰেৰণ কৰে। প্ৰেচ আইনৰ স্বাধীনতাৰ যোগেদি তেওঁ শিক্ষিত ভাৰতীয়ৰ মাজত আত্মসন্মানবোধ মনোভাব জগাই তোলাৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। তেওঁৰ মতে আত্মসন্মানৰ প্ৰতি সচেতন নহ'লে প্ৰগতি সাধন কৰা সম্ভৱ নহয়।

## ন্যায় ব্যৱস্থাৰ সংস্কাৰৰ ক্ষেত্ৰত ৰামমোহন ৰয়ৰ অবদান

## (Contribution of Raja Rammohan Roy Towards Judicial Reforms)

ৰামমোহন ৰয়ে ইংৰাজ বিচাৰ ব্যৱস্থাৰ সংস্কাৰৰ ওপৰতো গুৰুত্ব দিছিল। 1827 চনত গৃহীত হোৱা জুৰী আইনৰ বিৰুদ্ধে হোৱা আন্দোলনৰ লগত ৰয় ঘনিষ্ঠভাৱে জড়িত হৈ পৰিছিল। এই আইনখন সমতাৰ ভিত্তিত প্ৰতিষ্ঠিত নাছিল। এই আইনখনে ধৰ্মীয় বৈষম্যক গুৰুত্ব দিছিল। আইনখন অনুসৰি খ্ৰীষ্টান ধৰ্মালম্বী লোকৰ বিচাৰ চলি থকা সময়ত হিন্দু বা মুছলমান ব্যক্তিয়ে বিচাৰকৰ আসনত থাকিব নোৱাৰে। ৰামমোহন ৰয়ে 1829 চনৰ আগষ্ট মাহত দুয়োটা সদনতে এই আইনৰ বিৰুদ্ধে আপত্তিজনক প্ৰতিবেদন দাখিল কৰে।

ইংৰাজ ব্যৱস্থাৰ নীতিগত সংস্কাৰৰ ক্ষেত্ৰত ৰয়ে কেইটামান আদৰ্শনীয় প্ৰস্তাৱ দাঙি ধৰিছিল। তেওঁৰ মতে আইন বিভাগ আৰু বিচাৰ বিভাগ পৃথক হ'ব লাগে। ১৮৩৩ চনত কোম্পানীৰ চনদ আলোচনা হোৱা সময়ত ৰাজা ৰামমোহন ৰয়ে নিজৰ অভিমত দাখিল কৰিছিল।

ন্যায় প্ৰশাসনৰ বিষয়ত সকলো চৰকাৰী সিদ্ধান্ত ৰাজহুৱাভাৱে প্ৰকাশ হ'ব লাগে। আইনৰ ভাষা সহজ সৰল আৰু সকলোৰে বোধগম্য হ'ব লাগে।

সকলো শ্ৰেণীৰ লোকৰ কাৰণে একে ধৰণৰ আইন প্ৰণয়ন হ'ব লাগে অন্যথা ই প্ৰশাসনত জটিলতাৰ

সূচনা কৰিব।

মুঠতে ৰামমোহন ৰয় আছিল এজন প্ৰকৃত অৰ্থত সমাজ সংস্কাৰক। সমাজৰ আটাইবোৰ দিশকে সংস্কাৰ কৰি ভাৰতীয় সমাজক বিশ্বৰ বুকুত আদৰ্শ সমাজ হিচাবে প্ৰতিষ্ঠা কৰাৰ এক মানসিকতা তেওঁৰ গঢ়ি উঠিছিল। সেয়ে প্ৰকৃত শিক্ষাৰে সুশিক্ষিত কৰি, অন্ধবিশ্বাস, কু-সংস্কাৰ, সামাজিক কু-প্ৰথা আতৰ কৰাৰ লগতে ৰাজনৈতিক সুস্থিৰতা, জনতাৰ অংশগ্ৰহণ, অৰ্থনৈতিক উন্নতি সাধন কৰাৰ বাবে তেওঁ আহোপুৰুষাৰ্থ প্ৰচেষ্টা কৰিছিল।

## মানৱতাবাদী হিচাবে ৰামমোহন ৰয়

## (Rammohan Roy as a Humanist)

ভাৰতীয় ৰেণেচা বা নৱজাগৰণৰ পিতৃপুৰুষ ৰামমোহন ৰয়ৰ চিন্তাৰ অন্যতম ভেটি আছিল মানৱতাবাদ। তেওঁ মানৱীয় প্ৰমূল্যবোধক জাগ্ৰত কৰাৰ লগতে অন্যায়, শোষণ, অসমতা আতৰ কৰি সমাজৰ প্ৰতিজন ব্যক্তিকে নিম্নতম অধিকাৰ প্ৰদানৰ হ'কে জীৱনৰ সমস্ত সময় অতিবাহিত কৰিছিল।

ৰামমোহন ৰয়ৰ মূল কৰ্মসূচী আছিল সমাজৰ সংস্কাৰ সাধন কৰা। ৰয়ে তেওঁৰ জীৱন কালত সমাজত প্ৰচলিত কু-সংস্কাৰ, অনিময়, অনৈতিক কাৰ্য, শোষণ আদিৰ চাক্ষুষ অভিজ্ঞতা লাভ কৰিছিল। আকৌ ভাৰতীয় দৰ্শন আৰু পাশ্চাত্যৰ বৈজ্ঞানিক চিন্তা চৰ্চাই এহাতেদি তেওঁক উদাৰ আনহাতেদি বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী কৰি তুলিছিল। এনে অনীতি, ব্যাভিচাৰ, কু-সংস্কাৰ দূৰ কৰাৰ বাবেই তেওঁ সমাজ সংস্কাৰৰ কাৰ্যপন্থা গ্ৰহণ কৰিছিল। সমাজ সংস্কাৰৰ এই চৰিত্ৰই ৰামমোহন ৰয়ক এজন প্ৰকৃত মানৱতাবাদী হিচাবে প্ৰতিষ্ঠা কৰিছে।

ৰামমোহন ৰয়ৰ সমস্ত কৰ্মৰাজীৰে পৃষ্ঠভূমিৰ আদৰ্শটো হ'ল মানৱতাবাদ। তলত তাৰ কেইটামান উদাহৰণ দাঙি ধৰা হ'ল—

(ক) ধৰ্মীয় সংস্কাৰৰ বাবে ধৰ্মৰ নামত চলা অনীতি অসূয়া দূৰ কৰি সমাজত মানৱ সেৱাই প্ৰকৃত ধৰ্ম হিচাবে যি ধাৰণা প্ৰতিষ্ঠা কৰিছে সেয়া মানৱতাবাদৰ উৎকৃষ্ট নিদৰ্শন।

(খ) সমাজৰ এক অবিচিন্ন অংশ হ'ল মহিলাবোৰ। ভাৰতীয় সমাজ ব্যৱস্থাত মহিলাৰ অধিকাৰ ভূলুণ্ঠিত কৰা যিবোৰ প্ৰথা— সতীদাহ প্ৰথা, বাল্য বিবাহ, বহুবিবাহ, মহিলাৰ সম্পত্তিৰ অধিকাৰহীনতা আদিৰ বিৰুদ্ধে যুজ দি মহিলাৰ সন্মান উন্নতিকৰণৰ বাবে যি প্ৰচেষ্টা চলাইছিল সম্ভৱত সেই সময়ত মানৱতাবাদী চিন্তাধাৰাৰ নিদৰ্শন ইয়াতকৈ উন্নত মানৰ হোৱা অসম্ভৱ।

(গ) ভাৰতীয় সমাজত জাতি প্ৰথাৰ নামত চলি থকা শোষণ বন্ধ কৰাৰ কাৰণে প্ৰচেষ্টা চলাইছিল।

(ঘ) প্ৰকৃত শিক্ষাৰ দ্বাৰা ভাৰতীয় সমাজক শিক্ষিত কৰি ভাৰতীয় লোকৰ জ্ঞানচকু মুকলি কৰাৰ কাৰণে তেওঁ কাৰ্যব্যৱস্থা লৈছিল।

(ঙ) সমগ্ৰ দেশ বা জাতিৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি তেওঁৰ যি সমৰ্থন সিয়েও মানৱতাবাদী চিন্তাধাৰাৰে পৰিচয় বহন কৰে।

অৰ্থাৎ ৰামমোহন ৰয় সমগ্ৰ মানৱ জাতিৰ প্ৰতি সহানুভূতি আছিল। তেওঁৰ বাবে স্বাধীনতা অবিভাজ্য। প্ৰকৃত স্বাধীনতা লাভৰ অৰ্থ হ'ল মানৱ জাতিৰ মুক্তি সাধন। মানৱ জাতিৰ এনে মুক্তিৰ হ'কৈই তেওঁ জীৱনৰ শেষ বয়সলৈ প্ৰচেষ্টা চলাইছিল।

## উদাৰতাবাদী হিচাবে ৰামমোহন ৰয়

## (Rammohan Roy as a Liberalist)

ৰাজা ৰামমোহন ৰয়ৰ চিন্তা আৰু কৰ্মৰাজি পৰীক্ষণ কৰিলে একেষাৰতে তেওঁক এজন উদাৰতাবাদী চিন্তাবিদ হিচাবে ক'ব পাৰি। তলত ৰামমোহন ৰয় কৰ্ম আৰু উদাৰতাবাদৰ এক সামাঞ্জস্য দাঙি ধৰা হৈছে—

(ক) উদাৰতাবাদৰ এক বৈশিষ্ট হ'ল কু-সংস্কাৰ মুক্ত। উদাৰতাবাদে যুক্তিত বিশ্বাসী। ধৰ্মীয় মতান্ধতাৰ পৰা ই সম্পূৰ্ণ মুক্ত। ৰামমোহন ৰয় এই ক্ষেত্ৰত নিসন্দেহে এজন উদাৰতাবাদী লোক আছিল। ৰয়ে সকলো ক্ষেত্ৰতে ধৰ্মীয় কু-সংস্কাৰৰ পৰা ভাৰতীয় সমাজক মুক্ত কৰাৰ প্ৰয়াস কৰিছিল।

(খ) উদাৰতাবাদৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট হ'ল ই স্বাধীনতাত বিশ্বাসী। ৰামমোহন ৰয়ো এজন ব্যক্তি স্বতন্ত্ৰতাৰ সমৰ্থক আছিল। তেওঁ ল'ক, গ্ৰাটিয়াচ, থমাচ, পেইনৰ দৰে ব্যক্তিৰ প্ৰাকৃতিক স্বাধীনতাক গুৰুত্ব প্ৰদান কৰিছিল।

(গ) উদাৰতাবাদে গণতান্ত্ৰিক নীতিক সমৰ্থন কৰে। ৰয়েও গণতান্ত্ৰিক সমাজ প্ৰতিষ্ঠাৰ স্বাৰ্থতে তেওঁৰ সমগ্ৰ কৰ্মৰাজি সম্পাদন কৰিছিল। জনতাৰ মাজত গণতন্ত্ৰৰ মূল আদৰ্শ সমতা, স্বাধীনতা আৰু ভাতৃত্ববোধৰ বীজ ৰোপণ কৰাৰ বাবেই তেওঁ অক্লান্ত প্ৰচেষ্টা চলাইছিল। সেয়ে A. R Desai য়ে মন্তব্য কৰিছিল 'Rammohan Roy was essantially democrate and humanist.'

## অধিকাৰৰ প্ৰবক্তা হিচাবে ৰাজা ৰামমোহন ৰয়

## (Raja Rammohan Roy as champian of Freedome or Liberty)

ৰামমোহন ৰয় মূলতঃ এজন উদাৰতাবাদী চিন্তাবিদ আছিল। অৱশ্যে ব্যাপক মানৱতাবাদী দৃষ্টিভংগীৰ বাবে তেওঁ পশ্চিমীয়া উদাৰতাবাদী দৰ্শনৰ পৰা কোনো কোনো ক্ষেত্ৰত আঁতৰি আহিব লগা হৈছিল। এজন উদাৰতাবাদী চিন্তাবিদ হিচাবে যুক্তিবাদ, স্বাধীনতা আৰু এক সমতাপূৰ্ণ দৃষ্টিভংগী তেখেতে সকলো ক্ষেত্ৰত প্ৰতিস্থা হোৱাটো বিচাৰিছিল। ভাৰতীয় সমাজৰ গাঁথনি আৰু প্ৰকৃতি সম্পৰ্কে তেখেত বাৰুকৈয়ে সচেতন আছিল। সেয়েহে ভাৰতীয় সমাজত প্ৰয়োগিক ক্ষেত্ৰত অধিকাৰ আৰু স্বাধীনতা সকলো লোককে উপলব্ধ কৰাৰ বাবে সমাজ সংস্কাৰ কাৰ্যসূচী এলানি গ্ৰহণ কৰিছিল। ৰামমোহন ৰয়ে গ্ৰহণ কৰা সংস্কাৰমুখী কাৰ্যকলাপৰ মাজেৰে এখন বিজ্ঞানসন্মত আধুনিক ভাৰতীয় সমাজ গঢ়ি তোলাৰ চেতনাবোধ প্ৰতিফলিত হোৱা দেখা যায়।

ৰয়ে নিম্নবৰ্গ সাপেক্ষ (Subaltern) লোক সকলৰ অধিকাৰৰ হ'কে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছিল। ৰয়ৰ মতে সমাজত ৰাজনৈতিক অধিকাৰ উপভোগ্য কৰিবলৈ প্ৰথমে পৌৰ অধিকাৰ সকলোৰে বাবে উপভোগ্য কৰিব লাগিব। ভাৰতীয় সমাজত পৌৰ অধিকাৰ উপভোগ কৰিবলৈ হ'লে সমাজ সংস্কাৰৰ অতিকৈ প্ৰয়োজন। ৰয়ে গ্ৰহণ কৰা সমাজ সংস্কাৰৰ কাৰ্যসূচী আছিল মূলতঃ সেই সময়ৰ নিম্নবৰ্গ শ্ৰেণী হিচাবে পৰিচিত মহিলা আৰু নিম্ন জাতিৰ লোকসকল। সমাজৰ নিপিড়িত এই দুই বৰ্গৰ উদ্ধাৰৰ হ'কে তেওঁ আহোপুৰুষাৰ্থে প্ৰচেষ্টা কৰিছিল। সেয়েহে অনেক সমালোচকে ৰয়ৰ কাৰ্য-পৰিক্ৰমা আলোচনা কৰি ৰয়ক এজন নিম্নবৰ্গসাপেক্ষ লোকৰ অধিকাৰৰ প্ৰবক্তা হিচাবে অভিহিত কৰে।

এজন অধিকাৰৰ প্ৰবক্তা হিচাবে ৰয় ভাৰতত উপযোগিতাবাদৰ এজন অন্যতম পথ-প্ৰদৰ্শক আছিল। তেওঁ ৰাষ্ট্ৰৰ কৰ্ম পৰিধি সীমিত কৰি জনসাধাৰণক অধিক অধিকাৰ দিয়াৰ পোষকতা কৰিলেওঁ সমাজৰ সংস্কাৰৰ

বাবে ৰাষ্ট্ৰৰ ভূমিকা সক্ৰিয় কৰিব বিচাৰিছিল। তেওঁৰ দৃষ্টিত বৃহত্তৰ স্বাৰ্থত সমাজ সংস্কাৰ কৰিবলৈ হ'লে ৰাষ্ট্ৰই নিজৰ বৈধতা প্ৰয়োগ কৰি আইন প্ৰণয়ন কৰাটো অতি প্ৰয়োজনীয়। সেয়েহে সতীদাহ প্ৰথা বন্ধ কৰাৰ বাবে তেওঁ বৃটিছ চৰকাৰক সমৰ্থন কৰি এক প্ৰভাৱ প্ৰয়োগৰ প্ৰচেষ্টা চলাইছিল।

ৰয় এজন পশ্চিমীয়া শিক্ষাৰ সমৰ্থক হ'লেও নিজৰ জ্ঞানৰ বুনিয়াদ গঢ়ি তুলিছিল ভাৰতীয় শিক্ষা আৰু চিন্তাধাৰাৰ মাজত। বিভিন্ন ধৰ্মৰ ধৰ্মগ্ৰন্থবোৰ অধ্যয়ন কৰি তেওঁ সমাজ সংস্কাৰৰ বাবে যুক্তিবোৰ শক্তিশালী কৰি তুলিছিল। প্ৰাচীন ভাৰতীয়, বেদ-উপনিষদ আদিৰ উদ্ধৃতিৰ মাজেৰে সমাজত সংস্কাৰৰ বাবে গণভেটি আৰু জনবিশ্বাস শক্তিশালী কৰি তুলিছিল। মহিলাৰ অধিকাৰ আৰু জাতি ব্যৱস্থাৰ সংস্কাৰৰ দ্বাৰা নিম্ন জাতিৰ লোকসকলৰ অধিকাৰৰ বাবে যিবোৰ যুক্তি আগবঢ়াইছিল সেইবোৰৰ সৰহভাগেই আছিল বেদ উপনিষদৰ উদ্ধৃতি। অৰ্থাৎ ধৰ্মীয় ৰীতি নীতিৰ মাজত সংপৃক্ত ভাৰতীয় সমাজৰ লোকসকলক ৰয়ে পতিয়ন নিয়াব চেষ্টা কৰিছিল যে তেওঁলোকে পালন কৰা কু-সংস্কাৰ আৰু অন্ধবিশ্বাসবোৰ ভাৰতীয় ধৰ্মবিবৰ্জিত চিন্তাধাৰাহে। প্ৰকৃত ধৰ্মীয় নীতি পালন কৰিবলৈ সেইবোৰ ত্যাগ কৰিব লাগিব। এনেদৰে সমাজ সংস্কাৰৰ বাবে এক জনমত তৈয়াৰ কৰিবলৈ ৰয় সমৰ্থবানো হৈছিল।

ৰয় প্ৰাকৃতিক অধিকাৰৰ এজন প্ৰবক্তা। তেওঁৰ মতে উচ্চ মানসিকতাসম্পন্ন মুক্ত সমাজ এখন গঢ়ি তোলাৰ বাবে প্ৰকৃতিয়ে সকলোকে সমানভাবে সৃষ্টি কৰিছে। আমি প্ৰকৃতিৰ এই সমভাবাপন্ন চিন্তাধাৰা কেৱল পালন কৰিব লাগে।

ৰয়ে ভাৰতীয় নাগৰিক সকলক বৃটিছ নাগৰিকসকলৰ সমানেই পৌৰ অধিকাৰ দিয়াৰ দাবী তুলিছিল। জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, চিন্তা প্ৰকাশৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, ধৰ্মৰ অধিকাৰ, শিক্ষাৰ অধিকাৰৰ তেওঁ দাবী তুলিছিল। 1823 চনত জন আদামছে সংবাদ-পত্ৰৰ স্বাধীনতাৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰাত ৰয়ে তীব্ৰ বিৰোধীতা কৰিছিল। তেওঁৰ মতে সংবাদ-পত্ৰৰ স্বাধীনতাই জনসাধাৰণক শিক্ষা প্ৰদানৰ লগতে সুস্থ জনমত গঠন, কাৰ্যপালিকাৰ কাৰ্যৰ প্ৰহৰী আৰু জনসাধাৰণৰ বিৰোধক মিমাংসা কৰাত বিশেষ সহায় কৰে। সেয়েহে ৰয়ে উচ্চতম ন্যায়ালয় আৰু ৰাজপৰিষদত জন আদামচৰ সিদ্ধান্তৰ বিৰুদ্ধে আবেদন দাখিল কৰিছিল। বাকস্বাধীনতাৰ লগতে তেওঁ আন আন পৌৰ স্বাধীনতাৰ সপক্ষেও মন্তব্য দাঙি ধৰিছিল।

ৰয়ক এজন অধিকাৰৰ প্ৰবক্তা হিচাপে বিভিন্ন ক্ষেত্ৰত আলোচনাৰ অবকাশ থাকিলেও মূলতঃ দুটা ক্ষেত্ৰত তেওঁৰ অৱদান বিশেষভাবে স্বীকৃত। সেই দুটা হ'ল—

(i) নাৰীৰ স্বাধীনতা (ii) জাতি ব্যৱস্থাৰ সংস্কাৰৰ দ্বাৰা নিম্নজাতিৰ লোকৰ স্বাধীনতা।

## নাৰীৰ স্বাধীনতাৰ প্ৰবক্তা হিচাবে ৰয় ঃ

ৰয়ক এজন ভাৰতৰ নাৰীবাদী চিন্তাধাৰাৰ অন্যতম পথ প্ৰদৰ্শক হিচাবে আখ্যা দিয়া হয়। কিয়নো ৰয়ৰ সমসাময়িক সমাজখন আছিল পুৰুষতন্ত্ৰৰ অন্যতম প্ৰায়োগিকস্থলী। সকলো অধিকাৰৰ পৰা বঞ্চিত কৰি নাৰীৰ অস্তিত্ব পুৰুষৰ লগত আপেক্ষিক কৰি গঢ়ি তোলা হৈছিল। বিভিন্ন অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ দ্বাৰা নাৰীৰ জীৱন ক্ৰমশঃ দুৰ্বিসহ কৰি পেলোৱা হৈছিল। এনে এক অৱস্থাৰ পৰা নাৰীৰ মৰ্যাদা উদ্ধাৰৰ হকে ৰয় দৃঢ়প্ৰতিজ্ঞ হৈ পৰ্য্যায়ক্ৰমে এলানি কাৰ্যসূচী গ্ৰহণ কৰিছিল। ধৰ্মান্ধ সমাজখনক ধৰ্মীয় উদ্ধৃতি আৰু অকাঠ্য যুক্তিৰে ৰয়ে নাৰীমুক্তিৰ পথ মুকলি কৰিছিল। নাৰীৰ অধিকাৰৰ হ'কে ৰয়ে গ্ৰহণ কৰা সংস্কাৰ কাৰ্যসূচী সম্পৰ্কে সমাজ সংস্কাৰক হিচাবে ৰামমোহন ৰয়ৰ ভূমিকা আগৰ অংশত বিতং আলোচনা কৰা হৈছে। এই অংশত নাৰীৰ অধিকাৰ সুৰক্ষাৰ হ'কে ৰয়ে গ্ৰহণ কৰা কেইটামান কাৰ্যসূচী উল্লেখ কৰা হ'ল—

## সতীদাহ প্ৰথা নিষিদ্ধকৰণ ঃ

ৰামমোহন ৰায়ে নাৰীমুক্তিৰ বাবে গ্ৰহণ কৰা সংস্কাৰ কাৰ্যসূচীসমূহৰ অন্যতম আছিল সতীদাহ প্ৰথা নিষিদ্ধকৰণৰ বাবে প্ৰবল সামাজিক সমৰ্থন প্ৰতিস্থা কৰা। সেই সময়ৰ প্ৰচলিত সতীদাহ ব্যৱস্থাই নাৰীৰ জীৱনৰ অধিকাৰ খৰ্ব কৰিছিল। স্বামীৰ মৃত্যুৰ লগে লগে জুইত পত্নীক জীৱন্ত অৱস্থাত জাপি দিয়াৰ দৰে কু-প্ৰথাই নাৰীৰ অস্তিত্ব আৰু মৰ্যাদাক সম্পূৰ্ণৰূপে অবজ্ঞা কৰিছিল। ধৰ্মৰ দোহাই দি চৰম পুৰুষতন্ত্ৰৰ প্ৰৱৰ্ত্তক সকলে আৰম্ভ কৰা এই কু-প্ৰথাক সমাজৰ পৰা নিৰাময়ৰ বাবে ৰয়ে ধৰ্মীয় গ্ৰন্থসমূহৰে আশ্ৰয় লৈছিল। বেদ, উপনিষদ, ভাগৱত গীতাৰ শ্লোক আৰু বক্তব্যৰ বাখ্যা কৰি ৰয়ে সমাজত প্ৰতিস্থা কৰিছিল যে ভাৰতৰ কোনো ধৰ্মীয় গ্ৰন্থতে সতীদাহ প্ৰথাক সমৰ্থন কৰা নাই বৰং স্বামীহাৰা পত্নীসকলৰ পবিত্ৰ ধাৰ্মিক জীৱন যাপনৰহে বিধান আছে। 1803 চনত এবাৰ ইংৰাজ চৰকাৰে কলিকতাত এই প্ৰথাক নিষিদ্ধ ঘোষণা কৰিছিল যদিও কলিকতাৰ নিকটবৰ্তী অঞ্চল সমূহত এই প্ৰথা চলিয়েই আছিল। 1821 চনত তেওঁ কলিকতাৰ পৰা প্ৰকাশিত 'সম্বাদ কৌমুদী'ৰ দ্বাৰা সতীদাহ প্ৰথাৰ বিপক্ষে যুক্তি সমূহ প্ৰচাৰ কৰিছিল। এই বাতৰি কাকতখন সতীদাহ প্ৰথাৰ বিৰুদ্ধে আৰম্ভ কৰা যুজখনৰ প্ৰধান আহিলা হৈ পৰিছিল। 1811 চনৰ পৰা ৰয়ে চলোৱা আহোপুৰুষাৰ্থ প্ৰচেষ্টাত এই প্ৰথাৰ বিৰুদ্ধে কিছু গণভিত্তি গঢ়ি উঠে আৰু 1829 চনত উইলিয়াম বেণ্টিংকৰ বেঙ্গল চৰকাৰে সতীদাহ প্ৰথা বন্ধ কৰাৰ বাবে (Bengal Sati Regulation, 1829) আইন প্ৰণয়ন কৰে। ইয়াৰ ভিত্তিতে পৰৱৰ্তী পৰ্যায়ত 1988 চনত সতীপ্ৰথা প্ৰতিৰোধ আইন (The commission of sati (Prevention) Act.) গ্ৰহণ কৰে।

## মহিলাৰ সম্পত্তিৰ অধিকাৰৰ স্বীকৃতি ঃ

ৰাজা ৰামমোহন ৰায়ে মহিলাৰ সামাজিক মৰ্যাদা উন্নতিকৰণৰ বাবে মহিলাক সম্পত্তিৰ অধিকাৰ প্ৰদান কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ প্ৰাচীন ভাৰতীয় চিন্তাবিদ সকল আৰু চৰিত্ৰবোৰৰ উদ্ধৃতি প্ৰদান কৰি কৈছিল যে মহিলাইও পৈতৃক তথা স্বামীৰ সম্পত্তিৰ অধিকাৰী হোৱাটো উচিত। ইয়াৰ বাবে আইন প্ৰণয়নৰ বাবে তেওঁ সজোৰে দাবী উত্থাপন কৰিছিল। তেওঁৰ মতে সম্পত্তিৰ অধিকাৰৰ অনুপস্থিতিয়ে বহুবিবাহত ইন্ধন যোগায় লগতে বিধৱা সকলৰ অৱস্থাও দুৰ্বিসহ কৰে।

নাৰীৰ অধিকাৰৰ হ'কে আন কেতবোৰ সামাজিক আন্দোলনেৰে ৰামমোহন ৰায়ে নিজৰ অৱদান আগবঢ়াইছিল। যেনে—

(i) বাল্যবিবাহ বন্ধ কৰা।

(ii) বিধৱা বিবাহৰ প্ৰচলন কৰা।

(iii) স্ত্ৰী শিক্ষা বিস্তাৰ কৰা আদি।

এই সকলোবোৰ সামাজিক আন্দোলনৰ মাজেৰে তেওঁ নাৰীৰ অধিকাৰ সম্পৰ্কে পৰৱৰ্তী চিন্তাবিদ আৰু সমাজ সংগঠক সকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। মুঠতে নাৰীৰ অধিকাৰ বিষয়ত ৰামমোহন ৰায়ে এক জাগৰণ আনিবলৈ সক্ষম হৈছিল। নাৰীৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত ৰামমোহন ৰায়ৰ এনে সবল প্ৰচেষ্টাৰ প্ৰতি লক্ষ্য ৰাখি ভালেমান সমালোচকে তেওঁক নাৰী মুক্তিৰ প্ৰথম উদ্যোক্তা আৰু অন্যতম নাৰীবাদী আখ্যা দিয়ে।

## নিম্ন জাতিৰ স্বাধীনতাৰ প্ৰবক্তা হিচাবে ৰায় ঃ

ৰাজা ৰামমোহন ৰায় আছিল এজন প্ৰকৃত মানবতাবাদী। সমাজৰ সকলো স্তৰৰ লোকৰ অধিকাৰ প্ৰাপ্তিৰ ওপৰত তেওঁ বিশেষ জোৰ দিছিল। ভাৰতীয় সমাজ ব্যৱস্থাত সাৰ্বজনীন অধিকাৰৰ এক প্ৰতিবন্ধক হিচাবে জাতি ব্যৱস্থাক চিনাক্ত কৰিছিল। তেওঁ সমাজ ব্যৱস্থালৈ লক্ষ্য কৰোতে দেখিবলৈ পাইছিল যে ভাৰতীয় সমাজত প্ৰচলিত জাতি ব্যৱস্থাই সমাজক বিভিন্ন মৰ্যাদাত স্তৰীভুক্ত কৰিছে। স্তৰীকৰণৰ এই ব্যৱস্থাত নিম্নস্তৰত থকা লোকসকলৰ সামাজিক ক্ষেত্ৰত কোনো ধৰণৰ মৰ্যাদা উপভোগ কৰিবলৈ নাপায় লগতে বিভিন্ন ক্ষেত্ৰত তেওঁলোকক বঞ্চিত কৰা হয়। ৰয়ে এনে অসমতাপূৰ্ণ সংগঠনৰ সংস্কাৰ কৰাৰ ওপৰতো বিশেষ গুৰুত্ব দিছিল। তেওঁ জাতি ব্যৱস্থাৰ মাজত থকা অযুক্তিকৰ ধাৰণাবোৰ ত্যাগ কৰাৰ বাবে সমাজত প্ৰচাৰ চলাইছিল। ৰয় আছিল সমতাৰ সমৰ্থক। তেওঁৰ মতে সমাজত বাস কৰা প্ৰতিজন লোকেই সমান, কোনো উৰ্দ্ধ বা নীচ নহয়। গতিকে সমাজত সকলোৱে সম-মৰ্যাদা পাব লাগে। জাতি ব্যৱস্থাৰ কঠোৰতা আতৰ কৰাৰ বাবে তেওঁ আন্তঃজাতিৰ বিবাহক সমৰ্থন কৰিছিল। জাতি ব্যৱস্থাৰ নিম্নস্তৰত থকা লোকসকলেও যাতে শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে ৰয়ে সকলোৰে বাবে শিক্ষা নীতিক সমৰ্থন কৰিছিল।

এজন ভাৰতীয় চিন্তাবিদ হিচাবে ৰয়ক এজন সংস্কাৰকৰ স্থান প্ৰদান কৰা হয়। ৰয়ৰ চিন্তাধাৰাৰ মূল বিষয় আছিল মানৱতাবাদ। সমাজৰ সৰ্বস্তৰৰ লোকৰ প্ৰগতি সাধনৰ হ'কে ৰয়ে সেয়েহে আত্মনিয়োগ কৰিছিল। ৰয়ে বিশ্বাস কৰিছিল যে সমাজত ৰাজনৈতিক অধিকাৰৰ আগতে সামাজিক সমতা আৰু পৌৰ অধিকাৰ সকলোৰে বাবে উপভোগ্য কৰিলেহে প্ৰকৃত অৰ্থত ৰাজনৈতিক অধিকাৰৰ সাৰ্থকতা থাকিব। এনে চিন্তাধাৰাৰ দ্বাৰাই সামাজিক আৰু পৌৰ অধিকাৰৰ হ'কে তেওঁ তেওঁৰ কৰ্মৰাজি আগবঢ়াই নিছিল। ৰায়ৰ প্ৰচেষ্টাৰ ফলতে সমাজৰ নিম্নবৰ্গ সাপেক্ষ আৰু অবদমিত শ্ৰেণীৰ অধিকাৰৰ ক্ষেত্ৰখনক লৈ সমাজত এক জাগৰণৰ সূচনা হৈছিল।

## ৰয়ৰ কৰ্মৰাজিৰ মূল্যায়ণ ঃ

ৰামমোহন ৰয়ক একেষাৰতে ভাৰতৰ অন্যতম সমাজ সংস্কাৰক আখ্যা দিব পাৰি। ধৰ্মীয় আৰু সামাজিক ক্ষেত্ৰত ভাৰতীয় সমাজক সংস্কাৰকৰণৰ দ্বাৰা তেওঁ গতিশীলতা প্ৰদান কৰিবলৈ সক্ষম হৈছিল। সমন্বয়মূলক দাৰ্শনিক দৃষ্টিভংগী, নতুন, শিক্ষাদৰ্শণ, উদাৰ মানসিকতা, বিশ্বমানৱিক চেতনা, যুক্তিবাদী চিন্তা সকলো দিশৰ পৰাই ৰামমোহন ৰয় আছিল আধুনিক জীৱনাদৰ্শৰ বাটকটীয়া। ধৰ্মৰ তত্বসমূহ তুলনামূলকভাৱে আলোচনা কৰি ভাৰতবৰ্ষত শ্ৰেষ্ঠ সংস্কাৰক হিচাবে তেওঁ স্বীকৃতি লাভ কৰিছে। মানৱীয় মূল্যবোধৰ আদৰ্শ প্ৰচাৰ কৰি তেওঁ প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত যোগসূত্ৰ স্থাপন কৰিবলৈ সক্ষম হৈছিল। প্ৰাচীন জাতিভেদ প্ৰথা আৰু আধুনিক মানৱতা, অন্ধবিশ্বাস আৰু বিজ্ঞান, স্বেচ্ছাচাৰিতা আৰু গণতন্ত্ৰৰ মাজৰ ব্যাপক পাৰ্থক্যক তেওঁ আঙুলিয়াই দি ভাৰতীয় সমাজক সংস্কাৰ সাধন কৰিবলৈ সক্ষম হৈছিল। ৰবীন্দ্ৰ নাথ ঠাকুৰে তেওঁক আধুনিক ভাৰতৰ প্ৰতিষ্ঠাপক নিৰ্মাতা আখ্যা দিছে।

**Excercise :**

1. Answer the following :
   a. Who is known as the father of Indian Renaissance?
   b. In which year Ram Mohan Roy was born?
   c. Which of the following book is not written by Ram Mohan Roy?
      1. Universal religion.
      2. Gift to Monotheist.
      3. Percepts of Jiews.
   d. In which year Roy established Spirtual Society?
   e. Who established "Brahma Samaj"?
   f. In which year Brahma Samaj was established?
   g. In which year Sati Systen was banned?
   h. Which institution was not related with Indian renaissance–
      1. Brahma Samaj
      2. Arya Samaj
      3. Satya Sodhak Samaj.
      4. None of the above.
2. Mention two factors responsible for Indian Renaissance.
3. Mention two books written by Raja Rammohan Roy.
4. Evaluate Raja Rammohan Roy as a humanist.
5. Evaluate Raja Rammohan Roy as a liberalist.
6. Write a short note on–
   a. Brahma Samaj
   b. Arya Samaj
   c. Parthana Samaj
   d. Indian Renaissance.
7. Discuss the role of Raja Rammohan Roy in Indian Social reform movement.
8. Evaluate Raja Rammohan Roy's Contribution towards social reform movement.
9. Discuss the role of Raja Rammohan Roy towards empowering women.
10. Evalute the activity of Raja Rammohan Roy on the reformation of caste system.
11. Discuss Roy's views towards the reform of Indian education system.
12. Evaluate Rammohan roy as feminist.
13. Evalute Raja Ram Mohan Roy as champion of rights.

## তৃতীয় অধ্যায়

# পণ্ডিতা ৰমাবাঈ

# (১৮৫৮-১৯২২)

ভাৰতীয় মহিলাসকলৰ উন্নয়নৰ হ'কে গ্ৰহণ কৰা আদৰ্শ আৰু ইয়াৰ অনুশীলনৰ বাবে পণ্ডিতা ৰমাবাঈ ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাৰ ক্ষেত্ৰখনত এক সুকীয়া স্থান দখল কৰি আহিছে। যদিও নাৰীমুক্তিৰ ক্ষেত্ৰত বহুতো সমাজ সংস্কাৰকৰ ভূমিকা উল্লেখনীয়, কিন্তু ৰমাবাঈয়ে তেখেতৰ নাৰীমুক্তিৰ আদৰ্শক নিজৰ জীৱনত প্ৰয়োগৰ দ্বাৰা অন্য নাৰীসকলৰ বাবে নিজকে এক উদাহৰণস্বৰূপে দাঙি ধৰিছে। ৰমাবাঈৰ জীৱন আৰু তেখেতৰ কৰ্মৰাজিয়ে নাৰীসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত থকা বাধা নিষেধসমূহ দূৰ কৰাৰ বাবে এগৰাকী সুদক্ষ মহিলাৰ অসাধাৰণ ন্যায় সংগ্ৰামকে প্ৰতিফলিত কৰে, যি সময়ত সেয়া বহুতো সামাজিক সচেতনতাবোধ সম্পন্ন বিশিষ্ট ব্যক্তিৰ বাবেও কল্পনাতীত আছিল বুলি ক'ব পৰা যায়।

প্ৰখ্যাত পণ্ডিত, সমাজ-সংস্কাৰক আৰু ভাৰতীয় নাৰীসকলৰ উন্নীতকৰণ ক্ষেত্ৰখনৰ সক্ৰিয় কৰ্মী পণ্ডিতা ৰমাবাঈক ভাৰতৰ নাৰীবাদ (Feminism)ৰ এগৰাকী অগ্ৰগামী হিচাপে গণ্য কৰা হয়।

**নাৰীবাদ (Feminism) ঃ**

নাৰীবাদ হ'ল এক সামাজিক আন্দোলন, যিয়ে মহিলাৰ স্ববিকাশৰ বাবে প্ৰয়োজনীয় অধিকাৰ, সুযোগ-সুবিধাসমূহৰ লগতে মহিলাৰ ৰাজনৈতিক ক্ষমতাৰ অংশীদাৰীত্বৰ ক্ষেত্ৰত থকা বৈষম্য দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মহিলাৰ সম-অধিকাৰৰ দাবী উত্থাপন কৰে।

হিন্দু ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰা ৰমাবাঈৰ পিতৃ অনন্ত শাস্ত্ৰী ডংগ্ৰী এগৰাকী জ্ঞানী সংস্কৃত পণ্ডিত আছিল; যাৰ ছত্ৰ-ছায়াত ৰমাবাঈয়ে সেই সময়ত সংস্কৃত শিক্ষা আৰু প্ৰশিক্ষণ লাভ কৰিছিল, যি সময়ত সেই সুযোগ-সুবিধাসমূহ অকল পুৰুষসকলৰ বাবেহে সুৰক্ষিত আছিল। গতিকে ৰমাবাঈৰ জীৱনত তেখেতৰ পিতৃৰ ভূমিকা অপৰিসীম। ধৰ্মশাস্ত্ৰ অধ্যয়নৰ দ্বাৰা ৰমাবাঈয়ে নাৰীসকলৰ ওপৰত আৰোপিত বিভিন্ন বাধা-নিষধসমূহৰ বিষয়ে জ্ঞান হৈছিল আৰু ব্ৰাহ্মণবাদী পুৰুষ-অধ্যুষিত সমাজৰ বিষয়ে সমালোচনামূলক প্ৰৱন্ধ লিখা আৰম্ভ কৰিছিল। ৰমাবাঈয়ে তেখেতৰ জীৱনকালত সংস্কৃত শিক্ষণৰ পৰা আৰম্ভ কৰি উপনিষদ অধ্যয়নকে ধৰি দেশ-বিদেশৰ বিভিন্ন ঠাই ভ্ৰমণৰ দ্বাৰা জ্ঞান অৰ্জন কৰি নিজকে পিতৃতান্ত্ৰিক ব্যৱস্থাৰ উৰ্দ্ধত ৰাখিছিল। ৰমাবাঈৰ 'বৌদ্ধিক জ্ঞান'ৰ (intellectual attainments) স্বীকৃতি স্বৰূপে কলিকতাৰ বাসিন্দাসকলৰ দ্বাৰা তেখেতক

'পণ্ডিতা' আৰু 'সৰস্বতী' এই দুই উপাধি প্ৰদান কৰা হৈছিল আৰু কলকতাতেই ব্ৰাহ্মসমাজৰ দ্বাৰা প্ৰৱৰ্তিত সমাজ-সংস্কাৰৰ ক্ষেত্ৰখনলৈ আগমণ হৈছিল। বাল্যবিবাহৰ বিৰোধী ৰমাবাঈয়ে বাঈশ বছৰ বয়সত বেংগলৰ বিপিন বিহাৰী দাস মেধাৱী নামৰ নিম্ন বৰ্গৰ (শূদ্ৰ) এগৰাকী আইনজীৱীৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে বিয়াৰ প্ৰায় এবছৰ পিছতে ৰমাবাঈয়ে বৈধব্য জীৱন আঁকোৱালি ল'ব লগা হয়।

## পিতৃতন্ত্ৰ (Patriarchy) ঃ

আক্ষৰিক অৰ্থত, Patriarchy বা পুৰুষতান্ত্ৰিকতাৰ অৰ্থ হ'ল পুৰুষৰ শাসন। পুৰুষতান্ত্ৰিকতা মূলতঃ এক সামাজিক আৰু আদৰ্শগত গাঁথনি, যিয়ে পুৰুষক মহিলাতকৈ শ্ৰেষ্ঠ হিচাপে বিবেচনা কৰে। মূলতঃ পুৰুষতান্ত্ৰিকতা এই শব্দটো জনজাতীয় সমাজত প্ৰৱৰ্তিত এক পৰম্পৰাৰ বৰ্ণনা হিচাপে ব্যৱহৃত হৈ আছিল, য'ত পৰিয়ালৰ জেষ্ঠতম পুৰুষজনে সৰ্বময় কৰ্তৃত্ব লাভ কৰিছিল। কালক্ৰমত এই প্ৰথা সভ্য সমাজ (Civilized society)ৰ দ্বাৰাও গ্ৰহণ কৰা দেখা যায়। পুৰুষতান্ত্ৰিকতা ক্ষমতা বিভাজনৰ এক অধিক্ৰমিক আৰু অসমান নীতিৰ ওপৰত প্ৰতিষ্ঠিত, যাৰ ফলত ক্ষমতাসম্পন্নই ক্ষমতাবিহীন হিচাপে পৰিগণিত সকলৰ ওপৰত নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰে। এইদৰে পুৰুষতান্ত্ৰিক সমাজত মহিলাসকলৰ ওপৰত পুৰুষৰ আধিপত্য প্ৰতিষ্ঠা হয়। পিতৃতান্ত্ৰিকতাৰ মূল উদ্দেশ্য হ'ল নাৰীৰ অৱদমন। ইয়াৰ মূল ভিত্তি হ'ল এক মতাদৰ্শ যিয়ে বিশ্বাস কৰে যে প্ৰকৃতিগতভাৱেই পুৰুষসকল মহিলাতকৈ উচ্চ আৰু সেয়েহে মহিলাসকল অৱদমিত হৈ থকাটো এটা প্ৰাকৃতিক ঘটনা আৰু ই কোনো প্ৰকাৰে অনুচিত নহয়। এইটো উল্লেখনীয় যে পুৰুষতান্ত্ৰিকতা মানৱ সমাজৰ এক সাৰ্বজনীন প্ৰথা হিচাপে প্ৰচলিত হৈ আহিছে।

স্বামীৰ মৃত্যুৰ পিছত উচ্চ শিক্ষাৰ বাবে ইংলণ্ডলৈ যাত্ৰা কৰা ৰমাবাঈ খ্ৰীষ্টীয়ান মিছনাৰীসকলৰ সংস্পৰ্শলৈ আহে আৰু তেওঁলোকৰ প্ৰগতিশীল দৃষ্টিভংগীৰ দ্বাৰা প্ৰভাৱিত হৈ খ্ৰীষ্টীয়ান ধৰ্ম গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। ভাৰতলৈ ঘূৰি আহি ৰমাবাঈয়ে সক্ৰিয়ভাৱে সামাজিক কাৰ্য-কলাপৰ সৈতে জড়িত হয়; বিশেষকৈ উচ্চ বৰ্ণৰ হিন্দু বিধৱা মহিলাসকলৰ অধিকাৰৰ পুনঃ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা দেখা যায়। কিন্তু ইয়াৰ বাবে ৰমাবাঈয়ে হিন্দু ব্ৰাহ্মণৰ লগতে খ্ৰীষ্টীয়ান মিছনৰীসকলৰ পৰা বহুতো সমালোচনাৰ সন্মুখীন হয়। ৰমাবাঈয়ে ব্ৰাহ্মণ বিধৱা মহিলাসকলৰ অধিকাৰৰ পুনঃপ্ৰতিষ্ঠাৰ হ'কৈ নিজকে নিয়োজিত কৰিছিল, যিটো ব্ৰাহ্মণ পুৰুষগণৰ ইচ্ছাৰ বিৰুদ্ধ আছিল। ঠিক একেদৰে, খ্ৰীষ্টীয়ানসকলো ৰমাবাঈৰ প্ৰতি বিতুষ্ট হৈছিল। কিয়নো ৰমাবাঈৰ সামাজিক কাৰ্য-কলাপৰ শৈলীত খ্ৰীষ্টীয়ানসকলৰ ধৰ্মান্তৰীকৰণ প্ৰক্ৰিয়া নেপথ্যলৈ নিৰ্বাসিত হৈছিল। খ্ৰীষ্টীয়ানসকলৰ সমালোচনাৰ প্ৰত্যুত্তৰে ৰমাবাঈৰ সাহস আৰু দৃঢ় সংকল্পৰ প্ৰমাণ দাঙি ধৰে— "I am it is true, a member of the church of christ, but I am not bound to accept every word that falls down from the lips of priest bishops....... I have just with great efforts freed myself from the yoke of the Indian priestly tribe, so I am not at present willing to place myself under another similar yoke."

অৰ্থাৎ, এইটো সত্য, মই এগৰাকী গীৰ্জাৰ সদস্য, কিন্তু মই ধৰ্মযাজকৰ মুখৰ প্ৰত্যেকটো শব্দ গ্ৰহণ কৰিবলৈ বাধ্য নহয়.... অধিক প্ৰচেষ্টাৰ ফলত মই ভাৰতীয় যাজকগোষ্ঠীৰ দাসত্বৰ পৰা নিজকে মুক্ত কৰিছোঁ, গতিকে বৰ্তমান সময়ত মই নিজকে আন এক অনুৰূপ দাসত্বত বন্দী কৰিবলৈ ৰাজী নহয়।

1981 চনত, পুনেত ৰমাবাঈয়ে 'Arya Mahila Samaj' শীৰ্ষক এক সংগঠন স্থাপন কৰে। এই সংগঠনটোৱে হ'ল নাৰীমুক্তিৰ ক্ষেত্ৰত স্থাপিত প্ৰথম সংগঠন। ইয়াৰ মূল উদ্দেশ্য আছিল— মহিলা সৱলীকৰণ (Women empowrement), মহিলা শিক্ষা (Women education) আৰু বাল্যবিবাহ বাতিল কৰা (abolishing

child marriage)। ৰমাবাঈয়ে মহিলাসকলৰ, বিশেষকৈ গোঁড়া হিন্দু নীতি-নিয়ম, আচাৰানুষ্ঠানৰ দ্বাৰা দাসত্বৰ জীৱন অতিবাহিত কৰা মহিলাসকলৰ সমস্যাৰ বোধ লোৱাৰ বাবে গভীৰ অধ্যয়নত ব্ৰতী হৈছিল। কম বয়সতে বিবাহ-পাশত আৱদ্ধ হৈ বৈধব্য জীৱন আঁকোৱালি লোৱা মহিলাসকলৰ দুখ-দুৰ্দশা নাইকীয়া কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা ৰমাবাঈয়ে পৰিয়ালৰ দ্বাৰা দুৰ্ব্যৱহাৰৰ সন্মুখীন হোৱা কম বয়সীয়া বিধৱা মহিলাসকলৰ বাবে 1889 চনত পুনেত 'মুক্তি মিছন' নামৰ এক আশ্ৰয়স্থান ও স্থাপন কৰিছিল, যি সামাজিক কল্যাণ সাধনৰ ক্ষেত্ৰত এতিয়াও সক্ৰিয় ভূমিকা পালন কৰা দেখা যায়। ৰমাবাঈৰ দ্বাৰা স্থাপিত 'মুক্তি মিছনে' বিধৱাসকলৰ লগতে অনাথ, অন্ধ আদি বহুতো অভাৱগ্ৰস্ত মানুহক আশ্ৰয়, শিক্ষা, বৃত্তিমূলক প্ৰশিক্ষণ আদিৰ লগতে চিকিৎসা সেৱাও প্ৰদান কৰে।

তাৰোপৰি, মহিলাসকলক শিক্ষক, চিকিৎসক আদি সেৱাত নিয়োজিত কৰাৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণৰ সুযোগ-সুবিধা প্ৰদানৰ বাবে ৰমাবাঈয়ে 'Hunter Commission'ক আবেদন কৰিছিল। সামাজিক সংস্কাৰমূলক কাম-কাজৰ বাবে 1919 চনত ৰমাবাঈক 'Kaisor-e-Hind' উপাধি প্ৰদান কৰা হয়। 1989 চনত ৰমাবাঈৰ মৃত্যুৰ 67 বছৰ পিছত ভাৰত চৰকাৰে তেখেতৰ সন্মানত এক স্মাৰক চিহ্ন জাৰি কৰে।

'Stree Dharma Niti' (Morals for women, 1882), 'The High-Caste Hindu Women' (1882) আদি পণ্ডিতা ৰমাবাঈৰ উল্লেখনীয় লিখনি। ইয়াৰে 'The High-Caste Hindu Women' গ্ৰন্থখনক অনানুষ্ঠানিক ভাৰতীয় নাৰীবাদী ঘোষণা-পত্ৰ (Unofficial Indian Feminist menifesto) হিচাপে জনা যায়।

## পুৰুষতান্ত্ৰিকতাৰ বিশ্লেষণ (Analysis of Patriarchy) ঃ

পুৰুষতান্ত্ৰিকতাৰ বিশ্লেষণৰ দ্বাৰা ৰমাবাঈয়ে হিন্দু সমাজৰ, বিশেষকৈ ব্ৰাহ্মণ মহিলাসকলৰ অধীনস্থতাৰ বিভিন্ন দিশৰ ওপৰত নিজৰ লক্ষ্য কেন্দ্ৰীভূত কৰিছিল আৰু এই বিষয়ে হিন্দু ধৰ্মীয় গ্ৰন্থসমূহৰ পৰা যথেষ্ট সমল লাভ কৰিছিল। হিন্দু ধৰ্ম গ্ৰন্থসমূহৰ মতে মোক্ষ লাভৰ বাবে চাৰি পুৰুষাৰ্থ অন্বেষণৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাসকল সমান নহয়। চাৰি পুৰুষাৰ্থ (ধৰ্ম, অৰ্থ, কাম, মোক্ষ) অন্বেষণৰ ক্ষেত্ৰত মহিলাসকল পুৰুষৰ দৰে মুক্ত বা স্বতন্ত্ৰ নহয়। পাৰ্থিৱ জীৱনৰ দাসত্ববন্ধনৰ মাজেৰে পৰম নিষ্ঠাৰে স্বামীৰ সেৱাৰ দ্বাৰা মোক্ষ লাভেই হৈছে নাৰীসকলৰ মোক্ষ লাভৰ একমাত্ৰ উপায়। স্বামীৰ সেৱাৰ হ'কে নিজকে সমৰ্পণ নকৰালৈকে মহিলাসকলৰ জীৱন নিন্দিত।

## পুৰুষাৰ্থ ঃ

হিন্দু ধৰ্মীয় গ্ৰন্থসমূহৰ মতে পুৰুষাৰ্থৰ দ্বাৰা মানৱ জীৱনৰ চাৰিটা মুখ্য উদ্দেশ্যকে সূচোৱা হয়—

**(a)** **ধৰ্ম ঃ** ধৰ্মীয় নীতি-নিয়মৰ দ্বাৰা নিৰ্ণীত দায়িত্বসমূহ পালনৰ জৰিয়তে নৈতিক উৎকৰ্ষ সাধন;

**(b)** **অৰ্থ ঃ** সম্পত্তিৰ অধিগ্ৰহণ আৰু বস্তুগত সমৃদ্ধি।

**(c)** **কাম ঃ** সংবেদনশীল উপভোগ, ইচ্ছা-আকাঙ্খা, কামনা-বাসনা আদিৰ পৰিতৃপ্তি।

**(d)** **মোক্ষ ঃ** আত্মাৰ মুক্তিৰ দ্বাৰা চৰম উৎকৰ্ষ সাধন।

উচ্চ শিক্ষিতা মহিলা পণ্ডিতা ৰমাবাঈয়ে সেই সময়তে পবিত্ৰ ধৰ্মগ্ৰন্থসমূহ অধ্যয়নৰ দ্বাৰা ব্ৰাহ্মণীয় পুৰুষতান্ত্ৰিকতাৰ অযুক্তিসংগত ভিত্তিসমূহক প্ৰত্যাহ্বান জনোৱাৰ ক্ষেত্ৰত দক্ষতা অৰ্জন কৰাৰ লগতে ইংলণ্ড, আমেৰিকা আদি বিভিন্ন ঠাই ভ্ৰমণৰ দ্বাৰা লাভ কৰা জ্ঞান আৰু ইংৰাজী শিক্ষাই ৰমাবাঈক আধুনিক দৃষ্টিভংগী গ্ৰহণত সহায় কৰিছিল। পশ্চিমীয়া সমাজত নাৰীবাদী আন্দোলনৰ উত্থানে ভাৰততো শোষিত মহিলাসকলৰ

অধিকাৰ আদিৰ পুনঃপ্রতিষ্ঠাৰ দ্বাৰা তেওঁলোকক বন্ধনমুক্ত কৰাৰ বাবে নাৰীবাদী আন্দোলনৰ সূচনাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা লৈছিল, কিয়নো ভাৰতীয় মহিলাসকলৰ অৱস্থা আন দেশসমূহতকৈ অধিক শোচনীয় আছিল। গতিকে, এইবোৰ কাৰণতে ভাৰতত নাৰীবাদী আন্দোলনৰ আৰম্ভণি হৈছিল আৰু শোষিত, অসহায় মহিলাসকলৰ মুক্তিৰ বাবে প্রবুদ্ধ ব্যক্তি যেনে ৰমাবাঈৰ দ্বাৰা সামাজিক কার্য-কলাপ হাতত লোৱা হৈছিল।

ইয়াৰোপৰি, ৰমাবাঈয়ে লক্ষ্য কৰিছিল যে উচ্চ বর্ণৰ হিন্দু পুৰুষতান্ত্রিকতাৰ মান নির্ণায়ক গঠন প্রণালীয়ে মহিলাসকলৰ জীৱনৰ সম্পূর্ণতা মুখ্যতঃ এগৰাকী পত্নী অথবা মাতৃৰ ভূমিকাতহে নির্ধাৰণ কৰিছিল। ভাৰতীয় মহিলাসকলে নিজেও তেওঁলোকৰ জীৱনৰ তাৎপর্য্য পত্নী, মাতৃ আদি ভূমিকাসমূহ পালনতহে উপলব্ধি কৰিছিল। উদাহৰণস্বৰূপে, ৰমাবাঈৰ সমসাময়িক পশ্চিম ভাৰতৰ আনন্দীবাঈ কার্ভে সম্পূর্ণভাৱে মাতৃত্বৰ দায়িত্ব পালনত বিশ্বাস কৰিছিল। আনন্দীবাঈ এগৰাকী ব্রাহ্মণ বিধৱা মহিলা, যিয়ে পূর্ণবিবাহৰ বাবে সমাজৰ পৰা বহিষ্কৃত হৈছিল। কিন্তু মাতৃত্বৰ অনুভৱে আনন্দীবাঈক এইসমূহ প্রতিঘাটৰ দ্বাৰা প্রভাৱান্বিত নোহোৱাকৈ ৰাখিছিল। আনন্দীবাঈৰ স্মৃতিকথা, 'Maze Puran' (My Saga, 1944) ত ইয়াৰ আভাস পোৱা যায়— "Nature arrages for a tree to flower and a woman to have children. This is the content of a woman's life. She who has no children cannot be happy, no matter how much she pretends...... A childless woman can be as happy as a hungry man who gets no food but says he has had his fill."

ৰমাবাঈৰ আন এগৰাকী সমসাময়িক, ৰমাবাঈ ৰানাডে'য়ে আনক সেৱা-পৰিচর্যা কৰাৰো স্পৃহাকে 'আদর্শ মাতৃত্ব' হিচাপে ব্যাখ্যা কৰিছে। ৰাণাডে'ৰ মতে মাতৃসুলভ স্নেহ (মমতা) হৈছে ভগৱানৰ দ্বাৰা নাৰীসকলক প্রদান কৰা এক ক্ষমতা, যি সামাজিক কল্যাণৰ হ'কে অতি গুৰুত্বপূর্ণ।

পণ্ডিতা ৰমাবাঈ নিজেও তেখেতৰ জনপ্রিয় লিখনি 'Stri Dharma Niti' আৰু 'The High-Caste Hindu Women' গ্রন্থত 'মাতৃত্ব'ৰ গুণানুবাদ কৰিছিল। পণ্ডিতা ৰমাবাঈয়ে নাৰীসকলৰ ভূমিকা এগৰাকী স্নেহময় আৰু দৰদী মাতৃ হিচাপে অস্বীকাৰ কৰা নাছিল, যদিও পুৰুষতান্ত্রিকতাৰ ই এক উল্লেখনীয় বৈশিষ্ট্য।

ৰমাবাঈৰ দ্বাৰা স্থাপিত 'Arya Mahila Samaj' য়ে এক ন্যায়সম্পন্ন সামাজিক ব্যৱস্থা প্রতিষ্ঠাৰ বাবে আর্যবৈদিক ব্যৱস্থাৰ পুর্ণগঠনৰ ধাৰণা প্রত্যাখ্যান কৰিছিল। ব্রাহ্মণবাদী পুৰুষতান্ত্রিকতাৰ পীড়াদায়ক অৱস্থাৰ পৰা মহিলাসকলক মুক্ত কৰাৰ ক্ষেত্রত 'Arya Mahila Samaj' প্রথম স্বতন্ত্র সংগঠন। উমা চক্রৱর্তীৰ মতে, (Rewriting History : The Life and Times of Pandita Ramabai, 1998), Arya Mahila Samaj হ'ল পুৰুষৰ আধিপত্য বন্ধ কৰাৰ ক্ষেত্রত প্রতিষ্ঠিত এক অনুষ্ঠান। ধাৰণা কৰা হয় যে ৰমাবাঈয়ে মহিলাসকলক পুৰুষৰ উৎপীড়নৰ পৰা নিজকে মুক্ত কৰাৰ ক্ষেত্রত সদায় উৎসাহিত কৰি আহিছিল।

## লিঙ্গগত বিষয়ত ৰমাবাঈৰ ধাৰণা

## (Ramabai on Gender Issues)

'স্ত্রী ধর্ম নীতি' গ্রন্থখনত ৰমাবাঈয়ে ভাৰতৰ বিশেষকৈ উচ্চ জাতিৰ মহিলা সকলক নিৰক্ষৰতা, অজ্ঞানতাৰ শিকলিৰ পৰা মুক্ত হৈ নিজকে এক নতুন ৰূপত প্রতিষ্ঠা কৰিবলৈ আহ্বান জনাইছিল। ইয়াৰ বাবে তেওঁ মহিলাসকলক শিক্ষা আহৰণৰ জৰিয়তে স্ব-নির্ভৰশীল হ'বলৈ আহ্বান জনাইছিল। পছন্দ অনুসৰি জীৱনসংগী বাছনি কৰিবলৈ, স্বামীৰ প্রকৃত সংগী হ'বলৈ, আদর্শ মাতৃত্বৰে পুত্রক পালন কৰিবলৈ তেওঁ মহিলাসকলক স্বজ্ঞান অর্জনৰ পৰামর্শ দিছিল যাতে ইয়াৰ দ্বাৰা সামাজিক কল্যাণ সাধন হয়। অৱশ্যে এই গ্রন্থত সন্নিবিষ্ট বিভিন্ন ধাৰণাই তেওঁৰ চিন্তাৰ

ওপৰত যথেষ্ট প্ৰশ্নৰ অৱতাৰণা কৰিছিল। ফলস্বৰূপে তেওঁ পিছৰখন গ্ৰন্থ ‘ভাৰতীয় নাৰীৰ ক্ৰন্দন’ (Cry of Indian Women) ত লিঙ্গ ন্যায় সম্পৰ্কত কিছু পৃথক মতামত ব্যক্ত কৰিছিল। অৱশ্যে এইক্ষেত্ৰত পশ্চিমীয়া দেশৰ সংস্পৰ্শ আৰু আন কিছুমান প্ৰগতিশীল নাৰীৰ সান্নিধ্যও উল্লেখযোগ্য কাৰক আছিল। পিছৰ পৰ্য্যায়ত সেয়েহে তেওঁ মত প্ৰকাশ কৰিছিল যে একমাত্ৰ শিক্ষাৰ প্ৰসাৰেহে মহিলাৰ মৰ্য্যাদা উন্নত কৰিব পাৰিব। কিন্তু সেই সময়ত মহিলা শিক্ষা বিশষকৈ উচ্চ জাতিৰ মহিলাৰ শিক্ষাৰ ব্যৱস্থা কেৱল মিশ্যনাৰী বিদ্যালয়ত হে প্ৰদান কৰা হৈছিল আৰু ইয়াত শিক্ষা গ্ৰহণ কাৰ্যক কোনো কাৰণতে মহিলাসকলক উৎসাহিত কৰা হোৱা নাছিল। গতিকে মহিলাৰ শিক্ষা লাভ এক অসম্ভৱ সপোন যেন আছিল। ইয়াৰ অৱসানৰ বাবে সেয়েহে ৰমাবাঈয়ে 1882 চনৰ শিক্ষা আয়োগৰ ওচৰত মহিলা শিক্ষক নিযুক্তিৰ দাবী উত্থাপন কৰিছিল। 1889 চনত হোৱা কংগ্ৰেছৰ অধিবেশনত প্ৰায় 2000 প্ৰতিনিধিৰ মাজত 3 (তিনি)গৰাকী মহিলা প্ৰতিনিধি অন্তৰ্ভুক্ত হৈছিল ৰমাবাঈৰ প্ৰচেষ্টাত। এই অধিবেশনত তেওঁ মহিলাৰ অধিকাৰ আৰু মৰ্যাদাৰ বিষয়টো সজোৰে উত্থাপন কৰিছিল আৰু এই ক্ষেত্ৰত প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণ কৰাবলৈ সক্ষম হৈছিল। এই প্ৰচেষ্টাই ৰমাবাঈক অধিক জনপ্ৰিয় কৰিছিল আৰু তেওঁ বিভিন্ন অঞ্চললৈ শিক্ষাৰ গুৰুত্ব আৰু মহিলাৰ সমস্যা সম্পৰ্কত বক্তৃতা দিবলৈ আমন্ত্ৰিত হ’বলৈ ধৰিছিল।

ৰমাবাঈয়ে মূলতঃ 3 **টা লিঙ্গগত সমস্যা চিনাক্ত** কৰিছিল— **বাল্য বিবাহ, বিধৱা সকলৰ দূৰৱস্থা, শিক্ষাৰ অভাৱ।** এই সমস্যাবোৰ প্ৰতিপালন কৰাত বা এইবোৰক মূলতঃ দুটা আৰ্থ-সামাজিক উপাদানে সহায় কৰে; সেয়া হ’ল প্ৰাচীন শাস্ত্ৰ বা স্মৃতিবোৰ আৰু পুৰুষতন্ত্ৰ। ইয়াৰ উপৰিও আন এটা সমসাময়িক কাৰণো তেওঁ চিনাক্ত কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে ব্ৰিটিছ ঔপনিবেশিক শাসকৰ এই দিশৰ প্ৰতি অৱহেলা।

মহিলাসকলে সন্মুখীন হোৱা লিঙ্গগত সমস্যা সমাধানৰ বাবে তেওঁ আগবঢ়োৱা কিছুমান কৌশল আছিল—

(1) আত্ম নিৰ্ভৰশীলতা

(2) শিক্ষাৰ প্ৰসাৰ

(3) নিজ দেশীয় মহিলা শিক্ষকৰ নিযুক্তি

(4) মহিলা চিকিৎসকৰ নিযুক্তি

(5) মহিলাৰ দ্বাৰা মহিলাৰ মুক্তি আৰু তথাকথিত উদাৰ পুৰুষৰ সহায়ৰ আশা নকৰা।

অতি কৌশলীভাৱে তেওঁ মহিলাৰ নিম্ন মৰ্যাদাক ৰাষ্ট্ৰৰ মৰ্যাদাৰ লগত সংযোজিত কৰি ৰাষ্ট্ৰৰ বিকাশৰ বাবে মহিলাৰ বিকাশৰ প্ৰয়োজনীয়তাক প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। ভাৰতৰ পৰাধীনতাক মহিলাৰ পৰাধীনতাৰ লগত যুক্ত কৰি তেওঁ কৈছিল যে যি ৰাষ্ট্ৰই সমাজৰ অধিক নাগৰিকক প্ৰয়োজনীয় স্বাধীনতা প্ৰদান কৰিব নোৱাৰে সেই ৰাষ্ট্ৰ নিজে কেনেকৈ স্বাধীন হ’ব পাৰিব। আকৌ তেওঁৰ মতে মহিলাৰ অনগ্ৰসৰতাই পুৰুষৰ লগতে সমগ্ৰ সমাজখনৰ অনগ্ৰসৰতাৰ কাৰণ হ’ব। দুৰ্বল আৰু পিছপৰা মহিলাই দুৰ্বল ভৱিষ্যত প্ৰজন্মৰ সৃষ্টি কৰি দেশ এখনক দুৰ্বল কৰি পেলাব পাৰে বুলি তেওঁ সকিয়নী দিছিল আৰু মত প্ৰকাশ কৰিছিল যে এখন সৱল আৰু সুস্থ সমাজৰ বাবে সৱল, স্ব-নিৰ্ভৰশীল, শিক্ষিত আৰু পছন্দৰ অধিকাৰ থকা নাৰীৰ অতি প্ৰয়োজন।

এইদৰে বিভিন্ন প্ৰচেষ্টা আৰু চিন্তাৰে তেওঁ ভাৰতীয় সমাজৰ লিঙ্গগত সমস্যা চিনাক্ত কৰাত আৰু এইবোৰৰ সমাধান কৰি মহিলাসকলক এক মৰ্যাদাপূৰ্ণ জীৱন প্ৰদান কৰাৰ বাবে আজীৱন চেষ্টা কৰিছিল। “স্ব-

নিৰ্ভৰশীল মহিলা” (Self Relient for women) তেওঁৰ জীৱনৰ মূলমন্ত্ৰ হৈ পৰিছিল। ‘আৰ্য মহিলা সমাজ’ৰ জৰিয়তে তেওঁ এই সম্পৰ্কত সজাগতা সৃষ্টি কৰিছিল। ‘সাৰদা সদন’ৰ জৰিয়তে তেওঁ বিধৱা মহিলাসকলক বিশেষকৈ উচ্চ হিন্দু বিধৱা মহিলাসকলক প্ৰয়োজনীয় কৌশলৰ প্ৰশিক্ষণ প্ৰদান কৰিছিল যাতে তেওঁলোকে স্বাধীনভাৱে মৰ্যাদাসহ জীৱন যাপন কৰিব পাৰে। ইয়াৰোপৰি তেওঁ আন এক অনুষ্ঠান ‘মুক্তি মিশ্যন’ৰ জৰিয়তে সমাজৰ সকলো শ্ৰেণীৰ দুৰ্দশাগ্ৰস্ত মহিলাক শিক্ষিত কৰাৰ আৰু স্ব-নিৰ্ভৰশীল কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰিছিল।

## মূল্যায়ন (Evaluation) ঃ

হিন্দু ধৰ্মৰ পৰা খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰাৰ বাবে আৰু ‘সাৰদা সদন’ৰ কিছু বিধৱা মহিলাক খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত কৰাৰ বাবে ৰমাবাঈ যথেষ্ট সমালোচিত। ইয়াৰ উপৰি প্ৰাচীন ভাৰতীয় ধৰ্মীয় পুথিসমূহ সমালোচনা কৰাৰ বাবে আৰু বিদ্ৰোহী ধৰণে এক নিজ পছন্দৰ জীৱন ধাৰণৰ বাবে তেওঁ কঠোৰভাৱে সমালোচিত আছিল। আকৌ, নিজৰ প্ৰতিভাক ৰাজনৈতিক অংশগ্ৰহণেৰে জাতীয় চেতনা জাগ্ৰত কৰাত সহায় নকৰা বাবেও তেওঁ সমালোচিত হৈছিল। ৰমাবাঈৰ লিঙ্গগত সমস্যাৰ আলোচিত হৈছিল। ৰমাবাঈৰ লিঙ্গগত সমস্যাৰ আলোচনা কেৱল উচ্চ হিন্দু মহিলাৰ মৰ্যাদাৰ উন্নীতকৰণৰ লগতহে জড়িত হোৱা বাবে তেওঁৰ প্ৰচেষ্টাৰ উদ্দেশ্যৰ ওপৰত যথেষ্ট প্ৰশ্নৰ অৱতাৰণা হৈছিল। অৱশ্যে পিছলৈ তেওঁ আন মহিলাৰ সমস্যা সম্পৰ্কতো কিছু প্ৰচেষ্টা গ্ৰহণ কৰিছিল। ৰমাবাঈৰ মূল সমালোচক আছিল অন্যতম ভাৰতীয় চিন্তাবিদ বাল গংগাধৰ তিলক আৰু স্বামী বিবেকানন্দ। ইয়াৰ বিপৰীতে কেশৱ চন্দ্ৰ সেন, জ্যোতিবা ফুলে, মহাদেৱ গোৱিন্দ ৰাণাডে আদি ৰমাবাঈৰ অন্যতম সমৰ্থক আছিল।

পণ্ডিতা ৰমাবাঈক প্ৰথম ভাৰতীয় নাৰীবাদী বিদ্ৰোহী হিচাপে গণ্য কৰা হয়; পুৰুষসকলৰ অত্যাচাৰৰ দ্বাৰা পিড়ীত পৃথিৱীখনত শোষিত মহিলাসকলক শিক্ষিত, সচকিত কৰি স্বনিৰ্ভৰশীল কৰাৰ লগতে তেওঁলোকৰ আত্মবিশ্বাস পুনঃস্থাপনৰ ক্ষেত্ৰত এক গঠনমূলক কাৰ্যসূচী অংকিত আৰু বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত ৰমাবাঈৰ বৰঙণি অতুলনীয়।

**Excercise :**

1. Evaluate Rambai as a Pioneer of Feminist movement in India.
2. What is Patriarchy? Discuss Ramabai’s contribution to eradicate Patriarchy in Indian Society.
3. Disciss Ramabai’s view on Gender Issues.

ঃঃঃঃ

## চতুৰ্থ অধ্যায়

# স্বামী বিবেকানন্দ
# (1863-1902)

স্বামী বিবেকানন্দৰ জন্ম হৈছিল 1863 চনৰ 12 জানুৱাৰীত কলিকতাৰ এক আঢ্যৱন্ত পৰিয়ালত। তেওঁৰ পিতৃৰ নাম আছিল বিশ্বনাথ দত্ত আৰু মাতৃৰ নাম আছিল ভুৱনেশ্বৰী দেৱী। বিবেকানন্দৰ প্ৰকৃত নাম আছিল নৰেন্দ্ৰনাথ দত্ত। শৈশৱত পিতৃ-মাতৃ আদৰ্শেৰে শিক্ষিত নৰেন্দ্ৰ নাথ অতি সাহসী তথা ভয়হীন আছিল। তেওঁৰ পিতৃ বৃত্তিগতভাৱে ওকালতিৰ লগত জড়িত আছিল আৰু তেওঁ সামাজিক ক্ষেত্ৰতো অতি প্ৰগতিশীল চিন্তাৰ বাহক আছিল। বিবেকানন্দৰ জীৱনত তেওঁৰ পিতৃ-মাতৃৰ অশেষ প্ৰভাৱ দেখা যায়। তেওঁ স্কটিছ ছাৰ্চ কলেজত অধ্যয়ন কৰি প্ৰাচ্যৰ লগতে পাশ্চাত্যৰ শিক্ষা আৰু সংস্কৃতিৰ অধ্যয়নৰ সুযোগ লাভ কৰিছিল আৰু ইয়াৰ প্ৰভাৱো তেওঁৰ জীৱন আৰু দৰ্শনত পোৱা যায়। বিবেকানন্দৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল—The East and the West (1909), Practical Vedanta, Karma Yoga, Raj Yoga, Jnana Yoga, Vakti Yoga ইত্যাদি। 1902 চনত ভাৰতৰ এইজনা যোগগুৰুৰ মৃত্যু হৈছিল। তেখেতৰ জন্মদিন ১২ জানুৱাৰী সমগ্ৰ ভাৰতত ৰাষ্ট্ৰীয় যুৱ দিৱস (National Youth Day) হিচাবে পালন কৰা হয়।

বিবেকানন্দৰ সময়ছোৱাক ভাৰতৰ এক পৰিৱৰ্তনশীল সময়ৰ আৰম্ভণি আখ্যা দিব পাৰি। এই সময়তে ভাৰতীয় জাতীয় কংগ্ৰেছৰ দৰে অনুষ্ঠানৰ প্ৰতিষ্ঠা হৈছিল আৰু ভাৰত সম্পৰ্কীয় কিছুমান সংগঠিত চিন্তা আৰম্ভ হৈছিল। সমাজ সংস্কাৰমূলক কিছুমান কাৰ্য আৰম্ভ হৈছিল যদিও ভাৰতীয় সমাজখন তেতিয়াও সামাজিক, ধৰ্মীয় কু-সংস্কাৰেৰে অন্ধকাৰচ্ছন্ন হৈ আছিল। ভাৰতবৰ্ষৰ সেইখিনি সময়ৰ প্ৰকৃত চিত্ৰখন বিবেকানন্দই অনুধাৱন কৰিব পাৰিছিল তেতিয়াহে যেতিয়া তেওঁ ভাৰতৰ বিভিন্ন অংশ ভ্ৰমি ইয়াৰ মানুহৰ সমস্যাবোৰ নিজ চকুৰে প্ৰত্যক্ষ কৰিছিল। এই ভ্ৰমণকালত তেওঁ এফালে ভাৰতৰ বিচিত্ৰতাৰ জ্ঞান লাভ কৰি উজ্জিৱীত হৈছিল আৰু আনফালে মানুহৰ সমস্যা সম্পৰ্কত জ্ঞান লাভ কৰি নিজৰ চিন্তাধাৰাক সলনি কৰিছিল। প্ৰথম অৱস্থাত তেওঁ জ্ঞান/শিক্ষা বিশেষকৈ আধ্যাত্মিক শিক্ষাৰ দ্বাৰা সামাজিক সমস্যা সমাধানৰ ওপৰত গুৰুত্ব দিছিল যদিও পিছলৈ নিজেই অনুধাৱন কৰিছিল যে সকলো মানুহেই ইয়াক গ্ৰহণ কৰিব নোৱাৰে। দৰিদ্ৰতাত ভোগা গৰিষ্ঠসংখ্যক ভাৰতীয়ই যে সমস্যাৰ বাবে আধ্যাত্মিকতাৰ জ্ঞানেৰে আলোকিত হ'ব নোৱাৰে সেই কথা তেওঁ এই ভ্ৰমণকালতেই অনুধাৱন কৰিছিল। সেয়েহে তেওঁ মত প্ৰকাশ কৰিছিল যে প্ৰথমতে এই সমস্যাবোৰ অনুধাৱন কৰি সমাধান কৰাটোহে প্ৰয়োজনীয়। বিবেকানন্দই তেওঁৰ বিশ্লেষণৰ পৰা সেই সময়ৰ ভাৰতবৰ্ষৰ মূলতঃ দুটা সমস্যা চিনাক্ত কৰিছিল— প্ৰথম, **ব্ৰিটিছ শাসকৰ শোষণ** আৰু দ্বিতীয়, **ভাৰতীয় সমাজত প্ৰচলিত সামাজিক কু-প্ৰথা তথা**

**সমস্যা**। তেওঁৰ মতে এই দুয়োটা সমস্যাই ভাৰতীয় সমাজখনক পংগু কৰি ৰাখিছে। ভাৰতীয় সমাজৰ সমস্যাসমূহ যেনে জাতি ব্যৱস্থা, অন্ধ বিশ্বাস, কু-সংস্কাৰ ইত্যাদি তেওঁৰ মতে কোনোগুণেই ব্ৰিটিছ শাসন আৰু শোষণতকৈ কম গুৰুত্বপূৰ্ণ নহয়। তেওঁ আনকি নিজৰ লিখনি আৰু ভাষণৰ জৰিয়তে সমাজৰ উচ্চ বৰ্ণৰ লোক, সাধু সন্ত আদিকো কঠোৰভাৱে সমালোচনা কৰিছিল আৰু পিছপৰা জাতিৰ লোকৰ দুৰৱস্থাৰ বাবে তেওঁলোকক প্ৰত্যক্ষভাৱে জগৰীয়া কৰিছিল। জাতি ব্যৱস্থাৰ কঠোৰ সমালোচক বিবেকানন্দই নিম্ন জাতিৰ লোকসকলৰ অৱস্থাৰ উন্নীতকৰণৰ বাবে শিক্ষাৰ প্ৰসাৰ আৰু শ্ৰেণী সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ আনকি সমাজ সংস্কাৰৰ বাবে সেই সময়ত হোৱা প্ৰচেষ্টাসমূহৰ ফলপ্ৰসূতাৰ ওপৰতো সন্দেহ প্ৰকাশ কৰিছিল। সামাজিক সমস্যা সামাধানৰ বাবে কেৱল চৰকাৰী কৰ্তৃপক্ষৰ দ্বাৰা প্ৰণীত আইন, যিবোৰত মানুহৰ কোনো কৰ্তৃত্ব নাই সেইবোৰৰ সুফলতা সম্পৰ্কেও তেওঁ সন্দিহান আছিল। তেওঁৰ মতে নিম্ন জাতৰ বুলি পৰিগণিত লোকসকলৰ সামাজিক স্থান উন্নীতকৰণেই হ'ল তেওঁলোকৰ দুৰ্দশাৰ অন্ত পেলোৱাৰ অন্যতম উপায়।

## বিবেকানন্দৰ ওপৰত পৰা প্ৰভাৱ (Influence on Vivekananda) ঃ

বিবেকানন্দৰ জীৱন আৰু দৰ্শনত বিভিন্ন উৎসৰ প্ৰভাৱ দেখা যায়। বিশেষকৈ ৰামকৃষ্ণ পৰমসংহ, ব্ৰাহ্ম সমাজ, অদ্বৈত বেদান্ত দৰ্শন, বৌদ্ধ ধৰ্মীয় চিন্তাধাৰাৰ দ্বাৰা বিবেকানন্দ অতি প্ৰভাৱিত আছিল। ইয়াৰ লগতে ইউৰোপীয় চিন্তাবিদ প্লেটো, কাণ্ট, হেগেল আৰু বিশেষভাৱে হাৰ্বাট স্পেনচাৰৰ দ্বাৰা প্ৰভাৱিত আছিল। বিবেকানন্দ স্পেনচাৰৰ সমসাময়িক আছিল।

বিবেকানন্দৰ জীৱনত ৰামকৃষ্ণ পৰমহংসৰ অৱদান অশেষ আছিল। পৰমহংস বিবেকানন্দৰ গুৰু আছিল। 1886 চনত পৰমহংসৰ মৃত্যুৰ পিছত তেওঁৰ সন্মানাৰ্থে আৰু পৰমহংসৰ জ্ঞান আৰু বাণী প্ৰচাৰ কৰিবলৈকে তেওঁ হিমালয়ৰ পৰা কন্যাকুমাৰীলৈ ভ্ৰমণ কৰিছিল। 1897 চনত তেওঁ ৰামকৃষ্ণ মিশ্যন/মঠ প্ৰতিষ্ঠা কৰিছিল আৰু 1898 চনত বেলোৰ মঠ গুৰু ৰামকৃষ্ণ পৰমহংসৰ সোঁৱৰণত গঠন কৰিছিল। এই দুয়োটা অনুষ্ঠান যদিও মূলতঃ ধৰ্মীয় অনুষ্ঠান আছিল তথাপিও ই সমাজ সংস্কাৰমূলক কাৰ্যৰ লগতো জড়িত আছিল।

বিবেকানন্দৰ দৰ্শনৰ আন এক উল্লেখযোগ্য উৎস হ'ল শংকৰাচাৰ্য্যৰ অদ্বৈত দৰ্শন। অৱশ্যে অদ্বৈত দৰ্শনক তেওঁ ব্যৱহাৰিক অদ্বৈত দৰ্শন হিচাপেহে আলোচনা কৰিছিল। তেওঁক অদ্বৈত বেদান্ত দৰ্শনক এক নতুন (ব্যৱহাৰিক) ৰূপত প্ৰকাশ কৰা বাবে নব্য বেদান্তবাদী দাৰ্শনিক হিচাপেও জনা যায়। দৰাচলতে তেওঁ ভাৰতীয় সমাজৰ প্ৰেক্ষাপটত খাপ খোৱাকৈ বেদান্ত দৰ্শনৰ প্ৰয়োগ কৰিব বিচাৰিছিল। ইতিমধ্যেই আলোচনা কৰা হৈছে যে বিবেকানন্দই ভাৰতবৰ্ষৰ প্ৰকৃত প্ৰতিচ্ছবিখন তেওঁৰ ভাৰত ভ্ৰমণৰ কালছোৱাতেই লাভ কৰিছিল আৰু ইয়াৰ সামাজিক সমস্যাসমূহ অনুধাৱন কৰিছিল। অজ্ঞ, নিৰক্ষৰ, কু-সংস্কাৰপূৰ্ণ আৰু অন্ধবিশ্বাসী ভাৰতীয় জনসাধাৰণক প্ৰকৃত মুক্তি প্ৰদান কৰিবলৈ আধ্যাত্মিক শিক্ষাকেই তেওঁ অন্যতম পথ হিচাবে গ্ৰহণ কৰিছিল। তেওঁ উপলব্ধি কৰিব পাৰিছিল যে দেশৰ জনসাধাৰণৰ এই অজ্ঞতা প্ৰকৃত জ্ঞানেহে দূৰ কৰিব পাৰিব। সেয়েহে তেওঁ প্ৰাচীন বেদান্ত দৰ্শনক সংশোধন কৰি জনসাধাৰণৰ মাজত আধ্যাত্মিক জ্ঞান প্ৰচাৰ কৰিবলৈ ব্যৱহাৰিক বেদান্ত দৰ্শনৰ প্ৰচাৰৰ ওপৰত গুৰুত্ব দিছিল। বিবেকানন্দৰ মতে পৰমসত্থা এক আৰু অভিন্ন আৰু সকলো মানুহৰ মাজতে ই আত্মা হিচাবে বিদ্যমান। কিন্তু অজ্ঞতাই মানুহক এই আত্মা অৰ্থাৎ পৰমসত্থাক অনুধাৱন কৰাত বাধা দিয়ে। অজ্ঞতাই মানুহক সামাজিক দুখ-দুৰ্দশাৰ আৰু সমস্যাৰ মাজলৈ লৈ যায়। গতিকে প্ৰকৃত মোক্ষ লাভৰ বাবে আৰু পৰমসত্ত্বাক অনুধাৱন কৰাৰ বাবে মানুহক প্ৰকৃত জ্ঞানৰ প্ৰয়োজন। বেদান্ত দৰ্শনৰ জৰিয়তে তেওঁ মানৱীয় একাত্মবোধ, মানৱীয় আদৰ্শ আৰু ধৰ্মীয় তথা আধ্যাত্মিক অনুভূতি মানুহৰ মনত জগাই তুলি এখন সুন্দৰ সমাজ

গঢ়াৰ ওপৰত গুৰুত্ব দিছিল। মানৱ সেৱাৰ দ্বাৰা তেওঁ মোক্ষ লাভৰ ওপৰত গুৰুত্ব দিছিল কাৰণ তেওঁৰ মতে প্ৰত্যেক মানুহৰ মাজতেই আত্মা হিচাপে ভগৱান/পৰমসত্বা বিদ্যমান।

## বিবেকানন্দৰ আদৰ্শ সমাজ

## (Vivekananda's Ideal Society)

বিবেকানন্দৰ আদৰ্শ সমাজৰ ধাৰণা বিভিন্ন ৰূপত পোৱা যায় অৰ্থাৎ, তেওঁৰ বিভিন্ন লিখনি আৰু ভাষণৰ মাজত আদৰ্শ সমাজৰ ধাৰণা সিঁচৰিত হৈ আছিল। তেওঁৰ আদৰ্শ সমাজ ভাৰতৰ লগতে পশ্চিমীয়া পৰম্পৰাৰ সংমিশ্ৰণ আছিল। বিবেকানন্দৰ এই আদৰ্শ সমাজৰ ধাৰণাক বিভিন্ন দিশৰ পৰা বিশ্লেষণ কৰিব পাৰি যেনে ঃ আধ্যাত্মিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদি।

বিবেকানন্দৰ আদৰ্শ সমাজৰ আলোচনাৰ পূৰ্বে তেওঁৰ ধৰ্ম আৰু ব্যক্তি সম্পৰ্কীয় ধাৰণাৰ আলোচনা অতি প্ৰয়োজীন। বিবেকানন্দই নিজকে এজন ধৰ্মীয় লোক/সন্যাসী হিচাপেহে পৰিচয় দিছিল। তেওঁ 1893 চনত বিশ্ব ধৰ্মীয় সন্মিলনতো অংশগ্ৰহণ কৰিছিল আৰু ইয়াত ধৰ্মৰ ওপৰত এক গভীৰ আৰু আকৰ্ষণীয় বক্তৃতা প্ৰদান কৰি ধৰ্মৰ মানৱীয় দিশক জনপ্ৰিয় কৰাৰ চেষ্টা কৰিছিল। তেওঁৰ এই ভাষণে হিন্দু ধৰ্মক পশ্চিমীয়া লোকৰ মাজত প্ৰচাৰ আৰু জনপ্ৰিয় কৰাত এক বিশেষ ভূমিকা লৈছিল। ধৰ্মীয় দিশত তেওঁ মানৱতাক আটাইতকৈ বেছি অগ্ৰাধিকাৰ দিছিল। ব্যক্তিক য'ত আটাইতকৈ গুৰুত্ব প্ৰদান কৰা হয় সেয়াই হ'ল মানৱতাবাদ। এই ধাৰণা অনুসৰি ব্যক্তি হ'ল এক স্বকীয় সৃষ্টি যি আন সকলো সৃষ্টিতকৈ পৃথক আৰু মূল্যৱান। বিবেকানন্দৰ মতেওঁ পৃথিৱীৰ সকলো সম্পদতকৈ মূল্যৱান হ'ল মানুহ। তেওঁৰ মতে মানুহ ভগৱানৰ আইনা। তেওঁৰ মতে মানুহেই ভগৱান। অৱশ্যে তেওঁৰ মানুহৰ ধাৰণাই জাতি, ধৰ্ম, লিঙ্গ, বৰ্ণ নিৰ্বিশেষে সকলোকে সামৰি লৈছিল। তেওঁ কৈছিল, "Man is higher than all animals, than all angels, none is greater than men." অৰ্থাৎ, সকলো জীৱ, দেৱতাতকৈ মানুহ শ্ৰেষ্ঠ আৰু মানুহৰ ওপৰত কোনো নাই। অৱশ্যে তেওঁ এইটোও কৈছিল যে মানুহ তেতিয়াহে শ্ৰেষ্ঠ বা মানুহ যেতিয়ালৈ তেওঁ তেওঁৰ ভিতৰত থকা গুণক সম্পূৰ্ণৰূপে বিকাশ কৰিব পাৰে আৰু সম্পূৰ্ণতা অৰ্জন কৰিব পাৰে। বিবেকানন্দৰ ধাৰণা আছিল যে ব্যক্তিয়ে জন্মতেই কিছুমান গুণ লৈ জন্ম ধাৰণ কৰে আৰু সময়ৰ লগে লগে সেইবোৰৰ বিকাশ হৈ ব্যক্তিয়ে সম্পূৰ্ণতা/শ্ৰেষ্ঠতা অৰ্জন কৰে। তেওঁৰ মতে মানুহ (প্ৰকৃত) হোৱাটোৱেই হ'ল সম্পূৰ্ণতা/শ্ৰেষ্ঠতা অৰ্জনৰ শেষ উদ্দেশ্য। অৰ্থাৎ, মানুহ হোৱাৰ বাবে মানৱীয় দিশৰ সম্পূৰ্ণ বিকাশ হ'ব লাগিব। অৱশ্যে এই যাত্ৰা দিঘলীয়া আৰু আধ্যাত্মিকতাৰ দ্বাৰাহে ইয়াক আহৰণ কৰিব পাৰি। তেওঁ আনকি মত প্ৰকাশ কৰিছিল যে মানুহ ইমানেই শ্ৰেষ্ঠ যে দেৱতা বা ভগৱানেও প্ৰথমতে মানুহ হ'ব লাগিব যদিহে তেওঁলোক শ্ৰেষ্ঠ (Perfect) হ'ব বিচাৰে। তেওঁৰ মতে, মানৱীয় সম্পূৰ্ণতা অৰ্জন কৰা মানুহ স্ব-নিয়ন্ত্ৰিত আৰু স্ব-পৰিচালিত হয়। অৰ্থাৎ ব্যক্তিৰ নিজৰ বাহিৰে আন কোনো বাহিৰা শক্তিয়ে তেওঁক নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰিব নোৱাৰে। আৰু এনে অৱস্থাপ্ৰাপ্ত মানুহ আটাইতকৈ ক্ষমতাশালী হয়। অৰ্থাৎ, এনে সম্পূৰ্ণতা অৰ্জন কৰা মানুহে সমাজৰ উন্নতি, সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকৰ সৱলীকৰণ কৰি সমাজখনক আগুৱাই নিয়াত সহায় কৰে। বিবেকানন্দৰ ক্ষমতাশালী মানুহৰ ধাৰণাই দৰাচলতে সামাজিক প্ৰগতি আৰু পিছপৰা দুৰ্বল শ্ৰেণীৰ লোকৰ কল্যাণতহে নিজৰ শক্তি আৰু ক্ষমতা প্ৰয়োগ কৰে, ব্যক্তিস্বাৰ্থ আহৰণৰ বাবে নহয়। বিবেকানন্দৰ মতে মানুহ যেতিয়া গুণৰ (মানৱীয়) প্ৰতিবিম্ব হৈ পৰে বা মানুহে যেতিয়া মানৱতা অৰ্জন কৰে তেতিয়া তেওঁ এই বিশ্ব ব্ৰহ্মাণ্ডৰ আটাইতকৈ মূল্যৱান সম্পদ হৈ পৰে। সেয়েহে তেওঁ কৈছিল— 'Men are more valuable than all the wealth of the world." আগতেই উল্লেখ কৰা হৈছে যে বিবেকানন্দ আছিল অদ্বৈত বেদান্ত

(Monism) দৰ্শনৰ অনুসৰণকাৰী। সেয়েহে তেওঁ বিশ্বাস কৰিছিল যে মানৱ আত্মা হ'ল পৰমসত্বা/ব্ৰহ্মাৰ অংশ। প্ৰত্যেক ব্যক্তিৰ আত্মাতেই ভগৱানৰ অস্তিত্ব থাকে; আৰু সেই আত্মা অজৰ, অমৰ আৰু অপৰিৱৰ্তনীয়।

বিবেকানন্দৰ মতে ধৰ্ম হ'ল আত্মাৰ শুদ্ধীকৰণ, আত্ম উপলব্ধি, পৰমসত্বাৰ লগত অভীন্নতা বা মোক্ষ। সেয়েহে তেওঁ মত প্ৰকাশ কৰিছিল যে সমগ্ৰ বিশ্বখনেই এই দিশৰ পৰা এক ধৰণৰ ধৰ্মৰ অনুগামী। কাৰণ সকলো ধৰ্মৰে উদ্দেশ্য একেটাই। সেয়া হ'ল পৰমসত্বাৰ লগত অভীন্নতাৰ দ্বাৰা মোক্ষ বা মুক্তি লাভ কৰা। সেয়েহে তেওঁ সকলো ধৰ্মৰ মাজত একতা প্ৰতিষ্ঠাত গুৰুত্ব দিছিল। বিবেকানন্দই মতে প্ৰকাশ কৰিছিল ধৰ্মইহে ব্যক্তিক জীৱনৰ উদ্দেশ্য অনুভৱ কৰাত সহায় কৰে। অৰ্থাৎ ব্যক্তিৰ নিজস্ব আৰু সামাজিক জীৱনৰ উদ্দেশ্য অনুভৱ তথা উপলব্ধি কৰাত আৰু আহৰণ কৰাত ধৰ্মহে মাৰ্গদৰ্শক। সেই সময়ত ধৰ্মক বিশেষকৈ হিন্দু ধৰ্মক অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ মাজলৈ লৈ যোৱা সামাজিক প্ৰথা যেনে ঃ সতী প্ৰথা, জাতি প্ৰথা ইত্যাদি সম্পৰ্কত তেওঁ মত প্ৰকাশ কৰিছিল যে এইবোৰ দৰাচলতে সামাজিক সমস্যা আৰু ধৰ্মৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। দৰাচলতে কোনো ধৰ্মই সামাজিক সমস্যা সৃষ্টি নকৰে, ধৰ্ম-পালনৰ ভুল পদ্ধতিয়েহে সমাজিক সমস্যাৰ সৃষ্টি কৰে। সেয়েহে জাতি প্ৰথাৰ দৰে সামাজিক সমস্যাৰ বাবে ধৰ্মক জগৰীয়া কৰা উচিত নহয়। আকৌ সামাজিক সমস্যা সমাধানৰ অৰ্থে ধৰ্মক ওফোৰাই পেলোৱাৰো কোনো প্ৰয়োজন নাই বুলি তেওঁ মত প্ৰকাশ কৰিছিল। অতি তাৎপৰ্য্যপূৰ্ণভাৱে স্বামী বিবেকানন্দই মত প্ৰকাশ কৰিছিল যে স্বতন্ত্ৰতা (Liberty), সমতা (Equality), ভাতৃত্ববোধ (Fraternity) আদিৰ দৰে মূল্যবোধ ধৰ্মৰ ভিতৰতেই সংপৃক্ত হৈ থাকে। মোক্ষ বা মুক্তি (Sulvation) তেওঁৰ মতে স্বতন্ত্ৰতাৰেই ৰূপ যি ধৰ্মৰ মাজতেই পোৱা যায়। আকৌ, প্ৰত্যেক ব্যক্তি পৰমসত্বাৰ অংশ হিচাপে গণ্য হ'লে ব্যক্তিৰ মাজত কোনো পাৰ্থক্যও নাথাকে আৰু ব্যক্তিৰ মাজত এক ভাতৃত্বপূৰ্ণ সম্পৰ্ক প্ৰতিষ্ঠা হয়। গতিকে তেওঁ মত প্ৰকাশ কৰিছিল যে ধৰ্ম পালনেহে স্বতন্ত্ৰতা, সমতা, ভাতৃত্ববোধৰ দৰে মূল্যবোধৰ প্ৰতিষ্ঠাত সহায় কৰিব। মুঠ কথাত তেওঁ এক সাৰ্বজনীন মানৱীয় ধৰ্মৰ প্ৰৱৰ্তক আছিল।

বিবেকানন্দৰ আদৰ্শ সমাজৰ ধাৰণা তেওঁৰ ধৰ্মীয় চিন্তাধাৰাৰ মাজতেই সংপৃক্ত আছিল। আদৰ্শ সমাজৰ কথা ক'বলৈ গৈ তেওঁ সমাজৰ বিৱৰ্তনৰ কথা কৈছিল আৰু সমাজৰ বিৱৰ্তনক ব্যাখ্যা কৰিবলৈ তেওঁ প্ৰচলিত সামাজিক গাঁথনি অৰ্থাৎ জাতি ব্যৱস্থাৰ সহায় লৈছিল। উল্লেখ কৰা প্ৰয়োজনীয় যে বিবেকানন্দ জাতি ব্যৱস্থাৰ সমৰ্থক নাছিল। তেওঁৰ মতে এই ব্যৱস্থা ভাৰতীয় হিন্দু ধৰ্মৰ মূল কথাৰ বিপৰীতহে। জাতি ব্যৱস্থাক তেওঁ এক সামাজিক প্ৰথা হিচাপেহে গণ্য কৰিছিল। জাতি ব্যৱস্থাৰ ভিত্তিত তেওঁ সামাজিক বিৱৰ্তন আৰু ইয়াৰ বিভিন্ন দিশসমূহ আলোচনা কৰিছিল।

প্লেটোৰ দৰে বিবেকানন্দইও আত্মাৰ তিনিটা গুণৰ বিষয়ে আলোচনা কৰিছিল— সত্বঃ (Sattah), ৰজঃ (Raja) আৰু তমঃ (Tama)। সত্বঃ অৰ্থাৎ পবিত্ৰতা আৰু জ্ঞান, ৰজঃ অৰ্থাৎ ইচ্ছা-আকাংক্ষা, কৰ্ম আৰু তমঃ অৰ্থাৎ অলস, অন্ধকাৰ, অজ্ঞতা ইত্যাদি। বিবেকানন্দৰ মতে এই তিনিটা উপাদানৰ ওপৰত ভিত্তি কৰি প্ৰত্যেক সমাজতেই কেইটামান শ্ৰেণী/জাতিৰ সৃষ্টি হৈছে। সেয়া হ'ল— ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। তেওঁ মত প্ৰকাশ কৰিছিল যে প্ৰত্যেক সমাজত এই শ্ৰেণীবিভাজনৰ নামবোৰ পৃথক হ'ব পাৰে কিন্তু সকলোতে এই বিভাজন থাকিবই। ভাৰতৰ জাতি ব্যৱস্থাৰ লগত জড়িত অন্ধবিশ্বাস আৰু কু-প্ৰথাবোৰ এই বিভাজনৰ লগত জড়িত সমস্যা যিবোৰ সকলোতে নাথাকিব পাৰে কিন্তু সামাজিক বিভাজন থাকিবই। উদাহৰণস্বৰূপে প্লেটোৰ দাৰ্শনিক ৰজাৰ বিষয়ে উল্লেখ কৰিব পাৰি যিয়ে বিবেকানন্দই কোৱা সত্বঃ গুণক প্ৰতিনিধিত্ব কৰে। গতিকে বিবেকানন্দৰ মতে এই ধৰণৰ সামাজিক বিভাজন সকলোতে দেখা যায়।

বিবেকানন্দৰ মতে ৰাষ্ট্ৰ তথা সমাজৰ বিকাশ এই চাৰিটা শ্ৰেণীৰ শাসনৰ চক্ৰাকাৰ পৰিৱৰ্তনৰ জৰিয়তেহে সংঘটিত হৈছে। সমাজৰ প্ৰাৰম্ভিক স্তৰত তেওঁৰ মতে ব্ৰাহ্মণসকলৰ/জ্ঞানী লোকসকলৰ শাসন প্ৰতিষ্ঠিত হৈছিল। ইয়াত সমাজখন দাস-গৰাকীৰ সম্পৰ্কত আৱদ্ধ আছিল। এই সমাজৰ অন্যতম উল্লেখযোগ্য দিশ/গুণ আছিল যে ইয়াত জ্ঞানৰ ওপৰত গুৰুত্ব দিয়া হৈছিল, বৌদ্ধিক বিকাশ হৈছিল আৰু প্ৰগতিৰ পথ মুকলি হৈছিল। এই সমাজৰ প্ৰধান সমস্যা আছিল যে ইয়াত জ্ঞানৰ একচেটীয়া অধিকাৰ সাব্যস্ত হৈছিল। ধৰ্মীয় গুৰুসকল অতি শক্তিশালী হৈ পৰিছিল আৰু ধৰ্মীয় দিশত যথেষ্ট কঠোৰ আৰু সংৰক্ষণশীল নীতিৰ প্ৰচাৰ হৈছিল। ফলস্বৰূপে এই সমাজৰ পৰিৱৰ্তন প্ৰয়োজনীয় হৈ পৰিছিল আৰু শাসন ক্ষত্ৰিয়সকলৰ হাতলৈ গৈছিল। এই সময়ৰ সমাজখন আছিল সামন্তবাদী সমাজ। এই সময়খিনিতে কলা আৰু সাহিত্যৰ জয়যাত্ৰা আৰম্ভ হৈছিল। অৱশ্যে ইয়াৰ প্ৰধান সমস্যা আছিল যে ই ব্যক্তিৰ অধিকাৰ সাপেক্ষ নাছিল। ইয়াত হিংসা, ক্ৰুৰতাই যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছিল। ফলস্বৰূপে এক নতুন জাতিৰ শাসন আৰম্ভ হৈছিল আৰু সেয়া হ'ল বৈশ্যৰ শাসন। এই সমাজখন মূলতঃ পুজিবাদী প্ৰকৃতিৰ আছিল। ইয়াত ব্যক্তিৰ অধিকাৰ, স্বতন্ত্ৰতাৰ ওপৰত কিছু গুৰুত্ব দিয়া হৈছিল আৰু বাণিজ্যৰ লগতে জ্ঞানৰো সম্প্ৰসাৰণ হ'বলৈ আৰম্ভ কৰিছিল। কিন্তু ইয়াৰ লগতে শোষণ, অত্যাচাৰ আদিও আৰম্ভ হৈছিল। শেষত ইয়াৰ প্ৰতিবাদস্বৰূপে শূদ্ৰসকলৰ শাসন আৰম্ভ হৈছিল আৰু এখন সাম্যবাদী সমাজৰ প্ৰতিষ্ঠা হৈছিল। মাৰ্ক্সে এই সমাজখনকে সৰ্বহাৰাৰ সমাজ আখ্যা দিছিল। ইয়াত শিক্ষা, অধিকাৰ আৰু অৰ্থনৈতিক সুবিধাৰ সমবিতৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু সকলোৰে অধিকাৰ নিশ্চিত কৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। কিন্তু ইয়াৰ সামগ্ৰিক পৰিনাম আছিল দেশৰ সামগ্ৰিক সংস্কৃতি আৰু জ্ঞানৰ পতন তথা অৱৰোধন। এইখিনি সময়ত সমাজত সেয়েহে কোনো বিশেষ জ্ঞানী লোকৰো উপস্থিতি দেখা নগৈছিল। এইদৰে মূলতঃ চাৰিখন সমাজৰ জৰিয়তে সামাজিক বিৱৰ্তন হৈছে—

| | | | | | | |
|---|---|---|---|---|---|---|
| **ধৰ্মীয় ৰাষ্ট্ৰ** | → | **সামৰিক ৰাষ্ট্ৰ** | → | **বাণিজ্যিক ৰাষ্ট্ৰ** | → | **সমাজবাদী ৰাষ্ট্ৰ** |
| (ব্ৰাহ্মণ শাসিত) | | (ক্ষত্ৰিয় শাসিত) | | (বৈশ্য শাসিত) | | (শূদ্ৰ শাসিত) |

বিবেকানন্দই মত প্ৰকাশ কৰিছিল যে যি শ্ৰেণীয়ে শাসনৰ ক্ষমতাত নাথকক কিয়, ক্ষমতাৰ উৎস কিন্তু সাধাৰণ জনতাই হৈ থাকিব আৰু শাসক শ্ৰেণীয়ে যিমানেই এই ক্ষমতাৰ উৎসক অৱহেলা কৰিব সিমানেই ক্ৰমান্বয়ে শাসক শ্ৰেণী নিজেহে দুৰ্বল হৈ পৰিব আৰু নিজেই ক্ষমতাচ্যুত হ'ব লাগিব।

বিবেকানন্দৰ আদৰ্শ সমাজত সকলোৰে মাজত সমতা প্ৰতিষ্ঠা কৰাৰ কথা কোৱা হৈছিল। এই সমাজত সকলো শাসক শ্ৰেণীৰে কিছুমান গুণ সংপৃক্ত থাকিব যেনে ধৰ্মীয় শাসক বা ব্ৰাহ্মণৰ জ্ঞান, সামৰিক শাসনৰ বা ক্ষত্ৰিয় শাসনৰ সাহস আৰু সংস্কৃতি, বৈশ্য শাসিত সমাজৰ বিতৰণ ব্যৱস্থা আৰু শূদ্ৰ শাসনৰ সমতাপূৰ্ণ সমাজ ব্যৱস্থা ইত্যাদি। ইয়াত প্ৰেম ভালপোৱা আৰু সহযোগিতাৰ কোনো অভাৱ নহ'ব। মুঠ কথাত এখন শান্তিপূৰ্ণ, সহযোগিতামূলক, সমতাপূৰ্ণ সমাজৰ তেওঁ পৰিকল্পনা কৰিছিল য'ত ব্যক্তিয়ে প্ৰকৃত সত্যক আহৰণ কৰিব পাৰে, দেৱত্ব আহৰণ কৰিব পাৰে বা পৰমসত্বাৰ লগত বাস্তৱত সন্মিলিত অনুভৱ কৰিব পাৰে সেয়াই আদৰ্শ সমাজত পৰিণত হ'ব পাৰে। বিবেকানন্দৰ আদৰ্শ সমাজত ব্যক্তি আৰু সমাজৰ মাজত এক ভাৰসম্যমূলক সম্পৰ্ক থাকে আৰু ব্যক্তিক সমাজৰ সমগ্ৰ সত্বাৰ এক অংশ হিচাবে গণ্য কৰা হয়। ইয়াত ব্যক্তিয়ে মানৱীয় সমাজৰ উন্নতিৰ বাবে বা সমাজৰ আন ব্যক্তিৰ বাবে নিজৰ ব্যক্তিগত স্বাৰ্থ পৰিত্যাগ কৰিব পাৰে আৰু উমৈহতীয়া সামাজিক কল্যাণৰ উদ্দেশ্য আৰু পথ গ্ৰহণ কৰাৰ প্ৰতিহে আগ্ৰহী হয়; আৰু এইদৰে ব্যক্তি আৰু সমাজ এক হৈ পৰে। অৰ্থাৎ ব্যক্তি আৰু সমাজৰ উদ্দেশ্য একেটাই। গতিকে এই দুয়োটা পৃথক হ'ব নোৱাৰে। বিবেকানন্দৰ

আদৰ্শ সমাজত প্ৰাচ্যৰ মূল্যবোধৰ লগত পাশ্চাত্যৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ সংমিশ্ৰিত এক ব্যৱস্থা গঢ় দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। এই আদৰ্শ সমাজত কোনো উপাদানৰে তেওঁ এক নিৰ্দিষ্ট শ্ৰেণীৰ হাতত কেন্দ্ৰীকৰণ হোৱাটো বিচৰা নাছিল। তেওঁৰ মতে, ক্ষমতা, সম্পত্তি, শক্তি আধ্যাত্মিকতা, বৌদ্ধিকতা আদিৰ দৰে দিশবোৰ কেতিয়াও কিছুমান নিৰ্দিষ্ট শ্ৰেণীৰ হাঁতত পুঞ্জীভূত হ'ব নালাগে। অন্য অৰ্থত তেওঁ এখন সমতাপূৰ্ণ (egalitarIan) সমাজৰ কল্পনা কৰিছিল য'ত প্ৰত্যেক ব্যক্তিয়ে প্ৰকৃত স্বাধীনতা উপভোগ কৰিব পাৰিব, প্ৰত্যেকেই নিজৰ বিকাশৰ প্ৰয়োজনীয় সুযোগ লাভ কৰিব আৰু য'ত প্ৰত্যেকেই আনৰ প্ৰতি আগবঢ়োৱা সেৱাক ভগৱানৰ প্ৰতি সেৱা হিচাপে গণ্য কৰিব। আদৰ্শ সমাজত ব্যক্তিৰ প্ৰাকৃতিক অধিকাৰ অক্ষুণ্ণ থাকিব আৰু প্ৰত্যেক ব্যক্তিয়ে আনৰ ক্ষতি নকৰাকৈ নিজৰ শৰীৰ, মন আৰু সম্পত্তিৰ প্ৰয়োজনীয় ধৰণে ব্যৱহাৰ কৰিব পাৰিব।

বিবেকানন্দৰ আদৰ্শ সমাজখনক আকৌ বিভিন্ন দিশৰ পৰা বিশ্লেষণ কৰিব পাৰি যেনে ঃ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদি। সমতা, পিছপৰা জাতিৰ লোকৰ সৰলীকৰণ ইত্যাদিৰ দ্বাৰা তেওঁ এখন এনে সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল য'ত প্ৰত্যেক ব্যক্তিয়ে কোনো বৈষম্যৰ বলি নোহোৱাকৈ নিজৰ লগতে সমাজৰ বিকাশ সাধিব পাৰে। সমতা, স্বাধীনতাৰ ওপৰত গুৰুত্ব দিয়া আদৰ্শ সমাজ বা ৰাষ্ট্ৰ গণতান্ত্ৰিক মূল্যবোধৰ দ্বাৰাই পৰিচালিত হ'ব। গতিকে ৰাজনৈতিক ক্ষেত্ৰত তেওঁ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ পৃষ্ঠপোষক আছিল। অৰ্থনৈতিক ক্ষেত্ৰতো তেওঁ পৰিশ্ৰমৰ লগতে সহযোগিতা প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দিছিল।

প্লেটোৰ দৰে বিবেকানন্দৰ আদৰ্শ সমাজখনো এখন কাল্পনিক সমাজ আছিল যাৰ বাস্তৱিকতা সম্পৰ্কে প্ৰশ্নৰ উত্থাপন হয়। এই কথা উপলব্ধি কৰিয়েই বিবেকানন্দই তেওঁৰ আদৰ্শ সমাজ প্ৰতিষ্ঠাৰ বাবে কিছুমান প্ৰয়োজনীয় ব্যৱস্থা সম্পৰ্কে উল্লেখ কৰিছিল। তাৰ ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল—

1. শিক্ষাৰ প্ৰসাৰ সাধন বিশেষকৈ সাধাৰণ জনতাক শিক্ষা প্ৰদান।
2. ধনাত্মক সামাজিক বৈষম্যৰ ব্যৱস্থা গ্ৰহণ।
3. পিছপৰা জাতিৰ স্থান আৰু মৰ্য্যদাৰ উন্নীতকৰণ।
4. ধৰ্মৰ প্ৰকৃত সত্য উদঘাটন কৰি এক সাংস্কৃতিক বিপ্লৱৰ সূচনা কৰা।
5. ব্যক্তি আৰু জাতিৰ মনত নিজৰ ঐতিহ্য, সংস্কৃতি, গৰিমা সম্পৰ্কে আত্মবিশ্বাস প্ৰতিষ্ঠা; ইত্যাদি।
6. ব্যক্তিৰ মাজত আধ্যাত্মিক জ্ঞান প্ৰচাৰ।
7. ভাতৃত্ববোধ, প্ৰেম-ভালপোৱা, সহযোগিতা আদি প্ৰতিষ্ঠা।

## জাতীয়তাবাদ সম্পৰ্কত বিবেকানন্দ

## (Vivekananda on Nationalism)

স্বামী বিবেকানন্দ কেৱল এজন জাতীয়তাবাদী চিন্তাবিদেই নাছিল, তেওঁ আছিল ভাৰতৰ এজন অন্যতম মহান জাতীয়তাবাদী। অন্ধকাৰত আৱদ্ধ ভাৰতীয় জনসাধাৰণক তেওঁ সজাগ কৰাৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। তেওঁ এক আত্মবিশ্বাসী আৰু সাহসী ভাৰত গঢ়ি তুলিব বিচাৰিছিল যিয়ে বিশ্বত বেদান্ত দৰ্শন, হিন্দু ধৰ্ম আৰু সভ্যতা, পৰম্পৰা আদি প্ৰসাৰ আৰু প্ৰচাৰ কৰি বিশ্বত ভাৰতক আনৰ বাবে আদৰ্শ কৰি তুলিব। তেওঁ মত প্ৰকাশ কৰিছিল যে ভাৰতীয় লোকসকল নিজৰ ইতিহাস, সভ্যতা, সংস্কৃতি ইত্যাদিক লৈ গৌৰৱান্বিত হোৱা উচিত আৰু সময়ৰ প্ৰয়োজন অনুসৰি এইবোৰ সংশোধন কৰি ইয়াক গ্ৰহণযোগ্য কৰাৰ ওপৰত গুৰুত্ব দিব

লাগে। তেওঁৰ মতে ভাৰতবৰ্ষৰ জাগৰণ ইয়াৰ যুৱ চামৰ লক্ষ্য হ'ব লাগে। সেয়েহে তেওঁ আহ্বান জনাইছিল 'arise, awake and stop not till the goal is reached'।

ইংৰাজ শাসনৰ তেওঁ এজন কঠোৰ সমালোচক আছিল। তেওঁৰ মতে ভাৰতবৰ্ষৰ মূল সমস্যাৰ ভিতৰত অন্যতম আছিল ইংৰাজ শাসন। ইংৰাজ শাসনে এহাতে অৰ্থনৈতিক শোষণ চলাইছিল আৰু আনহাতে ভাৰতীয় মানুহৰ মনত ভয় আৰু সন্ত্ৰাসৰ সৃষ্টি কৰি ভাৰতীয় সকলৰ আত্মবিশ্বাস ধ্বংস কৰিছিল যি এটা জাতিৰ বাবে অতি ক্ষতিকাৰক হ'ব পাৰে। অৰ্থনৈতিক শোষণ সম্পৰ্কত তেওঁ মত প্ৰকাশ কৰিছিল যে ইংৰাজ শাসকে কৰা শোষণৰ ফলতেই ভাৰতীয় সাধাৰণ কৃষিজীৱি লোকসকল ক্ৰমান্বয়ে দৰিদ্ৰতাৰ কৱলত পৰিছিল আৰু ভাৰতৰ প্ৰাকৃতিক সম্পদৰ পৰা পাব লগা বিকাশৰ পৰা বঞ্চিত হৈছিল। ফলস্বৰূপে অৰ্থনৈতিক দিশত থকা ভাৰতৰ সম্ভাৱনা ভৱিষ্যত দিনলৈও হ্ৰাস হৈছিল। সেয়েহে তেওঁ মত প্ৰকাশ কৰিছিল যে ভাৰতৰ জাগৰণৰ প্ৰয়োজন আৰু ইয়াৰ বাবে ভাৰতীয়সকল সাহসী হ'ব লাগিব আৰু নিজৰ প্ৰাপ্য অধিকাৰৰ দাবী উত্থাপন কৰিব লাগিব। ইয়াৰ বাবে অৱশ্যে তেওঁ ভাৰতীয়সকলৰ মনত একতা আৰু সংহতি গঢ় দিয়াৰ ওপৰত গুৰুত্ব দিছিল। সেই উদ্দেশ্যে তেওঁ আকৌ পৰামৰ্শ আগবঢ়াইছিল যে ভাৰতীয় সকলৰ মাজত একতাত প্ৰতিবন্ধকতা সৃষ্টি কৰা সকলো প্ৰথা, পৰম্পৰা, অন্ধবিশ্বাস, কুসংস্কাৰ ইত্যাদি আঁতৰ কৰিব লাগিব শিক্ষাৰ প্ৰচাৰ আৰু এইবোৰৰ প্ৰয়োজনীয় সংস্কাৰৰ জৰিয়তে। তেওঁ ভাৰতীয় জাতি প্ৰথাৰো কঠোৰ সমালোচক আছিল আৰু মত প্ৰকাশ কৰিছিল যে এই প্ৰথাই মানুহৰ মাজত উচ্চ-নীচ আদি ভেদভাৱ সৃষ্টি কৰি সামাজিক একতা প্ৰতিষ্ঠাত বাধা দিয়ে।

বিবেকানন্দৰ মতে ভাৰতত বিভিন্ন জাতি, ভাষা, ধৰ্ম, সংস্কৃতিৰ লোক আছে সঁচা কিন্তু এই সকলো পাৰ্থক্যক একেডাল ডোলেৰে বান্ধি ৰখা এটা গুৰুত্বপূৰ্ণ উপাদানো আছে। সেয়া হ'ল ধৰ্ম আৰু ধৰ্মীয় পৰম্পৰা। ইয়াৰ সকলো ধৰ্মীয় পৰম্পৰাই মানুহৰ মাজত একতা প্ৰতিষ্ঠাত আৰু মানৱতাৰ জয়গান গোৱাত সহায় কৰে। ইউৰোপত জাতীয় সংহতি ৰাজনৈতিক ধাৰণাই প্ৰতিষ্ঠা কৰাৰ বিপৰীতে ভাৰতত এই সংহতি ৰক্ষা কৰে ধৰ্ম আৰু ধৰ্মীয় পৰম্পৰাই। বিশেষকৈ সকলো ধৰ্মৰে আধ্যাত্মিক দিশে ভাৰতত অতীজৰে পৰা অতি কঠিন সময়তো সংহতিৰ বাহক হৈ আছে।

বিবেকানন্দই শিক্ষিত লোকসকলৰ প্ৰতি আহ্বান জনাইছিল যে তেওঁলোকে ভাৰতৰ নিৰক্ষৰ জনসাধাৰণৰ মনত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দায়িত্ব ল'ব লাগে যাতে শিক্ষাৰ পোহৰে তেওঁলোকৰ মনৰ অন্ধকাৰ, ভয়, সন্ত্ৰাস দূৰ কৰে আৰু তেওঁলোকৰ মনত নিজৰ লগতে নিজৰ দেশ, দেশৰ সভ্যতা, সংস্কৃতি সম্পৰ্কত আত্মবিশ্বাস গঢ়ি উঠে। তেওঁ ভাৰতীয় সকলক একতাৰ আহ্বান জনাই জাতি, ধৰ্ম, ভাষাৰ ভিত্তিত বিভাজন সৃষ্টি নকৰিবলৈ আহ্বান জনাইছিল। তেওঁৰ মতে উদ্দেশ্য আৰু লক্ষ্যত সকলো ভাৰতীয় এক হোৱাটো প্ৰয়োজনীয়। এই উদ্দেশ্যে তেওঁ সমাজত বিশেষ সুবিধা বা ক্ষমতাৰ অধিকাৰী লোকসকলক অনতি পলমে এইবোৰ ত্যাগ কৰিবলৈ আহ্বান জনাইছিল আৰু মত প্ৰকাশ কৰিছিল যে এই সুবিধাই তেওঁলোকৰ বাবেহে বিপদ সৃষ্টি কৰিব কাৰণ নিজৰ সমাজতেই তেওঁলোকৰ বিৰুদ্ধে শত্ৰুৰ সৃষ্টি হ'ব। সেয়েহে সোনকালে এইবোৰ ত্যাগ কৰাতেই তেওঁলোকৰ মঙ্গল নিশ্চিত হ'ব বুলি বিবেকানন্দই মত প্ৰকাশ কৰিছিল। ইয়াৰ ফলত সমাজত একতাও প্ৰতিষ্ঠা হ'ব। তেওঁ এনেদৰে ভাৰতৰ জাগৰণ বিচাৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে আধ্যাত্মিকতাৰ জৰিয়তেহে ভাৰতবৰ্ষই বিশ্বত নিজকে প্ৰতিষ্ঠা কৰিব পাৰিব। তেওঁ আশা কৰিছিল ভাৰতীয়ই বিশ্বৰ সন্মুখত আধ্যাত্মিকতা আৰু একতাৰ জৰিয়তে বৈষয়িক পাৰ্থক্য (জাতি, ভাষা ভিত্তিক) কিদৰে জয় কৰি ভাতৃত্ববোধ প্ৰতিষ্ঠা কৰিব পাৰি সেয়া

প্ৰমাণ কৰি দেখুৱাব পাৰিব। ভাৰতীয়সকলৰ মনত এই জাতীয় চেতনা গঢ় দিয়াৰ বাবে সাহস আৰু চিন্তাৰ স্বতন্ত্ৰতা থাকিব লাগিব বুলিও তেওঁ মত প্ৰকাশ কৰিছিল। স্বতন্ত্ৰতা আহৰণ সম্পৰ্কতো তেওঁ মত প্ৰকাশ কৰিছিল যে ভাৰতবাসীয়ে বীৰত্ব আৰু সাহসৰ জৰিয়তেহে স্বতন্ত্ৰতা লাভ কৰিব পাৰিব। বিবেকানন্দৰ জাতীয়তাবাদী ভাৰধাৰাৰ প্ৰধান উপাদানবোৰ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

1. জাতি, ভাষা, ধৰ্ম ভিত্তিক পাৰ্থক্যৰ পিছতো ভাৰতীয় জনসাধাৰণ এক আৰু অভিন্ন।
2. সামাজিক একতা প্ৰতিষ্ঠাৰ বাবে জাতিগত পাৰ্থক্য বিলোপ কৰাটো অতি প্ৰয়োজনীয়।
3. ভাৰতবৰ্ষত থকা সকলো ধৰ্মৰে মূল কথা বা নীতি একেটাই।
4. যুৱ সমাজে সমাজ সেৱা আৰু জাতীয় জাগৰণৰ জৰিয়তে নিজকে জাতীয় চেতনা জাগৰণৰ কাৰক হিচাপে গঢ়ি তুলিব লাগে।
5. শিক্ষাৰ প্ৰসাৰে সকলো প্ৰতিবন্ধকতা, অন্ধবিশ্বাস, কু-সংস্কাৰ ইত্যাদি সংশোধন কৰি এক ভাৰতীয়ত্ব প্ৰতিষ্ঠা কৰাত সহায় কৰিব।

ভাৰত, ভাৰতীয় সভ্যতা আৰু জ্ঞান, হিন্দু ধৰ্ম সম্পৰ্কে সমগ্ৰ বিশ্বতে বিশেষকৈ পশ্চিমীয়া দেশত প্ৰচাৰ কৰাত আৰু জনপ্ৰিয় কৰাত অগ্ৰণী ভূমিকা পালন কৰা ব্যক্তিসকলৰ ভিতৰত বিবেকানন্দ আছিল অন্যতম। 1893 চনত বিশ্ব ধৰ্মীয় সন্মিলনত অংশগ্ৰহণ কৰি তেওঁ ভাৰত আৰু ভাৰতীয় ধৰ্মৰ মূলক জনপ্ৰিয় কৰি প্ৰকৃত ভাৰতীয়ৰ দায়িত্ব পালন কৰিছিল। নিজৰ আধ্যাত্মিক জ্ঞান আৰু বাগ্মিতাৰ জৰিয়তে তেওঁ ভাৰত আৰু ভাৰতীয় ধৰ্ম আৰু সভ্যতাক এক উচ্চ স্থান প্ৰদান কৰিবলৈ সক্ষম হৈছিল। পশ্চিমীয়া মূল্যবোধৰ ভিত্তিত নিজৰ ভাৰতীয় মূল্যবোধক অস্বীকাৰ নকৰিবলৈ তেওঁ যুৱ সমাজলৈ আহ্বান জনাইছিল আৰু মত প্ৰকাশ কৰিছিল যে যুক্তি, সামাজিক প্ৰেক্ষাপটত এইবোৰ বিবেচনা কৰা উচিত। তেওঁ সেয়েহে ভাৰতীয় যুৱ সমাজক আহ্বান জনাইছিল "arise, awake and stop not till the goal is reached"। ভাৰতীয় সকলৰ প্ৰকৃত সৱলীকৰণৰ বাবে তেওঁ জন সৱলীকৰণৰ ওপৰত বিশেষকৈ দুৰ্বল, দৰিদ্ৰ লোকসকলৰ কল্যাণৰ ওপৰত গুৰুত্ব দিছিল। সমাজৰ এই দুৰ্বল শ্ৰেণীৰ লোকৰ জাগৰণৰ অবিহনে ভাৰতৰ প্ৰকৃত জাগৰণ সম্ভৱ নহয় বুলি তেওঁ মত প্ৰকাশ কৰিছিল। সমাজৰ প্ৰগতিৰ ক্ষেত্ৰত যুৱসমাজৰ অৱদানক অগ্ৰাধিকাৰ প্ৰদান কৰা এই মহান ভাৰতীয়জনৰ জন্মদিন 12 জানুৱাৰীক ভাৰতত **ৰাষ্ট্ৰীয় যুৱ দিৱস (National Youth Day)** হিচাপে পালন কৰা হয়। 1903 চনত কলিকতাৰ বেলোৰ মঠতেই এই মহান ভাৰতীয় গৰাকীৰ মাত্ৰ 40 বছৰ বয়সত মৃত্যু হৈছিল।

**Excercise :**

1. Write a brief note on Vivekananda's views on Religion and Spirituality.
2. Write and criticise Vivekanandas idea of Ideal Society. To what extent it is feasible?
3. Analyse critically the relevance of Swami Vivekananda's Ideal Society.
4. What are Vivekananda's views on Nationalism? Discuss in brief.
5. Make an analytical study of Vivekananda's views regarding the problems of India that he found while travelling throughout India.

✦✦✦

## পঞ্চম অধ্যায়

# মহাত্মা গান্ধী
# (Mahatma Gandhi, 1869-1948)

**জীৱন পৰিক্ৰমা ঃ**

অহিংসা নীতিৰ প্ৰৱৰ্তক আৰু জাতিৰ পিতা মহাত্মা গান্ধী প্ৰথমতে মোহন দাস কৰম চান্দ নামেৰেহে জানাজাত আছিল। এইজন মহান ব্যক্তিৰ জন্ম হৈছিল 1869 চনৰ 2 অক্টোবৰত গুজৰাটৰ পোৰবন্দৰত। তেওঁৰ দেউতাক আছিল কৰমচাঁদ গান্ধী আৰু মাক কস্তুৰীবাঈ। ধৰ্মপ্ৰাণ মহিলা কস্তুৰীবাঈৰ ধৰ্মীয় নীতি-নিয়ম, আত্মশুদ্ধিৰ ব্যৱস্থা, নৈতিকতা ইত্যাদিয়ে পিছলৈ গান্ধীৰ জীৱন আৰু আদৰ্শ গঢ় দিয়াত যথেষ্ট সহায় কৰিছিল। স্কুলীয়া শিক্ষা শেষ কৰাৰ পিছত তেওঁ 1887 চনত বিলাতলৈ আইন পঢ়িবলৈ যাত্ৰা কৰিছিল। 1891 চনত তেওঁ বেৰিষ্টাৰ হৈ ভাৰতলৈ ঘূৰি আহে আৰু ওকালতি কৰিবলৈ আৰম্ভ কৰে। পিছে এই বৃত্তিয়ে তেওঁক কোনো ধৰণৰ মানসিক সন্তুষ্টি প্ৰদান কৰিব পৰা নাছিল। 1893 চনত তেওঁ দক্ষিণ আফ্ৰিকালৈ বৃত্তিগত কাৰণত যাত্ৰা আৰম্ভ কৰিছিল। তেওঁৰ এই যাত্ৰা ই আছিল নতুন জীৱনৰ আৰম্ভণি। দক্ষিণ আফ্ৰিকাত সেই সময়ত ভাৰতীয় আৰু নিগ্ৰোসকল যথেষ্ট পৰিমাণে বৰ্ণ বৈষম্য নীতিৰ অত্যাচাৰ আৰু শোষণৰ সন্মুখীন হ'বলগীয়া হৈছিল। এই শোষণ আৰু দমনে গান্ধীৰ মনত যথেষ্ট পীড়াৰ সৃষ্টি কৰিছিল আৰু সেয়েহে তেওঁ ইয়াৰ প্ৰতিবাদ আৰম্ভ কৰিছিল। তাত থকা সকলো ভাৰতীয় লোকক একত্ৰিত কৰি তেওঁ বৰ্ণ বৈষম্য নীতি বিৰোধী আন্দোলন চলাই গৈছিল। এই আন্দোলনৰ সফলতাৰ পিছত তেওঁ এজন নায়ক হৈ 1914 চনত ভাৰতলৈ উভতি আহিছিল। ভাৰতলৈ উভতি অহাৰ পিছত তেওঁ ভাৰতীয় পৰিস্থিতি সন্মুখীন হৈছিল আৰু এজন সেনানী হিচাপে লগে লগে নিজৰ দায়িত্ব পালনৰ বাবে অগ্ৰসৰ হৈছিল। গুজৰাটৰ সবৰমতী নৈৰ পাৰত এখন আশ্ৰম প্ৰতিষ্ঠা কৰি গান্ধীয়ে তাৰ পৰাই ভাৰতৰ স্বাধীনতা আন্দোলনৰ কাম পৰিচালনা কৰিবলৈ আৰম্ভ কৰিছিল। এই সময়তে তেওঁ গভীৰভাৱে অহিংসা, সত্যাগ্ৰহ আদি নীতি সমূহৰ বহল ব্যাখ্যা আগবঢ়াইছিল আৰু এইবোৰৰ সুচিন্তিত প্ৰয়োগো আৰম্ভ কৰিছিল। ইয়াৰ পিছত গোটেই ভাৰতীয় পৰিস্থিতি মহাত্মা গান্ধীৰ নেতৃত্বত অহিংস ৰূপত চলা স্বাধীনতা সংগ্ৰামৰ বিভিন্ন অধ্যায় যেনে— অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন, ভাৰত ত্যাগ আন্দোলন আদিৰ দ্বাৰা পৰিচালিত হৈছিল। স্বাধীনতা আন্দোলনৰ সময়ত গান্ধীৰ এটা অন্যতম কৃতিত্ব আছিল সকলো ভাৰতীয় লোকক একত্ৰীকৰণ আৰু সম্পূৰ্ণ অহিংস নীতিৰ প্ৰয়োগ। গান্ধীৰ নেতৃত্বত চলা আন্দোলন যেতিয়াই হিংসাত্মক আন্দোলনলৈ ৰূপান্তৰিত হৈছিল তেতিয়াই তেওঁ এই আন্দোলন বন্ধ কৰাৰ নিৰ্দেশ আগবঢ়াইছিল। স্বাধীনতা আন্দোলনৰ পৰিচালনাৰ লগে লগে তেওঁ ভাৰতীয় সকলৰ প্ৰতিনিধিত্ব ব্যৱস্থা,

অস্পৃশ্য সকলৰ মৰ্যাদা সুনিশ্চিত কৰা, ভাৰতবাসীৰ বাবে সংবিধান আৰু অধিকাৰৰ ব্যৱস্থা কৰা আদিৰ কাৰ্যও চলাই গৈছিল। তেওঁৰ এই প্ৰচেষ্টাই বহুসময়ত ইংৰাজসকলক ভাৰতীয় লোকৰ বাবে প্ৰয়োজনীয় বিভিন্ন আইন প্ৰণয়ন কৰিবলৈ বাধ্য কৰাইছিল। এই সময়ছোৱাত গান্ধীয়ে বহুবাৰ কাৰাবৰণ কৰিব লগা হৈছিল আৰু বিভিন্ন সময়ত তেওঁ অনশনৰ দৰে আত্ম-কষ্টমূলক ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছিল। 1947 চনৰ 15 আগষ্টৰ আগৰ কিছুসময় আৰু পিছৰ সময় ছোৱাত অৰ্থাৎ ভাৰত বিভাজনৰ সময়ছোৱাত সংঘটিত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ জুই নুমুৱাবলৈ গান্ধীয়ে যথেষ্ট কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছিল। অৱশ্যে তেওঁৰ এই প্ৰচেষ্টা সম্পূৰ্ণৰূপে সফল হোৱা নাছিল আৰু অলেখ লোক এই পৰিস্থিতিৰ বলী হ'বলগা হৈছিল। অখণ্ড ভাৰতৰ সপোন দেখা গান্ধীয়ে সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিণতি দেখিয়েই হয়তো ভাৰত বিভাজন আৰু পাকিস্তান গঠনৰ প্ৰতি সহাঁৰি জনাবলৈ বাধ্য হৈছিল।

স্বাধীনতাৰ মাত্ৰ কেইমাহ মান পিছতেই কিন্তু গান্ধীয়ে 1948 চনৰ 30 জানুৱাৰীত নাথুৰাম গডছে নামৰ এজন ব্যক্তিৰ হাতত প্ৰাণ হেৰুৱাব লগা হৈছিল। তেওঁৰ মৃত্যু আছিল বিশ্বৰ সমগ্ৰ জনসাধাৰণৰ বাবে এক অপূৰণীয়া ক্ষতি। অৱশ্যে গান্ধীৰ মৃত্যুৱে তেওঁৰ জীৱনাদৰ্শক আৰু ইয়াৰ জনপ্ৰিয়তাক কেতিয়াও হ্ৰাস কৰিব নোৱাৰিলে। বৰ্তমান সময়তো সমগ্ৰ বিশ্বৰ এজন অগ্ৰণী আৰু অণুকৰণীয় নেতা হিচাপে গান্ধীৰ নাম স্মৰণ কৰা হয়। তেওঁৰ জীৱন আৰু কৰ্মৰাজিৰ ফলতে তেওঁ মহাত্মা হিচাপে পৰিগণিত হৈছিল। কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে তেওঁক উপযুক্তভাৱে 'মহাত্মা' নামেৰে অভিহিত কৰিছিল।

গান্ধীৰ জীৱন, জীৱনাদৰ্শ বা জীৱন আৰু কাৰ্য পৰিচালিত নীতিবোৰেই পিছলৈ গান্ধীবাদ হিচাপে পৰিচিত হৈছিল। তেওঁ কোনো তত্ত্ব বা ধাৰণা আগবঢ়াই যোৱা নাছিল। সেয়েহে তেওঁৰ ধাৰণাবোৰ সম্পূৰ্ণ তত্ত্বগত দিশৰ পৰা বিশ্লেষণ বা সমালোচনা কৰাটো উচিত নহয়। তেওঁ কৈছিল, 'মোৰ জীৱনেই মোৰ বাণী'। প্ৰথমতে নিজে কৰা কামখিনিহে তেওঁ অইন লোকলৈ পৰামৰ্শ হিচাপে আগবঢ়াইছিল। প্ৰকৃত অৰ্থত গান্ধী আছিল এজন কৰ্মযোগী, যিয়ে সদায় কাৰ্যৰ দ্বাৰা নিজৰ মত প্ৰতিষ্ঠা কৰিছিল বা যিয়ে সদায় সত্য পথেৰে কৰ্ম পালনতহে গুৰুত্ব আৰোপ কৰিছিল। মহাত্মা গান্ধীয়ে তেওঁৰ কামৰ লগতে ৰচনাৰাজিৰ জৰিয়তেও সজাগতা সৃষ্টিত অৰিহণা যোগাইছিল। তেওঁ সম্পাদনা কৰা প্ৰধান বাতৰি কাকত কেইখন হ'ল Young India যিখন তেওঁ ইংৰাজী ভাষাত 1919 চনৰ পৰা 1932 চনলৈ সম্পাদনা কৰিছিল। হিন্দী, ইংৰাজী দুয়োটা ভাষাতে তেওঁ সম্পাদনা কৰা আন এখন বাতৰি কাকত আছিল হৰিজন (Harijan)। দক্ষিণ আফ্ৰিকাত থকা কালছোৱাত তেওঁ Indian Opinion নামে কাকত এখন সম্পাদনা কৰিছিল। Navajivan নামৰ আন এখন মাহেকীয়া কাকত তেওঁ গুজৰাটী ভাষাত সম্পাদন কৰিছিল। এই কাকতবোৰৰ জৰিয়তে তেওঁ নিজৰ বিভিন্ন মত বা ধাৰণা প্ৰকাশ কৰিছিল। ইয়াৰ উপৰিও তেওঁ ৰচনা কৰা বিখ্যাত গ্ৰন্থ কেইখন হ'ল— Hind Swaraj বা The Indian Home Rule (1909), My Experiment with Truth (Auto Biography), Unto this Last ৰ গুজৰাটী ভাষালৈ অনুবাদ যিখনক 'সৰ্বোদয়' নামেৰেও জনা যায়। ভাৰত চৰকাৰৰ দ্বাৰা গান্ধীৰ সমগ্ৰ লিখনিক একত্ৰিত কৰি প্ৰকাশ কৰি উলিওৱা হৈছে "The Collected Works of Gandhi" নামেৰে।

## গান্ধীৰ চিন্তা আৰু কৰ্মৰ উৎসসমূহ

## (Sources of Gandhi's Thought and Work)

মহামানৱ মহাত্মা গান্ধীৰ জীৱনত বিভিন্ন উৎসৰ প্ৰভাৱ পৰা বুলি তেওঁ নিজেও স্বীকাৰ কৰিছিল। এইবোৰৰ ভিতৰত প্ৰথম আৰু প্ৰধান হ'ল— ধৰ্ম আৰু ধৰ্মগ্ৰন্থ। মাতৃ ধৰ্মপ্ৰাণা কস্তুৰীবাইৰ ধৰ্মীয় আনুগত্য,

ধৰ্মীয় ৰীতি-নীতি আদিৰ দ্বাৰা মহাত্মা গান্ধী যথেষ্ট অনুপ্ৰাণিত হৈছিল। বিশেষকৈ, ধৰ্মীয় কাৰণত গ্ৰহণ কৰা বিভিন্ন আত্মশুদ্ধিৰ প্ৰচেষ্টাই গান্ধীক যথেষ্ট আকৰ্ষিত কৰিছিল। ইয়াৰ উপৰি ভাগৱত গীতাৰ দ্বাৰাও গান্ধী বাৰুকৈ প্ৰভাৱিত হৈছিল। বিশেষকৈ গীতাৰ 'কৰ্মযোগ'ৰ দ্বাৰা তেওঁ বিশেষভাৱে প্ৰভাৱিত আছিল। জীৱনৰ যি পৰ্যায়তে তেওঁ হতাশগ্ৰস্ত হৈছিল সেই প্ৰত্যেকটো পৰ্যায়তে তেওঁ গীতাৰ আশ্ৰয় লৈছিল আৰু নিজক সবল কৰি তুলিছিল। গীতাৰ কৰ্মযোগ খণ্ডৰ দ্বাৰা আকৃষ্ট গান্ধীয়ে সেয়েহে পোষণ কৰা প্ৰধান নীতিটো আছিল 'কৰ্মই ধৰ্ম'। তেওঁ কোনো বিশেষ ধৰ্মৰ প্ৰতি আকৃষ্ট নাছিল যদিও জৈন ধৰ্মৰ কিছুমান নীতিৰ প্ৰতি অনুপ্ৰাণিত হৈছিল। ধৰ্ম সম্পৰ্কে তেওঁ এক বিস্তৃত ধাৰণা পোষণ কৰিছিল আৰু সকলো ধৰ্মৰে মূল নীতি তথা আধ্যাত্মিকতাবাদী আৰু আত্মশুদ্ধিৰ নীতিবোৰ গ্ৰহণ কৰিছিল। ধৰ্মক আৰু ধৰ্মীয় নীতিবোৰক প্ৰকৃত ৰূপত অনুধাৱন কৰা গান্ধী আছিল এজন অন্যতম আধুনিক আধ্যাত্মিক আৰু ধাৰ্মিক লোক।

ইংলেণ্ডত অধ্যয়নৰত অৱস্থাত গান্ধী বহু পৰিমাণে বৈপ্লৱিক জাতীয়তাবাদী ভাৱধাৰাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। এইখিনি সময়তে তেওঁ মাৰ্ক্স, এঙ্গেলছ, জৰ্জ বাৰ্ণাডশ্ব, ৰাস্কিন আদিৰ লিখনি তথা কাৰ্যৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

গান্ধীৰ সমগ্ৰ জীৱনত গীতাৰ উপৰিও আৰু কিছুমান গ্ৰন্থই যথেষ্ট প্ৰভাৱ পেলাইছিল। এইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল জন ৰাস্কিনৰ Unto the Last, টলষ্টয়ৰ The Kingdom of God within you ইত্যাদি। বিশেষকৈ জন ৰাস্কিনৰ Unto the Last গ্ৰন্থখন আছিল অন্যতম গ্ৰন্থ যিখনে গান্ধীৰ জীৱন আৰু আদৰ্শ বিশেষকৈ তেওঁৰ 'সৰ্বোদয়'ৰ আদৰ্শক গঢ় দিছিল।

## গান্ধীৰ অহিংসাৰ ধাৰণা

## (Gandhi's Concept of Non-Violence Ahimsa)

মহাত্মা গান্ধীয়ে তেওঁৰ জীৱন আৰু কৰ্মৰে সমগ্ৰ মানৱ জাতিলৈ যিবোৰ আদৰ্শ আগবঢ়াই গৈছে সেইবোৰৰ ভিতৰত অন্যতম বা অতি গুৰুত্বপূৰ্ণ হ'ল অহিংসাৰ (Non-Violence) ধাৰণা। বৰঞ্চ ক'ব পাৰি যে অহিংসা হ'ল মহাত্মা গান্ধীৰ জীৱনৰ আটাইতকৈ সুন্দৰতম উপাদান যাৰ বাবে সমগ্ৰ ভাৰতবাসী বা বিশ্ববাসী তেওঁৰ ওচৰত কৃতজ্ঞ হৈ থাকিব।

আক্ষৰিক অৰ্থত অহিংসাৰ অৰ্থ হ'ল কাকো হিংসা অৰ্থাৎ আঘাট নকৰা। কিন্তু গান্ধীৰ অহিংসাৰ ধাৰণাত হিংসা বা আঘাট নকৰাটো অহিংসাৰ বহু দিশৰ ভিতৰৰ এটা মাত্ৰ দিশ। অহিংসা মানে আঘাট বা হিংসাৰ অনুপস্থিতিয়েই নহয়। অৰ্থাৎ, গান্ধীয়ে অহিংসাৰ এক অতি বিস্তৃত বাখ্যা আগবঢ়াইছিল। অৱশ্যে এইখিনিতে উল্লেখযোগ্য যে গান্ধীয়েহে যে কেৱল অহিংসাক বিস্তৃত ৰূপত বাখ্যা কৰিছিল তেনে নহয়, বিভিন্ন ধৰ্ম মতেও গান্ধীৰ আগতেই প্ৰাণী হিংসাৰ বিৰোধিতা কৰি যুক্তি প্ৰদৰ্শন কৰিছিল। এই ধাৰণাবোৰে গান্ধীৰ অহিংসাৰ ধাৰণাক গঢ় দিয়াত যথেষ্ট সহায় কৰিছিল। কিন্তু এই সকলোবোৰ ধাৰণাৰ ওপৰত গান্ধীয়ে অহিংসা সম্পৰ্কত এক বিস্তৃত আৰু স্পষ্ট বাখ্যা আগবঢ়াইছিল।

মানৱ জাতিৰ দ্বাৰা অহিংসা নীতিৰ প্ৰয়োগৰ যুক্তিযুক্ততা সম্পৰ্কত গান্ধীয়ে কৈছিল, "অহিংসা হৈছে মানৱ প্ৰজাতিৰ নিয়ম বা বিধি, যেনেদৰে হিংসা হৈছে বৰ্বৰ বা পশুৰ বিধি।" অৰ্থাৎ, তেওঁৰ মতে মানৱীয় গুণ আৰু মানৱীয় গুণেৰে সমৃদ্ধ ব্যক্তিৰ বাবে হিংসাৰ নীতি কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

# গান্ধীৰ অহিংসাৰ ধাৰণাৰ উৎস সমূহ

# (Sources of Gandhi's Concept of Non-Violence)

গান্ধীয়ে নিজেই স্বীকাৰ কৰিছিল যে বিভিন্ন গ্ৰন্থ আৰু ধৰ্মমতে তেওঁৰ অহিংসাৰ ধাৰণাৰ ভেটি সুদৃঢ় কৰিছিল। গ্ৰন্থৰ ভিতৰত উল্লেখযোগ্য আছিল টলষ্টয়ৰ "The Kingdom of God is Within you"। দক্ষিণ আফ্ৰিকাত থকা সময়ছোৱাত গান্ধীয়েয় এই গ্ৰন্থখন পঢ়িছিল আৰু ইয়াৰ দ্বাৰা যথেষ্ট প্ৰভাৱিত হৈছিল। তেওঁ নিজৰ আত্মজীৱনী গ্ৰন্থত টলষ্টয়ৰ গ্ৰন্থখনৰ প্ৰভাৱ সম্পৰ্কে উল্লেখ কৰিছিল। ইয়াৰ উপৰিও টলষ্টয়ৰ আন এখন গ্ৰন্থ 'The Gospel in Brief and What then Must we do?' খনো পঢ়িছিল। ইয়াৰ লগতে জৈন, বৌদ্ধ ধৰ্ম ইত্যাদি আৰু হিন্দু ধৰ্মৰ বিভিন্ন ধৰ্মীয় দৰ্শনেও গান্ধীৰ অহিংসাৰ ধাৰণা গঢ় দিয়াত সহায় কৰিছিল। গতিকে ক'ব পাৰি যে অহিংসাৰ ধাৰণা মহাত্মা গান্ধীৰ সম্পূৰ্ণ নিজৰ সৃষ্টি নহয়, তেওঁ মাত্ৰ এই ধাৰণাক অতি বিস্তৃত কৰিছিল আৰু নৈতিক দিশৰ লগতে সামাজিক, ৰাজনৈতিক দিশত ইয়াৰ ব্যৱহাৰৰ সূচনা কৰিছিল। সাম্ৰাজ্যবাদী ব্ৰিটিছ শাসকৰ বিৰুদ্ধে সকলো ধৰণৰ ভাৰতীয় জনসাধাৰণক একগোট কৰাত বা ভাৰতীয় জনসাধাৰণৰ একত্ৰীকৰণ কৰি যুদ্ধৰ বিকল্প হিচাপে ইয়াক ব্যৱহাৰৰ পথ উদ্ভাৱন কৰি সমগ্ৰ বিশ্ববাসীৰ সন্মুখত এক আদৰ্শ স্থাপন কৰিছিল।

অহিংসা সম্পৰ্কত গান্ধীয়ে কোনো তত্ত্ব আগবঢ়োৱা নাছিল। তেওঁৰ মতে অহিংসা হ'ব লাগে মানুহৰ জীৱন পদ্ধতি বা কৰ্মপদ্ধতি। আনকি তেওঁ নিজেও অহিংসাক নিজৰ জীৱন আৰু কৰ্ম পদ্ধতি কৰি লৈছিল। নিজৰ জীৱন আৰু কৰ্মপদ্ধতিৰ দ্বাৰা তেওঁ প্ৰমাণ কৰি দেখুৱাইছিল যে অহিংসাৰ নীতিবোৰ পালন কৰাটো অসম্ভৱ বা অবাস্তৱ নহয়।

আগতেই উল্লেখ কৰা হৈছে যে, গান্ধীৰ অহিংসা নীতিৰ অৰ্থ অহিংসাৰ সাধাৰণ অৰ্থতকৈ পৃথক আৰু ব্যাপক। মহাত্মা গান্ধীৰ মতে অহিংসা হ'ল শাৰিৰীক ভাৱে আঘাত নকৰাৰ লগতে মানসিক বা আন উপায়েৰেও আন কাকো আঘাত নকৰা। তেওঁৰ মতে কাৰো প্ৰতি কু-চিন্তা নকৰা, কাকো মিছা নোকোৱা, কাৰো প্ৰতি হিংসাত্মক বা ঈৰ্ষা পৰায়ণতা পোষণ নকৰা বা আনৰ প্ৰয়োজনীয় বস্তু নিজৰ লগত অন্যায় ভাৱে নৰখা আনকি প্ৰয়োজনতকৈ অধিক সম্পত্তি আহৰণ নকৰাবোৰ হ'ল তেওঁৰ অহিংসাৰ অন্তৰ্গত প্ৰধান নীতি। অৰ্থাৎ, এইবোৰৰ বিপৰীত দিশবোৰ হিংসাৰ প্ৰকাৰ। গতিকে আনৰ বেয়া চিন্তা কৰা, মিছা কোৱা প্ৰয়োজনাধিক সম্পত্তি ৰখাটো হ'ল হিংসাৰ অন্যতম ভাগ বা প্ৰকাৰ। গতিকে গান্ধীৰ মতে অহিংসা হ'ল— সৎ, কাম, সৎ-চিন্তা, সৎ কথা। তেওঁৰ মতে শাৰিৰীক আঘাত নিদিয়াকৈ মানসিক কষ্ট দিয়াটো হ'ল এক অন্যতম হিংসা। সৎ-চিন্তা বা আনৰ বেয়া বা কু-চিন্তা নকৰা সম্পৰ্কতো গান্ধীয়ে আকৌ মত প্ৰকাশ কৰিছিল যে বন্ধুৰ লগতে শত্ৰুৰ প্ৰতিও সৎ ভাৱ বা চিন্তা ৰখাটোহে প্ৰকৃত অহিংসা। বন্ধুৰ প্ৰতি সৎ ভাব বা সৎ চিন্তা পোষণ কৰাটো সহজ, কিন্তু শত্ৰুৰ প্ৰতি সমানে সৎ ভাৱ ৰখাটোহে অহিংসা।

গান্ধীৰ মতে অহিংসা নীতি কেৱল নঞৰ্থক অৰ্থতে বা শাৰিৰীক আৰু মানসিক আঘাট নকৰাত সীমাবদ্ধ নহয়, অহিংসাই কিছুমান ধনাত্মক গুণৰ যেনে, আত্ম-ত্যাগ আৰু গঠনমূলক কষ্ট বা সহ্য গুণৰ উপস্থিতিকো বুজায়। অহিংসাৰ এটা অন্যতম উদ্দেশ্য হ'ল শত্ৰুৰ বা বিপৰীত পক্ষৰ প্ৰতি মৰম বা ভালপোৱাৰ প্ৰদৰ্শন। অহিংসাৰ প্ৰয়োজনীয়তা বা যুক্তিযুক্ততা সম্পৰ্কত গান্ধীৰ ধাৰণা আছিল যে প্ৰত্যেক জীৱিত প্ৰাণীয়েই হ'ল ভগৱানৰ অংশ। গতিকে জীৱিত প্ৰাণীক আঘাত কৰাই ভগৱানক আঘাত কৰা বুজায়। তেওঁৰ মতে, চৰকাৰ বা যিকোনো কৰ্তৃত্ব সম্পন্ন গোষ্ঠীয়ে যদি কোনো অন্যায়মূলক বা হিংসামূলক কাম-কাজৰ দ্বাৰা সাধাৰণ জনতাৰ জীৱন বিপন্ন কৰে তেনেহ'লে সত্যাগ্ৰহীয়ে এই কাৰ্যৰ সবল প্ৰতিবাদ কৰিব লাগে বা শোষণ আৰু দমনমূলক

শাসন ওফোৰাই পেলাব লাগে। অৱশ্যে, এই কাৰ্যৰ বাবে সত্যাগ্ৰহীয়ে হিংসা বা আক্ৰোশৰ সহায় ল'ব নালাগে। বৰং, প্ৰেম ভালপোৱা, সত্য আৰু অহিংসা নীতিৰ দ্বাৰা বিপৰীত পক্ষক সলনি কৰিব লাগে। গান্ধীৰ অহিংসাই এইদৰে অন্যায়কাৰী বা অশুভ শক্তিৰ প্ৰতিও মৰম আৰু ভালপোৱাক বুজায়। কিন্তু ইয়াৰ দ্বাৰা অন্যায়কাৰীৰ প্ৰতি মৰম ভালপোৱাৰ প্ৰদৰ্শন কেৱল সংশোধন, অন্যায় কাৰ্যৰ সম্প্ৰসাৰণ নহয়।

প্ৰাণীৰ জীৱনৰ অধিকাৰ বা জীয়াই থকাৰ অধিকাৰক সৰ্বোচ্চ গুৰুত্ব প্ৰদান কৰা গান্ধীয়ে যিকোনো জীৱিত প্ৰাণীৰে জীয়াই থকাৰ অধিকাৰক সমৰ্থন কৰিছিল। অনাহকত তেওঁ সাপ এডাল মৰাটোও সমৰ্থন কৰা নাছিল। তেওঁ কৈছিল, "God alone can take life, because he gives it." মানুহৰ দ্বাৰা মানুহৰ জীৱন বা যিকোনো জীৱিত প্ৰাণীৰ আঘাত বা জীৱন হানিক কাৰ্যক কেতিয়াওঁ তেওঁ সমৰ্থন কৰা নাছিল। আনকি তেওঁ শত্ৰুৰ জীৱন হানি বা জীৱন লোৱা কাৰ্যকো কেতিয়াও সমৰ্থন কৰা নাছিল। তেওঁ মত পোষণ কৰিছিল, "You are no Satyagrahi if you remain alient or passive spectators while your enemy is being done to death. You must protect him even at the cost of your life."

যুদ্ধৰ সৰ্বোচ্চ অন্যায়কাৰী বা অশুভ শক্তি বুলি গণ্য কৰা গান্ধীয়ে কোনো ধৰণৰ যুদ্ধ যেনে— ন্যায় যুদ্ধ (Just War), ৰক্ষাকাৰী যুদ্ধ (Defensive War) আদিকো সমৰ্থন কৰা নাছিল। যুদ্ধৰ বিকল্প হিচাপে তেওঁ অহিংসাৰ ধাৰণা বা নীতি আগবঢ়াইছিল। যুদ্ধৰ বিৰোধিতা কৰিছিল যদিও ৰক্ষাকাৰী বা স্বাধীনতা ৰক্ষাকাৰী যুদ্ধত অংশ লোৱা ৰাষ্ট্ৰৰ প্ৰতি তেওঁ নৈতিক সমৰ্থনৰ পোষকতাও কৰিছিল। অৱশ্যে যুদ্ধৰ বিৰোধিতা কৰা মহাত্মা গান্ধীৰ বিভিন্ন কাৰ্যই তেওঁক বিভিন্ন সময়ত সমালোচনাৰো সন্মুখীন কৰিছিল। 1899 চনৰ ব'ৰ যুদ্ধত (Boer War) গান্ধী এটা স্বেচ্ছাসেৱক এম্বুলেঞ্চ গোটৰ ব্যৱস্থা আগবঢ়াইছিল। 1914 চনত লণ্ডনত তেওঁ লণ্ডনবাসী ভাৰতীয় সকলক লৈ আন এটা স্বেচ্ছাসেৱক গোট গঠন কৰিছিল। আনকি প্ৰথম বিশ্বযুদ্ধৰ সময়ত তেওঁ ইংৰাজক চৰ্তহীন সহায়ৰ পোষকতাও কৰিছিল। এই ঘটনাবোৰে গান্ধীৰ যুদ্ধৰ প্ৰতি সমৰ্থনকে বুজায় যদিও পিছৰ জীৱনত তেওঁ এনেকুৱা কোনো কাৰ্যতে সমৰ্থন জনোৱা নাছিল। আনকি দ্বিতীয় বিশ্বযুদ্ধৰ সময়তে তেওঁ পূৰ্বৰ স্থিতি প্ৰত্যাহাৰ কৰিছিল আৰু ইংৰাজক সহায়ৰ বিৰোধিতা কৰিছিল।

শত্ৰু বা বিৰোধীপক্ষৰ প্ৰতি সৎ ভাৱ, প্ৰেম ভালপোৱাৰ নীতিক সমৰ্থন কৰি গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে শত্ৰুতা বা বিৰোধিতাই অধিক শত্ৰুতাৰ সৃষ্টি কৰে আৰু ইয়াৰ দ্বাৰা দুয়োপক্ষৰে ক্ষতি হয় কাৰণ, দুয়োটা পক্ষই এটাই আনটোক আঘাট দিয়াৰ বাবে প্ৰয়োজনীয় সুযোগৰ অপেক্ষাত থাকে। গতিকে এই পৰিস্থিতিৰ পৰা মুক্তি লাভৰ অন্যতম উপায় হ'ল শত্ৰু তথা শত্ৰুৰ মনোভাৱ প্ৰেম ভালপোৱাৰে সলনি কৰা।

হিংসাককৃত, কৰিত আৰু অনুমোদিত (Krita, Karita and Anumodita) এই তিনিটা ভাগত ভাগ কৰা গান্ধীয়ে কৃত হিংসাৰ লগতে অনুমোদিত হিংসাক আটাইতকৈ সৰ্বনাশী বুলি মত প্ৰকাশ কৰিছিল। তেওঁ মতে, নিজৰ দ্বাৰা সৃষ্ট হিংসা হ'ল কৃত হিংসা (Krita Hinsa) আনৰ হতুৱাই হিংসাত্মক কাৰ্য সম্পাদন কৰাক কৰিত হিংসা (Karita Hinmsa) আৰু নিষ্ক্ৰিয়ভাৱে হিংসাক প্ৰত্যক্ষ কৰা বা হিংসাত্মক কাৰ্যৰ বিৰোধিতা নকৰাকৈ প্ৰত্যক্ষ কৰি থকা বা হিংসাৰ প্ৰচলন বন্ধ কৰাৰ চেষ্টা নকৰাকৈ নিষ্ক্ৰিয় হৈ থকা কাৰ্যক তেওঁ অনুমোদিত হিংসা (Anumodita Himsa) আখ্যা দিছিল। গান্ধীৰ অহিংসাৰ ধাৰণাই কেতিয়াও নিষ্ক্ৰিয়তাক নুবুজায়।

অহিংসাক গান্ধীয়ে সবল বা শক্তিশালী লোকৰ অস্ত্ৰ হিচাপেহে প্ৰক্ষেপন কৰিছিল। তেওঁৰ মতে মানসিকভাৱে সবল আৰু নিজৰ শৰীৰ বা মনৰ ওপৰত নিয়ন্ত্ৰণ থকা ব্যক্তিয়েহে অহিংসা নীতিৰ প্ৰয়োগ কৰিব পাৰে। তেওঁৰ মতে, যিজন ব্যক্তিৰ নিজৰ মন, শৰীৰ বা আৱেগ অনুভূতিৰ ওপৰত নিয়ন্ত্ৰণ নাথাকে তেওঁহে

শত্ৰুক বা আক্ৰমণকাৰীক আক্ৰমণেৰে প্ৰত্যুত্তৰ দিয়ে। যিজন মানসিকভাৱে শক্তিশালী তেওঁ কেতিয়াও নিজৰ মন-আত্মা বা আৱেগ-অনুভূতিৰ ওপৰত নিয়ন্ত্ৰণ নেহেৰুৱায়। সেয়েহে তেওঁ আক্ৰমণকাৰী বা শত্ৰুক কেতিয়াও ওলোটাই আক্ৰমণ নকৰে। অৰ্থাৎ, একমাত্ৰ মানসিকভাৱে সৱল আৰু শক্তিশালী লোকেহে অহিংসা নীতিৰ প্ৰয়োগ কৰিব পাৰে। গতিকে, তেওঁৰ মতে, অহিংসা সৱল বা শক্তিশালীৰহে অস্ত্ৰ, দুৰ্বলৰ নহয়।

সত্যক তেওঁ অহিংসা নীতি পালনৰ বাবে প্ৰয়োজনীয় আন এটা গুৰুত্বপূৰ্ণ উপাদান হিচাপে স্বীকৃতি দিছিল। তেওঁৰ মতে সত্যই হৈছে ভগৱান। অহিংসা সদায় সত্যৰ ওপৰত প্ৰতিষ্ঠিত হলেহে ফলপ্ৰসূ হয়।

মনৰ ওপৰত নিয়ন্ত্ৰণ, অন্তৰৰ বিশুদ্ধতা, সত্যতা আদিৰ লগতে ভয়হীনতাকো গান্ধীয়ে অহিংসাৰ আন এটা গুৰুত্বপূৰ্ণ উপাদান হিচাপে আখ্যা দিছিল। তেওঁৰ মতে, এজন সত্যাগ্ৰাহীয়ে ভগৱান আৰু সত্যৰ বাহিৰে আন কোনো শক্তিকে কেতিয়াও ভয় নকৰে। তেওঁৰ মতে, এজন সত্যাগ্ৰহীয়ে অন্তৰৰ বিশুদ্ধতা আহৰণ কৰিব পাৰিলেহে অহিংসা নীতি পালনৰ বাবে প্ৰয়োজনীয় ভয়হীনতাক আহৰণ কৰিব পাৰে।

## অহিংসা নীতিৰ উপাদান

## (Elements of Ahimsa)

অহিংসা নীতিৰ প্ৰয়োগৰ বাবে গান্ধীয়ে কিছুমানৰ উপাদানৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰিছিল। সেইবোৰ হ'ল—

**(ক)** **সত্য ঃ** গান্ধীৰ মতে, অহিংসাৰ আদৰ্শ সত্যৰ ওপৰত প্ৰতিষ্ঠিত। সত্যৰ ওপৰত প্ৰতিষ্ঠিত অহিংসাৰ নীতিয়ে সকলোকে উপকৃত কৰে। প্ৰকৃত সত্যাগ্ৰহীয়ে কেতিয়াও শত্ৰুৰ মন জয় কৰাৰ কাৰণে শাৰিৰীক শক্তি আৰু হিংসাৰ প্ৰয়োগ নকৰে।

**(খ)** **প্ৰেম ভাৱ ঃ** মহাত্মা গান্ধীৰ মতে, সত্যৰ দৰে প্ৰেম ভাৱো অহিংসাৰ আন এক মূল নীতি বা উপাদান। তেওঁৰ মতে, প্ৰেম ভাৱেৰে সকলোৰে অন্তৰ জয় কৰিব পাৰি।

**(গ)** **অন্তৰৰ পৱিত্ৰতা ঃ** গান্ধীৰ মতে, অহিংসা নীতিত কৃতকাৰ্যতা লাভ কৰিবলৈ অন্তৰৰ পৱিত্ৰতাৰ প্ৰয়োজন। তেওঁৰ মতে, অন্তৰৰ পৱিত্ৰতাৰে এজন সত্যাগ্ৰাহীয়ে শত্ৰুৰ মন সহজে জয় কৰিব পাৰে।

**(ঘ)** **ভয়হীনতা বা অভয় ভাৱ ঃ** মহাত্মা গান্ধীৰ মতে, ভয় বা ভীৰুভাৱ, এক পাপ। সত্য আৰু অহিংসাৰ পথত অৱতীৰ্ণ হ'বৰ বাবে ব্যক্তিয়ে মনৰ পৰা সত্য প্ৰতিষ্ঠাৰ বাবে কোনো ভয় ভাৱ পোষণ কৰিব নালাগে। সত্য অন্বেষণৰ বাবে অভয় ভাৱৰ অতিকৈ প্ৰয়োজন।

**(ঙ)** **মন আৰু শৰীৰৰ ওপৰত নিয়ন্ত্ৰণ (Control over body and mind) ঃ** শৰীৰ আৰু মনৰ ওপৰত নিয়ন্ত্ৰণ অহিংসা পালনৰ বাবে প্ৰয়োজনীয় এটা অন্যতম চৰ্ত বা উপাদান। গান্ধীৰ মতে— নিজৰ শৰীৰ আৰু মনৰ ওপৰত নিয়ন্ত্ৰণ থকা ব্যক্তিয়েহে হিংসাৰ প্ৰত্যুত্তৰ অহিংসা বা প্ৰেম-ভালপোৱাৰ মাধ্যমেৰে দিব পাৰে। গতিকে মন আৰু শৰীৰৰ ওপৰত নিয়ন্ত্ৰণ অত্যন্ত প্ৰয়োজনীয়।

## গান্ধীৰ অহিংসা নীতিৰ ব্যতিক্ৰম

## (Concession or Exceptions of Gandhi's Ahimsa)

ব্যক্তিগত জীৱনৰ সকলো ক্ষেত্ৰতে অহিংসা নীতি পালনৰ পোষকতা কৰা গান্ধীয়ে সামূহিক ৰাজনৈতিক কাম-কাজত ইয়াৰ ব্যতিক্ৰমৰ বিষয়েও আলোচনা কৰিছিল। তেওঁৰ মতে স্বাধীনতা অৰ্জনৰ পিছত ভাৰতবৰ্ষৰ

নিৰাপত্তা বা প্ৰতিৰক্ষা সদায়ৰ কাৰণে নিশ্চিত হৈ নপৰে। সেয়েহে ভাৰতবৰ্ষৰ নিৰাপত্তা সুনিশ্চিত কৰিবৰ বাবে সামৰিক বা প্ৰতিৰক্ষা বাহিনীৰ প্ৰয়োজন। অৱশ্যে, তেওঁ বিশাল সৈন্য বাহিনীৰ সলনি এক সৰু প্ৰতিৰক্ষা বাহিনীহে তৈয়াৰ কৰিব লাগে।

আকৌ আইন বা শান্তি ভংগকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে তথা আভ্যন্তৰীণ শান্তি আৰু আইন শৃঙ্খলা ৰক্ষাৰ বাবে আৰক্ষী বাহিনীৰ প্ৰয়োজনীয়তাও স্বীকাৰ কৰিছিল। অৱশ্যে তেওঁ এই সম্পৰ্কত কৈছিল— "I have conceded that even in a non-violent state a police-force may be necessary. This I admit is a sign of my imperfect Ahimsa." অৰ্থাৎ, আৰক্ষী বাহিনীৰ ব্যৱহাৰ গান্ধীৰ সম্পূৰ্ণ অহিংসা নীতিৰ অন্তৰ্গত নহয়। সেয়েহে তেওঁ এই অসম্পূৰ্ণ অহিংসা নীতিৰ প্ৰতীক বুলি কৈছিল। আৰক্ষী বাহিনীৰ কাৰ্যৰ সংশোধন পোষকতা কৰা গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে তেওঁলোকে অপৰাধীৰ সংশোধনত সহায় কৰিব। আনকি কাৰাগাৰ সমূহকো তেওঁ সংশোধন কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ পোষকতা কৰিছিল।

ইয়াৰ উপৰিও তেওঁ অন্যায়কাৰীক শাস্তি প্ৰদানৰ পোষকতাও কৰিছিল। অৱশ্যে চোৰ, ডকাইতৰ দৰে অন্যায়কাৰীৰ সংশোধন সম্পৰ্কত তেওঁ মত পোষণ কৰিছিল যে এই ব্যক্তিসকলক মানসিক বা নৈতিকভাৱে অসুখীয়া কাৰণেহে সমাজৰ নিয়মৰ বিপৰীতে অৱস্থান কৰিছে। সেয়েহে সমাজৰ আন লোকসকলৰ দায়িত্ব হ'ল— এওঁলোকক সংশোধন কৰি মানসিক আৰু নৈতিকভাৱে সৱল কৰা।

অহিংসাৰ ওপৰোক্ত ব্যতিক্ৰম সম্পৰ্কত গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে ৰাজহুৱা ক্ষেত্ৰত সকলো সময়তে বা সকলো ব্যক্তিৰ ক্ষেত্ৰতে সম্পূৰ্ণ অহিংসা নীতি পালন কৰাটো সম্ভৱ নহ'ব পাৰে কাৰণ ইয়াৰ বাবে প্ৰয়োজন এই নীতিৰ প্ৰতি এক সম্পূৰ্ণ সমৰ্পিত ধাৰণা আৰু ভগৱানৰ আৰু সত্যৰ ওপৰত সম্পূৰ্ণ আস্থা যিটো প্ৰত্যেক ব্যক্তিৰ ক্ষেত্ৰতে সম্ভৱ নহ'ব পাৰে। ইয়াৰ বাবে প্ৰয়োজন কঠোৰ জীৱন সংগ্ৰাম বা তপস্যা। অৰ্থাৎ, তেওঁ নিজেও উপলব্ধি কৰিছিল যে, তেওঁৰ দৰে সমাজৰ সকলোৱে সম্পূৰ্ণ অহিংসাৰ নীতিসমূহ পালন কৰাটো সম্ভৱ নহয়। গতিকে তেওঁ, অহিংসা নীতিৰ ক্ষেত্ৰত কিছুমান ব্যতিক্ৰম বা ৰেহাই আগবঢ়াইছিল।

## গান্ধীৰ অহিংসা নীতিৰ দুৰ্বলতা

## (Weaknesses of Gandhi's Ahimsa)

গান্ধীৰ অহিংসা নীতি সম্পৰ্কত যথেষ্ট উচ্চ প্ৰশংসাৰ লগতে কিছুমান সীমাবদ্ধতা বা দুৰ্বলতাও পৰিলক্ষিত হয়। বিভিন্ন সময়ত গান্ধীৰ অহিংসাৰ ধাৰণাৰ উৎস ধৰ্ম সম্পৰ্কতো বিতৰ্কৰ সৃষ্টি হোৱা দেখা যায়। গান্ধীয়ে মত প্ৰকাশ কৰিছিল—"My Life is dedicated to the service of India through the religion of non-violence which I believe to be the root of Hinduism." অৰ্থাৎ তেওঁৰ মতে হিন্দু ধৰ্মৰ মূল অহিংসা নীতিৰে, মানৱ জাতি তথা ভাৰতবাসীৰ সেৱাৰ বাবে তেওঁৰ জীৱন উৎসৰ্গিত। কিন্তু বাস্তৱত হিন্দু ধৰ্মৰ অন্তৰ্গত বিভিন্ন ধৰ্মগ্ৰন্থ, বেদ আদিৰ অধ্যয়নে প্ৰমাণ কৰে যে, কতো চৰম বা সম্পূৰ্ণ অহিংসাৰ বিষয়ে উল্লেখ নাই। আনকি বিভিন্ন জনে ৰামায়ণ, মহাভাৰতৰ দৰে যুদ্ধক ধৰ্ম স্থাপনৰ যুদ্ধ হিচাপে আখ্যা দি ইয়াৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিছে। আনকি 'গীতা'ৰ সমগ্ৰ দৰ্শন যুদ্ধৰ পৃষ্ঠভূমিতে ৰচিত। অৱশ্যে বহু পৰিমাণে বৌদ্ধ ধৰ্ম, জৈন ধৰ্ম আৰু বৈষ্ণৱসকলে সম্পূৰ্ণ অহিংসা নীতিৰ পোষকতা কৰে। হিন্দু ধৰ্মই ন্যায় যুদ্ধৰ পোষকতা কৰে। গতিকে, ই সম্পূৰ্ণ অহিংসা নীতিৰ পোষক নহয় বৰং হিংসা আৰু অহিংসা নীতিৰ সংমিশ্ৰণহে।

মহাত্মা গান্ধীৰ অহিংসা নীতিৰ আন এটা প্ৰধান দুৰ্বলতা হ'ল যে ই ব্যক্তিগত জীৱনৰ অহিংসা নীতিতকৈ ৰাজহুৱা বা সন্মিলিত অহিংসা নীতিৰ ওপৰত কম গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ অহিংসা সম্পৰ্কীয় সকলো

ব্যাখ্যা ব্যক্তি আৰু ব্যক্তিৰ কাৰ্যক লৈয়ে সীমাবদ্ধ।

অহিংসা নীতিৰ গান্ধীয়ে যিবোৰ ব্যতিক্রম আগবঢ়াইছিল সেই সম্পৰ্কে বিভিন্ন সমালাচনাৰ ধাৰ উত্থাপন হয় যে যদি গান্ধীয়ে সম্পূৰ্ণ অহিংসা নীতিক সমৰ্থন কৰিছিল তেনেহ'লে তেওঁ কিয় সামৰিক, আৰক্ষী বাহিনীৰ ব্যৱস্থা ৰখাৰ পোষকতা কৰিছিল। ইয়াৰ ব্যাখ্যা ওপৰত দিয়া হৈছে যদিও পুনৰ ক'ব পাৰি যে উক্ত ব্যৱস্থাবোৰ গান্ধীয়ে তেওঁৰ সম্পূৰ্ণ অহিংসাৰ নীতি বুলি কোৱা নাছিল। তেওঁৰ মতে, এইবোৰ হ'ল অসম্পূৰ্ণ অহিংসাৰ প্ৰতীক। গতিকে এই সম্পৰ্কে সমালোচনা অনৰ্থক।

আকৌ, বিভিন্ন জনৰ মতে, গান্ধীৰ অহিংসাৰ ধাৰণা বহু পৰিমাণে আধ্যাত্মিক গতিকে বাস্তৱিক জীৱনত প্ৰত্যেক ব্যক্তিৰ দ্বাৰা উক্ত আধ্যাত্মিক গুণৰ আহৰণ সম্ভৱ নহ'বও পাৰে। অৱশ্যে গান্ধীয়ে নিজেও এই বিষয়ে স্বীকাৰ কৰিছিল আৰু কৈছিল যে অহিংসা নীতিৰ বাবে প্ৰয়োজনীয় সত্য তথা ভগৱানৰ প্ৰতি গভীৰ আস্থা, অহিংসা নীতিৰ প্ৰতি সম্পূৰ্ণ সমৰ্পণ সকলো ব্যক্তিৰ বাবে সম্ভৱ নহ'বও পাৰে।

## গান্ধীৰ অহিংসাৰ ধাৰণাৰ প্ৰাসংগিকতা

## (Relevance of Gandhi's Concept of Non-Violence)

মানৱ জীৱনলৈ মহাত্মা গান্ধীৰ অতি মহত্বপূৰ্ণ অৱদান হৈছে অহিংসা নীতি। সংগ্ৰামৰ বা ন্যায় প্ৰতিস্থাৰ এক গ্ৰহণযোগ্য আৰু বহুল প্ৰযোজ্য পথ হৈছে গান্ধীৰ অহিংসা নীতি। অহিংসা নীতিৰ প্ৰয়োজনীয়তা সম্পৰ্কত মহাত্মা গান্ধীৰ ধাৰণা আছিল, "অহিংসা হ'ল মানৱ প্ৰজাতিৰ নিয়ম বা বিধি, যেনেদৰে হিংসা হৈছে বৰ্বৰ বা পশুৰ বিধি", অৰ্থাৎ মহাত্মা গান্ধীৰ বাবে মানৱ জাতিৰ সংগ্ৰামৰ বা অন্যায়ৰ প্ৰতিবাদৰ একমাত্ৰ মাধ্যমটোৱে হৈছে অহিংসা। মহাত্মা গান্ধীৰ বাবে অহিংসা কোনো তত্ব বা দৰ্শন নহয়, ই এক কৰ্মপদ্ধতি বা জীৱন পদ্ধতি। তেওঁ নিজেও অহিংসাক নিজৰ জীৱন আৰু কৰ্মৰ এক পদ্ধতি কৰি লৈছিল।

সৎ কাম, সৎ চিন্তা, সৎ কথাক অহিংসা হিচাপে গণ্য কৰা গান্ধীয়ে ব্যক্তিগত আৰু ৰাষ্ট্ৰীয় উভয় পৰ্যায়তে এই নীতিৰ প্ৰয়োগ কৰাৰ পোষকতা কৰিছিল।

গান্ধীৰ অহিংসা নীতিক বহুসময়ত বিভিন্ন জনে অবাস্তৱ বা অপ্ৰাসংগিক বুলি সমালোচনা কৰি মত প্ৰকাশ কৰে যে বৰ্তমান সময়ত এই নীতিৰ কোনো প্ৰাসংগিকতা নাই। অৰ্থাৎ, বিভিন্নজনৰ মতে গান্ধীৰ অহিংসা নীতি বাস্তৱসন্মত নহয়। কিন্তু অহিংসা নীতিৰ বাস্তৱিকতা গান্ধীয়ে নিজৰ জীৱন আৰু কৰ্মৰ মাজেৰে প্ৰকৃত অৰ্থত প্ৰতিষ্ঠা কৰি থৈ গৈছে। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত গান্ধীয়ে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাই হ'ল ইয়াৰ অন্যতম উদাহৰণ। বৰ্তমান সময়ত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় উভয় প্ৰেক্ষাপটতে গান্ধীৰ অহিংসা নীতিৰ প্ৰয়োগিকতা বা কাৰ্যকাৰিতা আৰু অহিংসা নীতিক বাস্তৱায়িত কৰাৰ বাবে গ্ৰহণ কৰা পন্থাসমূহৰ বহুল প্ৰয়োগ দেখা যায়। বিশেষকৈ ভাৰত তথা আন আন ৰাষ্ট্ৰবোৰত উদ্ভৱ হোৱা বিভিন্ন গণ আন্দোলন বা সামাজিক আন্দোলনে নিজৰ দাবী প্ৰতিষ্ঠা বা অন্যায়ৰ বিৰোধ কৰাত গান্ধীৰ সত্যাগ্ৰহৰ অহিংস উপায়সমূহৰ প্ৰাসংগিকতা আৰু জনপ্ৰিয়তা বৃদ্ধি কৰিছে। ভাৰতত বিভিন্ন সময়ত সংঘটিত হোৱা পৰিৱেশ আন্দোলন, নদীবান্ধ বিৰোধী আন্দোলন, দুৰ্নীতি বিৰোধী আন্দোলন আদিয়ে ব্যাপক হাৰত গান্ধীৰ অহিংসা নীতিৰ আশ্ৰয় লৈ নিজৰ দাবী চৰকাৰ বা বিভিন্ন পক্ষৰ ওচৰত উত্থাপন কৰা দেখা যায়। এই আন্দোলনবোৰ কিন্তু বৰ্তমান প্ৰেক্ষাপটত হিংসাত্মক আন্দোলনতকৈ যথেষ্ট পৰিমাণে সফল। বিভিন্ন বিচ্ছিন্নতাবাদী আন্দোলন আৰু সন্ত্ৰাসবাদী সংগঠনবোৰে হিংসাৰ ব্যাপক প্ৰয়োগেৰে সমস্যা সমাধানৰ বাবে বা নিজৰ দাবী উত্থাপনৰ বাবে কাৰ্যপন্থা গ্ৰহণ কৰিছে যদিও বাস্তৱত কিন্তু তেওঁলোকৰ কোনো সমস্যাৰে সমাধান হিংসাৰে হোৱা নাই। হিংসা এৰি আলোচনাৰ পথৰ দৰে অহিংসা

নীতি গ্ৰহণ কৰাৰ পিছতহে এই সংগঠনবোৰৰ কিছু দাবী বা সমস্যা সমাধান হৈছে। এই সকলোবোৰে গান্ধীৰ অহিংসা নীতিৰ প্ৰাসংগিকতাকে প্ৰমাণ কৰে।

আকৌ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো দেখা যায় যে ৰাষ্ট্ৰসমূহৰ মাজৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত হিংসাত্মক পদ্ধতি বা যুদ্ধৰ অৱতাৰণা হয় যদিও সেয়া কিছুমান বিশেষ ৰাষ্ট্ৰৰ ক্ষেত্ৰতহে প্ৰযোজ্য। আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত আলোচনা, মধ্যস্থতা, বুজা পৰা, সন্ধি আদিৰ প্ৰয়োগ কম নহয়। ভাৰতৰ দৰে ৰাষ্ট্ৰই যিকোনো সমস্যা সমাধানৰ ক্ষেত্ৰত অহিংসা পদ্ধতিৰ প্ৰয়োগৰ দ্বাৰা মহাত্মাৰ কৰ্ম-পদ্ধতিৰ প্ৰাসংগিকতাকে প্ৰমাণ কৰে। ভাৰতবৰ্ষই বিভিন্ন সময়ত পাকিস্তানৰ লগত যুদ্ধত অৱতীৰ্ণ হ'বলগীয়া হৈছে যদিও সেয়া একমাত্ৰ আত্মৰক্ষাৰ স্বাৰ্থতহে। বিভিন্ন সময়ত বিভিন্ন ৰাষ্ট্ৰৰ মাজত যুদ্ধ সংঘটিত হৈছে যদিও দেখা গৈছে যে এইবোৰে ৰাষ্ট্ৰৰ কোনো উদ্দেশ্যয়েই প্ৰকৃত ৰূপত পূৰণ কৰিব পৰা নাই। উদাহৰণস্বৰূপে ভাৰত-পাকিস্তানৰ কথাই ক'ব পাৰি। কাশ্মীৰ সমস্যাক লৈ এই দুয়োখন দেশৰ মাজত যথেষ্ট উত্তেজনামূলক পৰিস্থিতি বা যুদ্ধৰ অৱতাৰণা হৈছে যদিও এই সমস্যাৰ সমাধান এতিয়ালৈকে হোৱা নাই। বিভিন্ন সময়ত ৰাষ্ট্ৰ দুখনৰ মাজত হোৱা আলোচনা প্ৰক্ৰিয়াইহে ৰাষ্ট্ৰ দুখনৰ সম্পৰ্কৰ উন্নতি সাধন কৰিছিল। বৰ্তমানো আলোচনাৰ মাধ্যমতহে এই সমস্যাৰ সমাধান আশা কৰা হৈছে। আকৌ, বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংগঠন বা আন্তঃৰাষ্ট্ৰীয় আইন আদিয়েও সমস্যা সমাধানৰ ক্ষেত্ৰত যুদ্ধৰ সলনি শান্তিপূৰ্ণ, অহিংসা উপায়ৰহে পোষকতা কৰে।

২ অক্টোবৰ দিনটো সমগ্ৰ বিশ্বত আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস (International Non-Violence Day) হিচাপে পালন কৰা কাৰ্যই আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত গান্ধীৰ অহিংসা পদ্ধতিৰ জনপ্ৰিয়তা বা প্ৰাসঙ্গিকতাক জাহিৰ কৰে।

গান্ধীৰ অহিংসা নীতিৰ বাস্তৱিকতা সম্পৰ্কত যথেষ্ট সমালোচনাৰ উদ্ভৱ হৈছে যদিও বৰ্তমানৰ হিংসা, অশান্তিৰে জৰ্জৰ সমাজ এখনত গান্ধীৰ শান্তিপূৰ্ণ অহিংসা নীতিৰ প্ৰয়োজনীয়তা কোনো কাৰণতে নুই কৰিব নোৱাৰি। সামৰিক অভিযানৰ দ্বাৰা সংঘটিত হিংসাত্মক ফলাফল সমূহ ৰোধ কৰাৰ একমাত্ৰ উপায়টোৱেই হ'ল শান্তিপূৰ্ণ অহিংসা নীতিৰ প্ৰয়োগ বা ব্যৱহাৰ। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় উভয় পৰ্যায়তে অহিংসাৰ প্ৰয়োগৰ পোষকতা কৰা গান্ধীয়ে ৰাষ্ট্ৰৰ মাজত সহযোগিতামূলক আৰু শান্তিপূৰ্ণ আলোচনাৰো পোষকতা কৰিছিল যাতে হিংসাই সমগ্ৰ পৰিস্থিতিক বিকল কৰি নেপেলায়। অৰ্থাৎ, তেওঁ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো যিমান সম্ভৱ সিমান অহিংসা নীতিৰ প্ৰয়োগৰ পোষকতা কৰিছিল।

প্ৰেম, ভালপোৱাৰ নীতি-অহিংসাক গান্ধীয়ে কোনো কাৰণতে ব্যক্তিগত ক্ষেত্ৰতে সীমাবদ্ধ ৰাখিব খোজা নাছিল। তেওঁৰ উদ্দেশ্য আছিল ইয়াৰ যথাসম্ভৱ সম্প্ৰসাৰণ। তেওঁ ইয়াক ৰাজনৈতিক, সামাজিক সকলো ক্ষেত্ৰতে সম্প্ৰসাৰণ হোৱাটো কামনা কৰিছিল। তেওঁৰ মতে ব্যক্তিৰদ্বাৰা এই নীতিৰ গ্ৰহণে ক্ৰমান্বয়ে সমাজ আৰু ৰাজনীতিকো সংশোধন কৰিব আৰু এখন শান্তিপূৰ্ণ অহিংসা সমাজ প্ৰতিষ্ঠাত সহায় কৰিব।

আকৌ সমাজত প্ৰচলিত দণ্ড ব্যৱস্থাৰ সংশোধন সম্পৰ্ক গান্ধীৰ অহিংসা নীতি অন্যতম। তেওঁ দোষীৰ কঠোৰ শাস্তিৰ বিপৰীতে দোষীৰ নৈতিক, মানসিক সংশোধনৰ পৰামৰ্শ আগবঢ়াইছিল। তেওঁ আনকি কাৰাগাৰসমূহক শাস্তিৰ কেন্দ্ৰ হোৱাৰ সলনি সংশোধন কেন্দ্ৰ কৰাৰ পৰামৰ্শ আগবঢ়াইছিল।

ৰাজনীতি, ৰাজনৈতিক ক্ষমতাক, তেওঁ নৈতিকতাৰ নীতিৰে পৰিচালিত হোৱাটো বিচাৰিছিল। বৰ্তমান সময়ত ক্ষমতা আহৰণত যুজত যেতিয়া নৈতিক নীতিৰ সম্পূৰ্ণ বিসৰ্জন হৈছে তেনেকুৱা এটা সময়ত ৰাজনীতিত নৈতিকতাৰ অন্তৰ্ভুক্তি এক প্ৰশংসনীয় ধাৰণা।

গান্ধীৰ অহিংসা, সত্যাগ্ৰহৰ নীতিক অধিক জনপ্ৰিয় আৰু বাস্তৱমুখী কৰি তুলিছিল বিশ্বৰ অন্যতম নেতা নেলছন মেণ্ডেলা, আমেৰিকাৰ Civil Rights Movement ৰ অন্যতম নেতা মাৰ্টিন লুথাৰ কিং (কনিষ্ঠ) ম্যানমাৰৰ আং চান চু কি, মণিপুৰৰ লৌহ মানৱী ঈৰম শৰ্মিলা ইত্যাদিয়ে। এওঁলোকে অহিংসা, আত্ম কষ্ট বা ত্যাগ আৰু অনশনকে তেওঁলোকৰ জীৱনৰ নীতি কৰি সমাজত সংঘটিত হৈ থকা বিভিন্ন অন্যায়ৰ প্ৰতিবাদ কৰিছে আৰু বহুকেইজনে নিজৰ উদ্দেশ্যত সফলো হৈছে।

## সত্যাগ্ৰহ
## (Satyagraha)

গান্ধীৰ সত্যাগ্ৰহ বা সত্য প্ৰতিষ্ঠাৰ আগ্ৰহ হ'ল সৰ্বোচ্চ ধাৰণা 'সত্য'ৰ এক বহিঃপ্ৰকাশ। 'সত্য' ই যদি সৰ্বোচ্চ তেনেহ'লে সত্য প্ৰতিষ্ঠাৰ সকলো বাধা আতৰ কৰাটো প্ৰত্যেক ব্যক্তিৰে ধৰ্ম। সত্য প্ৰতিষ্ঠাৰ ক্ষেত্ৰত থকা বাধা বা হেঙাৰ আতৰোৱা ব্যক্তিগত আৰু সামূহিক প্ৰচেষ্টাকে গান্ধীয়ে সত্যাগ্ৰহ আখ্যা দিছিল। 'সত্যাগ্ৰহ' শব্দটো মূলত এটা সংস্কৃত শব্দ যিটো দুটা ভাগত বিভক্ত 'সত্য' আৰু 'আগ্ৰহ'। গতিকে সত্যাগ্ৰহ হ'ল সত্যৰ প্ৰতি বা সত্য প্ৰতিষ্ঠাৰ প্ৰতি থকা আগ্ৰহ বা ইচ্ছা। যিজনে সত্য প্ৰতিস্থাৰ বাবে অহিংসা উপায়েৰে চেষ্টা কৰে তেওঁক গান্ধীয়ে সত্যাগ্ৰহী আখ্যা দিছিল। গান্ধীৰ মতে, সত্যাগ্ৰহৰ মূল উদ্দেশ্য যিকোনো ধৰণৰ বিজয় নহয়, অন্যায় ৰোধ কৰি সত্য প্ৰতিষ্ঠা কৰাহে ইয়াৰ মূল উদ্দেশ্য। ইয়াৰ বাবে সত্যাগ্ৰহীয়ে কোনো সশস্ত্ৰ বিপ্লৱ নকৰে বা কৰিব নালাগে মাত্ৰ বিৰোধীৰ অন্তৰ প্ৰেম ভালপোৱা, আত্মকষ্ট আৰু আন আন অহিংস উপায়ৰ দ্বাৰা জয় কৰাৰ চেষ্টা কৰিব লাগে।

ৰজা হৰিশ্চন্দ্ৰ, প্ৰহ্লাদ, চক্ৰেটিছ, যিশুখ্ৰীষ্ট আদিৰ জীৱন আৰু সত্যৰ প্ৰতি থকা আগ্ৰহে গান্ধীক যথেষ্ট অনুপ্ৰাণিত কৰিছিল। ইয়াৰ উপৰিও মীৰাবাঈ, মাৰ্টিন লুথাৰ, গেলিলিও, কলম্বাছকো গান্ধীয়ে সত্যাগ্ৰহী আখ্যা দিছিল। সত্য প্ৰতিষ্ঠা আৰু অন্যায়ৰ বিৰোধৰ বাবে গান্ধীয়ে ভাৰতত প্ৰকৃত অৰ্থত সংগ্ৰাম আৰম্ভ কৰিছিল 1919 চন মানতহে। ইয়াৰ আগৰ সময়ছোৱাত তেওঁ বিভিন্ন সময়ত ইংৰাজ চৰকাৰক সহায় কৰিছিল। কিন্তু শেষলৈ তেওঁ ইংৰাজ চৰকাৰৰ অন্যায়ৰ ভিত্তত প্ৰতিষ্ঠিত সাম্ৰাজ্যবাদী শাসনৰ মূল উদ্দেশ্য অনুধাৱন কৰিছিল আৰু সেয়েহে তেওঁৰ সত্য আৰু অহিংসাৰ ভিত্তিত প্ৰতিষ্ঠিত সংগ্ৰাম আৰম্ভ কৰিছিল।

ওঠৰশ শতিকাৰ গুজৰাটী কবি শ্যামল ভট্টৰ এটা কবিতাৰ অৰ্থৰে শৈশৱকালত যথেষ্ট অনুপ্ৰানিত হোৱা গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে অশুভ শক্তি বা অন্যায়ৰ বিৰুদ্ধে সদায় সত্য, প্ৰেম আৰু ভালপোৱাৰে সংগ্ৰাম কৰাটোহে প্ৰকৃত সত্যাগ্ৰহীৰ মূল কাম। গান্ধীৰ ভাষাত শ্যামল ভট্টৰ কবিতাটোৰ মূল সাৰাংশ আছিল এনে ধৰণৰ, 'If a man gives you a drink of water and you give him a drink in return, that is nothing. Real beauty consists in doing good against evil.'

"For a bowl of water give a goodly mean;
For a kindly greeting bow thou down with zeal;
For a simple penny pay thou back with gold;
if they life be resceued, life do not withhold.
Thus the words and actions of the wise regard,

But the truly noble know all men as one,
And return with gladness good for evil done."– Samal Bhatta

গান্ধীৰ মতে, সত্যাগ্ৰহ হ'ল সকলো ধৰণৰ অন্যায়, দমন আৰু শোষণৰ বিৰুদ্ধে শুদ্ধ আৰু সত্য আত্মাৰ শক্তিৰ প্ৰয়োগ। ত্যাগ আৰু সত্য (Sacrifice and truth) হ'ল সত্যাগ্ৰহীৰ মূল উপাদান। সত্যাগ্ৰহীয়ে সত্য, প্ৰেম-ভালপোৱা আৰু ত্যাগৰ দ্বাৰা অন্যায়কাৰীৰ মন সলনি কৰিব লাগে, শক্তি প্ৰয়োগৰ দ্বাৰা নহয়। সত্যাগ্ৰহীৰ উদ্দেশ্য কেতিয়াও বিৰোধী পক্ষক বিপদত পেলোৱাৰ হ'ব কৰিব নালাগে বৰং, বিৰোধীক মৰম-ভালপোৱা আৰু ক্ষমাৰে উজ্জিৱীত কৰিব লাগে যাতে তেওঁ/তেওঁলোকে নিজৰ ভুল অনুধাৱন কৰি অনুশোচনা কৰিব পাৰে। সত্যাগ্ৰহ যিকোনো শক্তি যেনে— চৰকাৰ, সামাজিক শক্তি বা উপাদান আৰু অত্যাচাৰী শাসকৰ বিৰুদ্ধে প্ৰয়োগ কৰিব পাৰি। এজন প্ৰকৃত সত্যাগ্ৰহীয়ে নিজৰ প্ৰাপ্য তথা পবিত্ৰ অধিকাৰ ৰক্ষাৰ সংগ্ৰামত যিকোনো ধৰণৰ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলৈ সাজু থাকিব লাগে। কষ্ট আৰু ত্যাগৰ ভিত্তিত পৰিচালিত অহিংস আন্দোলন সকলো শক্তিশালী শক্তি বা চৰকাৰৰ বিৰুদ্ধে প্ৰয়োগ কৰিব পাৰি বুলি মত প্ৰকাশ কৰা গান্ধীয়ে বাস্তৱ জীৱনতো ভাৰতৰ স্বাধীনতাৰ বাবে ইংৰাজ চৰকাৰৰ দৰে এক শক্তিশালী আৰু সংগঠিত শক্তিৰ বিৰুদ্ধে সত্য আৰু অহিংসাৰ ভিত্তিত প্ৰতিষ্ঠিত সত্যাগ্ৰহৰে আশ্ৰয় লৈছিল আৰু নিজেও এজন প্ৰকৃত সত্যাগ্ৰহীৰ সকলো গুণ আহৰণ কৰিছিল। ভাৰতৰ হৃত স্বাধীনতা উদ্ধাৰৰ বাবে তেওঁ ত্যাগ, কষ্ট আৰু অহিংসাৰ ভিত্তিতেই সদায় সংগ্ৰাম কৰিছিল আৰু যেতিয়াই ইয়াৰ ব্যতিক্ৰম হৈছিল তেতিয়াই তেওঁ বিভিন্ন কাৰ্যসূচী প্ৰত্যাহাৰ কৰিছিল।

গান্ধীয়ে সত্যাগ্ৰহীৰ কষ্ট আৰু ত্যাগৰ মহত্ব সম্পৰ্কত মত প্ৰকাশ কৰিছিল যে মহৎ কাৰ্যৰ বাবে সত্যাগ্ৰহীয়ে গ্ৰহণ কৰা কষ্টই এক সামাজিক প্ৰভাৱৰ সৃষ্টি কৰে যাৰ ফলত বিৰোধী বা অন্যায়কাৰীয়ে সত্য প্ৰতিষ্ঠাৰ বাবে সন্মত হ'বলৈ বাধ্য হয়। আকৌ এই ব্যৱস্থাই সমাজৰ আন আন লোকসকলকো সমস্যাৰ প্ৰতি সজাগ কৰায় আৰু সত্যাগ্ৰহীৰ সমৰ্থকৰ সংখ্যাও বৃদ্ধি কৰে। ফলত বিৰোধীৰ মানসিক, নৈতিক, শাৰিৰীক আদি সকলো প্ৰকাৰৰ শক্তি ক্ৰমান্বয়ে দুৰ্বল হৈ পৰে। অৰ্থাৎ গান্ধীৰ মতে, আত্ম ত্যাগ বা কষ্টই মূলত তিনিটা উদ্দেশ্য ফলৱতী কৰে—

প্ৰথম— ই সত্যাগ্ৰহী কষ্ট ভোগকাৰীৰ অন্তৰ শুদ্ধ কৰে (Purifies the surfferer)

দ্বিতীয়— ই বিৰোধীৰ আত্মাৰ প্ৰতি প্ৰত্যক্ষ আৱেদন জনাব পাৰে বা বিৰোধীৰ অন্তৰ জয় কৰিব পাৰে (Makes direct appeal to the soul of the oppressor)

তৃতীয়— ই জনমত সংগঠিত কৰাত বা জনমত গঠন কৰাত সহায় কৰে (Intensifies favourable public opinon)

সত্যাগ্ৰহীৰ কাৰ্যৰ সফলতা সম্পৰ্কত গান্ধীৰ মন্তব্য আছিল যে সত্যাগ্ৰহীৰ অন্তৰৰ পবিত্ৰতা আৰু অনুশাসনৰ ওপৰত বহু পৰিমাণে সত্যাগ্ৰহৰ সফলতা নিৰ্ভৰ কৰে।

## সত্যাগ্ৰহৰ প্ৰকাৰ বা কৌশল

## (Forms and Techniques of Satyagraha)

সত্য প্ৰতিষ্ঠাৰ বাবে অহিংসাৰ ভিত্তিত সংগ্ৰাম কৰাৰ বাবে গান্ধীয়ে কিছুমান কৌশলৰ বিষয়ে কৈছিল যিবোৰ তেওঁ নিজেও গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাত গান্ধীয়ে তলত উল্লেখ কৰা প্ৰায়বোৰ কৌশলেই ব্যৱহাৰ কৰিছিল।

(১) **অনশন (Fast)** ঃ সত্যাগ্ৰহৰ এটা গুৰুত্বপূৰ্ণ কৌশল, যিটো গান্ধীয়ে বহুবাৰ ব্যৱহাৰ কৰিছিল সেয়া হ'ল অনশন। তেওঁৰ মতে প্ৰতিবাদৰ শেষ বা চৰম মাধ্যম হ'ল অনশন যি সম্পূৰ্ণৰূপে সত্যাগ্ৰহীৰ আত্মত্যাগ আৰু কষ্ট ভোগৰ ওপৰত নিৰ্ভৰশীল। গান্ধীয়ে অতি শক্তিশালী (মানসিকভাৱে) লোককহে প্ৰতিবাদৰ অন্তিম মাধ্যম হিচাপে এই পন্থা অবলম্বনৰ পৰামৰ্শ আগবঢ়াইছিল। তেওঁৰ মতে, পৃথিৱীৰ প্ৰত্যেকজন বিখ্যাত গুৰুৱে তপস্যা তথা অনশনৰ জৰিয়তেহে মানৱ জাতিৰ কল্যাণ সাধনৰ বাবে বিশেষ ক্ষমতা লাভ কৰিছে। অৰ্থাৎ, অনশন হ'ল বিশেষ ক্ষমতা লাভৰ এক অন্যতম উপায়। 1924, 1932, 1933, 1943, 1947 ইত্যাদি সময়ত গান্ধীয়ে বিভিন্ন উদ্দেশ্য সাধনৰ বাবে অনশন কৰিছিল। 1924 চনত তেওঁ হিন্দু-মুছলমানৰ একতাৰ বাবে, 1932 চনত সাম্প্ৰদায়িক বটাৰ বিৰোধিতাৰ বাবে আৰু 1947 চনত পুনৰ সাম্প্ৰদায়িক সংঘৰ্ষ ৰোধৰ বাবে গান্ধীয়ে অনশন কৰিছিল। গান্ধীৰ মতে, অনশন আৰু প্ৰাৰ্থনাৰ প্ৰধান ফলাফলবোৰ হ'ল—

(ক) অনুশাসন

(খ) আত্ম ত্যাগৰ তাড়না,

(গ) বিনয়ী ভাৱৰ উত্থান ইত্যাদি।

(২) **হৰতাল (Hartal)** ঃ হৰতাল বা শান্তিপূৰ্ণভাৱে কাম স্থগিত ৰখাটো হ'ল গান্ধীৰ মতে সত্যাগ্ৰহৰ আন এটা কৌশল। গান্ধীৰ মতে হৰতাল সঘনাই সংঘটিত হ'ব নালাগে আৰু জনসাধাৰণে ইয়াত স্বেচ্ছামূলকভাৱে অংশগ্ৰহণ কৰিব লাগে।

(৩) **পিকেটিং (Picketing)** ঃ শান্তিপূৰ্ণভাৱে কৰা পিকেটিং হ'ল সত্যাগ্ৰহৰ আন এটা গুৰুত্বপূৰ্ণ কৌশল। ইয়াৰ দ্বাৰা মানুহক কামত যোগদান কৰাত বাধা প্ৰদান কৰা হয়। পিকেটিং কেতিয়াও হিংসাত্মক হ'ব নালাগে। স্বাধীনতা আন্দোলনৰ সময়ত ভাৰতত এই পন্থা সংগ্ৰামীসকলে সফলতাৰে পালন কৰিছিল। আনকি 1931 চনত সম্পাদিত হোৱা গান্ধী আৰউইন চুক্তিটো পিকেটিংৰ বৈধতা মানি লোৱা হৈছিল।

(৪) **অসহযোগ (Non-Co Operation)** ঃ সত্যাগ্ৰহী গান্ধীয়ে স্বাধীনতা আন্দোলনৰ সময়ত গ্ৰহণ কৰা এটা অন্যতম ব্যৱস্থা আছিল অসহযোগ। এই ব্যৱস্থাই মূলত চৰকাৰী বা বিৰোধী পক্ষৰ কাম-কাজত অসহযোগ কৰাকে বুজায়। সামূহিকভাৱে কৰা অসহযোগে বিপৰীত পক্ষৰ কাৰ্য পৰিচালনাক অসম্ভৱ কৰি তুলিব পাৰে। ব্যক্তিগত আৰু ৰাষ্ট্ৰীয় উভয় পৰ্যায়ত এই পন্থা গ্ৰহণযোগ্য বুলি গান্ধীয়ে মত প্ৰকাশ কৰিছিল। অসহযোগ পিতৃ আৰু পুত্ৰ আৰু সাম্ৰাজ্যবাদী বা ঔপনিৱেশিক ৰাষ্ট্ৰ আৰু উপনিবেশৰ নাগৰিকৰ মাজতো হ'ব পাৰে। যদি কোনো পিতৃ, সংস্থা বা কমিটিৰ সভাপতি বা যিকোনো মুৰব্বীয়ে অন্যায় কাৰ্যৰ আশ্ৰয় লয় তেনেহ'লে অসহযোগৰ আশ্ৰয় ল'ব লাগে। আকৌ যদি চৰকাৰে জনসাধাৰণৰ অধিকাৰ ভংগকাৰী বা অন্যায়কাৰী কোনো আইন প্ৰণয়ন কৰে তেনেহ'লে জনসাধাৰণে চৰকাৰৰ লগত সহযোগিতা বন্ধ কৰিব লাগে, তেতিয়াহে চৰকাৰে তেনে আইন উঠাই ল'বলৈ বাধ্য হ'ব কাৰণ জনসাধাৰণৰ সহযোগ অবিহনে কোনো আইনে কাৰ্যকৰী হ'ব নোৱাৰে। অৱশ্যে, গান্ধীৰ মতে যিকোনো ধৰণৰ অসহযোগৰেই উদ্দেশ্য হ'ব লাগে বিপৰীত পক্ষৰ কাম-কাজৰ পৰিৱৰ্তন সাধন, বিপৰীত পক্ষক আঘাত কৰা নহয়। তেওঁৰ মতে অসহযোগিতাৰ লক্ষ্য বিৰোধী পক্ষৰ অন্তৰ জয় কৰা হ'ব লাগে। গান্ধীৰ দ্বাৰা বা গান্ধীৰ নেতৃত্বত পৰিচালিত আটাইতকৈ বিখ্যাত অসহযোগ আন্দোলন বা কাৰ্যসূচী সংঘটিত হৈছিল 1920-22 চনৰ সময়ছোৱাত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাত। 1920 চনত কলকতাত অনুষ্ঠিত

হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিশেষ অধিৱেশনে গান্ধীৰ অসহযোগৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু সেই মৰ্মে 1920-22 ৰ সময়ছোৱাত অসহযোগ আন্দোলন ইংৰাজ চৰকাৰৰ সন্মুখত এক বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। গান্ধীৰ অসহযোগ আন্দোলনৰ প্ৰধান কাৰ্যসূচীবোৰ আছিল ব্ৰিটিছ চৰকাৰৰ দ্বাৰা পৰিচালিত স্কুল, কলেজ, অফিচ কাচাৰী পৰিত্যাগ বা বৰ্জন, ব্ৰিটিছ চৰকাৰৰ দ্বাৰা প্ৰদান কৰা সকলো ধৰণৰ উপাধি, সুবিধা পৰিত্যাগ, বিদেশী সামগ্ৰীৰ বৰ্জন ইত্যাদি।

(৫) **আইন অমান্য (Civil Disobedience)** ঃ সত্যাগ্ৰহৰ আন এটা গুৰুত্বপূৰ্ণ কৌশল হ'ল আইন অমান্য। অৰ্থাৎ, অন্যায়কাৰী চৰকাৰ বা কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত সকলো ধৰণৰ আইন জনসাধাৰণে অমান্য কৰা। তেওঁ মতে, আইন অমান্য হ'ল সত্যাগ্ৰহৰ অতি সক্ৰিয়, শক্তিশালী আৰু চূড়ান্ত উপায় বা কৌশল। তেওঁৰ মতে, আইন অমান্য ব্যক্তিগত আৰু ৰাজহুৱা বা সামূহিক উভয় পৰ্যায়তে সংঘটিত হ'ব পাৰে। অৱশ্যে, তেওঁৰ মতে, সামূহিক আইন অমান্যৰ বাবে কিছু প্ৰশিক্ষণৰ প্ৰয়োজন আৰু বহু পৰিমাণে শান্তিপূৰ্ণ পৰিস্থিতিৰো প্ৰয়োজন। গান্ধীৰ মতে, চৰকাৰৰ দ্বাৰা প্ৰণীত সকলো ধৰণৰ আইনৰ উলংঘা বা সম্পূৰ্ণ আইন এক শক্তিশালী প্ৰতিবাদৰ মাধ্যম হ'ব পাৰে। আনকি, ই শক্তিশালী সশস্ত্ৰ বিপ্লৱতকৈও বিপদজনক হ'ব পাৰে। আইন অমান্য কৰা সম্পৰ্কত গান্ধীৰ মন্তব্য আছিল যে কোনো চৰকাৰে জনসাধাৰণৰ ইচ্ছা আৰু অধিকাৰ ভংগ কৰাৰ অধিকাৰ নাই। যদি চৰকাৰে তেনে আইন প্ৰণয়ন কৰে তেনেহ'লে জনসাধাৰণে তেনে আইন ভংগ কৰাটো জনসাধাৰণৰ কৰ্তব্য। গান্ধীয়ে অৱশ্যে হিংসাত্মক আৰু অহিংসা আইন অমান্য এই দুয়ো ধৰণৰ আইন অমান্যৰ বিষয়ে আলোচনা কৰিছিল। আইন অমান্যতাই চৰকাৰৰ স্বেচ্ছাচাৰী কাম-কাজৰ বিৰুদ্ধে প্ৰয়োজনীয় জনমত গঠনতো সহায় কৰিব পাৰে বুলি গান্ধীয়ে মত প্ৰকাশ কৰিছিল।

(৬) **শান্তি বাহিনী (Peace Brigade)** ঃ সত্যাগ্ৰহ পৰিচালনাৰ বাবে গান্ধীয়ে শান্তি-বাহিনী গঠন কৰাৰ পোষকতা কৰিছিল। তেওঁৰ মতে, শান্তি-বাহিনী হ'ল আৰক্ষী বা সামৰিক বাহিনীৰ বিকল্প সংগঠন। এওঁলোকৰ মূল কাম হ'ল যিকোনো ধৰণৰ অন্যায়, সংঘৰ্ষ আদিৰ প্ৰতিবাদ কৰা। অৱশ্যে শান্তি-বাহিনীৰ সদস্য সকলৰ সত্যৰ প্ৰতি গভীৰ আস্থা থাকিব লাগে। তেতিয়াহে তেওঁলোকে নিজৰ উদ্দেশ্য সাধনত বা সত্য প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সফল হ'ব।

(৭) **হিজৰত (Hizrat)** ঃ হিজৰত বা আত্ম নিৰ্বাসন হ'ল গান্ধীৰ সত্যাগ্ৰহৰ আন এটা উপায় বা কৌশল। তেওঁৰ মতে ব্যক্তিয়ে যেতিয়া অন্যায়, শোষণ আদি প্ৰতিৰোধ কৰাত ব্যৰ্থ হয়, তেতিয়া তেওঁ নিজৰ আত্ম-সন্মান ৰক্ষাৰ বাবে নিজৰ বাসস্থান এৰি আন ঠাইত আত্মগোপন কৰিব লাগে। অৰ্থাৎ চৰকাৰ বা কতৃপক্ষৰ অন্যায়কাৰী কাৰ্যৰ প্ৰতিৰোধৰ বাবে কোনো উপায় নাথাকিলে ব্যক্তিয়ে আত্মগোপন কৰাই উচিত।

(৮) **সামাজিক বৰ্জন (Social Boycott)** ঃ সামাজিক বৰ্জনে সেইসকল ব্যক্তিৰ বৰ্জনক বুজায় যিসকলে সমাজৰ গৰিষ্ঠসংখ্যক সাধাৰণ জনতাৰ বিপৰীত গৈ চৰকাৰক সহায়-সহযোগ আগবঢ়ায় বা চৰকাৰৰ কাৰ্যৰ বিৰোধিতামূলক কাৰ্যসূচীত অংশগ্ৰহণ নকৰে। সামাজিক বৰ্জনে অৱশ্যে বৰ্জিত ব্যক্তিৰ অধিকাৰ খৰ্বৰ পোষকতা নকৰে। এই ব্যৱস্থাৰ দ্বাৰা তেওঁ চৰকাৰী পক্ষৰ ব্যক্তিৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিছিল।

অৱশ্যে গান্ধীৰ মতে, সত্যাগ্ৰহৰ এই কৌশলসমূহ খুব সাৱধানে আৰু ন্যায়পূৰ্ণ ভাৱেৰে প্ৰয়োগ কৰিব লাগে। অন্যথাই এক ভয়ানক পৰিস্থিতিৰহে সৃষ্টি হ'ব পাৰে যিটো তেওঁৰ অহিংসা নীতিৰ সম্পূৰ্ণ বিপৰীত। গান্ধীৰ সত্যাগ্ৰহ যিকোনো ধৰণৰ সংঘাত বা অন্যায় প্ৰতিৰোধ কৰাত এক সফল উপায় হিচাপে পৰিগণিত হ'ব

পাৰে। ইয়াৰ প্ৰমাণ আছিল ইংৰাজৰ বিৰুদ্ধে গান্ধীৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা সংগ্ৰাম যি বহু পৰিমাণে গান্ধীৰ সত্যাগ্ৰহ নীতি সন্নিৱিষ্ট এক অন্যায় প্ৰতিৰোধকাৰী অহিংস আন্দোলন আছিল। অৱশ্যে বহু পৰিমাণে হিংসাত্মক আন্দোলন বা প্ৰচেষ্টাইও বিভিন্ন সময়ত ইংৰাজ সাম্ৰাজ্যৰ ভেটিত কঁপনিৰ সৃষ্টি কৰিছিল। কিন্তু গান্ধীয়ে, সংঘাত সমাধানৰ বা সংগ্ৰামৰ এক নতুন আৰু হিংসাহীন তথা সকলোৰে বাবে গ্ৰহণযোগ্য বিকল্প ব্যৱস্থা আগবঢ়াইছিল যাৰ বাবে তেওঁৰ নাম সমগ্ৰ বিশ্ববাসীয়ে কৃতজ্ঞতাৰে স্মৰণ কৰিব। বৰ্তমানৰ সংঘৰ্ষ জৰ্জৰ পৰিস্থিতিত হিংসাৰ সলনি হিংসা বা সংঘৰ্ষৰ সলনি সংঘৰ্ষৰ ঠাইত যদি হিংসাৰ সলনি অহিংসা আৰু সংঘৰ্ষৰ সলনি মিলাপ্ৰীতি তথা প্ৰেম-ভালপোৱা বা শক্তিক উজ্জিৱীত কৰিব পাৰি তেনেহ'লে ইয়াতকৈ গ্ৰহণযোগ্য উপায় বৰ্তমান সময়ত আৰু একোৱেই হ'ব নোৱাৰে। সত্যাগ্ৰহী হোৱাটো বা গান্ধীৰ সত্যাগ্ৰহৰ বিভিন্ন কৌশলসমূহ ব্যৱহাৰ কৰাটো সহজ নহয় যদিও অসম্ভৱো যে নহয় সেই কথাৰ প্ৰমাণ হ'ল বৰ্তমান সময়ত বিভিন্ন গণ আন্দোলনবোৰে বা ইয়াৰ নেতৃবৰ্গই সঘনাই ব্যৱহাৰ কৰা কৌশলবোৰ যেনে— ধৰ্মঘট, হৰতাল, পিকেটিং ইত্যাদি। অৱশ্যে, এই পন্থাবোৰৰ বৰ্তমান ব্যৱহাৰ পদ্ধতি বহুপৰিমাণে সলনি হৈছে। কিন্তু, সামান্য সংশোধন যে এইবোৰক গান্ধীৰ সত্যাগ্ৰহৰ কৌশললৈ ৰূপান্তৰ কৰিব পাৰিব তাত কোনো সন্দেহ নাই। মানুহৰ মাজত সহিষ্ণুতা, মৰম-ভালপোৱা, ভগৱানৰ প্ৰতি তথা সত্যৰ প্ৰতি আস্থা ভাৱৰ উত্থানে গান্ধীৰ সত্যাগ্ৰহক অন্যায় প্ৰতিৰোধৰ অন্যতম উপায় হিচাপে নিশ্চয় পৰিগণিত কৰিব।

## সৰ্বোদয়
## (Sorvodaya)

সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক উন্নয়নৰ প্ৰয়োজনীয়তাক একেলগে সামৰি আলোচনা কৰা গান্ধীৰ এটা অতি প্ৰয়োজনীয় ধাৰণা হ'ল সৰ্বোদয়। সকলোৰে উন্নয়ন বা বিকাশৰ বাবে তেওঁ যি বিস্তৃত ধাৰণা সৰ্বোদয় নামেৰে আগবঢ়াইছিল সেই ধাৰণা ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশবোৰত য'ত বিকাশৰ আটাইকেইটা দিশেই প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হৈছে তেনেকুৱা দেশবোৰত গান্ধীৰ সৰ্বোদয় সদায় এক আদৰ্শ ব্যৱস্থা স্বৰূপে পৰিগণিত হৈ থাকিব। আনকি বিভিন্নজনৰ মতে, মানৱসমাজক সলনি কৰিব পৰা ই এটা বৈপ্লৱিক দৰ্শন।

গান্ধীৰ সৰ্বোদয়ৰ ধাৰণাৰ উৎস আছিল Ruskin ৰ বিখ্যাত 'Unto the Last'। আগতেই উল্লেখ কৰা হৈছে যে সৰ্বোদয় সকলোৰে উদয় বা কল্যাণক বুজায়। গতিকে সৰ্বোদয়ে কেতিয়াওঁ সমাজৰ মাত্ৰ এক নিৰ্দিষ্ট শ্ৰেণীৰ লোকৰ উত্থান বা সামাজিক ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰগতিক নুবুজায়। গান্ধীৰ মতে সমাজৰ প্ৰত্যেকজন মানুহেই সামাজিক সা-সুবিধা তথা অধিকাৰ আৰু মৰ্যাদা লাভ কৰিব লাগিব, প্ৰত্যেক মানুহেই কম বেছি পৰিমাণে হ'লেও শাসনযন্ত্ৰ বা চৰকাৰৰ গঠন আৰু কাম কাজত অংশ গ্ৰহণ কৰিব লাগিব আৰু সকলোৰে মাজত সম্পদৰ সমবিতৰণ হ'ব লাগিব। তেতিয়াহে এখন সমতাপূৰ্ণ আৰু ন্যায়পূৰ্ণ সমাজ প্ৰতিষ্ঠা হ'ব।

গতিকে দেখা যায় যে গান্ধীৰ সৰ্বোদয়ৰ ধাৰণাই সমাজ এখনৰ প্ৰায় আটাইবোৰ দিশেই সামৰি লয়। তলত গান্ধীৰ সৰ্বোদয়ৰ বিভিন্ন দিশবোৰ বিশ্লেষণ কৰা হ'ল—

সৰ্বোদয়ৰ সামাজিক দিশতো মূলত সামাজিক ন্যায়ৰ নীতিৰ দ্বাৰা পৰিচালিত। তেওঁ এখন সমাজৰ কল্পনা কৰিছিল যিখন সমাজত সকলো লোকৰ স্থান আৰু মৰ্যাদা সমান হ'ব, য'ত জাতি, ধৰ্মৰ ভিত্তিত কোনো ধৰণৰ উচ্চ-নীচ নাথাকিব, য'ত উচ্চ জাতিৰ লোকে অস্পৃশ্য হিচাপে বা অনুন্নত হিচাপে কোনো লোকক শোষণ বা অৱদমিত নকৰিব বা সামাজিক সা-সুবিধা তথা অধিকাৰৰ পৰা বঞ্চিত নকৰিব। সামাজিক সৰ্বোদয়ৰ

ধাৰণাৰ মূলতে আছিল ভাৰতীয় সমাজৰ চতুৰ্বৰ্ণ পদ্ধতিৰ উচ্চ জাতিৰ লোকসকলৰ আধিপত্য প্ৰতিষ্ঠা হৈছিল। ইয়াৰ ফলত সমাজত নিম্ন জাতি হিচাপে পৰিগণিত লোকসকল সকলো সা-সুবিধাৰ পৰা বঞ্চিত হ'বলগা হৈছিল। যিকোনো ধৰণৰ বৈষম্যৰ বিৰোধিতা কৰা গান্ধীয়ে ভাৰতীয় সমাজৰ জাতি-ধৰ্ম ভিত্তিক বৈষম্যৰ অৱসান পেলোৱাৰ বাবে সংকল্পবদ্ধ হৈছিল আৰু তেওঁ ইয়াৰ বাবে হাতে-কামেও লাগিছিল। সেয়েহে, তেওঁ স্বতন্ত্ৰতাৰ ধাৰণাৰো বহল ব্যাখ্যা আগবঢ়াই মত প্ৰকাশ কৰিছিল যে ইংৰাজৰ ভাৰতৰ পৰা প্ৰত্যাৱৰ্তনেই স্বাধীনতাৰ প্ৰকৃত আহৰণ নহয়। ইংৰাজৰ শোষণৰ লগে লগে ভাৰতীয় সমাজত প্ৰচলিত শোষণ আৰু বৈষম্যৰ আন আন আহিলাবোৰৰো অন্ত হ'ব লাগিব। তেওঁৰ সৰ্বোদয় সমাজত ভাতৃত্ববোধ আৰু সমতাৰহে স্থান আছিল, শোষণ আৰু বৈষম্যৰ নহয়।

গান্ধীৰ সৰ্বোদয়ৰ আন এটা গুৰুত্বপূৰ্ণ দিশ আছিল ৰাজনৈতিক। ৰাজনৈতিক ক্ষেত্ৰত তেওঁ ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ পোষকতা কৰিছিল। তেওঁৰ মতে ৰাজনৈতিক ব্যৱস্থাত প্ৰত্যেক ব্যক্তিৰে অংশগ্ৰহণ সুনিশ্চিত কৰিবৰ বাবে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হ'ল অন্যতম প্ৰধান চৰ্ত। সেয়েহে, তেওঁ গাঁও পঞ্চায়তৰ গঠনৰ পৰামৰ্শ আগবঢ়াইছিল। তেওঁৰ মতে, স্থানীয় লোকৰ দ্বাৰা গঠিত আৰু নিয়ন্ত্ৰিত পঞ্চায়তে গ্ৰাম্য অঞ্চলৰ লোকৰ ৰাজনৈতিক প্ৰক্ৰিয়াত অংশগ্ৰহণৰ দিশটো সুনিশ্চিত কৰিব। অৱশ্যে, তেওঁৰ গাঁও পঞ্চায়ত দলবিহীন আছিল। অৰ্থাৎ, গাঁও পঞ্চায়তৰ গঠনৰ ক্ষেত্ৰত তেওঁ ৰাজনৈতিক দলৰ ভূমিকাক স্বীকাৰ কৰা নাছিল বা ৰাজনৈতিক ক্ষমতাৰ তেওঁলোকৰ হাঁতত কেন্দ্ৰীভূতকৰণ কেতিয়াও গান্ধীৰ মতে গ্ৰহণযোগ্য হ'ব নোৱাৰে। সকলো ব্যক্তিৰ অধিকাৰৰ সুৰক্ষা আৰু কল্যাণৰ বাবে সকলোৰে শাসনকাৰ্যত অংশগ্ৰহণ সুনিশ্চত হ'বই লাগিব। ইংৰাজৰ শোষণপূৰ্ণ শাসনৰ অন্ত পৰাৰ লগে লগে সেয়েহে গান্ধীয়ে এখন সৰ্বোদয় সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল যিখনৰ প্ৰত্যেকটো দিশতে সমাজৰ সকলো লোকৰে সমান অংশগ্ৰহণৰ ব্যৱস্থা থাকিব।

গান্ধীৰ সৰ্বোদয় সমাজ এক উচ্চ নৈতিকতাবোধপূৰ্ণ সমাজ আছিল য'ত সকলোৰে বাবে সকলোৰে মনত ঘৃণাৰ সলনি দয়া, মৰম আৰু প্ৰেম ভালপোৱা থাকিব। সমাজৰ ব্যক্তিসকল ভাতৃত্বৰ ডোলেৰে বান্ধখাই থাকিব, মানুহৰ মাজত কোনো ধৰণৰ ভেদা-ভেদ বা বৈষম্য নাথাকিব। প্ৰত্যেক ব্যক্তিয়ে য'ত সামাজিক কল্যানৰ বাবে আত্ম ত্যাগ কৰিবলৈও সাজু হৈ থাকিব সেই সমাজখনেই হ'ব গান্ধীৰ আদৰ্শ সৰ্বোদয় সমাজ।

## গান্ধীৰ সৰ্বোদয়ৰ ধাৰণাৰ বৈশিষ্ট্য

## (Characteristics of Gandhi's Sarvodaya)

গান্ধীৰ সৰ্বোদয়ৰ ধাৰণাৰ বিশ্লেষণৰ পৰা তলত উল্লেখ কৰা বৈশিষ্ট্যবোৰ পৰিলক্ষিত হয়—

(১) **সামাজিক ন্যায় ঃ** গান্ধীৰ সৰ্বোদয়ে সামাজিক ন্যায়পূৰ্ণ সমাজ এখন পোষকতা কৰে য'ত সমাজৰ সকলো লোকেই সমমৰ্যাদা আৰু সম-সুবিধা তথা অধিকাৰ ভোগ কৰিব পাৰিব। এনে সমাজত কোনো শ্ৰেণীৰ লোকেই বিশেষকৈ দুখীয়া আৰু পিছপৰা জাতি তথা সম্প্ৰদায়ৰ লোক সকল নিজৰ প্ৰাপ্য সুবিধা, অধিকাৰ আৰু মৰ্যাদাৰ পৰা বঞ্চিত নহয় বা নহ'ব।

(২) **ধনাত্মক বৈষম্যৰ ব্যৱস্থা ঃ** গান্ধীৰ সৰ্বোদয়ৰ ধাৰণাই সকলো শ্ৰেণীৰ লোকৰ সমান সুবিধাৰ লগতে বিশেষ শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থাৰো পোষকতা কৰিছিল। অৰ্থাৎ, তেওঁ ধনাত্মক বৈষম্যৰ (Positive Discrimination) পোষকতা কৰিছিল বা ধনাত্মক বৈষম্যৰ দৰে ব্যৱস্থাৰো স্থান ৰাখিছিল।

(৩) **শোষণহীন সমাজ ঃ** গান্ধীৰ সৰ্বোদয়ৰ ধাৰণাই যিকোনো ধৰণৰ শোষণ বা অত্যাচাৰৰ বিৰোধিতা কৰিছিল।

সমাজৰ কোনো শ্ৰেণীৰ লোকৰ দ্বাৰা আন শ্ৰেণীৰ লোকৰ শোষণ কাৰ্যক গান্ধীয়ে কেতিয়াও সমৰ্থন কৰিব পৰা নাছিল। তেওঁ এখন শোষণহীন সমাজৰ কল্পনাহে কৰিছিল।

(৪) **গ্ৰাম্য উন্নয়নৰ ওপৰত গুৰুত্ব ঃ** গান্ধীৰ সৰ্বোদয়ৰ ধাৰণাই গ্ৰাম্য উন্নয়ন (Rural Development) ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰে। ভাৰতৰ আত্মা গাঁওত থকা বুলি বিশ্বাস কৰা মহাত্মা গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে গাঁৱৰ উন্নয়নেহে ভাৰতৰ প্ৰকৃত উন্নয়নৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।

(৫) **ক্ষমতাৰ বিকেন্দ্ৰীকৰণ ঃ** গান্ধীৰ সৰ্বোদয়ৰ ধাৰণাত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। তেওঁৰ মতে, ক্ষমতাৰ উৎস যদি জনসাধাৰণ তেনেহ'লে প্ৰকৃত অৰ্থত জনসাধাৰণৰ শাসনত অংশগ্ৰহণ কৰোৱাৰ অন্যতম উপায় হ'ল ক্ষমতাৰ বিকেন্দ্ৰীকৰণ বা গাঁও পঞ্চায়ত গঠন আৰু ইয়াক ক্ষমতাৰ বা প্ৰশাসনৰ প্ৰকৃত কেন্দ্ৰ বা উৎস হিচাপে গঠন কৰা।

(৬) **সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশ (Social, Political, Economic Aspect) ঃ** গান্ধীৰ সৰ্বোদয়ে প্ৰকৃত অৰ্থত সমাজৰ সকলো দিশৰ উন্নতি বা সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সামাজিক সংস্কাৰৰ লগতে তেওঁ ৰাজনৈতিক, অৰ্থনৈতিক আৰু আধ্যাত্মিক সংস্কাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল।

এইদৰে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ কল্যাণ তথা উন্নতিৰ বাবে মহাত্মা গান্ধীয়ে সমাজৰ সকলো দিশ সামৰি এক বিস্তৃত ধাৰণা আগবঢ়াইছিল। গান্ধীৰ পিছত সৰ্বোদয়ৰ ধাৰণাক কিছু পৰিমাণে আচাৰ্য বিনোৱাভাবে আৰু জয়প্ৰকাশ নাৰায়ণে আগবঢ়াই নিছিল বা বাস্তৱ ৰূপ দিয়াৰ চেষ্টা কৰিছিল।

## সমাজবাদ, সাম্যবাদ আৰু সৰ্বোদয়ৰ এক তুলনামূলক অধ্যয়ন

## (A Comparative Study of Socialism, Communism and Survodaya)

মাক্সবাদী, লেনিনবাদী দৰ্শন সমাজবাদ আৰু সাম্যবাদ আৰু গান্ধীৰ সৰ্বোদয়ৰ ধাৰণাৰ অধ্যয়নে প্ৰকৃততে এক একমুখী চিন্তাৰহে সোত প্ৰদৰ্শন কৰে। সেই সোঁত হ'ল মানৱতাবাদী ধাৰণাৰ সোঁত। আটাইকেইটা দৰ্শনেই মানুহ, মানুহৰ মুক্তি, সমতা, স্বাধীনতাৰ কথা কৈছিল। কেউটাৰে উদ্দেশ্য হ'ল এখন সমতাপূৰ্ণ সমাজ প্ৰতিস্থা কৰা য'ত সৰ্বহাৰা বা দলিতসকলৰ সমান সুবিধা বা অধিকাৰ থাকিব।

সাম্যবাদ আৰু সৰ্বোদয়ৰ ধাৰণাৰ উত্থানৰ আৰৱ পৰিৱেশ আৰু পৰিস্থিতি কিন্তু সম্পূৰ্ণ পৃথক আছিল। সাম্যবাদৰ উৎপত্তি হৈছিল পশ্চিমীয়া দেশত ঔদ্যোগৰ শ্ৰমিকৰ অধিকাৰ সুৰক্ষা আৰু শোষণৰ অন্ত পেলাবলৈ। ই ইয়াৰ সমসাময়িক ৰাষ্ট্ৰক বিৰোধিতা কৰিছিল কাৰণ সাম্যবাদৰ প্ৰৱক্তা সকলৰ মতে, ৰাষ্ট্ৰ হ'ল পুজিপতি সকলৰ বাহন আৰু ইয়াৰ সহায়ত পুজিপতি সকলে নিজৰ আধিপত্যমূলক নীতিবোৰ অতি সহজতে সৰ্বহাৰা লোকসকলৰ ওপৰত জাপি দিয়ে আৰু নিজৰ স্বাৰ্থ আৰু আধিপত্য এইদৰে সংৰক্ষণ কৰে। মাৰ্ক্সৰ আগতেও অৱশ্যে প্লেটোৱে সাম্যবাদৰ বিষয়ে আলোচনা কৰিছিল। প্লেটোৰ সাম্যবাদৰো মূল যন্ত্ৰ আছিল জনসাধাৰণৰ কল্যাণ। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ সুস্থ পৰিচালনাৰ বাবে তেওঁৰ দাৰ্শনিক ৰজা আৰু অভিভাৱক শ্ৰেণীৰ বাবে সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদৰ ব্যৱস্থা কৰিছিল। তেওঁৰ মতে, সম্পত্তি আৰু পৰিয়াল ব্যৱস্থাই দাৰ্শনিক ৰজাৰ মনোযোগ শাসন সংক্ৰান্তীয় কাৰ্যৰ পৰা বিঘ্নিত কৰিব। ফলত জনসাধাৰণৰ কল্যাণ ব্যাহত হ'ব। গতিকে দাৰ্শনিক ৰজাৰ বাবে সাম্যবাদৰ নীতি অনুসৰণ কৰাটো বাধ্যতামূলক। প্লেটো, মাৰ্ক্সৰ সাম্যবাদী ধাৰণা দুটা পৃথক সময়ৰ ফল হ'লেও দুয়োটাৰে মূল উদ্দেশ্য কিন্তু জনকল্যাণেই আছিল। অৰ্থাৎ, সাম্যবাদৰ মূল মন্ত্ৰ এটাই জনকল্যাণ বা

মানৱতাবাদ। বৰ্তমান সময়ত যদিও বিভিন্ন ধৰণৰ শ্ৰমিক সংঘ বা ট্ৰেড ইউনিয়ন আদি শ্ৰমিকৰ অধিকাৰ ৰক্ষাৰ বাবে গঠন হৈছে আৰু ইয়াৰ লগে লগে সমাজবাদী ধাৰণাৰো সম্প্ৰসাৰণ ঘটিছে কিন্তু বাস্তৱত শ্ৰমিকৰ কল্যাণ বা সৰ্বহাৰাৰ কল্যাণ তথা উন্নতি এক প্ৰহসনতে পৰিণত হৈছে।

ভাৰতীয় দৰ্শন আৰু মহাত্মা গান্ধীৰ উদ্ভাৱন সৰ্বোদয়ে মূলতঃ সমাজৰ সকলো লোকৰ উন্নতি বা কল্যাণৰ পোষকতা কৰে। সৰ্বোদয়ৰ মূল উৎসই হ'ল পৌৰাণিক বেদ, উপনিষদ আৰু Ruskin ৰ Unto the Last। সমাজৰ কেইজনমানৰ সলনি সৰ্বোদয়ৰ ধাৰণাই গৰিষ্ঠসংখ্যক লোকৰ উন্নতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গান্ধীৰ মতে, যিহেতু সকলো ব্যক্তিয়েই ভগৱানৰ অংশ সেয়েহে সকলোৱে সমানে নিজৰ উন্নতিৰ বাবে প্ৰয়োজনীয় সা-সুবিধা লাভ কৰিব লাগে। গান্ধীৰ সৰ্বোদয়ৰ ধাৰণাই সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো প্ৰকাৰৰ সা-সুবিধা বা সমতাৰ ধাৰণাৰ পোষকতা কৰে। কিন্তু সাম্যবাদৰ দৰে সৰ্বোদয়ে মানৱ মুক্তি বা মানৱ কল্যাণৰ বাবে কেৱল অৰ্থনৈতিক সুবিধা বা অধিকাৰ নাইবা অৰ্থনৈতিক স্বাধীনতাৰ ওপৰতে গুৰুত্ব আৰোপ নকৰে। বাহ্যিক উপাদানৰ বা উন্নয়নৰ দ্বাৰা অৰ্থাৎ, ৰাজনৈতিক, অৰ্থনৈতিক উন্নয়নৰ দ্বাৰা আভ্যন্তৰীণ আৰু আধ্যাত্মিক উন্নয়নৰ ওপৰতহে সৰ্বোদয়ে গুৰুত্ব আৰোপ কৰে। অৰ্থাৎ গান্ধীৰ সৰ্বোদয়ৰ মতে অৰ্থনৈতিক উন্নয়ন বা অৰ্থনৈতিক স্বাধীনতা হ'ল ব্যক্তিৰ আধ্যাত্মিকতাৰ বিকাশৰ এক পথ বা মাধ্যমহে, উদ্দেশ্য নহয়। কিন্তু সাম্যবাদৰ বাবে অৰ্থনৈতিক দিশটো মাধ্যম নহয়, উদ্দেশ্যহে।

এইদৰে দেখা যায় যে, মানৱতাবাদী আদৰ্শৰ সমৰ্থন আৰু উৎপাদিত ৰাষ্ট্ৰীয় সামগ্ৰীৰ সম-বিতৰণেই হ'ল সৰ্বোদয় আৰু সাম্যবাদৰ মূল মন্ত্ৰ। অৱশ্যে দুয়োটাৰ মাধ্যম সম্পৰ্কত কিছু পাৰ্থক্য উল্লেখনীয়। বিশেষকৈ সাম্যবাদৰ দ্বাৰা মানৱতাবাদ বা সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ পথটো আছিল গান্ধীৰ সৰ্বোদয়তকৈ সম্পূৰ্ণ পৃথক। গান্ধীয়ে সদায় পৰিৱৰ্তনৰ বাবে শান্তিপূৰ্ণ বা অহিংস পথৰহে পোষকতা কৰিছিল। তেওঁৰ বিপ্লৱৰ মূল অস্ত্ৰ আছিল সত্য, অহিংস, ত্যাগ, আত্মকষ্ট ইত্যাদি। কোনো ধৰণৰ হিংসাৰ বা আঘাতৰ তেওঁ পোষকতা কৰা নাছিল। আনহাতে, সাম্যবাদ প্ৰতিষ্ঠাৰ উপায় হিচাপে মাৰ্ক্সে এক সশস্ত্ৰ বিপ্লৱৰ পোষকতা কৰিছিল। অৰ্থাৎ দুয়োজনে বা দুয়োটা আদৰ্শ প্ৰতিষ্ঠাৰ পথ সম্পূৰ্ণ পৃথক আছিল।

আকৌ, ৰাষ্ট্ৰৰ বিলুপ্তি আৰু উদ্যোগৰ পৰিচালনাৰ ক্ষেত্ৰতো সৰ্বোদয় আৰু সাম্যবাদৰ মাজত যথেষ্ট পাৰ্থক্য আছে। দুয়োটা আদৰ্শই ৰাষ্ট্ৰৰ বিলুপ্তিৰ পোষকতা কৰিছিল যদিও গান্ধীৰ সৰ্বোদয়ত বিকল্প হিচাপে গ্ৰাম্যকৰণ (Villagization) ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। অৰ্থাৎ, সৰ্বোদয়ৰ মূল কথা আছিল ৰাষ্ট্ৰৰ ক্ষমতা আৰু কাৰ্যৰ পাৰ্যমানে সংকোচন কৰি প্ৰশাসনৰ সকলো ক্ষমতা গাঁও সমূহলৈ হস্তান্তৰ কৰিব লাগে। কিন্তু সাম্যবাদে, ৰাষ্ট্ৰৰ সম্পূৰ্ণ বিলুপ্তি সাধন হোৱাটো বিচাৰিছিল। তেওঁলোকৰ মতে সমাজত শ্ৰেণীৰ উপস্থিতিৰ লগে লগে যিহেতু ৰাষ্ট্ৰৰ জন্ম হয়, সেয়েহে সাম্যবাদৰ শ্ৰেণীৰ বিলুপ্তিৰ লগে লগে ৰাষ্ট্ৰৰো বিলুপ্তি সাধন হ'ব লাগে।

আকৌ উৎপাদনৰ আহিলাসমূহ পৰিচালনাৰ ক্ষেত্ৰতো সমাজবাদ আৰু সৰ্বোদয়ৰ মাজত যথেষ্ট পাৰ্ক্য দেখা যায়। সমাজবাদত উদ্যোগসমূহ ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত হয়, আনহাতে সৰ্বোদয় সমাজত এইবোৰ পৰিচালনাৰ ক্ষেত্ৰত সৰ্বোচ্চ কতৃত্ব গাঁওসমূহৰ হাতত অৰ্পণ কৰা হয়। অৰ্থাৎ, ৰাষ্ট্ৰৰ বিকল্প গোট হিচাপে গাঁওসমূহক প্ৰক্ষেপ কৰি সৰ্বোদয়ে প্ৰকৃত অৰ্থত এখন বিকেন্দ্ৰীকৃত সমাজৰ পোষকতা কৰিছিল। ৰাছিয়া, চীন আদি ৰাষ্ট্ৰত প্ৰচলিত হোৱা সাম্যবাদে কিন্তু এক কঠোৰ আৰু কেন্দ্ৰীকৃত ৰাষ্ট্ৰ ব্যৱস্থাহে প্ৰতিষ্ঠা কৰিছিল য'ত সকলো কাম-কাজ সাম্যবাদী দলৰ নেতৃত্বতহে পৰিচালিত হৈছিল, য'ত সাধাৰণ জনতাৰ মত প্ৰকাশৰ অধিকাৰকো বহু সময়ত খৰ্ব

কৰা হৈছিল। গান্ধীৰ কল্পনাৰ সৰ্বোদয় সমাজ কিন্তু এইবোৰৰ পৰা সম্পূৰ্ণৰূপে পৃথক।

## আন্তৰ্জাতিকতাবাদ

## (Internationalism)

ভাৰতবৰ্ষৰ অন্যতম নেতা আৰু স্বাধীনতা সংগ্ৰামৰ প্ৰধান পৰিচালক মহাত্মা গান্ধীক বৰ্তমান সময়ত এজন বিশ্ব নেতা হিচাপে স্বীকৃতি দিয়া হৈছে। সমগ্ৰ বিশ্বতে তেওঁ অহিংস নীতিৰ অন্যতম উদ্ভাৱক তথা পূজাৰী হিচাপে স্বীকৃতি লাভ কৰিছে। আনকি, ইয়াৰ স্বীকৃতি হিচাপে গান্ধীৰ জন্ম দিন ২ অক্টোবৰৰ দিনটো আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস হিচাপে সমগ্ৰ বিশ্বত পালন কৰা হয়। প্ৰকৃততে গান্ধীৰ চিন্তাধাৰাই তেওঁক এজন আন্তৰ্জাতিক নেতালৈ ৰূপান্তৰিত কৰিছিল। গান্ধীৰ সমগ্ৰ চিন্তা তথা কাম-কাজ মানৱজাতিৰ কল্যাণৰ উদ্দেশ্যে পৰিচালিত আছিল। কোনো দেশৰ সীমাৰে তেওঁ চিন্তা তথা কামক সীমাবদ্ধ কৰিব খোজা নাছিল। সত্য আৰু অহিংসা নীতিৰ বাস্তৱ ৰূপায়ণৰ বাবে তেওঁ অকল ভাৰতবাসীকে আহ্বান জনোৱা নাছিল, সমগ্ৰ মানৱজাতিৰ প্ৰতি তেওঁৰ এই আহ্বান প্ৰসাৰিত আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত নেতৃত্ব প্ৰদান কৰা গান্ধীয়ে কেৱল ভাৰতবাসীক শোষণ আৰু শাসন কৰা ইংৰাজ সাম্ৰাজ্যবাদৰে বিৰোধিতা কৰা নাছিল, তেওঁ যিকোনো ধৰণৰ আৰু যিকোনো দেশৰ সাম্ৰাজ্যবাদী নাতিৰ বিৰোধিতা কৰিছিল। আত্ম-নিৰ্দ্ধাৰণৰ অধিকাৰৰ এজন অন্যতম সমৰ্থক গান্ধীয়ে সকলো ৰাষ্ট্ৰৰ সাম্ৰাজ্যবাদী নীতিক সমালোচনা কৰিছিল আৰু পৰাধীন সকলো ৰাষ্ট্ৰক ইয়াৰ বিৰুদ্ধে সত্য আৰু অহিংসা নীতিৰ ওপৰত প্ৰতিষ্ঠিত সংগ্ৰাম কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। ইংৰাজ শাসনৰ সময়ছোৱাত ভাৰতীয় সম্পদ তথা জনসাধাৰণৰ ওপৰত হোৱা শোষণ আৰু অন্যায়ৰ দ্বাৰা চূড়ান্তভাৱে ব্যথিত গান্ধীয়ে সেয়েহে মানৱতাবাদৰ নীতিৰ সমগ্ৰ পৰাধীন জাতিলৈ সমবেদনামূলক পৰামৰ্শ আগবঢ়াইছিল। অৰ্থাৎ, তেওঁ ভাৰতীয় জনসাধাৰণৰ দুৰ্দশা আৰু অন্যায়ৰ বিৰুদ্ধেই সজাগ নাছিল, সমগ্ৰ মানৱ জাতিৰ কল্যাণক লৈ চিন্তিত আছিল। সেয়েহে বৃত্তিগত কামত দক্ষিণ আফ্ৰিকাত থকা সময়ত তেওঁ বৰ্ণ বৈষম্য নীতিৰ বিৰোধিতা কৰি এক সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ হকে আন্দোলনত নামি পৰিছিল। আন্তৰ্জাতিক ক্ষেত্ৰত তেওঁ ৰাষ্ট্ৰ ওপৰত ৰাষ্ট্ৰৰ আধিপত্যৰ সলনি ৰাষ্ট্ৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্কৰহে পোষকতা কৰিছিল। প্ৰকৃততে তেওঁ যিকোনো ধৰণৰ আধিপত্যৰেই বিৰোধী আছিল, ৰাষ্ট্ৰীয়ই হওঁক বা ব্যক্তিৰ দ্বাৰাই হওঁক। জাতীয়তাবাদী ধাৰণাৰ মাজেৰেই তেওঁ আন্তৰ্জাতিকতাবাদৰ ধাৰণা আগবঢ়াইছিল। আনকি জাতিসংঘৰ গঠন সম্পৰ্কতো তেওঁ মত প্ৰকাশ কৰিছিল যে জাতিসংঘৰ সকলো সদস্য ৰাষ্ট্ৰৰ স্বাধীনতা অতি প্ৰয়োজনীয়।

অহিংস নীতিয়েও বহু সময়ত আন্তৰ্জাতিকতাবাদৰ পোষকতা কৰে। তেওঁৰ অহিংসাৰ উদ্দেশ্য আছিল বিশ্বৰ ৰাষ্ট্ৰ সমূহৰ মাজত সহযোগিতা, ভাতৃত্বভাৱৰ সৃষ্টিৰ দ্বাৰা অস্থিৰ আৰু সংঘৰ্ষ জৰ্জৰ পৰিৱেশৰ অৱসান ঘটোৱা। অৰ্থাৎ, তেওঁ বহু পৰিমাণে আন্তৰ্জাতিক ৰাজনীতিৰ প্ৰকৃতি সম্পৰ্কত উদাৰতাবাদৰ সমৰ্থক। তেওঁৰ বিশ্বশান্তিৰ এজন সমৰ্থক আছিল।

## গান্ধীৰ অৰ্থনৈতিক ধাৰণা

## (Gandhi's Economic Concept)

ৰাজনৈতিক দিশৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰতো গান্ধীয়ে বিকেন্দ্ৰীকৰণৰ পোষকতা কৰিছিল। তেওঁ অৰ্থনৈতিক উন্নতিৰ বাবে বৃহৎ উদ্যোগ বা কল-কাৰখানাৰ সম্পূৰ্ণ বিৰোধিতা কৰি ক্ষুদ্ৰ আৰু কুটীৰ উদ্যোগ

স্থাপনৰ পোষকতা কৰিছিল। তেওঁৰ মতে বৃহৎ উদ্যোগ, ইয়াত ব্যৱহৃত যন্ত্ৰ-পাতিয়ে বহুতো লোকক কৰ্মসংস্থাপনহীন কৰে গতিকে তেনেকুৱা ব্যৱস্থা কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। গাঁৱৰ অৰ্থনৈতিক উন্নতি অবিহনে, ভাৰতৰ অৰ্থনৈতিক উন্নয়ন অসম্ভৱ বুলি মত পোষণ কৰা গান্ধীয়ে উল্লেখ কৰিছিল যে নিবনুৱা সমস্যাৰ সমাধান আৰু শ্ৰমৰ উচিত মৰ্যাদা প্ৰদানৰ বাবে অৰ্থনৈতিক বিকেন্দ্ৰীকৰণ অৰ্থাৎ কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। গান্ধীৰ মতে, বৃহৎ উদ্যোগে নিবনুৱা সমস্যাৰ সৃষ্টিৰ লগতে ক্ষমতাৰ কেন্দ্ৰীকৰণো কৰে। যিকোনো প্ৰকাৰৰ কেন্দ্ৰীকৰণে সাধাৰণ ব্যক্তিৰ অংশগ্ৰহণ আৰু অধিকাৰ খৰ্ব কৰে। গতিকে ৰাজনৈতিক দিশৰ বিকেন্দ্ৰীকৰণৰ দৰে অৰ্থনৈতিক দিশৰো বিকেন্দ্ৰীকৰণৰ অৰ্থাৎ ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰাটো প্ৰয়োজনীয়। এই ব্যৱস্থাই সকলো জনসাধাৰণক কম বেছি পৰিমাণে কাম কৰাৰ সুবিধা প্ৰদান কৰাৰ উপৰিও নিজৰ পৰম্পৰাগত পদ্ধতিৰ বিকাশ সাধনৰ ক্ষেত্ৰতো সহায় কৰে লগতে নিজ দেশত উৎপাদিত সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি আৰু বিদেশী সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস কৰে। গতিকে অৰ্থনৈতিক বিকেন্দ্ৰীকৰণে নিজ দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতিৰ লগতে কৰ্মসংস্থাপন আৰু স্বদেশী দ্ৰব্যৰ উৎপাদনো বৃদ্ধি কৰে।

## ন্যাস ব্যৱস্থা

## (Trusteeship)

মহাত্মা গান্ধীয়ে ব্যক্তিগত সম্পত্তিৰ সম্পূৰ্ণ বিলুপ্তিৰ পোষকতা কৰা নাছিল। অৱশ্যে, তেওঁ প্ৰয়োজনতকৈ অধিক সম্পত্তি ৰখা কাৰ্যক কেতিয়াও সমৰ্থন কৰা নাছিল। বৰং তেওঁৰ মতে, প্ৰয়োজনতকৈ অধিক সম্পত্তি ৰখাটো এক প্ৰকাৰৰ হিংসা। অৰ্থাৎ, অহিংসাৰ এটা ৰূপ হিচাপে তেওঁ ব্যক্তিগত সম্পত্তিৰ ধাৰণাটো আলোচনা কৰিছিল। তেওঁৰ মতে, প্ৰত্যেক ব্যক্তিকে নিজৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ কিছু পৰিমাণে হ'লেও সম্পত্তিৰ প্ৰয়োজন। গতিকে ব্যক্তিগত সম্পত্তিৰ পৰা সম্পূৰ্ণৰূপে ব্যক্তিক বঞ্চিত কৰাটো ব্যক্তি কল্যাণৰ পৰিপন্থী। সম্পত্তিৰ অত্যাধিক বৃদ্ধি বা আহৰণৰ কুফলৰ প্ৰতি সজাগ গান্ধীয়ে অতিৰিক্ত সম্পত্তিৰ মানৱ কল্যাণৰ হ'কে উচিত ব্যৱহাৰৰ বাবে এক অভিনৱ পন্থা বা ব্যৱস্থা আগবঢ়াইছিল যিটোক ন্যাস ব্যৱস্থা বুলি কোৱা হয়।

গান্ধীৰ মতে, যিসকল লোকৰ হাঁতত অত্যাধিক পৰিমাণৰ সম্পত্তি থাকে, তেওঁলোকৰ সম্পত্তিবোৰ লগ লগাই এটা ন্যাস গঠন কৰিব লাগে। এই ন্যাসৰ পৰিচালনা আৰু নিয়ন্ত্ৰণৰ দায়িত্ব ৰাষ্ট্ৰৰ হাতত অৰ্পণ কৰিব লাগে। ৰাষ্ট্ৰই প্ৰয়োজনীয় আইন প্ৰণয়নৰ দ্বাৰা এই ন্যাস পৰিচালনা কৰিব আৰু ৰাষ্ট্ৰীয় তথা জনসাধাৰণৰ কল্যাণৰ অৰ্থে ইয়াক ব্যৱহাৰ কৰিব। ন্যাসৰ গঠন সম্পৰ্কত গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে যিহেতু ধনী বা পুজিপতি সকলৰ অতিৰিক্ত সম্পদেৰেহে ন্যাস গঠন কৰিব লাগিব সেয়েহে পুজিবাদী সকলে অতিৰিক্ত সম্পদখিনি জনসাধাৰণৰ কল্যাণৰ কামত উৎসৰ্গা কৰিবলৈ কোনো কুণ্ঠাবোধ নকৰে। এই কাৰ্যৰ বাবে গান্ধীয়ে মাৰ্ক্সবাদী সকলে গ্ৰহণ কৰাৰ দৰে সশস্ত্ৰ বিপ্লৱ কৰাৰ পোষকতা কৰা নাছিল। যিকোনো প্ৰকাৰৰ হিংসাত্মক কাৰ্যৰ বিৰোধিতা কৰা গান্ধীয়ে ন্যাস গঠনৰ ক্ষেত্ৰতো সত্য, অহিংসা, প্ৰেম-ভালপোৱা, মৰম, আত্মকষ্ট আদিৰহে পৰামৰ্শ আগবঢ়াইছিল। আকৌ, অতিৰিক্ত সম্পত্তিৰ সৃষ্টি কৰা অতিৰিক্ত উপাদান বা অতিৰিক্ত উপাৰ্জনৰো গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে তেনেকুৱা পুজিপতিৰ উদ্যোগ বা উৎপাদন ব্যৱস্থা চৰকাৰে অধিগ্ৰহণ কৰিব লাগে আৰু সেইবোৰ জনকল্যাণৰ উদ্দেশ্যে পৰিচালনা কৰিব। এই উদ্যোগবোৰ পৰিচালনা কৰা নীতি সম্পৰ্কত তেওঁ বিকেন্দ্ৰীকৰণৰ পৰামৰ্শ আগবঢ়াইছিল যাতে শ্ৰমিক সকলেও ইয়াত অংশগ্ৰহণ কৰিব পাৰে।

গান্ধীৰ মতে, ন্যাস ব্যৱস্থাই দুটা কাৰ্য কৰিব—

প্ৰথম, এই ব্যৱস্থাই পুজিপতি সকলৰ সংশোধন কৰি তেওঁলোকক জনসাধাৰণৰ মাজত গ্ৰহণযোগ্য

কৰি তুলিব।

দ্বিতীয়, এই ব্যৱস্থাই বহু পৰিমাণে জনকল্যাণ সাধন কৰাত সহায় কৰিব।

এইখিনিতে উল্লেখযোগ্য যে, গান্ধীয়ে পুজিপতি আৰু শ্ৰমিকৰ মাজত সকলো সময়তে সংঘৰ্ষৰ ধাৰণাটো সমৰ্থন কৰা নাছিল। তেওঁৰ মতে, ৰাষ্ট্ৰীয় উন্নয়নৰ লগতে জনকল্যাণৰ বাবেও পুজিপতি আৰু শ্ৰমিকসকলে একেলগে কাম কৰিব লাগে। তেওঁলোকৰ মাজৰ বুজা পৰাই বিভিন্ন সমস্যাৰ সমাধানত সহায় কৰিব। তেওঁৰ মতে দুয়োটা শ্ৰেণীয়ে যদি সংকীৰ্ণ ভাৱধাৰা পোষণ কৰি নিজৰ কৰ্তব্যতকৈ অধিকাৰৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰে তেনেহ'লে দুয়োটা গোষ্ঠীৰ মাজত সংঘৰ্ষ অনিবাৰ্য আৰু যদি এওঁলোকে নিজৰ নিজৰ দায়িত্ববোৰ সুকলমে সম্পাদন কৰে তেনেহ'লে এক সহযোগিতামূলক পৰিৱেশ প্ৰতিষ্ঠা হ'ব। পুজিপতি সকলৰ মানসিকতাৰ পৰিৱৰ্তনৰ প্ৰতি পৰামৰ্শ আগবঢ়োৱা গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে পুজিপতিসকলে অনুভৱ কৰা উচিত যে তেওঁলোকৰ পুজি বা সম্পত্তি কোনো জীৱিত উপাদান নহয়, কিন্তু তেওঁ নিজে জীৱহীন নহয়। তেওঁ নিজে যিহেতু জীৱহীন নহয়, সেয়েহে তেওঁলোকে জীৱীত প্ৰাণীৰ দৰে দয়া-মমতা, সহমৰ্মিতা, ভালপোৱা আদিৰে আন ব্যক্তি বা শ্ৰমিকসকলৰ লগত ব্যৱহাৰ কৰিব লাগে। শ্ৰমিকসকলৰ প্ৰতি গান্ধীৰ পৰামৰ্শ আছিল যে যেনেকৈ পুজিপতি সকলে নিজৰ ধন-সম্পত্তিৰ পৰিমাণক লৈ গৰ্বিত, ঠিক সেইদৰে, শ্ৰমিকসকলেও সমাজত তেওঁলোকৰ সংখ্যাগত দিশ বা সংখ্যাগৰিষ্ঠক লৈ গৰ্ব কৰা উচিত। এইবোৰ পৰামৰ্শৰ জৰিয়তে তেওঁ, সমাজৰ এই দুয়োটা শ্ৰেণীৰ সমান অৱদানেৰে জড়িত এখন সহযোগিতামূলকৰ সমাজৰ কল্পনা কৰিছিল।

গ্ৰামীণ ভাৰতৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰখা গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে কৃষি উপযোগী ভূমিবোৰ জমিদাৰ বা মাটিৰ মালিকৰ জিম্মাত ৰাখি খেতি কৰাৰ সুবিধা বা অধিকাৰ কৃষকসকলৰ হাতত অৰ্পণ কৰি তেওঁলোকৰ প্ৰয়োজন পূৰণ কৰাৰ সুবিধা প্ৰদান কৰিব লাগে। এই ব্যৱস্থা ভাৰতৰ ভূমিহীন কৃষকৰ ভূমিৰ দাবীৰ সমাধানৰ এক চমকপ্ৰদ আৰু ফলদায়ক ব্যৱস্থা হিচাপে পৰিগণিত হ'ব পাৰে। সমাজবাদী ব্যৱস্থাত এই সমূহীয়া মালিকীস্বত্ব বহু পৰিমাণে সফলভাৱে প্ৰয়োগে কৰা হৈছে। গতিকে এই ব্যৱস্থাক সম্পূৰ্ণ ভিত্তিহীন বুলি ক'ব নোৱাৰি।

গান্ধী প্ৰকৃত অৰ্থত সাধাৰণ জনতাৰ অৰ্থনীতিবিদ আছিল। তেওঁৰ অৰ্থনীতিৰ মূল উদ্দেশ্য আছিল মানৱ মৰ্যাদা (Human dignity) অৰ্থনৈতিক প্ৰগতি নহয়। তেওঁ মুষ্টিমেয় সংখ্যক ব্যক্তিৰ উচ্চ জীৱন ধাৰণাৰ মানদণ্ডৰ বিপৰীতে সকলোৰে উন্নয়ন বা নিম্নতম প্ৰয়োজন পূৰণৰ পোষকতা কৰিছিল। তেওঁ প্ৰচলিত অৰ্থনীতিক অৰ্থনৈতিক বা বস্তুবাদী দৰ্শনৰ পৰা মুক্ত কৰি এক উচ্চ আধ্যাত্মিক দৰ্শন প্ৰদান কৰিব বিচাৰিছিল। তেওঁৰ ন্যাস ব্যৱস্থাৰ প্ৰধান চৰ্ত আছিল যে কোনো ব্যক্তিয়ে আনৰ সম্পদ বা অধিকাৰৰ ওপৰত নিজৰ অধিকাৰ সাব্যস্ত কৰা উচিত নহয়। এজনৰ দ্বাৰা অধিক সম্পদ আহৰণে গান্ধীৰ মতে আন এজনৰ সম্পদৰ হৰণকে বুজায়। গতিকে অধিক সম্পদ ৰখা কাৰ্য কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

গান্ধীৰ ন্যাস ব্যৱস্থাৰ মূল নীতি বা ভেটি হ'ল— (ক) ত্যাগ (Detachment) আৰু (খ) সেৱা (Service)

অৰ্থাৎ, ব্যক্তিয়ে অতিৰিক্ত সম্পদ বা উচ্চ জীৱন ধাৰণৰ লোভ পৰিত্যাগ কৰিব লাগে আৰু আনৰ প্ৰতি সেৱা আৰু কল্যাণৰ মনোভাৱ পোষণ কৰিব লাগে। তেতিয়াহে এখন সমতাপূৰ্ণ আৰু ন্যায়পূৰ্ণ সমাজ প্ৰতিষ্ঠা হ'ব। তেওঁৰ মতে সকলো ভগৱানৰ দান আৰু ভগৱানৰ পৰা লাভ কৰা। গতিকে কোনেও ইয়াৰ ওপৰত অতিৰিক্তভাৱে আধিপত্য প্ৰতিষ্ঠাৰ চেষ্টা কৰিব নালাগে। প্ৰয়োজনতকৈ অধিক সম্পদৰ আহৰণ আৰু সংৰক্ষণে ওপৰোক্ত নীতি ভংগ কৰে। ভগৱানৰ ওপৰত যেনেকৈ কোনো বিশেষ লোকৰ আধিপত্য নাথাকে

ঠিক তেনেকৈ ভগৱানৰ সম্পদ বা সামগ্ৰীৰ ওপৰতো কোনো বা কেইজনমান বিশেষ ব্যক্তিৰ আধিপত্য বা প্ৰভাৱ থাকিব নোৱাৰে। ভগৱান, ভগৱানৰ দান বা সামগ্ৰী সকলোৰে বাবে। ন্যাসৰ মূল নীতি হ'ল— "We do not realy 'own' are wealth, but are only trustees of it." গতিকে ব্যক্তিয়ে এই সম্পদ বা সামগ্ৰী সমাজৰ কল্যাণৰ বাবে পৰিচালিতহে কৰিব পাৰে।

(ক) গান্ধীৰ ন্যাস ব্যৱস্থাই প্ৰচলিত পুজিবাদী ব্যৱস্থাৰ পৰিৱৰ্তনৰ এক পথ আগবঢ়ায় যাতে বৈষম্যপূৰ্ণ সমাজৰ বিপৰীতে এখন সমতাপূৰ্ণ সমাজ (Egalitarian Society) প্ৰতিষ্ঠা কৰিব পাৰি। অৰ্থাৎ, ই পুজিবাদৰ সংশোধনৰ এক উপায় বা পৰামৰ্শ।

(খ) এই ব্যৱস্থাই কোনো ব্যক্তিৰ দ্বাৰা নিজৰ প্ৰয়োজনতকৈ অধিক ব্যক্তিগত সম্পত্তি আহৰণ বা সংৰক্ষণৰ বিৰোধিতা কৰে। আনকি গান্ধীয়ে প্ৰয়োজনতকৈ অধিক সম্পত্তি ৰখাজনক হিংসাৰ সমৰ্থক বা প্ৰৱৰ্তক আখ্যা দিছিল।

(গ) এই ব্যৱস্থাই ব্যক্তিৰ উপাৰ্জনৰ এক নিৰ্দিষ্ট সীমাৰ পোষকতা কৰে। অৰ্থাৎ, নিজৰ প্ৰয়োজন পূৰণ কৰিবলৈ যিমান ধন বা সম্পত্তিৰ প্ৰয়োজন, সেইখিনি উপাৰ্জন কৰাৰ পৰামৰ্শহে আগবঢ়ায়। তেওঁৰ মতে, এই ব্যৱস্থাই সম্পত্তিৰ অধিক আহৰণ প্ৰতিৰোধ কৰি এখন সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাত সহায় কৰিব।

(ঘ) গান্ধীৰ ন্যাস ব্যৱস্থাত সামগ্ৰীৰ উৎপাদনৰ হাৰ ব্যক্তিগত প্ৰয়োজনৰ বা লোভৰ ভিত্তিত নহৈ সামাজিক প্ৰয়োজনৰ ভিত্তিত নিৰ্দ্ধাৰিত হোৱাৰ ব্যৱস্থা কৰা হৈছিল।

(ঙ) গান্ধী কেতিয়াও ব্যক্তিগত সম্পত্তিৰ বিৰোধী নাছিল। নিজৰ প্ৰয়োজন পূৰণৰ বাবে প্ৰয়োজনীয় সম্পদ ৰখাৰ তেওঁ কেতিয়াও বিৰোধিতা কৰা নাছিল। অৱশ্যে তেওঁ অতিৰিক্ত সম্পদ ৰখাৰ সম্পূৰ্ণ বিৰোধী আছিল।

(চ) ন্যাস গঠন কৰিবৰ বাবে পুজিপতি সকলৰ মানসিকতাৰ সলনিৰ পথ সম্পৰ্কত গান্ধীয়ে মাৰ্ক্সৰ দৰে সশস্ত্ৰ বিপ্লৱৰ পোষকতা কৰা নাছিল। তেওঁৰ মতে, মৰম-ভালপোৱা তথা প্ৰেমৰ ওপৰত গঠিত ব্যৱস্থাৰ দ্বাৰাহে পুজিপতি সকলৰ মনোভাৱ সলনি কৰিব লাগে।

(ছ) গান্ধীয়ে অতিৰিক্ত উৎপাদন আৰু উপাৰ্জনৰো বিৰোধিতা কৰিছিল।

(জ) গান্ধীয়ে মাৰ্ক্সৰ দৰে পুজিপতি আৰু শ্ৰমিকৰ মাজত অনবৰত সংঘাত বা সংঘৰ্ষৰ উপস্থিতিক স্বীকাৰ কৰা নাছিল।

গান্ধীৰ ন্যাস ব্যৱস্থা মাৰ্ক্সৰ দৰ্শনৰ সম্পূৰ্ণ পৃথক। মাৰ্ক্সীয় দৰ্শনত পুজিপতি শ্ৰেণীৰ ধ্বংসৰ উল্লেখ থকাৰ বিপৰীতে গান্ধীৰ ন্যাস ব্যৱস্থাত পুঁজিপতি সকলৰ বাবে পুজিবাদৰ সংশোধনৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। আকৌ পুজিবাদৰ ধ্বংস আৰু সংশোধন এই দুয়োটা দিশতে দুয়োজনৰ মাজত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। সশস্ত্ৰ বিপ্লৱৰ ওপৰত গুৰুত্ব আৰোপ কৰা মাৰ্ক্সৰ পুজিবাদৰ ধ্বংসৰ অন্যতম উপায় বা পথ হ'ল সৰ্বহাৰাৰ দ্বাৰা পুজিপতিৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম। ইয়াৰ বিপৰীতে গান্ধীৰ পৰামৰ্শ আছিল পুজিপতি সকলক প্ৰেম-ভালপোৱা বা আবেদন-নিবেদনৰ দ্বাৰা ন্যাস গঠন কৰিবলৈ আৰু নিজৰ সংশোধন কৰিবলৈ সুবিধা দিব লাগে।

**মূল্যায়ণ (Evaluation) ঃ**

গান্ধীৰ ন্যাসৰ ধাৰণা তত্ত্বগত দিশৰ পৰা প্ৰশংসনীয় কিন্তু ইয়াৰ বাস্তৱতা সম্পৰ্কত যথেষ্ট প্ৰশ্নৰ উত্থাপন হোৱা দেখা যায়। এজন বাস্তৱবাদী হিচাপে গান্ধীয়ে ব্যক্তিগত সম্পত্তিৰ কোনো বিৰোধিতা কৰা

নাছিল। কিন্তু অতিৰিক্ত সম্পত্তিৰ দ্বাৰা বিশেষকৈ পুজিপতি সকলৰ অতিৰিক্ত সম্পত্তিৰ দ্বাৰা ন্যাস গঠনৰ ধাৰণাটো বহু পৰিমাণে অবাস্তৱ আৰু ভিত্তিহীন বুলি বিভিন্নজনে মত পোষণ কৰে।

গান্ধীয়ে কোৱাৰ দৰে প্ৰয়োজনাধিক সম্পত্তিৰ দ্বাৰা ন্যাস গঠন কৰিবৰ বাবে প্ৰত্যেকৰ প্ৰয়োজন নিৰ্দ্ধাৰণ কৰাৰ বাবে নিৰ্দিষ্ট মানদণ্ড বা মাপকাঠিৰ প্ৰয়োজন। কিন্তু গান্ধীয়ে এই বিষয়ে কোনো ব্যাখ্যা কৰা নাছিল। আকৌ সকলোৰে প্ৰয়োজন কেতিয়াও সমান নহয়। এই দিশটোৰ ওপৰতো গান্ধীয়ে কোনো গুৰুত্ব আৰোপ কৰা নাছিল।

আকৌ, পুজিপতি সকলৰ মনোভাৱ সলনি প্ৰসংগত গ্ৰহণ কৰিবলৈ আগবঢ়োৱা পৰামৰ্শও বাস্তৱ সন্মত নহয়। আবেদন নিবেদন বা প্ৰেম-ভালপোৱাৰ দ্বাৰা অতিৰিক্ত সম্পত্তিৰ আহৰণ আৰু ন্যাস গঠন কাৰ্য কেতিয়াওঁ বাস্তৱসন্মত বুলি বা বাস্তবায়িত হ'ব বুলি আশা কৰিব নোৱাৰি। এই কাৰ্য দেখাত বা শুনাতহে গ্ৰহণযোগ্য, বাস্তৱত নহয়।

অৱশ্যে তেওঁ অতি বাস্তৱ ধৰণে মত প্ৰকাশ কৰিছিল যে মাৰ্ক্সে কোৱাৰ দৰে সকলো সময়তে পুজিপতি আৰু শ্ৰমিকৰ মাজত সংঘাত সংঘটিত হৈ নাথাকে।

গান্ধীয়ে অতিৰিক্ত উৎপাদন আৰু অতিৰিক্ত উপাৰ্জন এই দুয়োটাৰে বিৰোধিতা কৰিছিল। কিন্তু ব্যক্তিৰ ক্ষমতা আৰু সামৰ্থ্যৰ ওপৰতহে উৎপাদন আৰু উপাৰ্জন নিৰ্ভৰ কৰে। সামৰ্থতকৈ কম উৎপাদন কৰিবলৈ বাধ্য কৰোৱাটো ব্যক্তি স্বাধীনতাৰ খৰ্বৰ কাৰণ হ'ব পাৰে। অৱশ্যে এই কথাটোও সত্য যে অতিৰিক্ত উৎপাদন আৰু অতিৰিক্ত উপাৰ্জন বা সামৰ্থ্য অনুসৰি উপাৰ্জনৰ ব্যৱস্থাৰ ফলতেই গোটেই সমাজখনত ধনী-দুখীয়াৰ পাৰ্থক্য ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে। উপাৰ্জন বা উৎপাদনৰ সীমাবদ্ধতা বান্ধি দিয়াটো এখন সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ অন্যতম প্ৰধান চৰ্ত।

গান্ধীৰ ন্যাস ব্যৱস্থা বিভিন্নজনে অবাস্তৱ বুলি মত প্ৰকাশ কৰে যদিও সেয়া সম্পূৰ্ণ সত্য নহয়। ভাৰতৰ দৰে বিভিন্ন দেশত প্ৰচলিত বিভিন্ন নীতিয়ে গান্ধীৰ ন্যাস ব্যৱস্থাকেই প্ৰতিনিধিত্ব কৰে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষৰ কৰ ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰিব পাৰি। এই ব্যৱস্থা অনুসৰি অধিক উপাৰ্জনকাৰীৰ ওপৰত উচ্চ হাৰত কৰ আৰোপ কৰি কৰাৰ দ্বাৰা সংগৃহীত ধনেৰে জনকল্যাণৰ বিভিন্ন আঁচনি বা প্ৰশাসন পৰিচালনা কৰা হয়। এই ব্যৱস্থাই কিছু পৰিমাণে হ'লেও গান্ধীৰ ন্যাস ব্যৱস্থাক প্ৰতিনিধিত্ব কৰে।

## গান্ধীৰ স্বতন্ত্ৰতাৰ ধাৰণা বা স্বৰাজ

## (Gandhi's Concept of Freedom or Swaraj)

নিজৰ বিবেক অনুসৰি কাৰ্য কৰাৰ ক্ষমতাই হ'ল গান্ধীৰ মতে স্বাধীনতা। নিজৰ বিবেক অনুসৰি কাৰ্য কৰাৰ ক্ষমতাই যিহেতু স্বাধীনতা সেয়েহে গান্ধীৰ মতে আত্মাৰ বলৰ জৰিয়তেহে ইয়াক ৰক্ষা কৰিব পাৰি, শাৰীৰিক শক্তি বা বাহুবলৰ দ্বাৰা নহয়।

গান্ধীৰ স্বাধীনতাৰ ধাৰণা তেওঁৰ বাকী ধাৰণাসমূহৰ দৰেই ব্যাপক বা বিস্তৃত। অৰ্থাৎ, গান্ধীৰ স্বাধীনতাৰ ধাৰণা কেৱল ৰাজনৈতিক দিশত সীমাবদ্ধ নহয়, অৰ্থনৈতিক, সামাজিক, আধ্যাত্মিক দিশৰ দ্বাৰাও সমৃদ্ধ। তেওঁৰ মতে, ব্যক্তিৰ স্বাধীনতাৰ অৰ্থ হ'ল সকলো ধৰণৰ আধিপত্যৰ পৰা মুক্তি লাভ অৰ্থাৎ "the freedom of man in all his majesty." স্বাধীনতাক এক সম্পূৰ্ণ ধাৰণা হিচাবে গ্ৰহণ কৰা গান্ধীৰ ধাৰণা সেয়েহে এক ব্যাপক ধাৰণা।

গান্ধীৰ মতে, ৰাষ্ট্ৰীয় বা ৰাজনৈতিক স্বাধীনতা, অৰ্থনৈতিক স্বাধীনতা আদি হ'ল স্বাধীনতাৰ কেইটামান অংশ বা অংগহে। ৰাষ্ট্ৰীয় স্বাধীনতাই মূলতঃ বিদেশী শক্তিৰ দাসত্বৰ পৰা মুক্তি লাভ কৰাক বুজায়, নৈতিক স্বাধীনতাই Passion ৰ পৰা মুক্ত হোৱাক আৰু আধ্যাত্মিক স্বাধীনতাই শাৰীৰিক উপাদানৰ পৰা মুক্তিক বুজায়। গতিকে, এই সকলোবোৰ হ'ল প্ৰকৃত স্বাধীনতাৰ বিভিন্ন দিশ বা উপাদান। এই সকলোবোৰ দিশতে স্বাধীনতাৰ প্ৰয়োজনৰ ওপৰত গুৰুত্ব আৰোপ কৰা গান্ধীয়ে সেয়েহে মত প্ৰকাশ কৰিছিল, "I donot divide life into watertight compartment." অৰ্থাৎ, গান্ধীৰে স্বাধীনতাৰ ধাৰণা হ'ল ৰাজনৈতিক, নৈতিক আৰু আধ্যাত্মিক স্বাধীনতাৰ সংমিশ্ৰণ।

'হিন্দ স্বৰাজ' গ্ৰন্থখনত গান্ধীয়ে তেওঁৰ স্বাধীনতাৰ বা পূৰ্ণ স্বাধীনতাৰ ধাৰণাক তলত দিয়া ধৰণে ব্যাখ্যা কৰিছিল—

**(ক) প্ৰকৃত স্বাধীনতা (True Swaraj) ঃ** আত্মা বা বিবেকৰ সাম্ৰাজ্য বা আধ্যাত্মিক আৰু নৈতিক স্বাধীনতা।

**(খ) প্ৰকৃত স্বাধীনতা অৰ্জনৰ উপায় হিচাপে সত্যাগ্ৰহ (Satyagraha) ঃ** ৰাজনৈতিক স্বাধীনতা।

**(গ) স্বদেশী (Swadeshi) ঃ** অৰ্থনৈতিক স্বাধীনতা।

বাহ্যিক আৰু আভ্যন্তৰীণ দুয়ো ধৰণৰ স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা মহাত্মা গান্ধীয়ে ব্যক্তিগত আৰু পৌৰ স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মত প্ৰকাশ কৰিছিল যে স্বৰাজ বা স্বাধীনতাৰ ই অন্যতম ভেটি। আকৌ পৌৰ স্বাধীনতাবোৰ গণতান্ত্ৰিক ব্যৱস্থাৰো ভেটি। সেয়েহে ব্যক্তিৰ বিভিন্ন প্ৰকাৰৰ পৌৰ স্বাধীনতাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ প্ৰচেষ্টাতে 1931 চনত কংগ্ৰেছৰ কৰাছী অধিৱেশনত ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ সম্পৰ্কীয় এক প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। পৌৰ অধিকাৰৰ ভিতৰত তেওঁ মত প্ৰকাশৰ স্বাধীনতাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। ন্যায়পালিকাৰ স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ মত প্ৰকাশ কৰিছিল যে অভিযুক্তৰ অধিকাৰ ৰক্ষাৰ বাবে বা অভিযুক্তক ন্যায় প্ৰদান কৰিবলৈ ন্যায়ালয়ৰ স্বাধীনতাৰ প্ৰয়োজন।

ব্যক্তি, ব্যক্তিৰ অধিকাৰ বিশেষকৈ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ প্ৰতি থকা প্ৰৱল সমৰ্থনৰ বাবেই গান্ধীয়ে ৰাষ্ট্ৰীয় সাৰ্বভৌমত্ব বা স্বৰাজৰ পোষকতা কৰিছিল আৰু সেয়েহে তেওঁ ৰাজনৈতিক স্বাধীনতাক তেওঁৰ স্বাধীনতাৰ ধাৰণাৰ এটা অন্যতম গুৰুত্বপূৰ্ণ দিশ হিচাপে স্বীকৃতি দিছিল। বাল গংগাধৰ তিলকৰ 'স্বাধীনতা মোৰ জন্মস্বত্তৰ অধিকাৰ' (Swaraj is my Birth Right) ধাৰণাক অন্তৰেৰে গ্ৰহণ কৰা গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে ইংৰাজ চৰকাৰৰ শাসনৰ প্ৰতি বিতৃষ্ণা বা অনিচ্ছা প্ৰকাশ কৰাটো প্ৰতিজন ভাৰতবাসীৰ ধৰ্ম। ৰাজনৈতিক স্বতন্ত্ৰতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল বাবেই তেওঁ যিকোনো সাম্ৰাজ্যবাদক বিৰোধিতা কৰিছিল আৰু ভাৰতকো ইংৰাজৰ পৰাধীনতাৰ পৰা মুক্ত কৰাৰ পন গ্ৰহণ কৰিছিল। ইংৰাজ শাসনৰ প্ৰতি প্ৰথম অৱস্থাত সমৰ্থন আগবঢ়োৱা বা নৰমপন্থা গ্ৰহণ কৰা গান্ধীয়ে সেয়েহে পিছলৈ ইংৰাজৰ বিৰুদ্ধে 1929 চনত 'পূৰ্ণ স্বৰাজ'ৰ ধ্বনি দিছিল। ব্ৰিটিছৰ সাম্ৰাজ্যবাদী শোষণৰ পৰা ভাৰতবাসীক মুক্ত কৰাটোৱেই তেওঁৰ জীৱৰ মূলমন্ত্ৰ হৈ পৰিছিল। 1930 চনত গান্ধীয়ে এঘাৰটা নীতি আগবঢ়াইছিল যিকেইটাক তেওঁ স্বতন্ত্ৰতাৰ মূল ভেটি হিচাবে আখ্যা দিছিল।

গান্ধীৰ স্বতন্ত্ৰতাৰ ধাৰণাই সমাজৰ অৱনমিত, পিছপৰা শ্ৰেণীৰ লোকৰ অধিকাৰ সংৰক্ষণকো গুৰুত্বপূৰ্ণ স্থান প্ৰদান কৰে। তেওঁৰ মতে প্ৰকৃত স্বতন্ত্ৰতাই কেতিয়াও এক শ্ৰেণীৰ শাসনৰ অন্তৰ পিছত আন এক শ্ৰেণীৰ অদৃশ্য শাসনক নুবুজায়। প্ৰকৃত স্বতন্ত্ৰতাই সমাজৰ সকলো শ্ৰেণীৰ আৰু প্ৰত্যেক ব্যক্তিৰ দ্বাৰা প্ৰয়োজনীয়

সুবিধা তথা অধিকাৰ উপভোগকৰণকে বুজায়। গান্ধীয়ে তেওঁৰ Young India ত কৈছিল, "Swaraj of my-our-dream recognizes no race or religious distinction. Nor is it to be the monopoly of lettered persons nor yet of moneyed men. Swaraj is to be for all, including the farmer, but emphatically including the maimed, the blind, the starving toiling millions. A stout-hearted honest, sane, illiterate man may well be the first servant of the nation." ৰাজনৈতিক তথা ৰাষ্ট্ৰীয় স্বাধীনতাৰ পৃষ্ঠপোষক মহাত্মা গান্ধী আছিল আত্ম নিৰ্দ্ধাৰণৰ অধিকাৰৰ (right to self-determination) প্ৰধান সমৰ্থক। সেয়েহে তেওঁ জিন্নালৈ 1944 চনত লিখিছিল, "the first condition of the exercise of the right of self deremination is achieving of independence by the joint action of all the parties and groups composing India." অৰ্থাৎ আত্ম নিৰ্দ্ধাৰণৰ অধিকাৰ উপভোগৰ বাবে স্বাধীনতা অৰ্জন কৰাটো হ'ল প্ৰথম চৰ্ত। সেয়ে ভাৰতৰ প্ৰত্যেক দল আৰু গোষ্ঠীয়ে স্বাধীনতা অৰ্জনৰ বাবে সন্মিলিতভাৱে প্ৰচেষ্টা গ্ৰহণ কৰিব লাগে। স্বাধীনতা অৰ্জনৰ পথৰ বিষয়ে উল্লেখ কৰি গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে এই প্ৰচেষ্টা অহিংস হোৱাৰ উপৰিও কঠিন (firm) ধাৰাবাহিক, (Constant) আৰু সংগঠিত (Organised) হ'ব লাগে। লগতে কঠোৰ আত্ম নিয়ন্ত্ৰণ (Self-Control), অনুশাসন (discipline), নৈতিক অনুশীলন (Moral Excercise) আৰু কষ্ট সহ্যৰো আৱশ্যক। তেওঁ কৈছিল, "Humility, earnestness, thoughtfullness– these are the foundations of swarajya." গান্ধীৰ মতে, সংগ্ৰাম আৰু কষ্টৰে আহৰণ কৰা স্বতন্ত্ৰতাহে স্থিৰ আৰু ধাৰাবাহিক হয়। গতিকে স্বতন্ত্ৰতাৰ বাবে সংগ্ৰাম আৰু কষ্ট সহ্য কৰিবই লাগিব। ভাৰতবাসীৰ স্বতন্ত্ৰতাৰ সপক্ষে যুক্তি দাঙি ধৰি তেওঁ কৈছিল যে ভাৰতীয়সকল স্বতন্ত্ৰতা লাভৰ বাবে সম্পূৰ্ণৰূপে যোগ্য কাৰণ তেওঁলোকে ইয়াৰ বাবে যথেষ্ট কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছে।

গান্ধীয়ে স্বাধীনতা অৰ্জনৰ বাবে সামাজিক ঐক্য (Social Cohesiveness)ৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে এখন বিভাজিত আৰু অসংগঠিত সমাজে কেতিয়াও একেলগে স্বাধীনতাৰ হকে সংগ্ৰাম কৰিব নোৱাৰে। সেয়েহে স্বতন্ত্ৰতাৰ প্ৰচেষ্টাক সবল কৰাৰ উদ্দেশ্যে সমাজৰ সকলো লোকেই অংশগ্ৰহণ কৰাটো তেওঁ সুনিশ্চিত কৰিব বিচাৰিছিল। এই উদ্দেশ্যে তেওঁ ভাৰতৰ স্বাধীনতা সংগ্ৰামত সকলো শ্ৰেণীৰ লোককে অংশীদাৰ কৰাত আগভাগ লৈছিল আৰু তেওঁৰ এই একত্ৰীকৰণৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ভাৰতবাসী প্ৰত্যেক জাতি-জনগোষ্ঠীৰ লোকেই স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰি ব্ৰিটিছ চৰকাৰৰ পৰা শাসনৰ বাঘজৰী নিজৰ হাতলৈ আনিবলৈ সক্ষম হৈছিল। সমাজক বিভাজিত কৰা সকলো উপাদানৰ সংশোধনৰ ওপৰত গুৰুত্ব আৰোপ কৰা বাবেই গান্ধীয়ে ভাৰতীয় সমাজৰ জাতিভেদ প্ৰথা, অস্পৃশ্যতা সাম্প্ৰদায়িকতা আদিৰ সংশোধনৰ পৰামৰ্শ আগবঢ়াইছিল আৰু ইয়াৰ বাবে নিজেও হাতে কামে অংশ গ্ৰহণ কৰিছিল।

গান্ধীৰ স্বৰাজ বা স্বতন্ত্ৰতাৰ ধাৰণাই অৰ্থনৈতিক স্বাধীনতাৰ ধাৰণাকো গুৰুত্ব প্ৰদান কৰে। গান্ধীৰ মতে, ৰাজনৈতিক স্বতন্ত্ৰতা অৰ্থহীন হ'ব যদিহে দেশৰ বৃহৎ সংখ্যক জনসাধাৰণ নিম্নতম প্ৰয়োজন পূৰণত আৰু নিয়োগ লাভত ব্যৰ্থ হয়। ৰাম ৰাজ্যৰ এজন উদ্ভাৱক হিচাপে গান্ধীয়ে অৰ্থনৈতিক সমতা আৰু স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ বাবে সম্পদৰ সম বিতৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে ৰাষ্ট্ৰৰ পৰিচালনাত অংশগ্ৰহণ কৰা বিভিন্ন কৰ্মচাৰীক সমহাৰত দৰমহা প্ৰদান কৰিব লাগে। তেওঁৰ মতে, জনসাধাৰণৰ বাবে নূন্যতম প্ৰয়োজনীয়খিনিৰ ব্যৱস্থা কৰাটো প্ৰত্যেক চৰকাৰৰে প্ৰধান কৰ্তব্য। যি চৰকাৰে জনসাধাৰণৰ এই প্ৰয়োজনবোৰ পূৰণ কৰিব নোৱাৰে তেনে চৰকাৰক জনসাধাৰণে শান্তিপূৰ্ণভাৱে বিৰোধিতা কৰিব লাগে। তেওঁ কৈছিল— "A Government that does not ensure this much is no government. It is anarchy. Such a State should be resisted peacefully."

নৈতিক আৰু আধ্যাত্মিক স্বতন্ত্রতা গান্ধীৰ স্বতন্ত্ৰতাৰ ধাৰণাৰ অন্যতম উপাদান। তেওঁৰ মতে, সত্য আৰু অহিংসাৰ উচিত পোষণৰ ওপৰতে নৈতিক আৰু আধ্যাত্মিক স্বতন্ত্রতা নির্ভৰ কৰে। নৈতিক আৰু আধ্যাত্মিক স্বতন্ত্রতাই মূলত প্রাকৃতিক বা শাৰীৰিক ইচ্ছাবোৰৰ পৰা ব্যক্তিক মুক্ত কৰাকে বুজায়। তেওঁৰ মতে, প্রকৃত স্বতন্ত্রতাই সমাজৰ কল্যাণৰ বাবে কৰা আত্ম ত্যাগকহে বুজায়। গান্ধীৰ নৈতিক আৰু আধ্যাত্মিক স্বতন্ত্রতাই বিশেষকৈ আধ্যাত্মিক স্বতন্ত্রতাই সর্বোত্ত সত্বাৰ লগত ব্যক্তিৰ একত্রীকৰণক বুজায়। তেওঁ, অনাশক্তি (Anasakti) বা আকর্ষণহীনতাক আৰু ভয়হীনতা (Fearlessness)ক নৈতিক আৰু আধ্যাত্মিক স্বাধীনতা আহৰণৰ বাবে প্রয়োজনীয় অন্যতম উপাদান হিচাপে আখ্যা দিছিল। ভাগৱত গীতাৰ কর্মযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰা গান্ধীয়ে ব্যক্তিক নিজৰ কর্মৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ পৰামর্শ আগবঢ়াইছিল, ব্যক্তিগত লাভালাভৰ ওপৰত নহয়। আকৌ সর্বময় কর্তা বা ভগৱানৰ ওপৰত নিজক সমর্পণৰ দ্বাৰাহে ভয়হীন বা ভয়মুক্ত হ'ব পাৰি বুলি মত প্রকাশ কৰা গান্ধীয়ে কৈছিল যে যি ব্যক্তিয়ে আধ্যাত্মিকতা বা আধ্যাত্মিক স্বাধীনতা আহৰণ কৰিব পাৰিছে তেওঁ ভগৱানৰ আইনৰ বাহিৰে আন কোনো আইন বা নীতিকে ভয় নকৰে।

আধ্যাত্মিক আৰু নৈতিক স্বতন্ত্রতাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা গান্ধীয়ে সেয়েহে আত্ম-নিয়ন্ত্রণ, আত্ম-সন্মান, আত্ম-অনুশীলন আৰু আত্ম-সজাগতাক স্বাধীনতাৰ ভিত্তি হিচাপে আখ্যা দিছিল।

## গান্ধীৰ মতে স্বতন্ত্রতাৰ পথ

## (Means for Swaraj According to Gandhi)

(ক) **আত্ম নিয়ন্ত্রণ (Self Control)** ঃ গান্ধীৰ স্বতন্ত্রতা যিহেতু মূলত এক আধ্যাত্মিক ধাৰণা সেয়েহে তেওঁ ইয়াক আভ্যন্তৰিণ অনুশাসনৰ লগত জড়িত কৰিছিল। তেওঁৰ মতে, আত্ম নিয়ন্ত্রণ হ'ল ব্যক্তিয়ে নিজকে নিজৰ সংকীর্ণ চিন্তা বা ভাৱনাৰ পৰা মুক্ত কৰা অর্থাৎ নিজক বিভিন্ন সংকীর্ণ উপাদানৰ পৰা মুক্ত কৰা। তেওঁৰ মতে, ব্যক্তিয়ে নিজক, নিজৰ ইচ্ছা অনিচ্ছাবোৰক নিয়ন্ত্রণ কৰিব পাৰিলেহে আনক বা দেশক নিয়ন্ত্রণ ককৰিব পাৰিব। গতিকে স্বতন্ত্রতাৰ বাবে স্ব-নিয়ন্ত্রণৰ অতি প্রয়োজন।

(খ) **আত্ম-সন্মানবোধ (Self -respect)** ঃ গান্ধীৰ মতে, স্বতন্ত্রতা আহৰণৰ বাবে জনসাধাৰণৰ মনত নিজৰ ব্যক্তিগত সত্বা বা মর্যাদাৰ প্রতি সন্মানবোধ জাগ্রত হ'ব লাগিব।

(গ) **আত্ম-অনুশাসন (Self-discipline)** ঃ আধ্যাত্মিকতাবাদী মহাত্মা গান্ধীয়ে বাহ্যিক অনুশাসনৰ লগতে আভ্যন্তৰীণ বা আত্ম-অনুশাসনৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে ব্যক্তিয়ে সত্য, অহিংসা আদিৰ দ্বাৰা নিজৰ চিন্তা আৰু কর্মক নিয়ন্ত্রণ কৰিব লাগে।

(ঘ) **আত্ম-সজাগতা (Self awareness)** ঃ নিজৰ অধিকাৰ আৰু স্বতন্ত্রতা সম্পর্ক সজাগতা গান্ধীৰ মতে, স্বতন্ত্রতাৰ বাবে অতি প্রয়োজনীয়। সজাগতা অবিহনে স্বাধীনতা লাভ সম্ভৱ নহয়। ইয়াৰ উপৰিও স্বতন্ত্রতা লাভৰ উপায় সম্পর্কে গান্ধীয়ে তলত আলোচনা কৰা উপাদানবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল—

(i) **আত্ম-কষ্ট (Self -Suffering)** ঃ গান্ধীৰ মতে স্বতন্ত্রতা লাভৰ বাবে যেতিয়ালৈকে ব্যক্তিয়ে কষ্ট সহ্য নকৰে বা কৰিবলগীয়া নহয় তেতিয়ালৈকে তেওঁ স্বতন্ত্রতাৰ মূল্য বুজিব নোৱাৰে। সেয়েহে আত্মকষ্ট লাভৰ অবিহনে ব্যক্তি স্বতন্ত্রতাৰ বাবে যোগ্য নহয়। তেওঁৰ মতে ভাৰতীয় লোকসকলে ব্রিটিশ শাসনৰ অধীনত যথেষ্ট কষ্ট ভোগ কৰিবলগীয়া হৈছে সেয়েহে তেওঁলোক স্বতন্ত্রতা পোৱাৰ বাবে যোগ্য।

**(ii) আত্ম-ত্যাগ (Self -Sacrifice) ঃ** গান্ধীৰ মতে, আত্ম কষ্টৰ লগতে আত্ম ত্যাগো স্বতন্ত্ৰতা লাভৰ অন্যতম চৰ্ত। সামাজিক কল্যাণৰ বাবে ব্যক্তিয়ে ব্যক্তিগত ত্যাগ কৰাৰ পোষকতা কৰা গান্ধীয়ে কৈছে যে স্বতন্ত্ৰতা লাভৰ বাবে ভাৰতবাসীয়ে যথেষ্ট ত্যাগ কৰিব লাগিব বিশেষকৈ কিছুমান বিশেষ ব্যক্তিগত সুযোগ-সুবিধা বা অধিকাৰ ইত্যাদি।

**(iii) প্ৰেম আৰু ভালপোৱা (Love) ঃ** স্বতন্ত্ৰতা সদায় অহিংসা উপায়েৰে যি প্ৰেম আৰু ভালপোৱাৰে সমৃদ্ধ, তাৰ দ্বাৰাহে লাভ কৰিব পাৰি। স্বতন্ত্ৰতা লাভৰ যুদ্ধখনকো তেওঁ প্ৰেম-ভালপোৱাৰ ওপৰত প্ৰতিষ্ঠিত সত্যাগ্ৰহ হিচাপে আখ্যা দিছিল।

ইংৰাজসকলৰ ভাৰতৰ পৰা প্ৰত্যাগমণ আৰু শোষণৰ অন্তই গান্ধীৰ মতে স্বতন্ত্ৰতা নাছিল। তেওঁ যিকোনো প্ৰকাৰৰ শোষণৰে অন্ত হোৱাটো কামনা কৰিছিল। এটা শ্ৰেণীৰ শাসন (ব্ৰিটিছ)ৰ অন্ত পৰাৰ পিছত তেওঁ আন এটা শ্ৰেণীৰ (উচ্চ জাতিৰ ভাৰতীয়) শাসন বিচৰা নাছিল। তেওঁ বিচাৰিছিল প্ৰত্যেক ব্যক্তিৰে সমান অধিকাৰ তথা সুবিধা থকা এখন মুক্ত সমাজ আৰু চৰকাৰ। অৰ্থাৎ, জাতি-ধৰ্মৰ নামত ভাৰতত থকা সকলো ধৰণৰ শোষণৰ অন্ত পেলোৱা আছিল গান্ধীৰ মূল লক্ষ্য। তেতিয়াহে তেওঁৰ মতে স্বতন্ত্ৰতাৰ মূল উদ্দেশ্য বা ফল লাভ হ'ব, অন্যথাই নহয়।

## ৰাষ্ট্ৰ সম্পৰ্কত গান্ধীৰ ধাৰণা
## (Gandhi's Concept of State)

ৰাষ্ট্ৰ সম্পৰ্কত মহাত্মা গান্ধীয়ে কোনো তত্ত্বৰ উদ্ভাৱন কৰা নাছিল, মাত্ৰ প্ৰচলিত ৰাষ্ট্ৰ ব্যৱস্থা সম্পৰ্কত নিজৰ ধাৰণা আগবঢ়াইছিল আৰু ইয়াৰ বিকল্প উপায়ৰ আলোচনা কৰিছিল। ৰাষ্ট্ৰৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ এখন আদৰ্শ সমাজ গঠন কৰাৰ পোষকতা কৰিছিল। তলত প্ৰচলিত ৰাষ্ট্ৰ সম্পৰ্কত গান্ধীৰ ধাৰণা আৰু তেওঁৰ ৰাষ্ট্ৰৰ বিকল্প ব্যৱস্থা আদৰ্শ সমাজৰ বিষয়ে আলোচনা কৰা হ'ল—

গান্ধীৰ মতে প্ৰচলিত ৰাষ্ট্ৰ হ'ল এক হিংসা নিৰ্ভৰ বা হিংসামূলক অনুষ্ঠান। অৰ্থাৎ, ৰাষ্ট্ৰ হ'ল হিংসাৰ প্ৰতীক। ৰাষ্ট্ৰই নিজৰ ক্ষমতাৰ ব্যৱহাৰৰ বাবে বা যিকোনো কাৰ্য সম্পাদনৰ বাবে হিংসাৰ আশ্ৰয় লয়। তেওঁৰ মতে ৰাষ্ট্ৰ হ'ল 'আত্মাহীন যন্ত্ৰ' (Soulless machine)। চেণ্ট আগষ্টাইন বা তেওঁৰ দৰে আন চিন্তাবিদৰ দৰে গান্ধীয়ে ৰাষ্ট্ৰক আৰু ৰাষ্ট্ৰ পৰিচালিত শক্তিক ঈশ্বৰ প্ৰেৰিত হিচাপে গ্ৰহণ কৰা নাছিল। ৰাষ্ট্ৰ সম্পৰ্কত গান্ধীৰ এই ধাৰণা বহু পৰিমাণে পৰিস্থিতি সাপেক্ষ আছিল। দক্ষিণ আফ্ৰিকা, ভাৰত আদিত সেই সময়ৰ চৰকাৰ বা ৰাজনৈতিক অনুষ্ঠানবোৰে চলোৱা হিংসা, অত্যাচাৰ, শোষণমূলক শাসন আদিয়ে গান্ধীক ৰাষ্ট্ৰ সম্পৰ্কত ওপৰোক্ত মত পোষণ কৰাত সহায় কৰিছিল। অৱশ্যে ৰাষ্ট্ৰৰ প্ৰতি গান্ধীৰ ধাৰণা বহু পৰিমাণে টলষ্টয়ৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত। প্ৰচলিত ৰাষ্ট্ৰৰ প্ৰতি গান্ধীয়ে বিৰূপ ভাৱ পোষণ কৰাৰ আন এটা কাৰণ হ'ল যে ইয়াত ক্ষমতাৰ কেন্দ্ৰীয়কৰণ হয় অৰ্থাৎ, এটা কেন্দ্ৰত বিশেষকৈ উচ্চতৰ কেন্দ্ৰত ক্ষমতা পুঞ্জীভূত হয়। এই ব্যৱস্থাই সাধাৰণ জনতাৰ অধিকাৰ খৰ্ব কৰে। গতিকে ই কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে। আকৌ, গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে ৰাষ্ট্ৰ মাধ্যমহে, লক্ষ্য বা উদ্দেশ্য নহয়, ব্যক্তিহে মূল লক্ষ্য বা উদ্দেশ্য। কিন্তু প্ৰচলিত ৰাষ্ট্ৰই ব্যক্তিক মাধ্যম কৰি নিজে নিজক লক্ষ্য বা উদ্দেশ্য প্ৰক্ষেপ কৰে। ইয়াত ব্যক্তি কল্যানৰ বিপৰীতে ৰাষ্ট্ৰৰ ক্ষমতা বৃদ্ধিৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হয়। গতিকে প্ৰচলিত ৰাষ্ট্ৰ ব্যৱস্থাৰ বিৰোধিতা কৰাটোহে গান্ধীৰ মতে কাম্য।

প্ৰচলিত ৰাষ্ট্ৰৰ লগতে গান্ধীয়ে সৰ্বোচ্চ সাৰ্বভৌমত্বৰ ধাৰণাৰো বিৰোধিতা কৰিছিল। তেওঁৰ মতে, সাৰ্বভৌম ৰাজনৈতিক গাঁঠনি বহু পৰিমাণে কতৃত্ববাদী, হিংসাপৰায়ণ। গতিকে ই কেতিয়াও ব্যক্তি স্বাধীনতা ৰক্ষক হ'ব নোৱাৰে। বৰং ই বহুপৰিমাণে ব্যক্তি স্বাধীনতাৰ ভঙ্গৰহে কাৰণ।

হ'বছ, অষ্টিনৰ দৰে ৰাষ্ট্ৰৰ বৈধ সাৰ্বভৌমত্বৰ সমৰ্থন কৰাৰ বিপৰীতে গান্ধীয়ে জনসাধাৰণৰ নৈতিক সাৰ্বভৌমত্বৰহে সমৰ্থন কৰিছিল। গান্ধীৰ দ্বাৰা জনসাধাৰণৰ নৈতিক সাৰ্বভৌমত্বৰ সমৰ্থনৰ প্ৰধান কাৰণবোৰ হ'ল— তেওঁৰ মতে আধ্যাত্মিক কৰ্তৃত্ব বা নৈতিক সাৰ্বভৌমত্ব সাময়িক ৰাজনৈতিক সাৰ্বভৌমৰ পৰা যথেষ্ট পৰিমাণে পৃথক বা উচ্চ। কোনো শাসকেই নিজক সৰ্বোচ্চ আধ্যাত্মিক কৰ্তৃত্বতকৈ উচ্চ জ্ঞান কৰিব নোৱাৰে। আকৌ, গান্ধীয়ে প্ৰকৃত সত্যাগ্ৰহীক সৰ্বোচ্চ কৰ্তৃপক্ষ বা অন্যায়কাৰী চৰকাৰৰ বিৰুদ্ধে বা চৰকাৰৰ অন্যায়কাৰী কাৰ্যৰ বিৰুদ্ধে বিদ্ৰোহ বা বিৰোধিতা কৰাৰো পৰামৰ্শ আগবঢ়াইছিল। গতিকে, তেওঁ বৈধ ৰাজনৈতিক সাৰ্বভৌমত্বৰ সৰ্বোচ্চতা স্বীকাৰ কৰা নাছিল। ইয়াৰ বিপৰীতে তেওঁ জনসাধাৰণৰ নৈতিক সাৰ্বভৌমত্বৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল।

শক্তি আৰু হিংসাৰ ওপৰত প্ৰতিষ্ঠিত ৰাষ্ট্ৰৰ বিৰোধিতা কৰিলেও কিন্তু গান্ধীয়ে ৰাষ্ট্ৰৰ ধ্বংস বা বিলুপ্তিৰ পোষকতা প্ৰথম অৱস্থাত কৰা নাছিল, বৰং ৰাষ্ট্ৰৰ পৰিৱৰ্তন আৰু ক্ৰমবৰ্দ্ধমান অহিংসা নীতিৰ প্ৰয়োগৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে অহিংসা নীতিৰ ওপৰত প্ৰতিষ্ঠিত ৰাষ্ট্ৰই সদায় জনসাধাৰণৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিহে নিজৰ ক্ষমতা প্ৰয়োগ কৰিব। অৰ্থাৎ, তেনে ৰাষ্ট্ৰৰ চৰকাৰে জনসাধাৰণৰ ইচ্ছা-অনিচ্ছাৰ প্ৰতি লক্ষ্য ৰাখিহে নিজৰ কাৰ্য পৰিচালনা কৰিব। অহিংসা ৰাষ্ট্ৰৰ প্ৰতিষ্ঠা "Can be administered on a non-violent basis if the vast majority of the people are non-violent" অৰ্থাৎ ৰাষ্ট্ৰৰ গৰিষ্ঠসংখ্যক নাগৰিক যদি অহিংসা নীতিত বিশ্বাস হয়, তেনেহ'লে ৰাষ্ট্ৰও অহিংসা নীতিৰ ওপৰত প্ৰতিষ্ঠিত হ'ব। কিন্তু এজন বাস্তৱবাদী হিচাপে তেওঁ অনুভৱ কৰিব পাৰিছিল যে ৰাষ্ট্ৰৰ দ্বাৰা তাৎক্ষণিক ভাৱে অহিংসা নীতি গ্ৰহণ কৰাটো সম্ভৱ নহয়।

প্ৰচলিত ৰাষ্ট্ৰৰ লগত জড়িত বিভিন্ন সমস্যাৰ আলোচনাৰ পিছত গান্ধীয়ে ৰাষ্ট্ৰৰ ধাৰণা পৰিহাৰ কৰি এখন ৰাষ্ট্ৰহীন আদৰ্শ সমাজ বা ৰাম ৰাজ্যৰ কল্পনা কৰিছিল। ৰাষ্ট্ৰৰ ক্ষমতাৰ ক্ৰমবৰ্দ্ধমান সংকোচনৰ দ্বাৰা ৰাষ্ট্ৰৰ বিলুপ্তিৰ পোষকতা কৰা গান্ধীয়ে সেয়েহে ৰাষ্ট্ৰৰ বিকল্প হিচাপে এখন আদৰ্শ সমাজৰ পোষকতা কৰিছিল। গান্ধীৰ মতে, সেইখন চৰকাৰহে শ্ৰেষ্ঠ চৰকাৰ যিখনে আটাইতকৈ কম শাসন কৰে বা কম ক্ষমতা আৰু কাৰ্য পালন কৰে। "That state is perfect and non-violent where the people are governed the least." সশস্ত্ৰ বিপ্লৱৰ দ্বাৰা তাৎক্ষণিকভাৱে ৰাষ্ট্ৰৰ বিলুপ্তিৰ পোষকতা কৰা মাৰ্ক্সবাদী ধাৰণাক তেওঁ সম্পূৰ্ণ সমৰ্থন কৰিব পৰা নাছিল যদিও এজন নৈৰাজ্যবাদীৰ দৰে তেওঁ ৰাষ্ট্ৰৰ সলনি আদৰ্শ সমাজৰ পোষকতা কৰিছিল। তেওঁৰ ধাৰণা আছিল, "A society organised and run on the basis of complete non-violence would be the purest anarchy."

গান্ধীৰ আদৰ্শ সমাজত জনসাধাৰণে নিজৰ স্বাধীনতা বাধাহীনভাৱে উপভোগ কৰিব পাৰিব। ইয়াৰ প্ৰত্যেক ব্যক্তিয়ে শাসন ব্যৱস্থাত অংশ গ্ৰহণ কৰিব পাৰিব কাৰণ ইয়াত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা হ'ব গাঁও পঞ্চায়ত গঠনৰ জৰিয়তে। গাঁও পঞ্চায়ত সমূহ হ'ব প্ৰশাসন পৰিচালনাৰ মূল গোট বা কেন্দ্ৰ। আদৰ্শ সমাজ যিহেতু অহিংসা নীতিৰ ওপৰত প্ৰতিষ্ঠিত হ'ব সেয়েহে ইয়াত প্ৰত্যেক নিজে নিজক শাসন বা নিয়ন্ত্ৰণ কৰিব পাৰিব, কোনো শক্তি বা কৰ্তৃত্বই জনসাধাৰণক নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন নহ'ব। এই সমাজত প্ৰত্যেক ব্যক্তিয়ে

শৃঙ্খলাবদ্ধ ৰূপত নিজৰ কাৰ্য সম্পাদন কৰি সমাজৰ সুস্থ পৰিচালনাত সহায় কৰিব। গান্ধীৰ আদৰ্শ সমাজত ৰাজনৈতিক বিকেন্দ্ৰীকৰণৰ লগতে অৰ্থনৈতিক বিকেন্দ্ৰীকৰণো হ'ব। ইয়াত বৃহৎ উদ্যোগৰ সলনি ক্ষুদ্ৰ উদ্যোগৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব দিয়া হ'ব যিবোৰৰ নিয়ন্ত্ৰণ গাঁৱৰ সাধাৰণ জনতাৰ দ্বাৰা হ'ব। এই ব্যৱস্থাই দেশৰ অৰ্থনৈতিক উন্নয়ন, কুটীৰ শিল্পৰ প্ৰসাৰ আৰু স্বদেশী দ্ৰব্যৰ ব্যৱহাৰত অৰিহণা যোগাব। আকৌ গান্ধীৰ আদৰ্শ সমাজত ন্যাস ব্যৱস্থা (Trustee system)ৰ প্ৰৱৰ্তন হ'ব। পুজিপতি সকলৰ অতিৰিক্ত সম্পত্তিৰ দ্বাৰা ন্যাস গঠন কৰা হ'ব আৰু এই ন্যাস সাধাৰণ জনতাৰ কল্যাণৰ বাবে পৰিচালিত হ'ব। ন্যাসবোৰ গাঁও সমূহৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব। ন্যাস গঠনৰ বাবে পুজিপতি সকলৰ মনোভাৱ সত্যাগ্ৰহী সকলে প্ৰেম ভালপোৱাৰ দ্বাৰা সলনি কৰি তেওঁলোকৰ অতিৰিক্ত সম্পদৰ দ্বাৰা ন্যাস গঠন কৰিব। গান্ধীৰ আদৰ্শ সমাজ বা ৰাম ৰাজ্যত পুজিপতি আৰু শ্ৰমিক সকলৰ মাজত কোনো ধৰণৰ সংঘৰ্ষ নাথাকে। বৰং দুয়োটা গোটে সহযোগিতাৰ মাজেৰে সকলোৰে কল্যাণ বা উন্নতিৰ হ'কে একেলগে কাৰ্যসম্পাদন কৰিব। শক্তিৰ সলনি ইচ্ছাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা গান্ধীয়ে তেওঁৰ আদৰ্শ সমাজত কোনো ধৰণৰ শক্তি প্ৰয়োগকাৰী অনুষ্ঠানৰ উপস্থিতি বিচৰা নাছিল। অৱশ্যে ৰাষ্ট্ৰীয় আৰু আভ্যন্তৰীণ শান্তি আৰু আইন শৃঙ্খলা ৰক্ষাৰ বাবে সামৰিক আৰু আৰক্ষী বাহিনীৰ পোষকতা কৰিছিল। কিন্তু এইবোৰৰ সংখ্যা তুলনামূলকভাৱে কম ৰখাৰ পোষকতা কৰিছিল। কিন্তু বাস্তৱত তেওঁ তেওঁৰ আদৰ্শ সমাজত কোনো ধৰণৰ শক্তি প্ৰয়োগকাৰী অনুষ্ঠান, গধূৰ যান-বাহন, বৃহৎ কল-কাৰখানা আদিৰ পোষকতা কৰা নাছিল।

## গান্ধীৰ ৰাষ্ট্ৰৰ বৈশিষ্ট
## (Characteristics of Gandhi's State)

গান্ধীৰ ৰাষ্ট্ৰৰ ধাৰণাৰ বিশ্লেষণ তলত উল্লেখ কৰা বৈশিষ্ট্যবোৰ পৰিলক্ষিত কৰে—

1. ৰাষ্ট্ৰ, ইয়াৰ উৎপত্তি, গঠন সম্পৰ্কত গান্ধীয়ে কোনো শৃঙ্খলাবদ্ধ তত্ত্ব আগবঢ়োৱা নাছিল। তেওঁ মাত্ৰ প্ৰচলিত ৰাষ্ট্ৰৰ সমস্যা আৰু ইয়াৰ বিকল্প ব্যৱস্থাৰ বিষয়েহে আলোচনা কৰিছিল।
2. গান্ধী প্ৰচলিত ৰাষ্ট্ৰ ব্যৱস্থাৰ কঠোৰ সমালোচক আছিল। তেওঁৰ মতে প্ৰচলিত ৰাষ্ট্ৰ হিংসা, শক্তিৰ ভিত্তিত প্ৰতিষ্ঠিত।
3. গান্ধীয়ে সেয়েহে প্ৰচলিত ৰাষ্ট্ৰৰ সলনি এক আদৰ্শ সমাজৰ পোষকতা কৰিছিল যি সমাজ ন্যায়, সমতা আৰু অহিংসা নীতিৰ ভিত্তিত প্ৰতিষ্ঠিত হ'ব।
4. গান্ধীৰ আদৰ্শ সমাজত ব্যক্তিগত সম্পত্তিৰ ব্যৱস্থা থাকিলেও অতিৰিক্ত সম্পদ ৰখাটো হিংসাত্মক কাৰ্য হিচাপে পৰিগণিত আছিল। অতিৰিক্ত সম্পদৰ সহায়ত তেওঁ সাধাৰণ জনতাৰ কল্যাণৰ বাবে ন্যাস গঠন কৰাৰ পোষকতা কৰিছিল।
5. গান্ধীৰ আদৰ্শ সমাজত ৰাজনৈতিক আৰু অৰ্থনৈতিক বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা আছিল। ৰাজনৈতিক বিকেন্দ্ৰীকৰণৰ দ্বাৰা ক্ষমতা তৃণমূল পৰ্যায়লৈ সম্প্ৰসাৰণ আৰু অৰ্থনৈতিক বিকেন্দ্ৰীকৰণৰ দ্বাৰা বৃহৎ উদ্যোগ আৰু কল-কাৰখানাৰ বিপৰীতে কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল।
6. নৈৰাজ্যবাদী সকলৰ দৰে গান্ধীয়ে ৰাষ্ট্ৰৰ অৱস্থিতি বিছৰা নাছিল যদিও মাৰ্ক্সবাদী সকলৰ দৰে তেওঁ ৰাষ্ট্ৰৰ

সশস্ত্র আৰু তাৎক্ষণিক বিলুপ্তিৰ পৰিৱৰ্তে ৰাষ্ট্ৰৰ ক্ষমতাৰ নূন্যতম বিন্দুলৈ সংকোচনৰ দ্বাৰা ৰাষ্ট্ৰৰ গুৰুত্বৰ হ্ৰাসকৰণৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল।

**মূল্যায়ণ (Evaluation) ঃ**

গান্ধীৰ ৰাষ্ট্ৰৰ ধাৰণা বা ৰাষ্ট্ৰৰ বিকল্প আদৰ্শ সমাজৰ ধাৰণা বিভিন্ন সময়ত বিভিন্ন দিশৰ পৰা সমালোচিত হোৱা দেখা যায়।

সমালোচক সকলৰ মতে গান্ধীয়ে মত পোষণ কৰাৰ দৰে ৰাষ্ট্ৰ সদায় হিংসাৰ প্ৰতীক নহয় বা সকলো সময়তে ৰাষ্ট্ৰই হিংসাৰ প্ৰয়োগো নকৰে। বিভিন্ন সময়ত ৰাষ্ট্ৰই জনকল্যাণ বা প্ৰশাসনৰ সু-পৰিচালনাৰ বাবে বিভিন্ন কাৰ্যও সম্পাদন কৰে। আকৌ ৰাষ্ট্ৰৰ দ্বাৰা সম্পাদিত সকলো প্ৰকাৰৰ হিংসাই জনকল্যাণ বিৰোধী বা অশুভ নহয়। বিভিন্ন সময়ত জনকল্যাণৰ উদ্দেশ্যেও ৰাষ্ট্ৰই হিংসাৰ প্ৰয়োগ কৰিব লগা হয়। যেনে— সমাজৰ অশুভ শক্তিক দমনৰ বাবে, ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা আৰু আভ্যন্তৰীণ শান্তি শৃঙ্খলা আদি ৰক্ষাৰ বাবেও ৰাষ্ট্ৰই কেতিয়াবা হিংসাৰ আশ্ৰয় ল'ব লগা হয়।

আকৌ বিভিন্ন জনৰ মতে, গান্ধীৰ কল্পনাৰ আদৰ্শ সমাজ আৰু ইয়াৰ অন্তৰ্গত বিভিন্ন দিশ সমূহ বাস্তৱিক বা প্ৰায়োগিক নহয়। বাস্তৱ জীৱনত ৰাষ্ট্ৰৰ ক্ষমতা নূন্যতম বিন্দুলৈ হ্ৰাস, অতিৰিক্ত সম্পত্তিৰ দ্বাৰা ন্যাস গঠন, পুজিপতি শ্ৰমিকৰ মাজৰ সহযোগিতা, বৃহৎ উদ্যোগৰ সলনি কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ স্থাপন আদি কোনো ব্যৱস্থাই সমালোচক সকলৰ মতে বাস্তৱ সন্মত নহয়।

গান্ধীৰ আদৰ্শ সমাজৰ অন্যতম ব্যৱস্থা ৰাজনৈতিক আৰু অৰ্থনৈতিক বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা প্ৰকৃত অৰ্থত প্ৰশংসনীয়। ৰাজনৈতিক বিকেন্দ্ৰীকৰণৰ দ্বাৰা তৃণমূল পৰ্যায়লৈ তথা গাঁও পঞ্চায়ত সমূহলৈ ক্ষমতাৰ সম্প্ৰসাৰণৰ দ্বাৰা সমাজৰ গৰিষ্ঠ সংখ্যক লোকৰ শাসন ব্যৱস্থাত অংশগ্ৰহণ সুনিশ্চিত কৰিব খোঁজাটো গান্ধীৰ অন্যতম প্ৰশংসনীয় দিশ। আকৌ, অৰ্থনৈতিক বিকেন্দ্ৰীকৰণৰ দ্বাৰা ক্ষুদ্ৰ আৰু কুটীৰ শিল্পৰ সম্প্ৰসাৰণৰ ধাৰণাও অতি প্ৰশংসনীয় যদিও বৰ্তমান সময়ত কুটীৰ শিল্পৰ লগতে বৃহৎ উদ্যোগৰ প্ৰয়োজনীয়তাও কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

## ধৰ্ম সম্পৰ্কত গান্ধী
## (Gandhi on Religion)

মহাত্মা গান্ধীৰ চিন্তা ধাৰাক ধৰ্মৰ পৰা কেতিয়াও পৃথক কৰিব নোৱাৰি। তেওঁ অৱশ্যে কোনো বিশেষ ধৰ্মৰ প্ৰতি আকৃষ্টতা প্ৰদৰ্শন কৰা নাছিল যদিও তেওঁৰ জীৱনত জৈন, বৌদ্ধ আৰু হিন্দু ধৰ্মৰ যথেষ্ট প্ৰভাৱ দেখা যায়। তেওঁৰ অহিংসা নীতিৰ উৎস আছিল বিভিন্ন ধৰ্মমত। গান্ধী আছিল এক সাৰ্বজনীন ধৰ্মৰ উপাসক যাৰ মূল উদ্দেশ্য আছিল সত্য আৰু মানৱ সেৱা। দুৰ্গত তথা দুৰ্বল লোকৰ কল্যাণ তথা মঙ্গলে আছিল তেওঁৰ ধৰ্মৰ প্ৰধান উদ্দেশ্য। অৱশ্যে তেওঁ ভগৱানৰ অস্তিত্বত বিশ্বাস ৰাখিছিল আৰু সকলোকে ভগৱানৰ প্ৰতি আস্থা ৰখাৰ আহ্বান জনাইছিল। প্ৰতিজন মানুহকে ভগৱানৰ অংশ হিচাপে গণ্য কৰা গান্ধীয়ে সেয়েহে কোনো জীৱিত প্ৰাণীৰ শাৰিৰীক তথা মানসিক আঘাত কামনা কৰা নাছিল আৰু আনকো ইয়াৰ পৰা বিৰত থকাৰ পৰামৰ্শ আগবঢ়াইছিল। তেওঁৰ মতে ভগৱানৰ প্ৰতি প্ৰেম-ভালপোৱাৰ দ্বাৰা ব্যক্তিয়ে নিজকে ভয়হীন হিচাবে প্ৰতিষ্ঠা কৰিব পাৰে।

মহাত্মা গান্ধীয়ে ৰাজনীতিক ধৰ্মৰ পৰা পৃথক কৰাৰ পোষকতা কৰা নাছিল। তেওঁৰ মতে ধৰ্ম অবিহনে

ৰাজনীতি কলুষিত হৈ পৰিব। অৰ্থাৎ, ৰাজনীতি আৰু ধৰ্ম সদায় একে ডোলেৰে বান্ধ খাই নাথাকিলে ৰাজনীতিৰ উদ্দেশ্য কেতিয়াও সফল নহ'ব। ধৰ্মত বিশ্বাস ৰখা অৰ্থাৎ, মানুহ আৰু ভগৱানৰ ওপৰত আস্থা তথা ভালপোৱা ৰখা ব্যক্তিয়েহে ৰাজনীতিত নিজৰ দায়িত্ব সুকলমে সম্পাদন কৰিব পাৰিব।

## গান্ধীৰ অৱদান
## (Contribution of Gandhi)

ভাৰতবাসীৰ প্ৰতি বা ভাৰতীয় ৰাজনীতিৰ প্ৰতি গান্ধীৰ অৱদান উল্লেখনীয়। সেইবোৰ হ'ল—

1. ভাৰতীয় সমাজৰ অন্যতম ব্যাধি জাতি প্ৰথা আৰু ইয়াৰ অন্যতম ফল অস্পৃশ্যতাৰ প্ৰতি আৰু এওঁলোকৰ সমস্যাৰ সমাধান বা জাতি প্ৰথাৰ সংশোধনৰ ক্ষেত্ৰত গান্ধীয়ে এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল।

2. পঞ্চায়ত ব্যৱস্থা গান্ধীৰ ভাৰতবাসীলৈ এক অনবদ্য উপাদান যাৰ দ্বাৰা ভাৰতীয় গণতন্ত্ৰৰ ভেটি সৱল কৰিব পাৰি বা বহু পৰিমাণে সৱল হৈছে। গাঁও পঞ্চায়ত গঠনে সমাজৰ গৰিষ্ঠসংখ্যক লোকক শাসনত অংশগ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰে আৰু স্থানীয় সমস্যাৰ সমাধানতো সহায় কৰে।

3. কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ সম্প্ৰসাৰণৰ দ্বাৰা অৰ্থনৈতিক বিকেন্দ্ৰীকৰণ আৰু স্বদেশী সামগ্ৰীৰ উৎপাদন আৰু ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা ব্যক্তিসকলৰ অগ্ৰণী আছিল মহাত্মা গান্ধী।

4. ভাৰতবাসীৰ লগতে সমগ্ৰ বিশ্ববাসীলৈ গান্ধীৰ অন্যতম উপহাৰ বা অৱদান আছিল অহিংসা নীতি। শাৰীৰিক আৰু মানসিক উভয় প্ৰকাৰৰ আঘাতৰ বিৰোধিতা কৰা গান্ধীয়ে অহিংসাৰ বিস্তৃত ব্যাখ্যা আগবঢ়াই সশস্ত্ৰ বিপ্লৱৰ এক বিকল্প ব্যৱস্থা গ্ৰহণ কৰাৰ পৰামৰ্শ আগবঢ়াই ইয়াৰ বাস্তৱ প্ৰয়োগো সফলভাৱে কৰি দেখুৱাইছিল।

5. সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক উন্নতিক সামৰি উন্নয়ণ বা বিকাশৰ এক বহুপাক্ষিক আৰু বিস্তৃত ব্যাখ্যা সন্নিৱিষ্ট কৰা সৰ্বোদয় ধাৰণা গান্ধীৰ ভাৰতবাসীৰ প্ৰতি আন এক অৱদান।

6. গান্ধীৰ আন এটা গুৰুত্বপূৰ্ণ অৱদান হ'ল সাম্প্ৰদায়িক একতা প্ৰতিষ্ঠা। স্বাধীনতা আন্দোলনৰ সময়ছোৱাৰ পৰা জীৱনৰ অন্তিম সময়লৈ গান্ধীয়ে হিন্দু-মুছলমান সকলোৰে মাজত একতা প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰিছিল।

ইয়াৰ উপৰিও ভাৰতবাসীলৈ গান্ধীৰ অন্যতম সুন্দৰ অৱদান আছিল বহু প্ৰত্যাশিত ৰাজনৈতিক স্বাধীনতা। ইংৰাজৰ সাম্ৰাজ্যবাদী আৰু শোষণমূলক শাসনৰ পৰা ভাৰতবাসীক মুক্ত কৰাত গান্ধী আৰু গান্ধীৰ নেতৃত্বত পৰিচালিত অহিংসা আন্দোলনৰ অৱদান কোনেও অস্বীকাৰ কৰিব নোৱাৰে। প্ৰকৃত অৰ্থত মহাত্মা গান্ধী আছিল জাতিৰ পিতা।

**Excercise :**

1. Critically discuss Gandhi's concept of Ahimsa with references to its relevance in present day society.
2. Analyse briefly Gandhi's concept of Sarvodaya. To what extent Gandhi's Sarvodaya is relevant for the development of the third world countries like India.
3. Write the meaning and techniques of Satyagraha.
4. "Satyagraha provides an alternatives to the modern method of war." Do you agree? Give justifications with references to the Gandhi's concept of Satyagraha.
5. What is Trusteeship according to Gandhi? Why did he suggest the system of trusteeship?
6. Discuss the practicability of Gandhi's trusteeship.
7. Critically analyse Gandhi's views on state.
8. Discuss the ideas propounded by Gandhi.
9. Discuss various aspects of Gandhi's Sarvodaya.
10. Discuss in brief Gandhi's concept of Swaraj. What measures did he suggest for Swaraj?

**5 (Five) Marks Questions :**

1. What are the elements of Gandhi's Ahimsa?
2. What is Ahimsa according to Gandhi?
3. Write a short note on Sarvodaya.
4. What is the necessity of Satyagraha according to Gandhi?
5. What are the sources of Gandhi's thought?
6. Mention name of five (5) persons of world who have materialised Gandhi's principle of Ahimsa and Satyagraha.
7. What are the measures to Swaraj according to Gandhi?
8. What is trusteeship?

**2 (Two) Marks Questions :**

1. Mention two works of Gandhi.
2. Source of Gandhi's Sarvodaya is .................. a book written by ..................
3. What is Hizrat?
4. Write two limitations of Gandhi's Ahimsa.

5. What is non-co-operation?

**1 (One) Marks Questions :**

1. Who wrote the book "Hind-Swaraj"?
2. Who authored 'War and Peace'?
3. 'The Kingdom of God is within you' is written by–
4. 'Unto this last' constitute the main source of Gandhi's Sarvodaya (write true/false)
5. Which among the following were edited by Gandhi?

   (a) Indian Opinion. (b) Young India

   (c) Harijan (d) All of the above
6. Which among the following is not a technique of Gandhi's Satyagraha?

   (a) Peace Brigade (b) Hizrat

   (c) Non-cooperation (d) Violence.

✦✦✦

## ষষ্ঠ অধ্যায়

# বাবা চাহেব আম্বেদকাৰ (1891-1956)

1891 চনত মহাৰাষ্ট্ৰত ড° ভিমৰাও ৰামজী আম্বেদকাৰ অৰ্থাত বাবা চাহেব আম্বেদকাৰৰ জন্ম হৈছিল। মহাৰাষ্ট্ৰৰ এটা অনুসূচীত জাতি মাহৰত জন্মগ্ৰহণ কৰা এই ব্যক্তিজনেই পিছত অনুসূচীত, অস্পৃশ্য আৰু দলিত সম্প্ৰদায়ৰ লোকৰ ত্ৰাণকৰ্তাৰ ৰূপত অৱতীৰ্ণ হৈছিল। এক কথাত, আম্বেদকাৰ আছিল অন্যতম গুৰুত্বপূৰ্ণ ব্যক্তি যিজনে অতি স্পষ্ট ৰূপত দলিত সকলৰ সমস্যাৰ ব্যাখ্যা আৰু সমাধান আগবঢ়োৱাৰ চেষ্টা কৰিছিল। বোম্বেত স্কুলীয়া শিক্ষা গ্ৰহণ কৰা আম্বেদকাৰে উচ্চ শিক্ষা লাভ কৰিছিল কলোম্বিয়া বিশ্ববিদ্যালয়ত। ভাৰতলৈ ঘুৰি আহি তেওঁ অধ্যাপনাৰ কাম আৰম্ভ কৰিছিল। পিছলৈ তেওঁ দলিত আৰু অনুন্নত লোকসকলৰ অধিকাৰ আৰু সামাজিক মৰ্যাদাৰ সুৰক্ষাৰ কামত হাতে কামে লাগিছিল আৰু সমাজৰ এই বঞ্চিত শ্ৰেণীৰ লগত জড়িত শোষণৰ দিশটো প্ৰতিষ্ঠা কৰাত আৰু কিছু পৰিমাণে সমাধান কৰাত সফল হৈছিল। বিখ্যাত আইনজ্ঞ এইজন ব্যক্তি আছিল ভাৰতৰ প্ৰথম আইন মন্ত্ৰী। 1952 চনত তেওঁক ৰাজ্যসভাৰ সদস্যপদ প্ৰদান কৰা হৈছিল। 1990 চনত এইজনা মহান ব্যক্তিক মৰণোত্তৰ ভাৰে ভাৰত ৰত্ন বটা প্ৰদান কৰা হৈছিল। আম্বেদকাৰ এজন আইনজ্ঞই নাছিল, তেওঁ এজন বিখ্যাত অৰ্থনীতিবিদো আছিল। ভাৰতবৰ্ষৰ ৰিজাৰ্ভ বেংক আৰু বিত্ত আয়োগ গঠনত তেওঁ অতি উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। অৰ্থনীতি সম্পৰ্কীয় তেওঁ গ্ৰন্থ তিনিখন হ'ল— Administration and Finance of the East India Company, The Evolution of provincial Finance in British India, The Problem of the Rupee: Its Origin and Solution. তেওঁৰ দ্বাৰা ৰচিত আন গ্ৰন্থসমূহ হ'ল— Annihilation of Caste; Who were the Shudras?; Caste in India : Their Mechanism, Genesis and Development; Pakistan or partition of India; The Untouchables : Who were they and why they become Untouchable?; Budha and his Dharma; Riddle in Hinduism। আম্বেদকাৰৰ সমগ্ৰ লিখনি আৰু কামকাজ সামাজিক ন্যায় প্ৰতিষ্ঠাৰ দ্বাৰা সমাজৰ সকলো লোককে সামাজিক সা-সুবিধা প্ৰদান কৰা বিশেষকৈ এইবোৰৰ দ্বাৰা দলিত আৰু পিছপৰা লোক সকলৰ সবলীকৰণৰ উদ্দেশ্যে পৰিচালিত হৈছিল। অন্য অৰ্থত দলিত সকলৰ সৱলীকৰণৰ উদ্দেশ্যে তেওঁৰ সমগ্ৰ জীৱন উৎসৰ্গিত আছিল। তেওঁ আজীৱন বিভিন্ন নৰম আৰু চৰম এই দুয়োটা উপায়েৰে সামাজিক ন্যায় প্ৰতিষ্ঠাৰ পথত থকা হেঙাৰসমূহ, যিবোৰ মূলত কৃত্ৰিম আৰু মানৱসৃষ্ট, আতৰোৱাৰ বাবে চেষ্টা কৰিছিল যাতে দলিত সকলেও সমাজৰ আন আন লোকৰ দৰে প্ৰয়োজনীয় সামাজিক সা-সুবিধা তথা অধিকাৰবোৰ লাভ কৰি নিজৰ তথা জাতিৰ উন্নতিৰ অৰিহণা আগবঢ়াব পাৰে।

আম্বেদকাৰ কোনো দাৰ্শনিক নাছিল সেয়েহে তেওঁ কোনো ৰাজনৈতিক তত্ত্বও আগবঢ়োৱা নাছিল। তেওঁ মাত্ৰ মানৱতাবাদ, সমতা, ভাতৃত্ববোধ প্ৰতিষ্ঠাৰ বাবে ভাৰতত হোৱা অন্যতম বিপ্লৱৰ এজন নেতা আছিল। তেওঁৰ মূল আদৰ্শ আছিল বৰ্ণ, জাতি, অস্পৃশ্যতা বিহীন এখন গণতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰা। জাতি, বৰ্ণ, অস্পৃশ্যতা আদিৰ বিৰুদ্ধে তেওঁ হাতে কামে এখন সংগ্ৰাম আৰম্ভ কৰিছিল। তেওঁ আছিল প্ৰথমজন সমাজ সংস্কাৰক যিজনে ভাৰতবৰ্ষৰ সমাজৰ অন্যতম বৈশিষ্ট্য জাতিভেদ প্ৰথা আৰু ইয়াৰ লগত জড়িত কু-সংস্কাৰক সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব বিচাৰিছিল। সামাজিক ন্যায় আৰু সমতাৰ ভিত্তিত তেওঁ পিছপৰা শ্ৰেণীৰ লোকৰ সুৰক্ষাৰ ব্যৱস্থা কৰিব বিচাৰিছিল। এক কথাত তেওঁৰ সামাজিক দৰ্শন আছিল মানৱতাবাদ, সমতা আৰু গণতান্ত্ৰিক নীতিৰ ভিত্তি প্ৰতিষ্ঠিত।

আম্বেদকাৰৰ মতে, সমগ্ৰ ভাৰতীয় সামাজিক আৰু অৰ্থনৈতিক ইতিহাস হ'ল— উচ্চ হিন্দু সমাজৰ আধিপত্য আৰু অনুন্নত সম্প্ৰদায়ৰ শোষণ আৰু অৱক্ষয়ৰে পৰিপূৰ্ণ। জাতি প্ৰথা আৰু ইয়াৰ অন্যতম ফল অস্পৃশ্যতা হ'ল— উচ্চ হিন্দু সমাজৰ ন্যস্ত স্বাৰ্থৰ ফল। এই ব্যৱস্থাৰ ফলত উচ্চ হিন্দু সকলৰ আধিপত্য আৰু তথাকথিত নিম্ন জাতিৰ লোকসকলৰ দাসত্ব। আম্বেদকাৰৰ মতে, সমগ্ৰ জাতি ব্যৱস্থাটো অমানৱীয়, অগণতান্ত্ৰিক আৰু নিষ্ঠুৰ আৰু সেয়েহে আম্বেদকাৰৰ মতে এই ব্যৱস্থা হ'ল সামাজিক ন্যায় আৰু অৰ্থনৈতিক সমতাৰ প্ৰতিবন্ধক। তেওঁৰ মতে এই ব্যৱস্থাই সামাজিক একতা বিনষ্ট কৰাৰ উপৰিও জাতিগত সংঘৰ্ষক এক ভয়ানক ৰূপ প্ৰদান কৰিব। সমাজৰ লোকসকলৰ মাজত যেতিয়া জাতিক লৈ বিভাজন হ'ল তেতিয়া তেওঁলোকৰ মাজত একতা স্বতঃস্ফূৰ্তভাৱে বিভাজিত হ'বই। গতিকে সামাজিক একতা বিনষ্ট কৰাৰ এটা অন্যতম উপাদান হ'ল জাতি ভেদ প্ৰথা।

জাতিভেদ প্ৰথাক সামাজিক শোষণৰ অন্যতম উপাদান হিচাপে গণ্য কৰা আম্বেদকাৰৰ মতে, জাতি প্ৰথা হ'ল হিন্দুসকলৰ মানসিক দাসত্বৰ প্ৰতিফলন। প্ৰচলিত বেদ, পুৰাণ আৰু পৰম্পৰাৰ দ্বাৰা পৰিচালিত হিন্দু লোকসকলক তেওঁ দাসত্বৰ শিকলিৰে আবৃত্ত বুলি মত প্ৰকাশ কৰি কৈছিল যে ইয়াৰ পৰা মুক্তি পাবলৈ হ'ল এই বেদ, পুৰাণ, ধৰ্মীয় গ্ৰন্থ আৰু পৰম্পৰাৰ শিকলিৰ পৰা মুক্তি পাবই লাগিব।

জাতিভেদ প্ৰথাৰ সম্পূৰ্ণ নিৰ্মূল বিচৰা আম্বেদকাৰে মত প্ৰকাশ কৰিছিল যে সামাজিক প্ৰগতিৰ বাবে সমাজৰ গৰিষ্ঠসংখ্যক অনুন্নত বা পিছপৰা লোকৰ উন্নতিৰ বাহিৰে কোনো বিকল্প নাই। সেয়েহে তেওঁ এই জাতিভেদ প্ৰথাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছিল। তেওঁ জাতিপ্ৰথাক অন্যায়ৰ এক প্ৰতীক হিচাবে আখ্যা দিছিল। তেওঁ জাতি প্ৰথাৰ বিৰুদ্ধে আৰম্ভ কৰা জেহাদ একমাত্ৰ জাতিভেদ প্ৰথাৰ নিৰ্মূলেই নাছিল, এই জেহাদ আছিল সমাজৰ সকলো লোকৰ জীৱনৰ মানদণ্ড উন্নত কৰাৰ জেহাদ আৰু মানৱীয় মৰ্যাদাবোধ প্ৰতিষ্ঠাৰ জেহাদ। সমাজৰ প্ৰচলিত জাতি প্ৰথাই সাধাৰণতে সকলো সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সুবিধাসমূহ সমাজৰ এক শ্ৰেণীৰ লোককহে প্ৰদান কৰে আৰু বেছিসংখ্যকক ইয়াৰ পৰা বঞ্চিত কৰে। ফলত শিক্ষা, ৰাজনৈতিক অধিকাৰ আদিৰ পৰা এই গৰিষ্ঠসংখ্যক শ্ৰেণী বঞ্চিত হয়। গতিকে আম্বেদকাৰৰ জাতি প্ৰথাৰ বিৰুদ্ধে হোৱা জেহাদ হ'ল— অনুন্নত লোকসকলক প্ৰয়োজনীয় অধিকাৰ প্ৰদানৰো জেহাদ।

বঞ্চনাৰ প্ৰতীক জাতিপ্ৰথাৰ উৎপত্তি সম্পৰ্কে আম্বেদকাৰে মত প্ৰকাশ কৰিছিল যে হিন্দু সমাজৰ চতুৰ্বৰ্ণ ব্যৱস্থা হ'ল জাতি প্ৰথাৰ মূল কাৰণ। সমাজখনক আৰু সমাজৰ অন্তৰ্গত ব্যক্তিসকলক এই চতুৰ্বৰ্ণ ব্যৱস্থাই অধিক্ৰম বা জখলা পদ্ধতিত সজ্জিত কৰে ফলত স্বতঃস্ফূৰ্তভাৱে সমাজৰ কিছু অংশ উচ্চ স্থানত আৰু বাকীখিনি তলৰ বিভিন্ন ভাগত প্ৰতিষ্ঠিত হৈ গোটেই সমাজখন বিভাজিত হৈ পৰে। মানৱ অধিকাৰৰ অন্যতম প্ৰৱক্তা

আম্বেদকাৰে মত প্ৰকাশ কৰিছিল যে চৰ্তুবৰ্ণ  ব্যৱস্থাৰ অন্যতম ফল জাতি প্ৰথাই ব্যক্তিৰ জন্মগত বা প্ৰাকৃতিক ক্ষমতাক ধ্বংস কৰাৰ পথ মুকলি কৰে কাৰণ ই ব্যক্তিৰ বিভিন্ন প্ৰতিভাৰ বিকাশত বাধা দান কৰে। ব্ৰাহ্মণ্যবাদৰ ঘোৰ বিৰোধিতা কৰা আম্বেদকাৰৰ মতে, ব্ৰাহ্মণসকল হ'ল কিছুমান শিক্ষিত আৰু কৌশলী মানুহৰ সমষ্টি যি বহুপৰিমাণে স্বাৰ্থপৰ আৰু যিয়ে সত্যক লুকুৱাই, বেদ, পুৰাণৰ অপব্যাখ্যাৰ দ্বাৰা নিজৰ স্বাৰ্থ আৰু কৰ্তৃত্ব সুৰক্ষিত কৰিব বিচাৰে।

গতিকে ক'ব পাৰি যে, আম্বেদকাৰে কেৱল জাতি প্ৰথাৰ অশুভ ফল আৰু এইবোৰৰ বিৰোধিতাই কৰা নাছিল, তেওঁ জাতি প্ৰথাৰ উৎপত্তিৰ মূল কাৰণ আৰু সমাজত ইয়াৰ প্ৰচলনৰ লগত জড়িত উপাদানসমূহকো সঠিকভাৱে চিনাক্ত কৰিছিল যাতে এইবোৰ মষীমূৰ কৰি জাতি প্ৰথাৰ দৰে নিষ্ঠুৰ, অমানৱীয় আৰু অগণতান্ত্ৰিক ব্যৱস্থাৰ অৱসান ঘটাই এখন প্ৰকৃত গণতান্ত্ৰিক, সমতাপূৰ্ণ আৰু সামাজিক ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত সমাজ প্ৰতিষ্ঠা কৰিব পাৰি। লগতে তেওঁ জাতি প্ৰথাৰ অন্যতম ফল অস্পৃশ্যতাৰ নিবাৰণৰ বাবে পৰামৰ্শও আগবঢ়াইছিল। আম্বেদকাৰৰ ধাৰণা আছিল অনুন্নত বা অস্পৃশ্য লোকসকলেও নিজৰ আত্ম সন্মান আৰু আত্ম-মৰ্যাদা প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰিব লাগিব। তেতিয়াহে তেওঁলোকৰ সমস্যাৰ সমাধান সম্ভৱ হ'ব। আম্বেদকাৰৰ জাতি প্ৰথাৰ ধাৰণাসমূহ বিভিন্ন দিশৰ পৰা আলোচনা কৰিব পাৰি—

(ক) জাতি প্ৰথাৰ আৰু অস্পৃশ্যতাৰ উৎপত্তিৰ প্ৰচলনৰ কাৰণ।

(খ) জাতি প্ৰথা আৰু অস্পৃশ্যতাৰ সমাধানৰ উপায় বা ব্যৱস্থা, বা দলিত সৱলীকৰণৰ উপায়।

(গ) জাতি প্ৰথা তথা অস্পৃশ্যতাৰ নিৰ্মূলৰ বাবে তেওঁ গ্ৰহণ কৰা কাৰ্যপন্থা।

## জাতি প্ৰথা আৰু অস্পৃশ্যতাৰ উৎপত্তিৰ কাৰণ

## (Causes for the Growth of Caste system and Untouchability)

আগতেই আলোচনা কৰা হৈছে অস্পৃশ্যতাৰ উৎপত্তিৰ কাৰণ আম্বেদকাৰৰ মতে হিন্দু সমাজত প্ৰচলিত জাতি প্ৰথা আৰু অস্পৃশ্যতাৰ কাৰণ জাতি প্ৰথাৰ উৎপত্তিৰ বা প্ৰচলনৰ মূল কাৰণ হ'ল— হিন্দু সমাজৰ প্ৰচলিত চতুৰ্বৰ্ণ ব্যৱস্থা যিয়ে হিন্দু সমাজক অধিক্ৰম পদ্ধতিত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰিটা ভাগত বিভক্ত কৰে। চতুৰ্বৰ্ণ ব্যৱস্থাই সমাজৰ কিছু সংখ্যকক বিশেষকৈ ব্ৰাহ্মণ সকলক অতি উচ্চ স্থানত আৰু বৈশ্য শূদ্ৰ সকলক অতি নিম্ন স্থানত প্ৰতিষ্ঠিত কৰি অস্পৃশ্যত পৰিণত কৰে। সমাজৰ লোকৰ বিভাজনৰ লগে লগে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সুবিধাৰ বিভাজনো সম্পূৰ্ণৰূপে সামাজিক ন্যায়ৰ পৰিপন্থী হৈ পৰে কাৰণ সকলোবোৰ সা-সুবিধা সমাজৰ উচ্চস্তৰৰ শিক্ষিত, কৌশলী লোকসকলে হস্তগত কৰি লয়। অৰ্থাৎ আম্বেদকাৰৰ মতে, সামাজিক ভাৱে বঞ্চিত লোকসকল ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদি সকলো দিশৰ পৰা বঞ্চিত হয়। এইদৰে মাৰ্ক্সৰ ইতিহাসৰ অৰ্থনৈতিক ব্যাখ্যাৰ বিপৰীতে আম্বেদকাৰে সমাজৰ ইতিহাসৰ সামাজিক ব্যাখ্যাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে সামাজিক মৰ্যাদাইহে ব্যক্তিৰ আন দিশবোৰ নিৰ্দ্ধাৰণ কৰে। আম্বেদকাৰে নিজৰ ঠাইত যেতিয়া বঞ্চনা আৰু পৰিহাসৰ সন্মুখীন হ'বলগা হৈছিল তেতিয়া আম্বেদকাৰে সামাজিক মৰ্যাদাৰ গুৰুত্ব সম্পৰ্কে এই ধাৰণা পোষণ কৰিছিল।

আকৌ, আম্বেদকাৰৰ মতে, অস্পৃশ্যতা আৰু জাতিভেদ প্ৰথাৰ উৎপত্তি আৰু প্ৰচলনৰ আৰু এটা গুৰুত্বপূৰ্ণ কাৰণ আছিল, হিন্দু সমাজত অতি পৱিত্ৰৰূপে পৰিচিত বেদ, পুৰাণ, মহাকাব্য আদি যিবোৰত বহু পৰিমাণে সত্যক এক পৃথক ৰূপে অংকিত কৰা হৈছে আৰু যিবোৰ বহুপৰিমাণে সমাজৰ উচ্চ শ্ৰেণীৰ লোকৰ

স্বাৰ্থৰ দ্বাৰা পৰিচালিত। সমাজৰ মানুহৰ মাজত বিভেদৰ সৃষ্টি কৰিব বিচৰা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠাৰ পথত হেঙাৰস্বৰূপে ঠিয় হোৱা এই মহাকাব্য বা ধৰ্মীয় গ্ৰন্থৰ প্ৰতি বিষাদগাৰ প্ৰকাশ কৰা আম্বেদকাৰে আনকি মনুসংহিতাক ৰাজহুৱাভাৱে দাহন কৰিছিল আৰু ইয়াত অন্তৰ্গত নীতিৰ ব্যাখ্যাৰ বিৰোধিতা কৰিছিল।

জাতি প্ৰথাৰ বা অস্পৃশ্যৰ প্ৰচলনৰ আন এটা কাৰণ সম্পৰ্কত আম্বেদকাৰৰ ধাৰণা আছিল অনুন্নত তথা পিছপৰা লোকসকলৰ সজাগতা, আত্ম-সন্মানবোধৰ অভাৱ। তেওঁলোকৰ এই অভাৱৰ ফলতেই সমাজৰ উচ্চ শ্ৰেণীৰ লোকসকলে তেওঁলোক যুগ যুগ ধৰি শোষণ কৰি আহিছে। সেয়েহে, আম্বেদকাৰৰ মতে, যেতিয়ালৈকে অনুন্নত সম্প্ৰদায়ৰ লোকসকলে তেওঁলোকৰ অধিকাৰ, প্ৰাপ্যৰ বাবে সচেতনভাৱে বিদ্ৰোহ নকৰে তেতিয়ালৈকে তেওঁলোকৰ সামাজিক উত্থান সম্ভৱ নহয় আৰু তেতিয়ালৈকে সমাজত ন্যায় প্ৰতিষ্ঠা হ'ব নোৱাৰে। অৰ্থাৎ, আম্বেদকাৰৰ মতে, অস্পৃশ্যতাৰ প্ৰচলন আৰু উৎপত্তিৰ ক্ষেত্ৰতে কেৱল সমাজৰ উচ্চ শ্ৰেণীৰ লোকসকলেই দোষী নহয়, পিছপৰা অনুন্নত লোকসকলো দায়ী কাৰণ তেওঁলোকো নিজৰ অধিকাৰ আৰু আত্ম-সন্মান সম্পৰ্কে সচেতন নহয় বা এইবোৰ লাভৰ বাবে তেওঁলোকে কোনো সংগঠিত চেষ্টাও কৰা নাই। ফলত তেওঁলোকৰ ওপৰত উচ্চ শ্ৰেণীৰ আধিপত্য প্ৰতিষ্ঠাৰ চেষ্টা সদায় সফল হৈ আছে আৰু ইয়াৰ প্ৰতিবাদ নোহোৱালৈ এই প্ৰচেষ্টা সফল হৈয়েই থাকিব।

আম্বেদকাৰৰ মতে, ৰাজনৈতিক ক্ষমতাৰ অভাৱো জাতি আৰু অস্পৃশ্যতাৰ প্ৰচলনৰ আন এটা কাৰণ। ৰাজনৈতিক শক্তিবোৰ সদায় সমাজৰ উচ্চ শ্ৰেণীৰ লোকসকলক লৈ গঠিত হোৱাৰ ফলত ৰাজনৈতিক প্ৰক্ৰিয়া সদায় এনেদৰে পৰিচালিত হয় যাতে এইবোৰে উচ্চ শ্ৰেণীৰ লোকসকলৰ স্বাৰ্থ আৰু আধিপত্য সুৰক্ষিত কৰে। গতিকে ৰাজনৈতিক প্ৰতিনিধিত্ব লাভৰ পৰা বঞ্চিত অনুন্নত সম্প্ৰদায়ৰ লোকসকলে নিজৰ দাবী তথা অধিকাৰ লাভৰ বাবে আৰু নিজৰ সমস্যা সমাধানৰ বাবে কোনো প্ৰচেষ্টা গ্ৰহণ কৰিব নোৱাৰে। ফলত তেওঁলোকৰ অৱস্থা ক্ৰমান্বয়ে শোচনীয় হৈ পৰে। আম্বেদকাৰে লগতে, আমোলাতান্ত্ৰিক ব্যৱস্থাত অনুন্নত তথা পিছপৰা লোকৰ অনুপস্থিতি আৰু ৰাজনৈতিক ব্যৱস্থাৰ দৰে আমোলাতান্ত্ৰিক ব্যৱস্থাত উচ্চ শ্ৰেণীৰ লোকৰ আধিপত্যৰ বাবে পিছপৰা শ্ৰেণীৰ লোকসকলে প্ৰয়োজনীয় সা-সুবিধাৰ পৰা বঞ্চিত হ'ব লগা হয় বুলি মত প্ৰকাশ কৰিছিল।

এইদৰে আম্বেদকাৰে জাতি প্ৰথাৰ উৎপত্তি আৰু প্ৰচলনৰ কাৰণ বিলাকৰ বাস্তৱৰ ওপৰত প্ৰতিষ্ঠিত ব্যাখ্যা আগবঢ়াইছিল। অৱশ্যে এই সকলোবোৰৰ ভিতৰত তেওঁ চতুৰ্বৰ্ণ ব্যৱস্থাক জাতি প্ৰথাৰ উৎপত্তিৰ অন্যতম কাৰণ আৰু জাতি প্ৰথাক অস্পৃশ্যতাৰ অন্যতম কাৰণ হিচাপে চিহ্নিত কৰিছিল। জাতি প্ৰথা আৰু অস্পৃশ্যতাৰ বিলুপ্তি আৰু পিছপৰা সম্প্ৰদায়ৰ সামাজিক মৰ্যাদাৰ উত্থানৰ লগে লগে আনুষাংগিক কাৰণ সমূহৰো বিলুপ্তি ঘটিব বুলি তেওঁ মত প্ৰকাশ কৰিছিল আৰু সেয়েহে চতুৰ্বৰ্ণ আৰু জাতি প্ৰথাৰ বিলুপ্তিৰ বাবে বিদ্ৰোহ আৰম্ভ কৰিছিল।

## সমাজিক ন্যায়ৰ প্ৰবক্তা হিচাবে আম্বেদকাৰ

## (Ambedkar as advocate of Social Justice)

সামাজিক ন্যায়ৰ ধাৰণা ৰাজনৈতিক তত্ত্বৰ এক গুৰুত্বপূৰ্ণ ধাৰণা। জাতি-ধৰ্ম-বৰ্ণ-লিঙ্গ নিৰ্বিশেষে সমাজৰ সকলো শ্ৰেণীৰ লোককে সমান সুযোগ-সুবিধা তথা অধিকাৰ আৰু সামাজিক মৰ্যাদা প্ৰদান কৰাই হ'ল সামাজিক ন্যায়। সামাজিক ন্যায়ৰ তিনিটা প্ৰধান নীতি আছে—

— সমানৰ প্ৰতি সমান ব্যৱহাৰ

— আনুপাতিক সমতা

— বিশেষ শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থা।

আম্বেদকাৰৰ সমাজৰ পিছপৰা লোকৰ মৰ্যাদাৰ উন্নয়নৰ বাবে কৰা প্ৰচেষ্টাসমূহ মূলতঃ সামাজিক ন্যায় প্ৰতিষ্ঠাৰ এক প্ৰচেষ্টা আছিল। তেওঁ সামাজিক ন্যায়ৰ তৃতীয় নীতিটোৰ (বিশেষ শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থা) কাৰ্যকাৰিতাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিছিল আৰু ইয়াৰ বাবে সামাজিক, সাংবিধানিক বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ প্ৰথমতে ভাৰতীয় সমাজত প্ৰচলিত সামাজিক ন্যায়ৰ প্ৰতিবন্ধকতা সমূহ চিনাক্ত কৰিছিল আৰু এইবোৰ সমাধানৰ বাবে প্ৰয়োজনীয় পৰামৰ্শৰ লগতে ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰিছিল।

## সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাধাসমূহ

## (Hindrances towards the Establishement of Social Justice)

চমুকৈ ক'বলৈ গ'লে আম্বেদকাৰৰ মতে ভাৰতীয় সমাজত সামাজিক ন্যায় প্ৰতিষ্ঠাৰ অন্যতম বাধা বা হেঙাৰ সমূহ হ'ল—

**(i) চতুবৰ্ণ ব্যৱস্থা (Chaturbarna System) ঃ** আম্বেদকাৰৰ মতে, ভাৰতত সামাজিক ন্যায়পূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত থকা প্ৰধান বাধা হ'ল ইয়াৰ সামাজিক গাঁঠনি যিটো চতুৰ্বৰ্ণ ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। চতুবৰ্ণ ব্যৱস্থাই সমাজৰ ব্যক্তিসকলক মূলতঃ চাৰিটা শ্ৰেণীত বিভক্ত কৰে— ব্ৰাহ্মণ, ক্ষত্ৰিয়, ক্ষুদ্ৰ আৰু বৈশ্য। এই ব্যৱস্থাই ব্যক্তিৰ শ্ৰেণীবিভাজনৰ লগতে সমাজত ব্যক্তিৰ পদমৰ্যাদা আৰু কাৰ্য আৰু সা-সুবিধাবোৰ নিৰ্দ্ধাৰণ কৰি দিয়ে। চতুৰ্বৰ্ণ ব্যৱস্থাৰ ভিত্তিত নিৰ্দ্ধাৰিত ব্যক্তিৰ শ্ৰেণীবিভাজনে পদমৰ্যাদা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ব্ৰাহ্মণ সকলক সামাজিক গাঁঠনিৰ উচ্চতম স্থানত আৰু শূদ্ৰ, বৈশ্য সকলক নিম্নতম স্থানত উপবিষ্ট কৰায়। কেৱল এয়াই নহয় এই ব্যৱস্থাত ব্ৰাহ্মণ সকলক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো সা-সুবিধা প্ৰদান কৰাৰ বিপৰীতে নিম্নতম স্থানত থকা সকলক এই সকলোবোৰৰ পৰা বঞ্চিত কৰে।

**(ii) ব্ৰাহ্মণ্যবাদ (Brahminism) ঃ** চতুবৰ্ণ ব্যৱস্থা, সামাজিক শ্ৰেণীবিভাজনৰ অন্যতম ফল হ'ল আম্বেদকাৰৰ মতে, ব্ৰাহ্মণ্যবাদ। সমাজত ব্ৰাহ্মণ শ্ৰেণীৰ দ্বাৰা সকলো সা-সুবিধা ভোগ আৰু সামাজিক পদমৰ্যাদাৰ ভিত্তিত ব্ৰাহ্মণ সকলৰ দ্বাৰা আন শ্ৰেণীৰ লোকসকলক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিকভাৱে শোষণ কৰা কাৰ্যকে আম্বেদকাৰে ব্ৰাহ্মণ্যবাদ আখ্যা দিছিল। ব্ৰাহ্মণ সকলৰ দ্বাৰা চতুৰ্বৰ্ণ ব্যৱস্থা আৰু ইয়াৰ ভিত্তিত নিৰ্দ্ধাৰিত সামাজিক গাঁঠনিৰ সংৰক্ষণৰ অহোপুৰুষাৰ্থ চেষ্টাই সমাজত ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে।

**(iii) অস্পৃশ্যতা (Untouchability) ঃ** আম্বেদকাৰৰ মতে, জাতিপ্ৰথাৰ এটা অশুভ পৰম্পৰা বা সৃষ্টি হ'ল অস্পৃশ্যতা অৰ্থাৎ সামাজিক গাঁঠনিৰ নিম্নতম স্থানত ৰখা ব্যক্তিসকলক আন লোকসকলৰ সংস্পৰ্শৰ বাহিৰত ৰখা। এই ব্যৱস্থাই অস্পৃশ্য হিচাপে পৰিগণিত কৰা লোকসকলক সকলো ধৰণৰ সা-সুবিধা যেনে— শিক্ষা লাভৰ সুবিধা, ৰাজহুৱা পুখুৰী, নলী-নাদ আদিৰ ব্যৱহাৰৰ সুবিধা আদিৰ পৰা বঞ্চিত কৰাৰ উপৰিও আন ৰাজনৈতিক আৰু অৰ্থনৈতিক সা-সুবিধাৰ পৰাও বঞ্চিত কৰে। মানৱীয় মৰ্যাদাক ভূলুণ্ঠিত কৰা অন্যতম ব্যৱস্থাটোৱেই হ'ল আম্বেদকাৰৰ মতে অস্পৃশ্যতা।

(iv) **ৰাজনৈতিক প্ৰতিনিধিত্বহীনতা (Lack of Political Representation)** ঃ আম্বেদকাৰৰ মতে দলিত বা অনুন্নত সম্প্ৰদায়ৰ ৰাজনৈতিক প্ৰতিনিধিত্বহীনতা ও সামাজিক ন্যায় প্ৰতিষ্ঠাৰ এটা অন্যতম পৰোক্ষ বাধা বা হেঙাৰ। তেওঁৰ মতে দলিত সকলৰ ৰাজনৈতিক প্ৰতিনিধিত্বই তেওঁলোকৰ সামাজিক মৰ্যাদা সুনিশ্চিত কৰাৰ উপৰিও আন সা-সুবিধা সমূহ প্ৰদান কৰি তেওঁলোকক সৱলীকৰণ কৰাত তথা সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। গতিকে, আম্বেদকাৰৰ মতে সমাজৰ এক বিশেষ শ্ৰেণীৰ ৰাজনৈতিক ক্ষেত্ৰত থকা আধিপত্য আৰু আন শ্ৰেণীৰ প্ৰতিনিধিত্বহীনতা হ'ল সামাজিক ন্যায় প্ৰতিষ্ঠাৰ এটা অন্যতম বাধা বা প্ৰতিবন্ধক।

(v) **ৰাজনৈতিক প্ৰতিনিধিত্বহীনতা (Lack of Self-Consciousness)** ঃ আম্বেদকাৰৰ মতে, দলিত সকলৰ আত্ম-সজাগতা বা আত্ম-সন্মানবোধৰ অভাৱ হ'ল সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত থকা আন এটা প্ৰতিবন্ধক। আত্ম-সন্মান তথা আত্ম-মৰ্যাদাৰ উত্থান নোহোৱালৈকে দলিত সকলে নিজৰ সামাজিক সা-সুবিধাৰ উদ্ধাৰৰ দ্বাৰা সামাজিক ন্যায় প্ৰতিষ্ঠাৰ প্ৰতি অৱদান যোগাব নোৱাৰে। সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সমাজৰ সকলো শ্ৰেণীৰ লোকৰে সমান অংশগ্ৰহণ থকা উচিত। গতিকে ব্ৰাহ্মণসকলৰ আধিপত্য বা উচ্চাত্মিকাৰ লগতে দলিত তথা অনুন্নত সম্প্ৰদায়ৰ নীচাত্মিকাভাৱে বা আত্ম-সজাগতাৰ অভাৱে আম্বেদকাৰৰ মতে সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত থকা আন এটা গুৰুত্বপূৰ্ণ প্ৰতিবন্ধক।

এইবোৰৰ উপৰিও আম্বেদকাৰে বিভিন্ন ধৰ্মীয় গ্ৰন্থ বা বেদ পুৰাণৰ মতবাদকো সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰা বুলি মত প্ৰকাশ কৰিছিল। তেওঁ বিশেষকৈ 'মনুসংহিতা'ৰ দৰে গ্ৰন্থৰ সম্পূৰ্ণ বিৰোধিতা কৰিছিল। তেওঁ ইয়াৰ প্ৰতিবাদস্বৰূপে আনকি 'মনুসংহিতাক' ৰাজহুৱা ভাৱে দাহন কৰি সামাজিক ন্যায় প্ৰতিষ্ঠাৰ এই ধৰ্মীয় বা পৌৰাণিক প্ৰতিবন্ধকতাসমূহ আতৰ কৰাৰ পোষকতা কৰিছিল।

## সামাজিক ন্যায় প্ৰতিষ্ঠাৰ প্ৰচেষ্টা

## (Efforts towards establishment of Social Justice)

জাতি প্ৰথাৰ উৎপত্তি আৰু প্ৰচলনৰ কাৰণ বিশ্লেষণ কৰা আম্বেদকাৰে অৱধাৰিতভাৱেই এইবোৰ সমাধানৰ উপায় আগবঢ়াইছিল। তেওঁৰ মতে, এই সমস্যাৰ, অৰ্থাৎ সমাজৰ অধিক্ৰমিক বিভাজনক নিৰ্মূল কৰাৰ অন্যতম উপায় হ'ল সমগ্ৰ **চতুৰ্বৰ্ণ ব্যৱস্থা আৰু ইয়াৰ অন্যতম ফল জাতি প্ৰথা নিৰ্মূল কৰা**। সমাজৰ পৰা জাতি প্ৰথা আৰু মানুহৰ মাজৰ বিভিন্ন ধৰণৰ বিভাজন নিৰ্মূল কৰাৰ লগে লগে স্বতঃস্ফূৰ্তভাৱে অস্পৃশ্যতাৰ দৰে ঘৃণনীয় আৰু নিষ্ঠুৰ কাৰ্য বা ঘটনা সমাজৰ পৰা বিলুপ্ত হ'ব। সেয়েহে তেওঁ জাতি প্ৰথাৰ সম্পূৰ্ণ বিলুপ্তি কামনা কৰিছিল। তেওঁৰ মতে, জাতি প্ৰথা আৰু চতুৰ্বৰ্ণ ব্যৱস্থা হ'ল কিছুমান বুধিয়ক আৰু স্বাৰ্থপৰ মানুহৰ কৃত্ৰিম সৃষ্টি যিবোৰৰ প্ৰচলনৰ বৈধতা তেওঁলোকে হিন্দু সমাজৰ পুৰণি বেদ, মহাকাব্য, পুৰাণ আদিৰ দ্বাৰা প্ৰতিষ্ঠা কৰে। গতিকে এই মহাকাব্যৰ দ্বাৰা সত্যৰ অপব্যাখ্যা আৰু কৃত্ৰিম তথা মানৱসৃষ্ট ব্যৱস্থাৰ পৰিসমাপ্তিয়েই হ'ল আম্বেদকাৰৰ মতে অস্পৃশ্যতাৰ অৱসানৰ অন্যতম উপায় আৰু লগতে সামাজিক ন্যায় প্ৰতিষ্ঠাৰো অন্যতম পথ।

ইয়াৰ উপৰিও আম্বেদকাৰে আন কিছুমান আনুসাংগিক উপায়ো আগবঢ়াইছিল যিবোৰৰ জৰিয়তে কিছু পৰিমাণে হ'লেও দলিত সকলৰ অৱস্থাৰ উন্নতি ঘটাব পৰা যায় বা সমাজত সমতা আৰু ন্যায় প্ৰতিষ্ঠা কৰিব পৰা যায়। **ৰাজনৈতিক প্ৰতিনিধিত্বৰ সুযোগ বা সুবিধা আৰু আমোলাতন্ত্ৰত অস্পৃশ্য বা পিছপৰা শ্ৰেণীৰ**

**অন্তৰ্ভুক্তি হ'ল** আম্বেদকাৰৰ মতে অন্যতম উপায় যাৰ জৰিয়তে পিছপৰা শ্ৰেণীৰ লোকসকলে নিজৰ উন্নতিৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। সমাজৰ উচ্চ শ্ৰেণীৰ প্ৰতিনিধিত্বৰে পৰিপূৰ্ণ ৰাজনৈতিক ব্যৱস্থা আৰু আমোলাতন্ত্ৰই সদায় নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আহিছে। ফলত, সমাজৰ পিছপৰা লোকসকল বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত হৈছে। যেতিয়াই ওপৰোক্ত দুয়োটা ব্যৱস্থাত পিছপৰা লোকসকল অন্তৰ্ভুক্ত হ'ব তেতিয়াই এই বঞ্চনা আৰু নিপীড়নৰ অন্ত পৰিব। গতিকে আম্বেদকাৰৰ মতে, ৰাজনৈতিক ব্যৱস্থা আৰু আমোলাতন্ত্ৰত পিছপৰা লোকৰ প্ৰতিনিধিত্ব হ'ল সামাজিক ন্যায় প্ৰতিষ্ঠাৰ অন্যতম উপায়। দলিত সকলৰ ৰাজনৈতিক প্ৰতিনিধিত্ব সুনিশ্চিত কৰাৰ বাবে তেওঁ আনকি পৃথক নিৰ্বাচকমণ্ডলীৰো দাবী উত্থাপন কৰিছিল আৰু ইংৰাজ চৰকাৰৰ দ্বাৰা প্ৰৱৰ্তিত এই ব্যৱস্থাক আদৰণি জনাইছিল। তেওঁৰ মতে পৃথক নিৰ্বাচক মণ্ডলীৰ ব্যৱস্থাইহে দলিতসকলক ৰাজনৈতিক ন্যায় প্ৰদান কৰিব পাৰিব। অৱশ্যে পিছত তেওঁ মহাত্মা গান্ধীৰ অনুৰোধৰ প্ৰতি সহাৰি জনাই পৃথক নিৰ্বাচকমণ্ডলীৰ দাবী প্ৰত্যাহাৰ কৰিছিল আৰু দলিত সকলৰ স্বাৰ্থ সুৰক্ষাৰ প্ৰতিশ্ৰুতি দিয়া 'পুনা চুক্তি'ত স্বাক্ষৰ কৰিছিল।

## পুনা চুক্তি

পুনা চুক্তি হ'ল আম্বেদকাৰে পৃথক নিৰ্বাচকমণ্ডলীৰ দাবী ত্যাগ কৰাৰ বাবে গ্ৰহণ কৰা এক বিকল্প ব্যৱস্থা। অস্পৃশ্য তথা অনুন্নত সম্প্ৰদায়ৰ ৰাজনৈতিক প্ৰতিনিধিত্বৰ সুনিশ্চিতিৰ বাবে আম্বেদকাৰে পৃথক নিৰ্বাচকমণ্ডলীৰ দাবী উত্থাপন কৰিছিল। দলিত সকলৰ নেতৃত্ব প্ৰদানৰ এইটোৱেই আটাইতকৈ গ্ৰহণযোগ্য উপায় হিচাপে বিবেচনা কৰা আম্বেদকাৰে সেয়েহে বৃটিছ চৰকাৰৰ সাম্প্ৰদায়িক বটাকো আদৰণি জনাইছিল। 1930-31 চনত লণ্ডনত বহা ঘূৰণীয়া মেজমেলত মহাত্মা গান্ধীয়ে কিন্তু পৃথক নিৰ্বাচকমণ্ডলীৰ দাবীৰ বিৰোধিতা কৰিছিল। গান্ধীৰ মতে, দলিত সকলৰ বাবে ধৰ্মীয় আৰু সামাজিক গ্ৰহণযোগ্যতাহে প্ৰয়োজনীয়, বিশেষ বৈধিক বা ৰাজনৈতিক অধিকাৰৰ নহয়। 1931 চনৰ 17 আগষ্টত, বৃটিছ চৰকাৰে সাম্প্ৰদায়িক বটা (Communal Award) ঘোষণা কৰিছিল আৰু ইয়াৰ জৰিয়তে দলিত সকলক প্ৰাদেশিক বিধানসভাত পৃথক আসন প্ৰদানৰ ব্যৱস্থা কৰিছিল আৰু দলিত সকলৰ বাবে দ্বি-ভোটৰ ব্যৱস্থা কৰিছিল। সাম্প্ৰদায়িক বটাৰ এই ব্যৱস্থা 20 বছৰলৈ কৰা হৈছিল। মহাত্মা গান্ধীয়ে এই ব্যৱস্থাৰ ঘোৰ বিৰোধিতা কৰিছিল আৰু ইয়াৰ প্ৰত্যাহাৰৰ দাবী জনাই 1932 চনৰ 20 চেপ্তেম্বৰত আমৰণ অনশন আৰম্ভ কৰিছিল। আম্বেদকাৰৰ মতে, যদি এই ব্যৱস্থাই ৰাষ্ট্ৰীয় ঐক্যত আঘাত নকৰে তেনেহ'লে ইয়াৰ বিৰোধিতা কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। তেওঁৰ মতে, যিহেতু বিভিন্ন ব্যক্তিৰ প্ৰচেষ্টায়ো অস্পৃশ্যসকলৰ ভাগ্যৰ সংশোধন কৰিব নোৱাৰিলে সেয়েহে সংশোধনৰ কোনো প্ৰস্তাৱেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। কিন্তু শেষত মহাত্মা গান্ধীৰ অৱস্থালৈ সন্মান জনাই আম্বেদকাৰে তেওঁৰ প্ৰস্তাৱ বিসৰ্জন দিছিল আৰু অস্পৃশ্য তথা দলিত সকলৰ স্বাৰ্থৰ সুৰক্ষা সম্বলিত চুক্তিত স্বাক্ষৰ কৰিছিল। উচ্চ জাতিৰ হিন্দু লোকসকলৰ হৈ পণ্ডিত মদন মোহন মালব্য আৰু দলিত সকলৰ হৈ ডা. বাবাচাহেব আম্বেদকাৰে 1932 চনৰ 24 চেপ্তেম্বৰত পুনা চুক্তিত স্বাক্ষৰ কৰিছিল। পুনা চুক্তিত পৃথক নিৰ্বাচক মণ্ডলীৰ বিপৰীতে যৌথ নিৰ্বাচকমণ্ডলী আৰু দলিত সকলৰ বাবে বিধানসভাত আসন সংৰক্ষণৰ ব্যৱস্থা ব্যৱস্থা কৰি সাম্প্ৰদায়িক বটাৰ ব্যৱস্থা বাতিল কৰা হৈছিল। এইটো সঁচা যে পুনা চুক্তিৰ দলিত সকলৰ বাবে বিধানসভাত আসন সংৰক্ষণৰ উচিত ব্যৱস্থা কৰিছিল কিন্তু ই দলিত সকলৰ মাজত নেতৃত্ব সৃষ্টিৰ পথ বন্ধ কৰিছিল যৌথ নিৰ্বাচকমণ্ডলীৰ জৰিয়তে যাৰ ফলত দলিত সকলে নিৰ্বাচনত জয়লাভ কৰিবলৈ উচ্চ হিন্দুৰ ভোটৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। অৰ্থাৎ, পুনা চুক্তিয়ে আম্বেদকৰাৰ ইচ্ছাক প্ৰকৃত সন্মান জনাব পৰা নাছিল আৰু আজি স্বাধীনতাৰ ইমান বছৰৰ পিছতো আম্বেদকাৰৰ সপোন প্ৰকৃত ৰূপত ফলৱতী নহ'ল। বৰ্তমান সময়তো ভাৰতীয় ৰাজনীতিত উচ্চ হিন্দুৰ দপদপনি বহু পৰিমাণে পৰিলক্ষিত যদিও কিছু অঞ্চলত ইয়াৰ ব্যতিক্ৰম দেখা যায়।

পিছপৰা সম্প্ৰদায়ৰ লোকসকলৰ আত্ম-সন্মানবোধ আৰু সজাগতাৰ অভাৱক বঞ্চনাৰ অন্যতম কাৰণ হিচাপে বিবেচনা কৰা আম্বেদকাৰে পৰামৰ্শ আগবঢ়াইছিল যে **তেওঁলোকৰ মাজত সজাগতাৰ আৰু আত্ম-সন্মানবোধৰ উত্থান** হ'লেহে শোষণ আৰু নীপিড়নৰ অন্ত পৰিব। যেতিয়ালৈ আত্ম-সন্মানবোধ ৰক্ষাৰ বাবে দলিতসকলৰ মনত-তাড়নাৰ সৃষ্টি নহয়, তেতিয়ালৈকে তেওঁলোক বঞ্চনা আৰু শোষণৰ সন্মুখীন হৈ থাকিব লাগিব। অৰ্থাৎ সমাজৰ মানুহৰ মাজৰ উচ্চ-নীচ ধাৰণা আতৰ কৰিবৰ বাবে উচ্চ শ্ৰেণীৰ ব্ৰাহ্মণসকলৰ উচ্চাত্মীকা ভাৱ বিলুপ্তিৰ লগতে নিম্ন শ্ৰেণী বুলি পৰিগণিত লোকসকলৰ নীচাত্মিকা মনোভাৱৰো বিলুপ্তি হ'ব লাগিব। তেতিয়াহে সমাজ সমতাপূৰ্ণ আৰু ন্যায়পূৰ্ণ হ'ব।

সামাজিক ন্যায়ৰ অন্যতম প্ৰবক্তা আম্বেদকাৰে যে কেৱল দলিত বা পিছপৰা সম্প্ৰদায়ৰ লোকৰ শোষণ আৰু বঞ্চনাৰ বিৰুদ্ধে জেহাদ বা পিছপৰা সম্প্ৰদায়ৰ লোকৰ শোষণ আৰু বঞ্চনাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছিল তেনেকুৱা নহয়, যি কোনো ধৰণৰ শোষণ আৰু বঞ্চনাৰ তেওঁ সজোৰে প্ৰতিবাদ কৰিছিল। ভাৰতীয় সমাজত নাৰীৰ অৱদমিত অৱস্থাৰো তেওঁ প্ৰতিবাদ কৰিছিল। তেওঁৰ মতে, **ধৰ্মীয় আৰু সামাজিক সংস্কাৰৰ লগতে ভাৰতীয় সমাজৰ ক্ষুদ্ৰ গোটসমূহ অৰ্থাৎ পৰিয়ালৰো সংশোধনৰ প্ৰয়োজন**। পৰিয়ালৰ সংশোধনৰ বাবে তেওঁ বাল্য বিবাহ, সতী প্ৰথা আদিৰ দৰে প্ৰথাৰ বিলুপ্তিৰ পোষকতা কৰিছিল কাৰণ তেওঁৰ মতে, এই প্ৰথাবোৰৰ বিলুপ্তিয়েই নাৰীৰ মৰ্যাদা সুনিশ্চিত কৰাত আৰু নাৰীৰ স্থান উন্নত কৰাত সহায় কৰিব। ভাৰতীয় নাৰীৰ মৰ্যাদা তথা সামাজিক স্থান উন্নত কৰাৰ বাবে তেওঁ বিবাহ আৰু বিবাহ বিচ্ছেদ সম্পৰ্কীয় প্ৰচলিত আইনৰ সংশোধনৰো পৰামৰ্শ আগবঢ়াইছিল। মহিলা সকলক শিক্ষা, সম্পত্তিৰ অধিকাৰ প্ৰদানৰ পোষকতা কৰা আম্বেদকাৰে সকলো ক্ষেত্ৰতো পুৰুষৰ লগতে মহিলাৰ সমানতা আৰু সমান মৰ্যাদাৰ দাবী উত্থাপন কৰিছিল।

ওপৰৰ আলোচনাৰ পৰা স্পষ্ট হয় যে আম্বেদকাৰে যিকোনো ধৰণৰ অৱহেলিত, বঞ্চিত আৰু শোষিত লোকৰ বঞ্চনা আৰু শোষণৰ অন্ত পেলাই এখন সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল য'ত সমাজৰ প্ৰতিটো গোটেই নিজৰ প্ৰাপ্য অধিকাৰ আৰু মৰ্যাদা লাভ কৰিব আৰু য'ত সামাজিক ন্যায় সম্পূৰ্ণৰূপে প্ৰতিষ্ঠা হ'ব। অন্য অৰ্থত, সামাজিক ন্যায় প্ৰতিষ্ঠাৰ হ'কে আম্বেদকাৰে প্ৰয়োজনীয় সকলো দিশ আলোচনা কৰি ইয়াৰ বাস্তৱ প্ৰয়োগৰ বাবে গ্ৰহণযোগ্য পৰামৰ্শ আগবঢ়াইছিল।

## সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে আম্বেদকাৰে গ্ৰহণ কৰা কাৰ্য পন্থা—

সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে জাতিপ্ৰথাৰ বিলুপ্তি সম্পৰ্কত পৰামৰ্শ আগবঢ়াইয়ে আম্বেদকাৰে নিজৰ দায়িত্ব শেষ কৰা নাছিল। তেওঁ ইয়াৰ বাবে হাতে-কামে লাগিছিল আৰু যথেষ্ট পৰিমাণে সফলো হৈছিল।

আম্বেদকাৰে এই প্ৰসংগত গ্ৰহণ কৰা এটা অন্যতম উপায় আছিল বিভিন্ন স্থানৰ **দলিত বা পিছপৰা লোকৰ মাজত জাতি প্ৰথাৰ বিৰুদ্ধে বক্তৃতা প্ৰদান কৰা** আৰু ইয়াৰ জৰিয়তে জনসাধাৰণৰ মনত **জাতি প্ৰথাৰ বিৰুদ্ধে জনসজাগতা সৃষ্টি কৰা।** সজাগতাইহে যিকোনো সমস্যাৰ সমাধানৰ পথ উদ্ভৱ কৰাত সহায় কৰিব পাৰে। সেয়েহে জাতিপ্ৰথাৰ কু-ফল সম্পৰ্কে সজাগতা সৃষ্টি কৰাত অৰিহণা যোগাবলৈ আম্বেদকাৰে তেওঁৰ বাস্তৱ তথ্যগধূৰ ভাষণ দাঙি ধৰিছিল। আম্বেদকাৰ এই ক্ষেত্ৰত অন্যতম সফল ব্যক্তি বুলি পৰিগণিত। কাৰণ, গান্ধীৰ পিছতে অন্যতমভাৱে আম্বেদকাৰক অস্পৃশ্য হিচাপে পৰিগণিত লোকৰ সমস্যাৰ উত্থাপক বুলি জনা যায়। বৰং, এই ক্ষেত্ৰত আম্বেদকাৰৰ স্থান গান্ধীতকৈ বহুত ওপৰত বুলি মত প্ৰকাশ কৰিব পাৰি। সেয়েহে আম্বেদকাৰক প্ৰকৃত অৰ্থত দলিত সকলৰ ত্ৰাণকৰ্তা হিচাপে আখ্যা দিয়া হয়। এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি আম্বেদকাৰৰ বিখ্যাত ৰচনা Annihilation of Caste হ'ল তেওঁ 1936 চনত লাহোৰত প্ৰদান কৰা বক্তৃতাৰ

লিখিত ৰূপ।

আকৌ, জাতি প্ৰথাৰ কু-ফল জনসাধাৰণৰ সন্মুখত উদঙাই দিয়াৰ বাবে আম্বেদকাৰে 'মুক নায়ক' (Mook Nayak) নামেৰে এখন সাপ্তাহিক বাতৰি কাকত 1920 চনত প্ৰকাশ কৰি উলিয়াইছিল। অনুন্নত আৰু দলিত লোকসকলৰ অৱস্থাৰ বৰ্ণনা কৰি ইয়াৰ জৰিয়তে তেওঁ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সংস্কাৰৰ দাবী উত্থাপন কৰিছিল আৰু অৱনমিত লোকৰ বাবে প্ৰয়োজনীয় অধিকাৰৰ দাবী উত্থাপন কৰিছিল। 1924 চনত তেওঁ আন এখন বাতৰি কাকত প্ৰকাশ কৰি উলিয়াইছিল যিখনৰ নাম আছিল বহিস্কৃত ভাৰত (Bahiskrit Bharat) য'ত তেওঁ শিক্ষা, সংস্কৃতি আৰু ৰাজনৈতিক প্ৰতিনিধিত্বৰ সম্প্ৰসাৰণেৰে পিছপৰা শ্ৰেণীৰ লোকৰ সামাজিক স্থান উন্নতিৰ পোষকতা কৰিছিল।

হিন্দু ধৰ্মৰ মহাকাব্য আৰু ধৰ্মীয় গ্ৰন্থৰ অন্তৰ্গত ধাৰণাৰ সদায় বিৰোধিতা কৰা আম্বেদকাৰে এইবোৰৰ প্ৰতি সদায় বিষাদ্‌গাৰ প্ৰকাশ কৰিছিল আৰু অতি তাৎপৰ্যপূৰ্ণভাৱে তেওঁ 'মনুসংহিতা'ক ৰাজহুৱা ভাৱে দাহন কৰিছিল। ইয়াৰ অন্তৰালত তেওঁৰ মূল উদ্দেশ্য আছিল মনুসংহিতাত অন্তৰ্গত বিভেদ আৰু বঞ্চনাৰ নীতিক বিলুপ্ত কৰি সমতা আৰু ন্যায়পূৰ্ণ সমাজ প্ৰতিষ্ঠা কৰা।

ব্ৰাহ্মণ্যবাদৰ বিৰোধিতা কৰা আম্বেদকাৰে জীৱনৰ শেষ সময়ছোৱাত হিন্দু ধৰ্ম ত্যাগ কৰি বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল। হিন্দু ধৰ্ম ত্যাগৰ দ্বাৰা তেওঁ হিন্দু সমাজ আৰু ধৰ্মৰ ঘোৰ প্ৰতিবাদ কৰিছিল অৰ্থাৎ, তেওঁৰ সমগ্ৰ জীৱন আছিল শোষণৰ আৰু বঞ্চনাৰ এক জীৱন্ত প্ৰতিবাদ।

এইবোৰৰ উপৰিও জাতি-প্ৰথা তথা অস্পৃশ্যতাৰ নিৰ্মূলৰ বাবে আম্বেদকাৰে গ্ৰহণ কৰা আটাইতকৈ প্ৰাসংগিক আৰু স্থায়ী ব্যৱস্থা আছিল **সাংবিধানিক ব্যৱস্থা**। ভাৰতীয় সংবিধানৰ পিতৃ হিচাপে পৰিগণিত সংবিধানৰ খচৰা সমিতিৰ সভাপতি ডক্টৰ বি আৰ আম্বেদকাৰে ভাৰতৰ সংবিধানত বিশেষকৈ তৃতীয় অধ্যায়ত **সমতাৰ অধিকাৰৰ** অন্তৰ্ভুক্তিৰ দ্বাৰা পিছপৰা লোকৰ অধিকাৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা অন্তৰ্ভুক্ত কৰিছিল। সমতাৰ অধিকাৰৰ অন্তৰ্গত 14 নং অনুচ্ছেদত **আইনৰ চকুত সকলো সমান** ব্যৱস্থাৰ দ্বাৰা, 15 নং অনুচ্ছেদত **জাতি-ধৰ্ম-বৰ্ণৰ ভিত্তিত বৈষম্যৰ বিৰোধৰ** দ্বাৰা আৰু 17 নং অনুচ্ছেদত অস্পৃশ্যতাক আইনমতে দণ্ডনীয় কৰাৰ দ্বাৰা আম্বেদকাৰে জাতি প্ৰথাৰ কুফল নাশ আৰু দলিত তথা পিছপৰা লোকসকলৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সৱলীকৰণৰ এক স্থায়ী আৰু ফলপ্ৰসু বিধিগত ব্যৱস্থা গ্ৰহণ কৰিছিল। অস্পৃশ্যতাক মানৱ জাতিৰ প্ৰতি চৰম অৱজ্ঞা জ্ঞান কৰা আম্বেদকাৰে সেয়েহে ভাৰতৰ সৰ্বোচ্চ আইনত ইয়াক আইনমতে দণ্ডনীয় বুলি অন্তৰ্ভুক্ত কৰি এই ব্যৱস্থাৰ স্থায়ী বিলুপ্তি কৰিব বিচাৰিছিল। আকৌ, সমতাৰ অধিকাৰৰ অধ্যায়তে, সকলোৰে সমান অধিকাৰৰ ওপৰত গুৰুত্ব দিয়াৰ উপৰিও ধনাত্মক ব্যৱস্থা বা Affirmative action নাইবা **Positive Discrimination বা ধনাত্মক বৈষম্যৰ** দ্বাৰা সমাজৰ পিছপৰা লোকসকলৰ বাবে বিশেষ সুবিধা বা ব্যৱস্থাৰো সৃষ্টি কৰিছিল। সংবিধানৰ এই ব্যৱস্থাই সম্পূৰ্ণৰূপে নহ'লেও বহু পৰিমাণে পিছপৰা লোক বা দলিত সকলৰ সৱলীকৰণত সহায় কৰিছে। অৱশ্যে এই ব্যৱস্থাবোৰৰ বিফলতাৰ দায়িত্ব চৰকাৰৰহে প্ৰাপ্য, আম্বেদকাৰৰ নহয় কাৰণ আম্বেদকাৰে নিজৰ দায়িত্ব অতি সফল আৰু প্ৰাসংগিকভাৱে পালন কৰি থৈ গৈছে যাৰ বাবে তেওঁ প্ৰকৃত অৰ্থত দলিত সকলৰ ত্ৰাণকৰ্তা হিচাপে পৰিগণিত।

আম্বেদকাৰৰ লিখনিত স্বাধীনতা, সমতা, সামাজিক ন্যায়, গণতান্ত্ৰিক, জাতীয় সংহতিৰ অপূৰ্ণ সংমিশ্ৰণ দেখা যায়। অন্য অৰ্থত এই ধাৰণাবোৰক প্ৰকৃত অৰ্থ প্ৰদান কৰাৰ ক্ষেত্ৰত আম্বেদকাৰ আছিল অন্যতম।

স্বাধীনতাৰ ধাৰণাক আম্বেদকাৰে সম্পূৰ্ণ ৰূপ প্ৰদান কৰিছিল দলিত সকলৰ মুক্তিৰ দ্বাৰা। তেওঁৰ মতে

সমাজৰ সকলো শ্ৰেণীয়ে যেতিয়া সকলো ধৰণৰ শোষণ আৰু অত্যাচাৰৰ পৰা মুক্তি লাভ কৰিব ভাৰতবৰ্ষই তেতিয়াহে প্ৰকৃত অৰ্থত স্বাধীনতা লাভ কৰিব। সেয়েহে মহাত্মা গান্ধীৰ নেতৃত্বত পৰিচালিত ব্ৰিটিছ বিৰোধী স্বাধীনতা আন্দোলনৰ লগে লগে আম্বেদকাৰে দলিত সৱলীকৰণৰ তথা অস্পৃশ্যতা দূৰীকৰণৰ সংগ্ৰামখনো পৰিচালনা কৰিছিল আৰু এই সংগ্ৰামত অগ্ৰণী নেতাৰ ভূমিকা পালন কৰিছিল।

স্বাধীনতাৰ লগতে সমতাৰ ধাৰণাৰো অন্যতম সমৰ্থক আছিল আম্বেদকাৰ। সেয়েহে তেওঁ চৰ্তুবৰ্ণ ব্যৱস্থাৰ দ্বাৰা সৃষ্ট অধিক্ৰমিক পদ্ধতিৰ সমাজ ব্যৱস্থাৰ অৱসান ঘটাই এখন সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ পোষকতা কৰিছিল আৰু ইয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল।

গণতন্ত্ৰৰ অন্যতম ভেটি সমতা, স্বাধীনতা, ভাতৃত্ববোধক সমাজ গঠনৰ অন্যতম উপায় হিচাপে গণ্য কৰা আম্বেদকাৰক প্ৰকৃত অৰ্থত গণতান্ত্ৰিক ব্যৱস্থাৰ এজন আগৰণুৱা সমৰ্থক হিচাবে আখ্যা দিব পাৰি। গণতন্ত্ৰৰ ভেটিৰে পৰিপূৰ্ণ আম্বেদকাৰৰ আদৰ্শ সমাজৰ সকলো ব্যক্তিৰ অধিকাৰৰ ৰক্ষা কবচ।

আকৌ, আম্বেদকাৰ হ'ল জাতীয় সংহতিৰ এজন অন্যতম সমৰ্থক। বিভিন্ন সময়ত আম্বেদকাৰক বিভিন্নজনে সমালোচনা কৰে যদিও প্ৰকৃত অৰ্থত তেওঁ জাতীয় সংহতিৰ এজন অন্যতম সমৰ্থক। সাম্প্ৰদায়িক বটাক সমৰ্থন, মহাত্মা গান্ধীৰ ভূমিকাক কঠোৰ সমালোচনা আদি দিশবোৰে যদিও এক বিপৰীত ছবি প্ৰতিফলিত কৰে তথাপিও কিন্তু বাস্তৱত আম্বেদকাৰ জাতীয় সংহতিৰ এজন অন্যতম সমৰ্থক কাৰণ তেওঁৰ মতে, জাতি প্ৰথা বা ইয়াৰ কাৰক চতুবৰ্ণ ব্যৱস্থাই সমাজ আৰু সমাজৰ মানুহক বিভাজন কৰি সমাজৰ ভেটি দুৰ্বল কৰে। সেয়েহে এই প্ৰথাৰ সমাপ্তিয়েই ভাৰতীয় সমাজত সংহতি স্থাপন কৰিব বুলি আম্বেদকাৰে দৃঢ় মত পোষণ কৰিছিল।

এজন বিশিষ্ট আইনজ্ঞ আৰু সংবিধানবিদ হিচাপেও আম্বেদকাৰ ভাৰতীয় সমাজত চিৰস্মৰণীয় হৈ থাকিব। ভাৰতীয় সংবিধানবিদ হিচাপেও আম্বেদকাৰ ভাৰতীয় সমাজত চিৰস্মৰণীয় হৈ থাকিব। ভাৰতীয় সংবিধানখনক ভাৰতীয় সমাজৰ প্ৰতিফলন হিচাপে গঢ় দিয়াত আম্বেদকাৰে যৎপৰোনাস্তি চেষ্টা কৰিছিল। খচৰা কমিটিৰ সভাপতি হিচাপে তেওঁ সংবিধানৰ প্ৰতিটো বিষয়েই ভাৰতীয় সমাজৰ প্ৰয়োজনৰ ওপৰত লক্ষ্য ৰাখি প্ৰস্তুত কৰিছিল। প্ৰকৃত ৰূপত তেওঁ ভাৰতীয় সংবিধানৰ পিতৃ।

সমাজৰ অস্পৃশ্য বুলি পৰিগণিত আৰু দলিত সকলৰ স্বাৰ্থৰ সুৰক্ষাৰ বাবে আজীৱন সংগ্ৰাম কৰা আম্বেদকাৰৰ অন্যতম সফলতা আছিল হিন্দুসকলৰ চতুবৰ্ণ নীতিৰ অন্যতম ফল জাতিভেদ ব্যৱস্থাৰ কুফল সম্পৰ্কে সচেতনতাৰ সৃষ্টি। জাতিভেদ ব্যৱস্থাৰ কুফলতাক স্পষ্টভাৱে আঙুলিয়াই দি ইয়াৰ অৱসানৰ বাবেও আম্বেদকাৰে হাতে কামে অংশগ্ৰহণ কৰিছিল। তেওঁৰ এই প্ৰচেষ্টাৰ বাস্তৱ ৰূপ হ'ল সংবিধানৰ তৃতীয় অধ্যায়ত সন্নিৱিষ্ট কৰা সমতাৰ অধিকাৰ। অস্পৃশ্যতাৰ দৰে ঘৃণনীয় ব্যৱস্থাক সংবিধানৰ 17 নং অনুচ্ছেদ মতে আইনমতে দণ্ডনীয় ৰূপে প্ৰতিষ্ঠা কৰি তেওঁ এই ব্যৱস্থাৰ অৱসানৰ চেষ্টাক ফলৱতী কৰাৰ চেষ্টা কৰিছিল। তেওঁ আছিল সমতা আৰু ভাতৃত্ববোধ নীতিৰ প্ৰকৃত অনুগামী। জাতিভেদ ব্যৱস্থা সম্পৰ্কত তেওঁ আনকি গান্ধীৰ নীতিকো অতি স্পষ্ট ৰূপত সমালোচনা কৰাত সফল হৈছিল আৰু অতি বাস্তৱ ভাৱে তেওঁ ব্যাখ্যা কৰিছিল যে জাতিভেদ ব্যৱস্থাৰ সংশোধনেই ইয়াৰ সমাধান নহয়, বৰং চতুৰ্বৰ্ণ বা ইয়াৰ ফল জাতিভেদ ব্যৱস্থাৰ সম্পূৰ্ণ মচীমূৰ হ'ল এই ব্যৱস্থাৰ অন্যতম আৰু একমাত্ৰ উপায়।

শোষণ, দমন আৰু দাসত্বক অতি কঠোৰভাৱে সমালোচনা কৰা আম্বেদকাৰে কোনো কাৰণতেই ব্যক্তিৰ দ্বাৰা ব্যক্তিৰ শোষণ কাৰ্যক সমৰ্থন কৰিব পৰা নাছিল। সেয়েহে তেওঁ আনকি পাকিস্তান গঠনৰো পোষকতা

কৰিছিল।

সমাজৰ সকলো লোককে সমান সুযোগ আৰু সুবিধা প্ৰদান কৰিব বিচৰা আম্বেদকাৰ প্ৰকৃত অৰ্থত সামাজিক ন্যায়ৰ এজন অন্যতম প্ৰৱৰ্তক। সেয়েহে সামাজিক ন্যায় প্ৰতিষ্ঠাৰ অন্যতম প্ৰতিবন্ধক জাতিভেদ ব্যৱস্থাৰ অৱসানৰ বাবে তেওঁ অতি সবল ৰূপত দাবী উত্থাপন কৰিছিল। সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয় ভাতৃত্ববোধযুক্ত সমাজৰ দাবী উত্থাপন কৰা আৰু ইয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা আম্বেদকাৰক সেয়েহে অতি শুদ্ধভাৱে দলিত সকলৰ ত্ৰাণকৰ্তা হিচাপে অভিহিত কৰা হয়।

## আম্বেদকাৰৰ মূল ৰাজনৈতিক ধাৰণাবোৰ

## (Main Political Ideas of Ambedkar)

আম্বেদকাৰৰ মূল ধাৰণাবোৰ যদিও সামাজিক আছিল বা সামাজিক ন্যায় প্ৰতিষ্ঠাৰ হ'কৈ আৰু দলিত সৱলীকৰণৰ অৰ্থে আছিল তথাপিও এই ধাৰণাসমূহৰ লগত তেওঁৰ কিছুমান ধাৰণাৰ প্ৰকৃতি ৰাজনৈতিক আছিল। তেওঁ দলিতসকলৰ ৰাজনৈতিক সৱলীকৰণৰ বাবে মেকডনাল্ডৰ সাম্প্ৰদায়িক বটাক সমৰ্থন জনাইছিল। তেওঁৰ মতে, জাতিপ্ৰথাৰ লগতে ৰাজনৈতিক প্ৰতিনিধিত্বৰ অভাৱেও দলিত সকলৰ অৱস্থাৰ অৱনতিত অৰিহণা যোগাইছিল। সেয়েহে, দলিতসকলৰ ৰাজনৈতিক প্ৰতিনিধিত্বৰ সুনিশ্চিতিৰ বাবে তেওঁ 'সাম্প্ৰদায়িক বটা'ৰ ব্যৱস্থাক আদৰণি জনাইছিল। ইয়াৰ বাবে তেওঁ যথেষ্ট সমালোচিত হ'ব লগা হৈছিল। অৱশ্যে পিছত দলিতসকলৰ স্বাৰ্থৰ সুৰক্ষাৰ বাবে মহাত্মা গান্ধীৰ নেতৃত্বত সৃষ্টি কৰা পুনা চুক্তিত স্বাক্ষৰ কৰি সাম্প্ৰদায়িক বটাৰ ব্যৱস্থাক পৰিত্যাগ কৰিছিল।

দলিত বা পিছপৰা সম্প্ৰদায়ৰ লোকৰ অধিকাৰ সুনিশ্চিত কৰিবৰ বাবে তেওঁ গণতান্ত্ৰিক চৰকাৰকে শ্ৰেষ্ঠ হিচাবে আখ্যা দিছিল কাৰণ গণতন্ত্ৰতে তেওঁৰ অন্যতম ধাৰণা যেনে— সমতা, স্বাধীনতা, ভাতৃত্ব আদিৰ প্ৰতিফলন দেখা যায়। সেয়েহে তেওঁ গণতান্ত্ৰিক ব্যৱস্থাক সমৰ্থন কৰিছিল আৰু মত পোষণ কৰিছিল যে গণতান্ত্ৰিক চৰকাৰে দলিত সকলৰ স্বাৰ্থ আৰু অধিকাৰৰ সুৰক্ষাৰ প্ৰয়োজনীয় মঞ্চ প্ৰদান কৰিব পাৰিব।

সমাজ ব্যৱস্থা, ৰাজনৈতিক ব্যৱস্থাৰ সংস্কাৰৰ লগতে আম্বেদকাৰে প্ৰশাসনীয় ব্যৱস্থাৰ অন্তৰ্গত আমোলাতন্ত্ৰৰ সংস্কাৰৰ পৰামৰ্শও আগবঢ়াইছিল। তেওঁৰ মতে, ৰাজনৈতিক ব্যৱস্থাৰ দৰে আমোলাতন্ত্ৰও উচ্চ হিন্দু লোকৰ আধিপত্যৰে পৰিচালিত। সেয়েহে, ইয়াত সকলো কাম-কাজ উচ্চ হিন্দু লোকসকলৰ স্বাৰ্থ ৰক্ষাৰ্থেই পৰিচালিত হয়। ইয়াৰ অৱসানৰ বাবে আমোলাতন্ত্ৰত দলিত তথা পিছপৰা লোকৰ অন্তৰ্ভুক্তি বাঞ্ছনীয়। সেয়েহে আম্বেদকাৰে মত প্ৰকাশ কৰিছিল যে দলিতৰ সুৰক্ষাৰ বাবে আমোলাতন্ত্ৰত দলিতৰ অন্তৰ্ভুক্তি অত্যন্ত প্ৰয়োজনীয়।

আম্বেদকাৰে পাকিস্তান গঠনৰ প্ৰতিও সমৰ্থন জনাইছিল। তেওঁৰ মতে, পাকিস্তান গঠনে যদি মুছলমান লোকসকলক সন্তুষ্টি প্ৰদান কৰে আৰু ইয়াৰ ফলতে যদি সমাজৰ অস্থিৰ আৰু অশান্ত পৰিস্থিতিৰ অন্ত হয় তেনেহ'লে পাকিস্তান গঠনত কোনো বাধা থাকিব নালাগে।

## গান্ধী আৰু আম্বেদকাৰৰ মাজৰ পাৰ্থক্য

## (Difference between Gandhi and Ambedkar)

মহাত্মা গান্ধী আৰু ড° বি আৰ আম্বেদকাৰ হ'ল ভাৰতৰ দুজন অন্যতম ব্যক্তি যিয়ে ভাৰতীয় জনসাধাৰণৰ কল্যাণ আৰু মৰ্যাদাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰি থৈ গৈছে। জাতিৰ জনক মহাত্মা গান্ধী আৰু দলিত সকলৰ ত্ৰাণকৰ্তা তথা ভাৰতীয় সংবিধানৰ পিতৃ আম্বেদকাৰ দুয়োজনেই বিচাৰিছিল এখন শোষণ মুক্ত সমাজ য'ত মানুহৰ দ্বাৰা মানুহৰ ওপৰত কোনো ধৰণৰ শোষণ আৰু দমন সংঘটিত নহয়। দুয়োজন ব্যক্তিয়েই সমাজৰ দলিত আৰু অৱনমিত তথা পিছপৰা সম্প্ৰদায়ৰ লোকৰ উত্থান তথা সৱলীকৰণৰ সপক্ষে আজীৱন সংগ্ৰাম কৰিছিল। স্বৰাজ বা স্বাধীনতা সম্পৰ্কত বিস্তৃত ধাৰণা আগবঢ়াই গান্ধীয়ে মত পোষণ কৰিছিল যে ভাৰতৰ পৰা ইংৰাজ শাসনৰ অন্ত ই স্বৰাজ বা প্ৰকৃত স্বাধীনতা নহয়, সকলো ধৰণৰ শোষণ আৰু দমনৰ অৱসানেহে প্ৰকৃত স্বাধীনতা প্ৰতিষ্ঠা কৰিব। সকলো ধৰণৰ শোষণৰ দ্বাৰা গান্ধীয়ে ইংৰাজৰ শোষণ আৰু অত্যাচাৰৰ লগতে জাতি আৰু ধৰ্মৰ নামত ভাৰতত কিছুমান শ্ৰেণীৰ দ্বাৰা আন দলিত বা পিছপৰা শ্ৰেণীৰ শোষণক বুজাইছিল। সেয়েহে তেওঁ স্বাধীনতা সংগ্ৰামৰ লগে লগে দলিতসকলৰ মৰ্যাদা প্ৰতিষ্ঠাৰো সংগ্ৰাম অব্যাহত ৰাখিছিল।

কিন্তু আম্বেদকাৰৰ জীৱনৰ মূল উদ্দেশ্যই আছিল দলিত বা অনুন্নত লোকসকলৰ উত্থান বা আন ভাৰতীয় লোকৰ লগত সমমৰ্যাদা। তেওঁৰ মতে, চতুৰ্বৰ্ণ, জাতিপ্ৰথা আৰু অস্পৃশ্যতাই পিছপৰা শ্ৰেণীৰ লোকসকলক প্ৰাপ্য সুযোগ তথা অধিকাৰৰ পৰা বঞ্চিত কৰাৰ উপৰিও সামাজিক বিভেদৰো সৃষ্টি কৰে। ইয়াৰ ফলত গোটেই সমাজখন বিভাজিত হয় আৰু যিকোনো সমস্যাৰ সমাধানত সকলোৰে অংশগ্ৰহণ ব্যাহত বা বিঘ্নিত হয়। তেওঁৰ মতে, ভাৰতৰ স্বাধীনতা আন্দোলনক অধিক জোৰদাৰ আৰু অংশগ্ৰহণকাৰী কৰিবলৈ হ'ল জাতি-ধৰ্ম ভিত্তিক বৈষম্যৰ অন্ত পেলাবই লাগিব। অৰ্থাৎ, গান্ধীৰ মতে, স্বাধীনতাৰ লগে লগে অস্পৃশ্যতাৰো সংশোধন হ'ব লাগিব আৰু আম্বেদকাৰৰ মতে, স্বাধীনতাৰ আগতে চতুৰ্বৰ্ণৰ ফল জাতি প্ৰথা আৰু অস্পৃশ্যতাৰ অন্ত পৰিব লাগিব।

জাতি প্ৰথা আৰু অস্পৃশ্যতা সম্পৰ্কত গান্ধী আৰু আম্বেদকাৰৰ মাজৰ প্ৰধান ব্যৱধান ঘটিছিল এটা কাৰণত। গান্ধীয়ে অতীজৰ পৰা প্ৰচলিত চতুৰ্বৰ্ণ ভিত্তিক জাতি-প্ৰথা বা সামাজিক অধিক্ৰমিক নীতিটোৰ বিলুপ্তিৰ সলনি সংশোধনহে বিচাৰিছিল। তেওঁৰ মতে ভাৰতীয় সমাজৰ সংশোধন ঘটাই সমাজৰ দলিত তথা পিছপৰা লোকসকলৰ অধিকাৰ আৰু মৰ্যাদাৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেওঁলোকক সমাজৰ আন লোকসকলৰ দৰে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু পৌৰ অধিকাৰ প্ৰদান কৰিব লাগে। কোনো সামাজিক, ৰাজনৈতিক ব্যৱস্থাই যাতে দলিতসকলৰ উন্নয়নত বাধা নজন্মায় তাৰ প্ৰতি নজৰ ৰাখিব লাগে। অৰ্থাৎ গান্ধীয়ে জাতি প্ৰথাৰ ভিত্তিত প্ৰতিষ্ঠিত সামাজিক ব্যৱস্থাৰ সংশোধনৰ পৰামৰ্শ আগবঢ়াইছিল আৰু ইয়াৰ বাবে বিভিন্ন সময়ত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল।

কিন্তু আম্বেদকাৰে জাতি প্ৰথাৰ ক্ষেত্ৰত গান্ধীৰ সম্পূৰ্ণ বিপৰীত স্থানত অৱস্থান কৰিছিল। তেওঁৰ মতে, জাতি প্ৰথাৰ সংশোধনে কেতিয়াও দলিতসকলৰ অৱস্থাৰ আৰু মৰ্যাদাৰ উন্নতি সাধন কৰিব নোৱাৰে। দলিত তথা অস্পৃশ্যসকলক সমাজৰ আন লোকৰ দৰে অধিকাৰ তথা মৰ্যাদা পোৱাৰ বাবে সমাজ ব্যৱস্থাৰ সংশোধনৰ সলনি বা জাতি প্ৰথাৰ আৰু ইয়াৰ লগত জড়িত আচাৰ ব্যৱহাৰৰ সংশোধনৰ সলনি সমগ্ৰ চতুৰ্বৰ্ণ বা জাতি প্ৰথাৰ বিলুপ্তি সাধন কৰিব লাগিব। জাতি প্ৰথা আৰু ইয়াৰ কাৰক চতুৰ্বৰ্ণ ব্যৱস্থা যেতিয়ালৈকে সমাজত থাকিব তেতিয়ালৈকে সমাজ আৰু ইয়াৰ অন্তৰ্গত লোকসকলো বিভাজিত হৈ থাকিব আৰু যেতিয়ালৈকে সমাজ আৰু সমাজৰ লোক বিভাজিত হৈ থাকিব তেতিয়ালৈকে সমাজত উচ্চ-নীচ আদি ভাগ থাকিব আৰু লগতে উচ্চ শ্ৰেণীৰ আধিপত্য আৰু নিম্নশ্ৰেণীৰ শোষণ থাকিবই কাৰণ সমাজৰ আধিপত্যশালী লোকসকলে

সদায় বিভিন্ন উপায়েৰে নিম্নশ্ৰেণীৰ লোকসকলক অনদমিত কৰি ৰাখিব বিচাৰে। গতিকে, আম্বেদকাৰৰ মতে দলিত তথা অস্পৃশ্য সকলৰ শোষণ আৰু নিপীড়নৰ অন্ত পেলাবলৈ আৰু এখন সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠা কৰিবলৈ হ'লে জাতি প্ৰথাৰ বিলুপ্তি সাধন হ'বই লাগিব। জাতি প্ৰথাৰ বিলুপ্তি সম্পৰ্কত আম্বেদকাৰে ৰচনা কৰা বিখ্যাত গ্ৰন্থখন আছিল Annihilation of Caste। অতি যুক্তিপূৰ্ণভাৱে আম্বেদকাৰে গান্ধীৰ জাতি প্ৰথাৰ সংশোধনৰ বিপৰীতে জাতি প্ৰথাৰ বিলুপ্তিৰ হ'কে মাত মাতিছিল।

আকৌ ৰাজনৈতিক প্ৰতিনিধিত্বহীনতাক দলিতসকলৰ অৱহেলিত অৱস্থাৰ অন্যতম কাৰক হিচাপে চিহ্নিত কৰা আম্বেদকাৰে দলিত বা পিছপৰা লোকসকলৰ ৰাজনৈতিক প্ৰতিনিধিত্ব সুনিশ্চিত কৰিবৰ বাবে ব্ৰিটিছ চৰকাৰে ঘোষণা কৰা সাম্প্ৰদায়িক বটা (Communal Award) ক আদৰণি জনাইছিলয। সাম্প্ৰদায়িক বটাই দলিতসকলৰ বাবে পৃথক নিৰ্বাচক মণ্ডলীৰ ব্যৱস্থা কৰিছিল। মহাত্মা গান্ধীয়ে ইয়াৰ তীব্ৰ বিৰোধিতা কৰি মত প্ৰকাশ কৰিছিল যে দলিত বা অস্পৃশ্য লোকসকলৰ সমস্যা মূলতঃ এক সামাজিক সমস্যা আৰু ৰাজনৈতিক দিশৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। তেওঁ আনকি সাম্প্ৰদায়িক বটা বাতিলকৰণৰ বাবে অনশনো আৰম্ভ কৰিছিল। অৱশ্যে, পিছত আম্বেদকাৰেও গান্ধীৰ অনুৰোধ অনুসৰি দলিত সকলৰ অধিকাৰ সুৰক্ষা সম্পৰ্কীয় প্ৰস্তাৱ সম্বলিত 'পুনা চুক্তি'ত স্বাক্ষৰ কৰি পৃথক নিৰ্বাচকমণ্ডলীৰ ব্যৱস্থাৰ প্ৰতি সমৰ্থন উঠাই লৈছিল। এইদৰে দেখা যায় যে জাতি প্ৰথাৰ অন্যতম ফল অস্পৃশ্যতা সম্পৰ্কত দুয়োজনৰ সহানুভূতি আছিল কিন্তু ইয়াৰ ফলাফল সমূহ আতৰ কৰিবলৈ দুয়োজনে গ্ৰহণ কৰা কাৰ্যপন্থা পৃথক আছিল। এইক্ষেত্ৰত এজন নৰমপন্থী হিচাপে গান্ধীয়ে জাতিপ্ৰথাৰ সংশোধন বিচাৰিছিল আৰু আম্বেদকাৰো বৈপ্লৱিক বা চৰমপন্থী হিচাপে জাতি প্ৰথা আৰু ইয়াৰ মূল চতুৰ্বৰ্ণ প্ৰথাৰ বিলুপ্তি সাধন কৰিব বিচাৰিছিল।

এইদৰে এইজনা বিখ্যাত আইনজ্ঞ আৰু সমাজ সংস্কাৰকে ভাৰতীয় সমাজৰ অন্যতম ব্যাধি জাতি প্ৰথা আৰু অস্পৃশ্যতা নিৰ্মূলৰ বাবে নিজৰ সমগ্ৰ জীৱন উৎসৰ্গিত কৰিছিল। জাতি প্ৰথাৰ কুফল আৰু জাতি প্ৰথাক সামাজিক ন্যায় প্ৰতিষ্ঠাৰ অন্যতম হেঙাৰ হিচাবে প্ৰতষ্ঠা কৰাত আৰু এই সম্পৰ্কে বা ইয়াৰ নিৰ্মূলৰ বাবে সজাগতা আৰু বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰাত অৰিহণা যোগোৱাত তেওঁৰ সমকক্ষ কোনো নাই বুলি ক'ব পাৰি। অৱশ্যে, বহু সময়ত তেওঁৰ কাৰ্যপন্থা আৰু চিন্তাধাৰাক চৰম বুলি বিভিন্নজনে সমালোচনা কৰে যদিও সেই কাৰ্যবোৰ সম্পূৰ্ণৰূপে পৰিস্থিতি সাপেক্ষ আছিল। এই ক্ষেত্ৰত আম্বেদকাৰৰ দাবী সম্পূৰ্ণ যুক্তিপূৰ্ণ আৰু প্ৰয়োজনীয় আছিল। মানৱতাবাদৰ জয়গান গোৱা এইজনা মহান ব্যক্তিক জন্ম দিয়া বাবে ভাৰত মাতৃয়ে সদায় বিশ্ববাসীৰ আগত গৌৰৱবোধ কৰিব পাৰিব। মানৱতাবাদী আম্বেদকাৰ প্ৰকৃত অৰ্থত ভাৰতৰ এক উজ্জ্বল ৰত্ন আছিল।

**Excercise :**

1. Analyse Ambedkar's views on Caste system in India.
2. Discuss the grounds on which B.R. Ambedkar can be regarded as an advocate of socisl

justice.

3. What measures did Ambedkar adopt to promote social justice? Discuss.

4. Write in brief about the hindrances that Ambedkar identified in the way of establishment of social justice in India.

5. What are the points of differencecs between Gandhi and Ambedkar.

✦✦✦

## সপ্তম অধ্যায়

# ৰবীন্দ্ৰনাথ ঠাকুৰ
# (1861-1941)

1861 চনৰ 7 মে’ তাৰিখে কলিকতাৰ এক সম্ভ্ৰান্ত পৰিয়ালত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল দেৱেন্দ্ৰ নাথ ঠাকুৰ আৰু মাতৃৰ নাম আছিল সাৰদা দেৱী। ৰবীন্দ্ৰনাথৰ পিতৃ-মাতৃয়ে তেওঁক উচ্চ শিক্ষিত কৰি তুলিবলৈ যথেষ্ট চেষ্টা কৰিছিল যদিও তেওঁৰ জীৱনবোধ যথেষ্ট পৃথক আছিল। আঢ্যৱন্ত পৰিয়ালৰ সন্তান ৰবীন্দ্ৰনাথে লাহ-বিলাহত জীৱন কটোৱাৰ সকলো সুযোগেই লাভ কৰিছিল যদিও তেওঁ ইয়াৰ সুবিধা কোনো দিনেই লোৱা নাছিল। সৰু কালৰ পৰাই তেওঁ অৱশ্যে প্ৰাচ্য আৰু পাশ্চাত্য সংস্কৃতিৰ লগত পৰিচিত হোৱাৰ সুযোগ লাভ কৰিছিল আৰু ইয়াৰ প্ৰভাৱো তেওঁৰ জীৱনত প্ৰত্যক্ষভাৱে পৰিছিল। মাত্ৰ সোঁতৰ বছৰ বয়সতেই তেওঁ ইংলেণ্ডলৈ শিক্ষা গ্ৰহণ কৰিবলৈ গৈছিল যদিও তাত তেওঁ শিক্ষা সমাপ্ত নকৰিলে আৰু দেশলৈ ঘূৰি আহি নিজকে সাহিত্য সংস্কৃতিৰ জগতখনত উৎসৰ্গা কৰি ভাৰতবৰ্ষক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলাই গৈছিল।

মাত্ৰ এঘাৰ বছৰ বয়সতেই কবিতা লিখিবলৈ আৰম্ভ কৰা ৰবীন্দ্ৰনাথে 1913 চনত সাহিত্যৰ ন’বেল বটা লাভ কৰি ভাৰতবৰ্ষক গৌৰৱান্বিত কৰিছিল। গীতাঞ্জলী নামৰ কবিতাপুথিখনৰ বাবে তেওঁ 1913 চনত সাহিত্যৰ ন’বেল পুৰস্কাৰ লাভ কৰিছিল। কবিতাৰ উপৰিও সংগীত, গল্প চিত্ৰশিল্পৰ দৰে শিল্পৰেও তেওঁ ভাৰতীয় সমাজ আৰু সভ্যতাক গৌৰৱান্বিত কৰিছিল। ৰবীন্দ্ৰ সংগীত হ’ল তেওঁ ভাৰতৰ সংগীতৰ ক্ষেত্ৰখনক দিয়া এক অসাধাৰণ অৱদান।

ৰবীন্দ্ৰনাথ ভাৰতৰ স্বাধীনতা আন্দোলনৰো এক সচেতক সমৰ্থক আছিল। 1905 চনৰ বংগ ভংগ আন্দোলনৰ সময়ত তেওঁ নিজৰ কাব্য প্ৰতিভাৰে সংগ্ৰামী জনসাধাৰণক উৎসাহিত কৰাত এক বিশেষ ভূমিকা লৈছিল। 1913 চনত সংঘটিত হোৱা ঘৃণনীয় জালিয়ানৱালাবাগ হত্যাকাণ্ডৰ প্ৰতিবাদস্বৰূপে তেওঁ ইংৰাজ চৰকাৰে প্ৰদান কৰা সন্মানীয় ‘নাইট’ উপাধি ঘূৰাই দিছিল। তেওঁৰ দ্বাৰা ৰচিত ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত ‘জন গণ মন’ ই তেওঁৰ জাতীয়তাবাদী চিন্তাকেই প্ৰতিফলিত কৰে।

ৰবীন্দ্ৰনাথে বিশ্বৰ বিভিন্ন দেশ ভ্ৰমণ কৰি সেইবোৰৰ সাহিত্য, সংস্কৃতি আৰু শিল্পৰ বুজ লৈছিল আৰু সেইবোৰৰ দ্বাৰাই অনুপ্ৰাণিত হৈ তেওঁ ভাৰতৰ শিল্প আৰু সংস্কৃতিৰ ভড়ালটো চহকী কৰিছিল। 1941 চনৰ 7

আগষ্টত ভাৰতৰ এইজনা বিশ্বকবিৰ মৃত্যু হয়। ৰবীন্দ্ৰনাথ ঠাকুৰৰ কেইখনমান উল্লেখনীয় লিখনি হ'ল— গীতাঞ্জলী (Gitanjali, 1910), ঘৰে বাইৰে (The Home and the world, 1961), স্বদেশী সমাজ (Swadeshi Samaj, 1904), ৰক্তকৰবী (1926), মুক্তধাৰা (1922), সভ্যতাৰ সংকট (Crisis in civilisation-1941) ইত্যাদি।

ৰবীন্দ্ৰনাথৰ জীৱনত বেদান্ত দৰ্শন, প্ৰাচীন ভাৰতীয় সামাজিক আৰু ৰাজনৈতিক দিশ, ভাৰতৰ ইতিহাস আৰু সভ্যতাৰ যথেষ্ট প্ৰভাৱ দেখা যায়। ইয়াৰ উপৰিও বিশ্বযুদ্ধ, সাম্ৰাজ্যবাদৰ উত্থান, ফেচীবাদৰ উত্থান ইত্যাদিৰ প্ৰভাৱো তেওঁৰ লিখনিত দেখা যায়। ভক্তিবাদ, চুফিবাদ, ৰোমাণ্টিকতাবাদ, আলোকতাবাদ, যুক্তিবাদ ইত্যাদিও আছিল তেওঁৰ চিন্তা আৰু দৰ্শনৰ অন্যতম উৎস। এজৰা পাউণ্ড, টি. এছ. এলিয়ট আদি বিশ্ববিখ্যাত কবিৰ দ্বাৰাও তেওঁ যথেষ্ট অনুপ্ৰাণিত হৈছিল।

## স্বতন্ত্ৰতাৰ ধাৰণা
## (Concept of Freedom)

ৰবীন্দ্ৰনাথ ঠাকুৰক প্ৰকৃত স্বতন্ত্ৰতাৰ (True Freedom) প্ৰৱৰ্তক আখ্যা দিব পাৰি। তেওঁ স্বাধীনতাৰ প্ৰকৃত আৰু গভীৰ অৰ্থ উদঘাটনৰ দ্বাৰা ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশৰ ওপৰত গুৰুত্ব দিছিল। তেওঁৰ মতে, ব্যক্তিৰ প্ৰকৃত স্বাধীনতা আহৰণৰ মাজতেই দৰাচলতে সভ্যতাৰ বিকাশ আৰু উৎকৰ্ষতা নিৰ্ভৰ কৰে। অৰ্থাৎ কোনো এখন সমাজ তেতিয়াহে সম্পূৰ্ণৰূপে বিকশিত হয় যেতিয়া সেই সমাজৰ ব্যক্তিয়ে প্ৰকৃত স্বতন্ত্ৰতা আহৰণ কৰিব পাৰে। স্বাধীনতাৰ এই গভীৰ অৰ্থ ৰবীন্দ্ৰনাথ ঠাকুৰে সেই সময়ত আগবঢ়াইছিল যেতিয়া ইয়াক কেৱল ৰাজনৈতিক স্বাধীনতা আহৰণৰ মাজতেই সীমাবদ্ধ কৰা হৈছিল। কোনো এখন দেশে ৰাজনৈতিক স্বাধীনতা আহৰণ কৰিলেই তাৰ নাগৰিকসকলক স্বাধীন হোৱা বুলি ভৰা সময়তেই ৰবীন্দ্ৰনাথে এক ব্যতিক্ৰমী স্বতন্ত্ৰতাৰ ধাৰণা আগবঢ়াইছিল। ৰবীন্দ্ৰনাথৰ মতে, "We must never forget in the present day that those people who have got their political freedom are not necessarily free, they are merely powerful." অৰ্থাৎ ৰাজনৈতিক স্বাধীনতা আহৰণকাৰী লোকসকল ক্ষমতাশালী হ'ব পাৰে, প্ৰকৃত অৰ্থত স্বাধীন নহ'বও পাৰে। তেওঁৰ মতে ব্যক্তি যেতিয়ালৈকে সৰ্বোচ্চ ব্যক্তি (Supreme person) লৈ ৰূপান্তৰিত নহয় বা নিজকে বৈষয়িক বাধাসমূহৰ পৰা মুক্ত কৰিব নোৱাৰে তেতিয়ালৈকে প্ৰকৃততে স্বাধীন নহয়। স্বতন্ত্ৰতাৰ প্ৰকৃত অৰ্থ অনুধাৱন কৰিব নোৱাৰাৰ বাবেই তেওঁৰ মতে পৃথিৱীৰ বহু ৰাষ্ট্ৰই ৰাজনৈতিক স্বাধীনতা লাভ কৰাৰ পিছতো কৰ্তৃত্বশালী ব্যৱস্থা (Authoritarian system) স্থাপনেৰে নাগৰিকৰ স্বাধীনতা বিঘ্নিত কৰি আহিছে। গতিকে তেওঁৰ মতে কেৱল ৰাজনৈতিক স্বতন্ত্ৰতাই প্ৰকৃত স্বতন্ত্ৰতা নহয়।

ৰবীন্দ্ৰ নাথৰ মতে প্ৰকৃত স্বতন্ত্ৰতা হ'ল এনে এক পৰিস্থিতি বা অৱস্থা য'ত ব্যক্তিত্বৰ বিকাশ কৰিব পাৰে। এই স্বতন্ত্ৰতাৰ জৰিয়তে ব্যক্তিয়ে সৰ্বোচ্চ সত্বাৰ (Supreme person) ওচৰ চাপিব পাৰে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে প্ৰকৃত স্বতন্ত্ৰতাৰ স্তৰ চাৰিটা—

- ✦ **ব্যক্তিগত পৰ্যায়ত (স্বতন্ত্ৰতা) ঃ** এই পৰ্য্যায়ত ব্যক্তিয়ে নিজৰ ব্যক্তিগত স্বাৰ্থসমূহ ত্যাগ কৰিব আৰু সামূহিক কল্যাণত গুৰুত্ব দিব।
- ✦ **সামূহিক/সামাজিক পৰ্য্যায়ত (স্বতন্ত্ৰতা) ঃ** এই পৰ্য্যায়ত ব্যক্তিয়ে নিজৰ সমাজৰ ওপৰত গুৰুত্ব দিব কিন্তু কৰ্মৰ পৰিসৰ কেৱল নিজৰ সমাজতে আৱদ্ধ নাৰাখিব।
- ✦ **সামূহিকৰ পৰা বিশ্বব্ৰহ্মাণ্ড পৰ্য্যায়ত (স্বতন্ত্ৰতা) ঃ** এই পৰ্য্যায়ত ব্যক্তিৰ স্বাৰ্থ কেৱল নিজৰ সমাজৰ মাজতে আৱদ্ধ নাথাকি বিশ্ব সমাজলৈ প্ৰসাৰিত হ'ব।

✦ **বিশ্বব্ৰহ্মাণ্ডৰ পৰা অসীমলৈ (Infinity) ঃ** এই পৰ্য্যায়ত ব্যক্তিয়ে নিজকে সৰ্বোচ্চ সত্ত্বাৰ লগত বিলীন কৰিব। ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে এই স্বতন্ত্ৰতাই প্ৰকৃত স্বতন্ত্ৰতা। অৱশ্যে তেওঁৰ মতে এই স্বতন্ত্ৰতা এদিনতে আহৰণ কৰিব নোৱাৰি; ইয়াক ক্ৰমাগতভাৱেহে আহৰণ কৰিব পাৰি। ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে, ভাৰতৰ দৰে মূল্যবোধসম্পন্ন দেশত এই কাৰ্য বিশেষ কঠিন নহয়।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে, ব্যক্তি নিজৰ বৈষয়িক স্বাৰ্থৰ পৰা মুক্ত হ'লেহে সমাজৰ কল্যাণৰ বাবে কাৰ্য কৰিব পাৰে আৰু সমাজৰ কল্যাণৰ বাবে কাৰ্য কৰিব পাৰে আৰু সমাজৰ কল্যাণৰ চিন্তাই ব্যক্তিৰ মনৰ পৰা সংকীৰ্ণ ব্যক্তি স্বাৰ্থজনিত ধাৰণাবোৰ আতৰাই নিব। ব্যক্তি স্বাৰ্থৰ উৰ্দ্ধত কৰা সমাজকল্যাণমূলক চিন্তাই তেওঁক সময়ত সম্পূৰ্ণ মানৱ সমাজৰ কল্যাণৰ বাবে কাম কৰিবলৈ প্ৰেৰণা দিব। এইদৰে তেওঁৰ নিজ সমাজৰ পৰা বিশ্ব সমাজলৈ উত্তৰণ ঘটিব। এই উত্তৰণে ক্ৰমাগতভাৱে ব্যক্তিক এক অসীম সত্ত্বাৰ লগত বিলীন কৰিব আৰু তেতিয়াই তেওঁ প্ৰকৃত স্বতন্ত্ৰতা অৰ্জন কৰিব। গতিকে, ৰবীন্দ্ৰনাথৰ মতে প্ৰকৃত স্বতন্ত্ৰতা হ'ল এক পৰিস্থিতি য'ত ব্যক্তি নিজৰ ব্যক্তিগত সংকীৰ্ণ বৈষয়িক চিন্তাধাৰাৰ পৰা মুক্ত হৈ এক অসীম সত্ত্বাৰ লগত সন্মিলীত হৈ পৰে। ৰবীন্দ্ৰ নাথ ঠাকুৰে বিশ্বাস কৰিছিল যে প্ৰকৃত স্বতন্ত্ৰতা হ'ল সেই গাঁথনি যাৰ জৰিয়তে মানৱ সভ্যতাৰ বিকাশ সম্ভৱ হয় কাৰণ তেওঁৰ মতে প্ৰকৃত স্বতন্ত্ৰতাৰ বাস্তৱ প্ৰতিফলন দেখা যায় ব্যক্তিৰ অভিনৱ তথা সৃষ্টিশীল চিন্তা চৰ্চা আৰু কৰ্মৰ মাজেৰে। সমাজ সদায় এনে প্ৰতিভা আৰু কৰ্মৰ দ্বাৰা সমৃদ্ধ হয় আৰু নতুন গতি লাভ কৰে। গতিকে প্ৰকৃত স্বতন্ত্ৰতা মানৱ সভ্যতাৰ বিকাশৰ অন্যতম কাৰণ। নতুন চিন্তা আৰু কৰ্মই নতুন অনুষ্ঠান, অনুশীলন আদি গঢ় লোৱাত সহায় কৰে আৰু সমাজৰ প্ৰগতিত সহায় কৰে। ৰবীন্দ্ৰনাথৰ মতে এই নতুন চিন্তাধাৰা বা কৰ্মৰ লগত প্ৰতিষ্ঠিত চিন্তাধাৰা, কৰ্ম আৰু অনুষ্ঠানৰ সামঞ্জস্য থাকিব লাগিব বুলিও কোনো ধৰণৰ বাধ্যবাধকতা থকা উচিত নহয়। তেওঁ এই বুলিও বিশ্বাস কৰিছিল যে প্ৰকৃত স্বতন্ত্ৰতাই ব্যক্তিক প্ৰচলিত ধ্যানধাৰণা, চিন্তা আদিৰ প্ৰতি প্ৰশ্ন উত্থাপনৰ সুযোগ প্ৰদান কৰে যাতে ব্যক্তিয়ে ইয়াৰ সলনি নিজৰ সৃষ্টিশীলতাৰ জৰিয়তে প্ৰগতিশীল আৰু সমাজকল্যাণমূলক কাৰ্য সম্পাদন কৰিব পাৰে। গতিকে তেওঁৰ মতে প্ৰকৃত স্বতন্ত্ৰতাইহে ব্যক্তিক প্ৰকৃত সুখ আৰু সন্তুষ্টি প্ৰদান কৰিব পাৰে।

কবিতাৰ ভাষাত তেওঁ স্বতন্ত্ৰতাক এইদৰে উল্লেখ কৰিছিল—

Where the mind is without fear
and the head is held high;
Where knowledge is free
Where the world has not been
broken up into fragments by narrow
domestic walls;
Where words come out from
The depth of truth;
Where tireless striving stretches its
arms towards perfection;
Where the clear stream of reason
has not lost its way into the dreary

desert sand of dead habit;
Where the mind is led forward by
there into ever widening thought and
action….
Into that heaven of freedom, my
Father, let my country awake.

অৰ্থাৎ, য'ত ব্যক্তিয়ে নিৰ্ভয় মনেৰে, উন্নত শীৰে; য'ত জ্ঞানৰ পূৰ্ণ স্বাধীনতা আছে, য'ত ঠেক ব্যক্তি স্বাৰ্থই সমাজ খণ্ডিত কৰিব নোৱাৰে, য'ত সত্যৰ পৰা শক নিসৃত হয়, য'ত কষ্টই সম্পূৰ্ণতাৰ ফালে ধাৱিত হয়, য'ত মুক্তিৰ সোঁত বিচলিত নহয়, য'ত মন উদাৰ হয় তেনেকুৱা স্বাধীনতাৰ সৰগৰ বাবে মোৰ দেশ মাতৃক জগাই তোলা।

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰকৃত স্বতন্ত্ৰতাৰ ধাৰণা বহু পৰিমাণে আধ্যাত্মিকতা আৰু নৈতিকতাৰ দ্বাৰা প্ৰভাৱিত। সমালোচকসকলৰ মতে, ৰবীন্দ্ৰনাথ ঠাকুৰৰ স্বতন্ত্ৰতাৰ ধাৰণা এহাতে এক জটিল ধাৰণা আৰু আনহাতে ই এক কাল্পনিক আৰু আধ্যাত্মিক ধাৰণা। স্বতন্ত্ৰতাৰ যি চৰম বা সৰ্বোচ্চ পৰ্য্যায়ৰ কথা তেওঁ উল্লেখ কৰিছিল সেয়া কিছু পৰিমাণে কঠিন যদিও ভাৰতৰ প্ৰেক্ষাপটত সেয়া সম্ভৱ বুলি তেওঁ কোৱাৰ দৰে নিশ্চয়কৈ গ্ৰহণ কৰিব পাৰি। প্ৰাচীন কালৰে পৰা ভাৰতীয় বিভিন্নজনে এই স্বতন্ত্ৰতা আহৰণ কৰিব পাৰিছে। গতিকে ইয়াক সম্পূৰ্ণ অবাস্তৱ বুলি কোৱাও উচিত নহয়।

আকৌ আন এক উল্লেখনীয় কথা হ'ল যে ৰবীন্দ্ৰনাথৰ স্বতন্ত্ৰতাই মানৱতাৰ ভিত্তি প্ৰতিষ্ঠা কৰে। ব্যক্তি স্বাৰ্থৰ উৰ্দ্ধত সামাজিক চিন্তা আৰু শেষত সমাজৰো উৰ্দ্ধত বিশ্বব্ৰহ্মাণ্ড আৰু অসীমৰ লগত বিলীনতাই প্ৰকৃততে মানৱতাকে প্ৰতিনিধিত্ব কৰে। মুঠ কথাত মানৱীয় চিন্তা তেওঁৰ স্বতন্ত্ৰতাৰ ভিত্তি আছিল।

সমালোচক সকলৰ মতে, ৰবীন্দ্ৰনাথৰ স্বতন্ত্ৰতাৰ ধাৰণা এক জটিল ধাৰণা। আধ্যাত্মিকতা, নৈতিকতাই ইয়াক অধিক জটিল কৰিছে। আকৌ সমালোচকসকলৰ মতে, ইয়াত কোনো দ্বিমত থাকিব নোৱাৰে যে ব্যক্তিৰ সৰ্বোতপ্ৰকাৰ বিকাশ সমাজৰ প্ৰগতি আৰু কল্যাণৰ বাবে প্ৰয়োজনীয়। কিন্তু ইয়াৰ অৰ্থ এইটোও নহয় যে ৰবীন্দ্ৰনাথৰ প্ৰকৃত স্বতন্ত্ৰতাৰ ধাৰণাইহে কেৱল ব্যক্তিৰ প্ৰতিভা বিকাশত সহায় কৰিব পাৰে। সমালোচকসকলৰ মতে আন বিভিন্ন কাৰকেও ব্যক্তিৰ প্ৰতিভা বিকাশত সহায় কৰিব পাৰে।

## জাতীয়তাবাদ সম্পৰ্কত ৰবীন্দ্ৰনাথৰ ধাৰণা

### (Rabindranath's views on Nationalism)

ৰবীন্দ্ৰনাথ ঠাকুৰ জাতীয়তাবাদৰ তীব্ৰ সমালোচক আছিল। জাতীয়তাবাদক সমালোচনা কৰা তেওঁৰ প্ৰধান লিখনিসমূহ হ'ল ৰক্তকৰৱী (1926), মুক্তধাৰা (1922), আফ্ৰিকা (1936), সভ্যতাৰ সংকট (1941) ইত্যাদি।

ৰবীন্দ্ৰনাথৰ মতে জাতি ৰাষ্ট্ৰ হ'ল— 'Organised Political and economic Union of people for mechanical purpose'। অৰ্থাৎ ৰাষ্ট্ৰ হ'ল ব্যক্তিৰ সংগঠিত ৰাজনৈতিক আৰু অৰ্থনৈতিক সংগঠন যাৰ মূল উদ্দেশ্য যান্ত্ৰিক। তেওঁৰ মতে ৰাষ্ট্ৰ হ'ল ক্ষমতা আৰু বৈষয়িক লাভ আহৰণৰ এক উপায়। তেওঁৰ মতে ৰাষ্ট্ৰৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল—

1. ৰাষ্ট্ৰই সামূহিক স্বাৰ্থক প্ৰতিনিধিত্ব কৰে। তেওঁৰ মতে ব্যক্তিৰ স্বাৰ্থজনিত ইচ্ছাৰ সমষ্টিয়েই হ'ল ৰাষ্ট্ৰ।
2. ৰাষ্ট্ৰ ভয় আৰু লোভৰ ওপৰত প্ৰতিষ্ঠিত। ই ব্যক্তিৰ বিভিন্নতাক ধ্বংস কৰা একধৰণৰ ব্যৱস্থা (monotonous system) ক প্ৰতিষ্ঠা কৰে।
3. জাতি ৰাষ্ট্ৰই সাৰ্বজনীন নৈতিক নীতিসমূহ পালন নকৰে আৰু ই ৰাষ্ট্ৰীয় সীমাৰ জৰিয়তে নৈতিকতাক বিভক্ত কৰে।
4. জাতি ৰাষ্ট্ৰই বেছিভাগ সময়তে প্ৰতিযোগিতা, হিংসা, সংকীৰ্ণতা আদিক প্ৰচাৰ কৰে আৰু গ্ৰহণ কৰে।
5. জাতীয়তাবাদী ভাৱধাৰাই ব্যক্তিতকৈ ৰাষ্ট্ৰক ওপৰত স্থান প্ৰদান কৰে। অৰ্থাৎ এই ধাৰণা অনুসৰি ব্যক্তিৰ স্থান ৰাষ্ট্ৰৰ তলতীয়া।

গতিকে ৰাষ্ট্ৰৰ ধাৰণা তেওঁৰ মতে বহুপৰিমাণে নঞৰ্থক আছিল।

ৰবীন্দ্ৰনাথ ঠাকুৰ জাতীয়তাবাদৰ বিশেষকৈ পশ্চিমীয়া জাতীয়তাবাদী ধাৰণাৰ তীব্ৰ সমালোচক আছিল। তেওঁৰ মতে এই ধাৰণা যথেষ্ট ধ্বংসাত্মক আৰু প্ৰকৃত স্বতন্ত্ৰতাৰ বিৰোধী। ৰবীন্দ্ৰনাথে বিশ্বাস কৰিছিল যে ইউৰোপীয় দেশসমূহত উত্থান হোৱা জাতীয়তাবাদী ধাৰণা দৰাচলতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফল। দৰাচলতে তেওঁ ইউৰোপত বিংশ শতিকাৰ প্ৰথম ভাগত কিছুমান দেশত সামৰিক আৰু চৰম জাতীয়তাবাদৰ উত্থানৰ সময়ছোৱাৰ প্ৰেক্ষাপটত জাতীয়তাবাদৰ ধাৰণাটো আলোচনা কৰিছিল। তেওঁৰ মতে বিজ্ঞান প্ৰযুক্তিৰ উন্নতি আৰু উদ্যোগৰ বৃদ্ধিৰ লগে লগে হোৱা ঔদ্যোগিক বিপ্লৱে ইউৰোপীয় দেশৰ জনসাধাৰণক বহু পৰিমাণে একত্ৰীত হোৱাত সহায় কৰিছিল। অৰ্থনৈতিক কাৰণত যান্ত্ৰিকভাৱে হোৱা এই জাতীয়তাবাদে সেয়েহে নৈতিক আৰু সামাজিক দিশক গুৰুত্ব আৰোপ কৰা নাছিল। ৰবীন্দ্ৰনাথৰ মতে আৰ্থ-ৰাজনৈতিক প্ৰকৃতিৰ এই জাতীয়তাবাদ বহুপৰিমাণে উগ্ৰ আৰু অনৈতিক। ইয়াৰ প্ৰমাণ সাম্ৰাজ্যবাদী চিন্তাৰ প্ৰসাৰ, উপনিবেশবাদ, ৰাষ্ট্ৰৰ মাজত ক্ষমতা আহৰণ আৰু বৃদ্ধিৰ বাবে প্ৰতিযোগিতা ইত্যাদিৰ মাজতে পোৱা যায় বুলি তেওঁ মত প্ৰকাশ কৰিছিল। তেওঁৰ মতে, ইউৰোপৰ এই উগ্ৰ জাতীয়তাবাদে আনকি অন্য দেশৰ জনসাধাৰণৰ মূল্যবোধ সলনি কৰি নিজৰ দৰে গঢ় দিব বিচাৰিছিল। গতিকে, সামৰিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু প্ৰযুক্তিগত কাৰণত ইউৰোপত উদ্ভৱ আৰু বিকাশ হোৱা এই জাতীয়তাবাদী ধাৰণা কোনো কাৰণতে সমৰ্থনযোগ্য নহয়। অৱশ্যে তেওঁ ভাৰতীয় জাতীয়তাবাদ সম্পৰ্কে এক পৃথক ধাৰণা পোষণ কৰিছিল আৰু বিশ্বাস কৰিছিল যে ইয়াত সামাজিক আৰু নৈতিক একতাইহে মানুহৰ মনত জাতীয়তাবাদৰ সৃষ্টি কৰিছিল।

ইউৰোপীয় জাতীয়তাবাদী ধাৰণাৰ সমালোচক হ'লেও ৰবীন্দ্ৰনাথ 'Spirit of west' অৰ্থাৎ 'পশ্চিমীয়া ভাৱধাৰা'ক সমৰ্থন কৰিছিল। তেওঁৰ মতে পশ্চিমীয়া চিন্তা আৰু ভাৱধাৰা বহুসময়ত বিশ্বৰ অন্যান্য প্ৰান্তৰ বাবে স্বাধীনতা, সমতা, উদ্ভাৱনীয়তাৰ উৎস। কিন্তু দুৰ্ভাগ্যজনকভাৱে বিশ্বত এই পশ্চিমীয়া ভাৱধাৰাৰ বিপৰীতে সামৰিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰকৃতিৰ জাতীয়তাবাদী ধাৰণাহে অধিক জনপ্ৰিয়।

ৰবীন্দ্ৰনাথৰ মতে, জাতীয়তাবাদ এক ভৌগোলিক ধাৰণা আৰু ই মূলতঃ হিংসাৰ ওপৰত প্ৰতিষ্ঠিত আৰু হিংসাক প্ৰতিপালনো কৰে। তেওঁৰ মতে, ৰাষ্ট্ৰৰ ইতিহাস অধ্যয়ন কৰিলেই দেখা যায় যে ই হিংসাৰ ওপৰত প্ৰতিষ্ঠিত। দুই ভয়াবহ বিশ্বযুদ্ধ, বিভিন্ন ৰাষ্ট্ৰত সময়ে সময়ে হোৱা গৃহযুদ্ধ ইত্যাদিৰ ভিত্তি হিংসা আছিল। ৰবীন্দ্ৰনাথৰ মতে, উপনিৱেশবাদ, সাম্ৰাজ্যবাদৰ লগত জাতীয়তাবাদৰ এক ওচৰ সম্পৰ্ক আছে। তেওঁৰ মতে উপনিবেশবাদ উগ্ৰ জাতীয়তাবাদৰেই ফল।

ৰবীন্দ্ৰনাথে জাতীয়তাবাদক সমালোচনা কৰি মত প্ৰকাশ কৰিছিল যে জাতীয়তাবাদে মানুহৰ স্বকীয় বৈশিষ্ট্য ধ্বংস কৰি এক সাৰ্বজনীন চৰিত্ৰ গঢ় দিয়ে কাৰণ ই একধৰণৰ একতা প্ৰতিষ্ঠাত বিশ্বাস কৰে। ভাতৃত্ববোধৰ সলনি প্ৰতিযোগিতাৰ সৃষ্টি কৰা জাতীয়তাবাদী ধাৰণাক তেওঁ সাৰ্বজনীন নৈতিক নীতিৰ বিৰোধী আখ্যা দিছিল। গতিকে ৰবীন্দ্ৰনাথ ঠাকুৰে বিশ্বাস কৰিছিল যে জাতীয়তাবাদী ধাৰণাই ব্যক্তিক কিছুমান সংকীৰ্ণ সীমাৰ দ্বাৰা বিভাজন কৰে। লগতে ই মানুহৰ ইচ্ছা, প্ৰতিভা তথা স্বতন্ত্ৰতাক সীমাবদ্ধ কৰে। সেয়েহে তেওঁৰ মতে জাতীয়তাবাদ প্ৰকৃত স্বতন্ত্ৰতাৰ এক বাধা। ই মানুহক মোহাচ্ছন্ন কৰি ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গিত হোৱাতহে সহায় কৰে, ব্যক্তিৰ অস্তিত্ব আৰু প্ৰয়োজনক গুৰুত্ব প্ৰদান নকৰে।

ৰবীন্দ্ৰনাথে কেৱল পশ্চিমীয়া জাতি ৰাষ্ট্ৰ, জাতীয়তাবাদী ভাৱধাৰা সমালোচনাই কৰা নাছিল তেওঁ ইয়াৰ বিকল্প হিচাপে এক স্বদেশী সমাজৰ ধাৰণা আগবঢ়াইছিল যি সমাজ সম্পূৰ্ণ ৰাজনৈতিক, যান্ত্ৰিক আৰু অৰ্থনৈতিক নহয় আৰু যিখন সমাজ গঠিত হ'ব প্ৰেম, সহযোগিতা, মানৱীয়তা আৰু ভাতৃত্বৰ ভিত্তিত। তেওঁৰ মতে এই সমাজখনক ভাৰতীয় সভ্যতাৰ ভিত্তিত অধিক মজবুত কৰিব লাগে। ইয়াত থকা অনৈক্যৰ মাজত ঐক্য নীতিক অক্ষুণ্ণ ৰখাৰ ওপৰত গুৰুত্ব দিব লাগে যাতে বিভিন্ন জাতি, ধৰ্মৰ মানুহৰ সহৱস্থান সম্ভৱ হয়। অৱশ্যে তেওঁৰ মতে ভাৰতীয় সমাজৰ মুক্তিৰ বাবে কিছুমান সামাজিক ব্যৱস্থাৰ পুনৰ্গঠনৰ আৰু সংশোধনৰ প্ৰয়োজন আছে। মুঠ কথাত তেওঁ এক ভাৰতীয় সমাজৰ কল্পনা কৰিছিল যি কেৱল সামাজিক, নৈতিক আৰু আধ্যাত্মিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। অন্য অৰ্থত ক'বলৈ হ'লে ৰবীন্দ্ৰনাথে কবীৰ, গুৰু নানক, টুকাৰাম, শ্ৰীচৈতন্য আদিৰ দ্বাৰা প্ৰৱৰ্তিত সন্মিলিত (Syncretic) পৰম্পৰাৰ উত্থান আৰু প্ৰতিষ্ঠা হোৱাটো বিচাৰিছিল।

ৰবীন্দ্ৰনাথৰ জাতীয়তাবাদী ধাৰণাৰ সমালোচনাৰ ভিত্তি চমুকৈ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

1. ৰবীন্দ্ৰনাথ পশ্চিমীয়া তথা ইউৰোপীয় জাতীয়তাবাদী ধাৰণাৰ তীব্ৰ সমালোচক আছিল।
2. তেওঁৰ মতে ইউৰোপীয় জাতীয়তাবাদ সামৰিক আৰু অৰ্থনৈতিক প্ৰকৃতিৰ।
3. ৰবীন্দ্ৰনাথৰ মতে জাতি-ৰাষ্ট্ৰৰ ভিত্তি মূলতঃ হিংসা। বিশ্বযুদ্ধ, গৃহযুদ্ধ ইত্যাদিয়ে এই কথাকে প্ৰতিপন্ন কৰে।
4. ৰবীন্দ্ৰনাথৰ মতে উপনিবেশবাদ আৰু সাম্ৰাজ্যবাদৰ লগত জাতীয়তাবাদৰ অতি নিকট সম্পৰ্ক আছে। তেওঁৰ মতে উপনিবেশবাদ উগ্ৰ জাতীয়তাবাদৰেই ফল।
5. ৰবীন্দ্ৰনাথৰ মতে জাতীয়তাবাদে এক ধৰণৰ একীভূত ব্যৱস্থা সৃষ্টি কৰে আৰু ই ব্যক্তিৰ বিভিন্নতাক ধ্বংস কৰে।
6. জাতীয়তাবাদে ৰাষ্ট্ৰক ব্যক্তিৰ ওপৰত বুলি গণ্য কৰি ব্যক্তিৰ গুৰুত্বক অস্বীকাৰ কৰে।
7. ৰবীন্দ্ৰনাথৰ মতে জাতীয়তাবাদ সাৰ্বজনীন নৈতিক নীতিৰ বিৰোধী কাৰণ এই ধাৰণাই ৰাষ্ট্ৰৰ মাজত সহযোগিতাৰ সলনি প্ৰতিযোগিতাৰ সৃষ্টি কৰে।
8. ৰবীন্দ্ৰনাথৰ মতে জাতীয়তাবাদ প্ৰকৃত স্বতন্ত্ৰতাৰ বিৰোধী কাৰণ ই ব্যক্তিৰ প্ৰতিভা বিকাশতকৈ ক্ষমতা আহৰণ, একীভূত ব্যৱস্থাৰ প্ৰতিষ্ঠা, স্বকীয়তাৰ সলনি এক উমৈহতীয়া বৈশিষ্টৰ সৃষ্টিৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ চিন্তা আৰু দৰ্শনৰ ভিত্তি আছিল আধ্যাত্মিকতা। সেয়েহে তেওঁ নিজৰ ধাৰণাসমূহক নৈতিক আৰু আধ্যাত্মিক দিশৰ পৰা আলোচনা কৰিছিল। জাতীয়তাবাদ সম্পৰ্কত হওঁক বা স্বতন্ত্ৰতা সম্পৰ্কত

হওঁক তেওঁ এক আধ্যাত্মিক দিশৰ দ্বাৰাহে এইবোৰ বিশ্লেষণ কৰিছিল। সেয়েহে বিভিন্নজনৰ মতে তেওঁৰ ধাৰণাবোৰ কাল্পনিক আৰু বাস্তৱিকতাৰ পৰা বহু দূৰত। কিন্তু এই ধাৰণাও সত্য যে জাতীয়তাবাদৰ লগত তেওঁ যি উপনিবেশবাদ আৰু সাম্ৰাজ্যবাদৰ সম্পৰ্ক প্ৰতিষ্ঠা কৰিছিল সেয়া নিঃসন্দেহে আলোচনাৰ বিষয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাত বিশেষকৈ যি সময়ত জাতীয়তাবাদী ঢৌ যথেষ্ট জনপ্ৰিয় হৈ আছিল সেই সময়ত জাতীয়তাবাদক সমালোচনা কৰাৰ বাবে ৰবীন্দ্ৰনাথ ঠাকুৰ যথেষ্ট সমালোচিত হৈছিল যদিও দৰাচলতে ভাৰতীয় স্বাধীনতা আন্দোলনৰো প্ৰকৃত উদ্দেশ্য কেৱল ৰাজনৈতিক স্বাধীনতা আহৰণেই নাছিল। সেই দিশৰ পৰা তেওঁক কোনো কাৰণত অশুদ্ধ বুলি ক'ব নোৱাৰি। ৰবীন্দ্ৰনাথে কেৱল ৰাজনৈতিক স্বাধীনতা আহৰণ কৰিব খোজা ৰাজনৈতিক আৰু সামৰিক ক্ষমতা আহৰণমূলক জাতীয়তাবাদী চিন্তাকহে সমালোচনা কৰিছিল। অৰ্থাৎ, তেওঁ আছিল সংকীৰ্ণ জাতীয়তাবাদৰ সমালোচক। ৰবীন্দ্ৰনাথৰ জাতীয়তাবাদৰ ধাৰণাৰ প্ৰশংসনীয় দিশ কেইটামান হ'ল—

1. পশ্চিমীয়া জনপ্ৰিয় জাতীয়তাবাদৰ ধাৰণাৰ সমালোচনাৰে জাতীয়তাবাদৰ প্ৰকৃতি বিশ্লেষণ অৰ্থাৎ, জাতীয়তাবাদ সম্পৰ্কত এক নতুন চিন্তাৰ উদ্ভাৱন য'ত ভাৰতীয় সমাজৰ বিভিন্ন দিশসমূহ প্ৰতিফলতি হ'ব পাৰে।

2. সামৰিক, অৰ্থনৈতিক দিশৰ বিপৰীতে জাতীয়তাবাদৰ সামাজিক, নৈতিক, আধ্যাত্মিক দিশৰ ওপৰত গুৰুত্ব প্ৰদান।

3. প্ৰতিযোগিতা, ক্ষমতাৰ বিপৰীতে সহযোগিতা, মানৱীয়তা, অনৈক্যৰ মাজত ঐক্য ধাৰণাৰ ওপৰত গুৰুত্ব প্ৰদান।

শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ ক্ষেত্ৰতো ৰবীন্দ্ৰনাথে এক বিশেষ মতামত আগবঢ়াইছিল। তেওঁ এক মুক্ত পৰিৱেশমূলক শিক্ষা ব্যৱস্থা প্ৰসাৰৰ ওপৰত গুৰুত্ব দিছিল য'ত শিক্ষাৰ্থীৰ বিভিন্ন দিশৰ প্ৰতিভাৰ বিকাশ সম্ভৱ হয়। সেই উদ্দেশ্যেই তেওঁ বোলপুৰত প্ৰথমে শান্তি নিকেতন আৰু পিছত ১৯১৮ চনত বিশ্ব ভাৰতীৰ প্ৰতিষ্ঠা কৰিছিল। বিশ্ব ভাৰতীত অধ্যয়নৰ বাবে তেওঁ পৃথিৱীৰ সকলো দেশৰ শিক্ষাৰ্থীকে আহ্বান জনাইছিল।

সাম্ৰাজ্যবাদী ব্যৱস্থা, ভাৰতীয় জাতি ব্যৱস্থা ইত্যাদিৰো তেওঁ ঘোৰ বিৰোধী আছিল। পশ্চিমীয়া ব্যৱস্থাৰ তেওঁ যথেষ্ট সমালোচক আছিল যদিও ইয়াৰ বৈজ্ঞানিক ভাৱধাৰাৰ লগত ভাৰতীয় নৈতিকতাৰ সংমিশ্ৰণৰ পোষকতা কৰিছিল।

ৰবীন্দ্ৰনাথ ঠাকুৰক এজন চিন্তাবিদ হিচাপে জনাতকৈ সাহিত্য আৰু শিল্পৰ সাধক হিচাপেহে জনা যায়। ৰাজনৈতিক চিন্তাৰ জগতখনত ৰবীন্দ্ৰনাথক যদিও বিশেষ স্বীকৃতি দিয়া হোৱা নাই, তেওঁ কিন্তু ভাৰতৰ এজন অন্যতম আধ্যাত্মিক গুৰু। পৰম্পৰাগত ৰাজনৈতিক চিন্তাবিদ নহ'লেও ৰবীন্দ্ৰনাথক এজন ব্যতিক্ৰমী চিন্তাবিদ হিচাপে পৰিগণিত কৰিব পৰা যায়। তেওঁ আছিল প্ৰকৃত অৰ্থত এজন জাতীয়তাবাদী, মানৱতাবাদী আৰু স্বাধীনতাপ্ৰেমী চিন্তাবিদ।

**Excercise :**

1. Discuss the grounds on which Rabindranath criticised Nationalism.
2. Discuss in brief Rabindranath's views on Nationalism.
3. Discuss Rabindranath Tagore as an exponent of humanism.
4. Write a brief note on Rabindranath's views on true freedom.

✦✦✦

অষ্টম অধ্যায়

# মহম্মদ ইকবাল
# (1877-1938)

শেখ মহম্মদ ইকবাল এজন বিখ্যাত উৰ্দু আৰু পাৰ্চী কবি আছিল। 'চাৰে জাহাসে অচ্ছা, হিন্দুস্থান হমাৰা'.... শীৰ্ষক বিখ্যাত গাণটোৰ স্ৰষ্টা আছিল মহম্মদ ইকবাল। এই বিখ্যাত গীতটো ৰচনা কৰি নিজকে এজন ভাৰতীয় জাতীয়তাবাদী হিচাবে প্ৰতিষ্ঠা কৰিছিল। অৱশ্যে পিছলৈ এই বিখ্যাত কবিজন ভাৰতীয় মুছলমান লোক সকলৰ বাবে এক পৃথক ৰাষ্ট্ৰৰ প্ৰৱক্তা হৈ পৰিছিল। পাকিস্তানত এওঁক আল্লাম ইকবাল অৰ্থাৎ আটাইতকৈ জ্ঞানী বুলি জনা যায়।

বিখ্যাত ভাৰতীয় কবি আৰু ধৰ্মীয় দাৰ্শনিক মহম্মদ ইকবালৰ জন্ম হৈছিল 1877 চনত পঞ্জাৱৰ শিয়ালকোটত। তেওঁৰ পূৰ্বপুৰুষ কাশ্মীৰি পণ্ডিত আছিল বুলি জনা যায় যিসকল পিছলৈ ধৰ্মান্তৰিত হৈছিল। শিয়ালকোটতে স্কুলীয়া শিক্ষা সমাপ্ত কৰা ইকবালে লাহোৰত কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিল আৰু পিছলৈ ইংলেণ্ড আৰু মিউনিখত উচ্চ শিক্ষা গ্ৰহণ কৰিছিল। লাহোৰৰ ওৰিয়েণ্টল কলেজত তেওঁ কিছুদিন শিক্ষকতাও কৰিছিল। পিছলৈ তেওঁ সম্পূৰ্ণৰূপে কাব্য চৰ্চাত নিজকে নিয়োগ কৰিছিল আৰু এজন ইছলামিক জাতীয়তাবাদী হিচাপেহে নিজকে দাঙি ধৰিছিল। তেওঁ ভাৰতীয় মুছলিম লীগৰ এজন উল্লেখনীয় নেতা আছিল আৰু পাঞ্জাৱ মুছলিম লীগৰ সভাপতি পদতো অধিস্থিত হৈছিল। 1926 চনত মহম্মদ ইকবাল পঞ্জাৱ আইন সভাৰ সদস্য নিৰ্বাচিত হৈছিল আৰু এইদৰে তেওঁ সক্ৰিয় ৰাজনীতিৰো অংশ হৈ পৰিছিল। তৰাণে-ই-হিন্দ (1904), তৰাণে-ই-মিল্লি (1910), জাভেদ নামা (1932), ইচলামীয় ৰাজনৈতিক দৰ্শনৰ পুনৰগঠন (The reconstruction of Religious thought in Islam, 1930) ইত্যাদি হ'ল তেওঁৰ অন্যতম লিখনি।

পাকিস্তানৰ ৰাষ্ট্ৰীয় কবি হিচাপে পৰিগণিত মহম্মদ ইকবালক পাকিস্তানত আল্লাম্মা (Allama) বুলি জনা যায়। মহম্মদ আলী জিন্নাৰ বাবে ইকবাল আছিল গুৰুসদৃশ। পাকিস্তান গঠনৰ সকলো শ্ৰেয় মহম্মদ জিন্নাই লাভ কৰিছে যদিও ইয়াৰ ভিত্তি প্ৰতিষ্ঠা কৰিছিল মহম্মদ ইকবালে।

মহম্মদ ইকবালৰ দৰ্শনৰ দুটা পৃথক ৰূপ দেখা পোৱা যায়। 'চাৰে জাঁহাচে-অচ্ছা হিন্দুস্তা হমাৰা'ৰ লিখক পাকিস্তান সৃষ্টিৰ লগত জড়িত হোৱা কথাটোৱে স্পষ্টকৈ এই কথা প্ৰমাণ কৰে যে তেওঁ নিজৰ জীৱন কালত দুটা পৃথক ধাৰাক প্ৰতিনিধিত্ব কৰে। প্ৰথম অৱস্থাত তেওঁ এজন অতি সৰল ভাৰতীয় জাতীয়তাবাদী চিন্তাৰ লোক আছিল। কিন্তু পিছলৈ তেওঁ ভাৰতীয় জাতীয়তাবাদৰ লগতে জাতীয়তাবাদী ধাৰণাৰ এক কঠোৰ সমালোচক হৈ উঠিছিল আৰু জাতীয়তাবাদক মুছলমান একতাৰ প্ৰতিবন্ধক হিচাপে গণ্য কৰিছিল। প্ৰথম অৱস্থাত

হিন্দু মুছলিম একতাৰ প্ৰতীক হিচাপে ঠিয় হোৱা এই ব্যক্তিজনেই পিছলৈ মুছলমান একতা আৰু ধৰ্মৰ ভিত্তিত পাকিস্তান গঠনৰ দাবীৰ প্ৰৱক্তা হৈ পৰিছিল। তৰাণে ই হিন্দত 'সাৰে জাঁহাচে অচ্ছা.........' লিখা ব্যক্তিজনেই তৰাণে-ই-মিল্লি-ত লিখিছিল 'মুছলিম হ্যে হম ৰতন হ্যে চাৰা জাঁহা হমাৰা'।

দৰাচলতে মহম্মদ ইকবাল ইউৰোপত থকা সময়ছোৱাত হোৱা কিছুমান ঘটনাই তেওঁক এই বৈপৰীত্য প্ৰদান কৰা বুলি বিভিন্নজনে মত প্ৰকাশ কৰে। অৰ্থাৎ 1908 চনত যেতিয়া ইকবাল ভাৰতলৈ ঘূৰি আহিছিল তেতিয়া তেওঁ এজন জাতীয়তাবাদীৰ পৰিৱৰ্তে মুছলমান ধৰ্মীয় নেতা হিচাপেহে নিজকে প্ৰতিষ্ঠিত কৰিছিল। পৃথিৱীৰ মুছলমান দেশ বিশেষকৈ তুৰ্কী, পাৰ্চিয়া ইত্যাদিত হোৱা ইউৰোপীয় আধিপত্যৰ ঘটনাই বহুতৰ লগতে ইকবালৰ মনতো প্ৰতিষ্ঠা কৰিছিল যে ইছলামিক একতাইহে ইচলাম ধৰ্মীয় লোকসকলৰ স্বাৰ্থক সুৰক্ষিত কৰিব। সেয়েহে তেওঁ বিশ্বৰ সকলো ইচলাম ধৰ্মীয় লোকক এক হ'বলৈ আহ্বান জনাইছিল। তৰাণা-ই-মিল্লিত এই বিষয়ে তেওঁ এনেদৰে লিখিছিল.....

চীন-অ'-আৰব হমাৰা

হিন্দুস্তান হমাৰা,

মুছলিম হ্যে হম ৰতন হ্যে

চাৰা জাঁহা হমাৰা।

অৰ্থাৎ, 'চীন, আৰব আৰু হিন্দুস্তান আমাৰ, আমি মুছলমান আৰু গোটেই বিশ্ব আমাৰ'। 1930 চনত এলাহাবাদত হোৱা মুছলিম লীগৰ অধিৱেশনত সভাপতি হিচাপে ইকবালে হিন্দু আৰু মুছলমানৰ বাবে পৃথক প্ৰশাসনীয় ব্যৱস্থাৰে দাবী উত্থাপন কৰি পাকিস্তান গঠনৰ পৰোক্ষ প্ৰস্তাৱৰ বীজ ৰোপন কৰিছিল।

মহম্মদ ইকবালক এজন অন্যতম ধৰ্মীয় নেতা আখ্যা দিব পাৰি। তেওঁ এখন ধৰ্মীয় ৰাষ্ট্ৰ (Theocratic state) য'ত সকলো কাম-কাজ ধৰ্মীয় নীতিৰ ভিত্তিত পৰিচালনা হয়, য'ত ধৰ্ম সৰ্বোচ্চ স্থানত থাকে আৰু য'ত সকলো গুৰুত্বপূৰ্ণ প্ৰশাসনীয় আৰু ৰাজনৈতিক পদবী ধৰ্মীয় লোকক প্ৰদান কৰা হয়, তেনেকুৱা এখন ৰাষ্ট্ৰৰ পৰিকল্পনা কৰিছিল। তেওঁ ধৰ্মকে বিশ্বৰ সকলো সমস্যা সমাধানৰ পথ হিচাপে গণ্য কৰিছিল। ইউৰোপত থকা সময়তে তেওঁ মত পোষণ কৰিছিল যে ইউৰোপীয় লোকসকলৰ অশান্তিৰ মূল কাৰণ হ'ল ধৰ্মীয় উদাসীনতা। ধৰ্মীয় দিশক বা ধৰ্মক সাৰ্বভৌম স্থানৰ পৰা অৱনমিত কৰিব খোজা আৰু ধৰ্মক ৰাজনীতিৰ পৰা পৃথক কৰাৰ কথা কোৱা বাবে ইকবালে মেকিয়াভেলীক 'চয়তানৰ দূত' অৰ্থাৎ Messenger of Satan' আখ্যা দিছিল। ইয়াৰ বিপৰীতে তেওঁ মত প্ৰকাশ কৰিছিল যে ধৰ্মই ব্যক্তিৰ জীৱনৰ সকলো দিশ নিৰ্ণয় কৰিব লাগে। ইকবালে কোৰাণক ব্যক্তিৰ আধ্যাত্মিক আৰু বৈষয়িক বিষয়ৰ প্ৰতীক হিচাপে গণ্য কৰি ইচলাম ধৰ্মৰ প্ৰতি সদায় নিজৰ গভীৰ আস্থা প্ৰদৰ্শন কৰিছিল। তেওঁ যি ধৰ্মীয় ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ পোষকতা কৰিছিল তাত ব্যক্তি আৰু চৰকাৰৰ মাজত কোনো পাৰ্থক্য নাথাকে বুলি মত প্ৰকাশ কৰিছিল। তেওঁৰ মতে, এই ৰাষ্ট্ৰৰ ব্যক্তিৰ জীৱনৰ প্ৰতিটো দিশতে ধৰ্মৰ প্ৰভাৱ থাকিব।

## ইকবালৰ ব্যক্তি সত্বা (Khudi) সম্পৰ্কত ধাৰণা

## (Iqbal's views on Khudi/self)

ইকবালৰ সমাজ সম্পৰ্কীয় ধাৰণা অধ্যয়নৰ পূৰ্বে তেওঁৰ ব্যক্তি/ব্যক্তিত্ব সম্পৰ্কীয় ধাৰণা জনাটো

প্ৰয়োজনীয় কাৰণ তেওঁৰ আদৰ্শ সমাজৰ ভিত্তি আছিল এই ব্যক্তি অৰ্থাৎ 'খুদী' (এক উৰ্দু শব্দ যিটোৰ ইংৰাজী প্ৰতিশব্দ Self)। তেওঁৰ এই ব্যক্তি ধাৰণাৰ ভিত্তি আছিল মানৱতাবাদ, সাৰ্বজনীনতাবাদ, চুফীবাদ আৰু আধুনিক ব্যক্তিবাদী চিন্তাবিদ যেনেঃ ল'ক, ৰুছো আদি চিন্তাবিদৰ ধাৰণা।

তেওঁ ব্যক্তি/ব্যক্তিত্বৰ তিনিটা পৰ্যায়ৰ কথা কৈছিল। সেয়া হ'ল—

(i) **শাৰিৰীক (Physical)** ঃ ইয়াত তেওঁ ব্যক্তিৰ শাৰিৰীক অৱস্থিতি আৰু দিশৰ কথা আলোচনা কৰিছিল।

(ii) **সম্পৰ্কযুক্ত (Relational)** ঃ ইয়াত ব্যক্তিয়ে নিজস্ব স্বাৰ্থৰ ওপৰলৈ গৈ আনৰ বাবে চিন্তা কৰে। অৰ্থাৎ, নিজৰ লগতে এই ধৰাত থকা সকলো জীৱৰ লগত নিজৰ অৱস্থিতিক প্ৰতিষ্ঠা কৰে।

(iii) **সাৰ্বজনীন (Universal)** ঃ এই পৰ্যায়ত ব্যক্তিয়ে নিজকে এক সাৰ্বজনীন সত্বাৰ অংশ হিচাপে বিবেচনা কৰে।

ইকবালৰ মতে ব্যক্তিৰ মাজত ভগৱানে প্ৰদান কৰা এক বিশেষ গুণ আছে আৰু সেয়া হ'ল— সম্পূৰ্ণতা/সৰ্বোচ্চতা (Perfectibility)। ব্যক্তিয়ে ভাল কৰ্ম, চিন্তা আৰু নৈতিক গুণৰ সমৃদ্ধিৰ দ্বাৰা এই সম্পূৰ্ণতা অৰ্জন কৰিব পাৰে আৰু নিজকে সৰ্বোচ্চ সত্বাৰ পৰ্য্যায়লৈ লৈ যাব পাৰে। তেওঁ কৈছিল—

খুদীকো কৰ বুলন্দ ইতনা/কি হৰ তকদীৰ সে পেহলে,/খুদা বন্দে সে খুদ পুসে বতা তেৰী ৰঝা কিয়া হ্যে— অৰ্থাৎ ব্যক্তিয়ে নিজৰ মাজত ইমানেই মানৱীয় সম্পূৰ্ণতা অনাৰ চেষ্টা কৰিব লাগে যে ভগৱান বা খোদা ই ব্যক্তিৰ ভাষ্য নিৰ্ণয় কৰাৰ পূৰ্বে ব্যক্তিক এই সম্পৰ্কে সুধিবলগীয়া হয়। অৰ্থাৎ, তেওঁৰ মতে ব্যক্তিয়ে নিজৰ কৰ্মৰ জৰিয়তেই ভাস্য সলনি কৰিব পাৰে। ইয়াৰ বাবে ইকবালৰ মতে প্ৰয়োজনীয় হ'ল আত্ম সজাগতা (Self Conciousness), আত্মবোধ (Self realisation) আদিৰ দৰে গুণ যাতে ব্যক্তিয়ে নিজক অধ্যয়ন কৰিব পাৰে, নিজৰ সম্পৰ্কত প্ৰয়োজনীয় জ্ঞান আহৰণ কৰিব পাৰে আৰু নিজকে প্ৰয়োজনীয় সংশোধন কৰিব পাৰে আৰু সৃষ্টিকৰ্তাৰ পৰ্য্যায়লৈ যাব পাৰে। অৱশ্যে তেওঁ ব্যক্তিক পৰমাত্মাৰ লগত বিলীন হোৱাৰ পোষকতা কৰা নাছিল। তেওঁৰ মতে ব্যক্তিয়ে সৃষ্টিকৰ্তাৰ দৰে সম্পূৰ্ণ হ'ব পাৰে কিন্তু পৰমাত্মাৰ লগত বিলীন হৈ নিজৰ অস্তিত্ব অস্বীকাৰ নকৰে। ইকবালৰ মতে ব্যক্তিৰ এই সম্পূৰ্ণতাৰ মূল উদ্দেশ্য দুটা—

(i) ভগৱান/খোদা বা সৃষ্টিকৰ্তাৰ প্ৰতি সেৱা বা তেওঁৰ ভক্তৰ প্ৰতি সেৱা (Service to God)

(ii) সমাজৰ কল্যাণৰ প্ৰতি সেৱা (Service to Societal Good)

তেওঁৰ মতে এনে ব্যক্তি বা ব্যক্তিত্ব (Khudi) সাহসী, আত্মবিশ্বাসী, সক্ৰিয়, সৃষ্টিশীল হ'ব যিয়ে সকলো ধৰণৰ শোষণৰ প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰিব আৰু তেওঁলোকে প্ৰয়োজনীয় ধৰণে সমাজখনকো সলনি কৰিব পাৰে। তেওঁৰ এই ব্যক্তি বা ব্যক্তিত্ব কিন্তু কোনো কাৰণতে সংকীৰ্ণ নহয়। ই-হ'ব ব্যক্তিস্বাৰ্থহীন (Selfless) বা বেখুদী (Be-Khudi) অৰ্থাৎ তেওঁৰ খুদী/ব্যক্তি হ'ল— ব্যক্তিস্বাৰ্থহীন বা বে-খুদী য'ত কোনো সংকীৰ্ণ স্বাৰ্থ নাথাকিব, যি সমাজৰ কল্যাণ আৰু সৃষ্টিকৰ্তা আৰু সমাজৰ সেৱাত নিমজ্জিত হ'ব। ইকবালৰ মতে এনে ব্যক্তিত্ব অমৰ আৰু চিৰজ্যোতিস্মান।

## আদৰ্শ সমাজ/সম্প্ৰদায়

## (Ideal Community)

এৰিষ্ট'টলৰ দৰে মহম্মদ ইকবালেও বিশ্বাস কৰিছিল যে মানুহ বা ব্যক্তি সামাজিক প্ৰাণী আৰু সমাজক

বাদ দি ব্যক্তি হ'ব নোৱাৰে বা ব্যক্তিৰ অস্তিত্ব নাথাকে। তেওঁৰ মতে সমাজ হ'ল— ব্যক্তিৰ এক সমষ্টি আৰু এই সমষ্টি হ'ল এক সম্পূৰ্ণ সত্বা (Organice whole)। গতিকে ইয়াক পৃথককৈ চাব বা আলোচনা কৰিব নোৱাৰি। গতিকে ব্যক্তিক সমাজৰ পৰা কেতিয়াও পৃথক কৰিব নোৱাৰি। তেওঁ বিশ্বাস কৰিছিল যে ব্যক্তিৰ ব্যক্তিত্বৰ সঠিক বিকাশৰ বাবে সমাজ অতি প্ৰয়োজনীয়। সেয়েহে তেওঁ ব্যক্তি আৰু সমাজক এটাক আনটোৰ প্ৰতিফলন আখ্যা দিছিল। ইকবালে তেওঁৰ পাৰ্চী লিখনি Asrar-i-Khudi (The secrets of self) আৰু Ramus-i-Bekhudi (The mystries of Selflessness) ত ব্যক্তি আৰু সমাজৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিছিল। ইয়াৰ প্ৰথমখন ব্যক্তিসম্পৰ্কীয় বা ব্যক্তিৰ গুৰুত্ব সম্পৰ্কীয় আৰু দ্বিতীয়খন সমাজৰ গুৰুত্বসম্পৰ্কীয়। Ramus-i-Bekhudi ত তেওঁ ব্যক্তি আৰু সমাজৰ সম্পৰ্কৰ বিষয়ে মত প্ৰকাশ কৰি কৈছিল যে সমাজতেই ব্যক্তি জীয়াই থাকে আৰু বিকশিত হয় আৰু সমাজতেই ব্যক্তিৰ অস্তিত্ব থাকে। সমাজ অবিহনে ব্যক্তি দুৰ্বল আৰু ক্ষমতাহীন আৰু লক্ষ্য সংকীৰ্ণ তথা বিভাজিত হয়। সমাজেহে ব্যক্তিক জীৱনৰ বহল লক্ষ্য প্ৰদান কৰে আৰু নিজৰ শক্তি তথা ক্ষমতাৰ বিষয়ে সজাগ কৰে। সমুদ্ৰৰ ঢৌৰ যিদৰে সমুদ্ৰতহে গুৰুত্ব থাকে, সমুদ্ৰৰ বাহিৰত একো নাথাকে ঠিক একেদৰে ব্যক্তিৰো গুৰুত্ব সমাজৰ প্ৰেক্ষাপটতহে থাকে। সমাজ অবিহনে তেওঁৰ মতে ব্যক্তি একোৱেই নহয় আৰু ব্যক্তিৰ জীৱনৰ উদ্দেশ্যও সংকীৰ্ণ হয়।

ইকবালৰ আদৰ্শ সম্প্ৰদায় বা সমাজৰ প্ৰকৃতি ধৰ্মীয় আছিল। তেওঁ বিশ্বাস কৰিছিল যে সমাজত একতা ধৰ্মৰ পৰাহে প্ৰতিষ্ঠা হয়। আন বিভিন্নজনে কোৱাৰ দৰে বিশেষকৈ পশ্চিমীয়া ৰাষ্ট্ৰসমূহে বিশ্বাস কৰাৰ দৰে সমাজৰ একতাৰ ভিত্তি জাতি, ভাষা, চাৰিসীমাৰ দৰে বৈষয়িক দিশবোৰৰ দ্বাৰা একতা প্ৰতিষ্ঠা নহয়। তেওঁ এখন এনে সমাজৰ পোষকতা কৰিছিল যিখন দৰাচলতে কিছুমান আধ্যত্মিকভাৱে সমৃদ্ধ ব্যক্তিৰ সমূহ হ'ব আৰু যিখন আটাইতকৈ দেৱত্ব বা সম্পূৰ্ণতা লাভ কৰা ব্যক্তিৰ দ্বাৰা পৰিচালিত হ'ব। এই সমাজত ব্যক্তিৰ নিজৰ স্বতন্ত্ৰ ধাৰণা প্ৰকাশ কৰাৰ সুবিধা থাকিব। অৰ্থাৎ তেওঁৰ মতে কেৱল শ্বৰিয়াৰ অনুসৰণক তেওঁ সমৰ্থন কৰা নাছিল। যুক্তি, আধুনিকতা আদিৰ দ্বাৰা প্ৰভাৱিত ব্যক্তিয়ে সমাজত নিজৰ মতামত আগবঢ়োৱাত কোনো বাধা থকাটো তেওঁ সমৰ্থন কৰা নাছিল। অৱশ্যে তেওঁ ভগৱান/খোদাক সৰ্বোচ্চ কৰ্তৃত্ব হিচাপে অস্বীকাৰ কৰাৰ পোষকতা কৰা নাছিল। তেওঁৰ মতে ধৰ্মৰ মূল নেহেৰোৱাকৈ ব্যক্তিয়ে নিজৰ ধাৰণা স্বতন্ত্ৰভাৱে প্ৰকাশ কৰিব পাৰে। তেওঁ আকৌ বিশ্বাস কৰিছিল যে সমতা, স্বতন্ত্ৰতা, একতা, ভাতৃত্ব ইত্যাদিৰ প্ৰতিষ্ঠাত ধৰ্মইহে সহায় কৰিব পাৰে। সৃষ্টিকৰ্তাই যিহেতু সকলো ব্যক্তিক একে হিচাবে গণ্য কৰে, তেওঁৰ ধৰ্মীয় সমাজত যিহেতু ব্যক্তিৰ স্বতন্ত্ৰতা থাকে আৰু ধৰ্মীয় ভাৱনাই যিহেতু ব্যক্তিক এক কৰি ৰাখে সেয়েহে তেওঁৰ মতে ধৰ্মইহে সমতা, স্বতন্ত্ৰতা আৰু ভাতৃত্ববোধ প্ৰতিষ্ঠাত সহায় কৰে। ইকবালৰ আদৰ্শ সমাজ বা সম্প্ৰদায় এক ধৰ্মীয় সমাজ হোৱাৰ উপৰিও পশ্চিমীয়া ধাৰণাৰ দৰে ৰাষ্ট্ৰত। অৰ্থাৎ তেওঁৰ আদৰ্শ সমাজেই ধৰ্মীয় সমাজ আৰু ৰাষ্ট্ৰ। তেওঁ এই আদৰ্শ সমাজখনৰ নাম দিছিল 'মিল্লত' (Millat)। 'মিল্লত' এখন মুছলমান সমাজ আৰু ইয়াত ৰাষ্ট্ৰ আৰু ধৰ্ম তথা ৰাজনীতি আৰু ধৰ্মৰ মাজত কোনো পাৰ্থক্য নাথাকে। ইয়াত পৃথক জাতীয়তাবাদৰ কোনো প্ৰয়োজন নাই কাৰণ ইয়াত ধৰ্মৰ দ্বাৰাই একতা আৰু ভাতৃত্ববোধৰ প্ৰতিষ্ঠা হয়।

## ইকবালৰ আদৰ্শ সম্প্ৰদায়ৰ বৈশিষ্ট্য (Features of Iqbal's Ideal Community) ঃ

ইকবালৰ আদৰ্শ ৰাষ্ট্ৰৰ কিছুমান বিশেষ বৈশিষ্ট্য পৰিলক্ষিত হয়। যেনে ঃ

1. তেওঁৰ আদৰ্শ সমাজ ধৰ্মৰ নৈতিক আৰু আধ্যাত্মিক দিশৰ ওপৰত প্ৰতিষ্ঠিত। অৰ্থাৎ তেওঁৰ আদৰ্শ সম্প্ৰদায়ৰ মূল বৈশিষ্ট আছিল ধৰ্মীয় দিশৰ ওপৰত গুৰুত্ব। লগতে তেওঁ সহযোগিতা, ভাতৃত্ব আদিৰ দৰে নৈতিক

দিশৰ ওপৰতো গুৰুত্ব দিছিল। মুঠ কথাত তেওঁ ধৰ্মৰ ভিত্তিত প্ৰতিষ্ঠিত এখন সমাজৰ কল্পনা কৰিছিল।

2. তেওঁৰ আদৰ্শ সম্প্ৰদায়ত সমতা, প্ৰেম-ভালপোৱা সহযোগিতা আদিৰ সৰল উপস্থিতি দেখা যায়। তেওঁ ব্যক্তিক স্বাৰ্থহীনভাৱে সমাজৰ অংশ হোৱাৰ পৰামৰ্শ আগবঢ়াইছিল।

3. তেওঁৰ আদৰ্শ সমাজত ব্যক্তিৰ স্বতন্ত্ৰতা আৰু সামাজিক কল্যাণৰ সংমিশ্ৰণ হোৱা দেখা যায়। অৰ্থাৎ, তেওঁ ব্যক্তিক স্বতন্ত্ৰ ধাৰণা প্ৰকাশৰ সুবিধা প্ৰদানৰ লগে লগে সামাজিক দিশ, ধৰ্মীয় দিশৰ সংৰক্ষণৰ ওপৰতো গুৰুত্ব দিছিল।

4. তেওঁৰ আদৰ্শ সমাজত ৰাজনৈতিক ব্যৱস্থা আধ্যাত্মিক, পশ্চিমীয়া গণতন্ত্ৰৰ দৰে আনুষ্ঠানিক গণতান্ত্ৰিক নহয়। অৰ্থাৎ, ইয়াত ধৰ্মীয় আৰু আধ্যাত্মিক উপায়েৰে গণতন্ত্ৰৰ মূল নীতি সমতা, স্বতন্ত্ৰতা ইত্যাদি প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

5. তেওঁৰ আদৰ্শ সমাজত ব্যক্তিৰ মাজত কোনো অমানৱীয় প্ৰতিযোগিতা নাথাকে। ইয়াৰ সলনি ব্যক্তিৰ মাজত সহযোগিতা, প্ৰেম ভালপোৱা আৰু ভাতৃত্ববোধ থাকিব। ইয়াত ধৰ্মীয় আৰু ৰাজনৈতিক দিশৰ কোনো বিভাজনো নাথাকে।

6. তেওঁৰ আদৰ্শ সমাজৰ অৰ্থনৈতিক ব্যৱস্থা পুজিবাদীও নহয় আৰু মাৰ্ক্সে কোৱাৰ দৰে সমাজবাদীও নহয়। কিন্তু ইয়াত ব্যক্তিৰ মাজত সমতা থাকিব আৰু ব্যক্তিৰ শোষণ আৰু দমন নহয়। ব্যক্তিৰ মাজত ন্যায় আৰু সমতা প্ৰতিষ্ঠাৰ সকলো প্ৰচেষ্টা ইয়াত ধৰ্মৰ সহায়তেই কৰা হ'ব। মুঠ কথাত তেওঁৰ আদৰ্শ সমাজত এক নৈতিক আৰু আধ্যাত্মিক সমাজবাদহে প্ৰতিষ্ঠা হ'ব।

মুঠ কথাত ক'ব পাৰি যে ইকবালে ৰাষ্ট্ৰ সম্পৰ্কত কোনো ধাৰণা আগবঢ়োৱাতকৈ এক আদৰ্শ সম্প্ৰদায় বা সমাজৰ ধাৰণা আগবঢ়াইছিল আৰু তেওঁৰ এই আদৰ্শ সম্প্ৰদায়ৰ ধাৰণাৰ মাজতেই ৰাষ্ট্ৰৰ ধাৰণা নিহিত আছিল। এই আদৰ্শ সম্প্ৰদায়কে যদি ৰাষ্ট্ৰৰ ধাৰণা হিচাপে গণ্য কৰা যায় তেনেহ'লে তেওঁৰ এই ৰাষ্ট্ৰ এক ধৰ্মতান্ত্ৰিক (Theocratic) ৰাষ্ট্ৰ হ'লহেতেন য'ত ৰাষ্ট্ৰৰ সকলো কাম-কাজ ধৰ্মীয় নীতিৰ ভিত্তিত পৰিচালিত হয়।

**ধৰ্মতন্ত্ৰ (Theocratic) ঃ** ধৰ্মতন্ত্ৰ হ'ল এনে এক ৰাষ্ট্ৰ ব্যৱস্থা য'ত ভগৱানৰ শাসন (Rule of God) প্ৰতিষ্ঠা হয়। এই ৰাষ্ট্ৰত সকলো কাম-কাজ ধৰ্মীয় নীতি অনুসৰি পৰিচালিত হয়। ইয়াত ৰাজনৈতিক আৰু প্ৰশাসনীয় উচ্চ পদবীসমূহ ধৰ্মীয় নেতাক পদমৰ্যাদাৰ ভিত্তিত প্ৰদান কৰা হয়। মুঠতে ই হ'ল এনে এক ৰাষ্ট্ৰ য'ত ৰাজনীতি ধৰ্মৰ অধীন। মধ্যযুগীয় ইউৰোপত এই ধৰ্মীয় ৰাষ্ট্ৰৰ উত্থান হৈছিল আৰু ৰাষ্ট্ৰৰ ওপৰত গীৰ্জাৰ আধিপত্য প্ৰতিষ্ঠা হৈছিল। মধ্যযুগৰ অন্যতম চিন্তাবিদ চেণ্ট আগষ্টাইন এনে ৰাষ্ট্ৰৰ অন্যতম প্ৰৱক্তা আছিল।

## ইকবালৰ আদৰ্শ সমাজ/সম্প্ৰদায়ৰ মূল্যায়ন

## (Evaluation of Iqbal's Ideal Society/Community)

ইকবালৰ আদৰ্শ সমাজৰ ধাৰণা বিভিন্ন দিশৰ দ্বাৰা সমালোচিত। বিভিন্ন সমালোচকৰ মতে, ইকবালৰ ধৰ্মৰ ভিত্তিত প্ৰতিষ্ঠা কৰিব খোজা সমাজৰ ধাৰণাটো সমস্যাযুক্ত। আধুনিক ধৰ্মনিৰপেক্ষ সমাজত এনে ধৰ্মভিত্তিক সমাজ গ্ৰহণযোগ্য নহয় আৰু আজিও ই এক বিতৰ্কিত ধাৰণা হৈয়েই আছে। বিভিন্নজনে আকৌ ইকবালক দ্বি জাতি তত্ত্বৰ প্ৰৱক্তা হিচাবেও সমালোচনা কৰে যি তত্ত্বই ধৰ্মৰ ভিত্তিত দুটা জাতি আৰু দুখন ৰাষ্ট্ৰৰ প্ৰতিষ্ঠাৰ কথা

কয়। কিন্তু উল্লেখনীয় কথাটো হ'ল যে পশ্চিমীয়া শক্তিয়ে যি সময়ত ৰাজনৈতিক, ধৰ্মীয় আৰু আধ্যাত্মিকভাৱে ইচলাম ধৰ্মক অৱদমন কৰি ৰাখিছিল সেইখিনি সময়ত ইয়াৰ পুনৰ উত্থানৰ চেষ্টা নিশ্চয়কৈ তাৎপৰ্যপূৰ্ণ। ইয়াৰ বাবে তেওঁ ইচলাম ধৰ্মৰ সনাতনী সাৰাংশক পশ্চিমীয়া ৰাজনৈতিক বিষয়ৰ লগত সংযুক্ত কৰি ইয়াৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰাৰ চেষ্টা চলাইছিল। লগতে তেওঁ ইউৰোপীয় শক্তিৰ পৰা ইচলামিক বিশ্বৰ ৰাজনৈতিক স্বতন্ত্ৰতা উদ্ধাৰৰ বাবেও প্ৰচেষ্টা চলাইছিল। একেদৰে স্বাধীন ভাৰতত ভাৰতীয় মুছলমান লোকসকলৰ ভৱিষ্যত সম্পৰ্কীয় দিশটোও তেওঁ উত্থাপন কৰিছিল। এই সকলোবোৰ দিশ মনত ৰাখিয়েই তেওঁ তেওঁৰ আদৰ্শ সমাজ বা সম্প্ৰদায়ৰ ধাৰণাটো আগবঢ়াইছিল।

অৱশ্যে তেওঁৰ এই ধাৰণাও আন ধাৰণাবোৰৰ দৰেই বহুসময়ত পৰস্পৰ বিৰোধী আছিল। যেনে ঃ এহাতে তেওঁ জাতীয়তাবাদক সমালোচনা কৰিছিল আৰু আনফালে পৃথক মুছলিম জাতি ৰাষ্ট্ৰৰ দাবী উত্থাপন কৰিছিল য'ত উত্তৰ পশ্চিম ভাৰতৰ মুছলমান লোকসকল থাকিব। আকৌ এহাতে তেওঁ তেওঁৰ আদৰ্শ সমাজত সৃষ্টিকৰ্তাক বা খোদাক সৰ্বোচ্চ কৰ্তৃত্ব প্ৰদান কৰিছিল আৰু আনফালে ব্যক্তিক দেৱত্ব লাভৰ পৰামৰ্শ আগবঢ়াইছিল। তেওঁ ৰাজনৈতিক গণতন্ত্ৰৰ বিৰোধিতা কৰিছিল কিন্তু, আধ্যাত্মিক গণতন্ত্ৰক সমৰ্থন কৰিছিল। আকৌ আদৰ্শ সমাজত অৰ্থনৈতিক ক্ষেত্ৰত তেওঁ পুজিবাদক সমালোচনা কৰিছিল যদিও সমাজবাদকো সমৰ্থন কৰা নাছিল। এহাতে তেওঁ আদৰ্শ সমাজৰ ব্যক্তিক নিজৰ যুক্তিৰে ধৰ্মীয় আইনৰ বিশ্লেষণৰ পৰামৰ্শ দিছিল যদিও আনহাতে আকৌ ধৰ্মীয় আইনৰ সৰ্বোচ্ছতাও স্বীকাৰ কৰিছিল।

বিভিন্ন সমালোচনাৰ পিছতো নিশ্চিতভাৱে ক'ব পাৰি যে ইকবালৰ আদৰ্শ ৰাষ্ট্ৰৰ ধাৰণা ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰালৈ অন্যতম অৱদান আছিল য'ত এক নতুন দিশৰ পৰা ইচলাম ধৰ্মৰ গুৰুত্ব প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা হৈছিল।

## ৰাজনীতিত ধৰ্মৰ মৰ্যাদা সম্পৰ্কত ইকবালৰ ধাৰণা

## (Iqbal's ideas about status of Religion in Politics)

ইকবালৰ ৰাজনৈতিক, সামাজিক ধাৰণাৰ এক অন্যতম বৈশিষ্ট্য হ'ল পৰিৱৰ্তনশীলতা। তেওঁৰ ধাৰণা বহুসময়ত পৰিস্থিতি নিৰ্ভৰ আছিল। ৰাজনীতি সম্পৰ্কতো তেওঁ প্ৰাৰম্ভিক অৱস্থাত এক উদাৰ ধাৰণা পোষণ কৰিছিল। ইয়াত তেওঁ কোনো ধৰ্মীয় উপাদানক বিশেষ গুৰুত্ব দিয়া নাছিল। তেওঁৰ 1904 চনৰ তৰাণা-ই-হিন্দ (Tarana-i-Hind)ত এই কথাৰ প্ৰমাণ পোৱা যায় য'ত তেওঁ লিখিছিল 'চাৰে জাহা সে আচ্ছা হিন্দুস্তা হমাৰা'। ইয়াত তেওঁ আকৌ লিখিছিল— 'মজহব নহী শিখাতা আপছ মে বৈৰ ৰখনা'। প্ৰথম কথাংশৰ দ্বাৰা তেওঁ ভাৰতবৰ্ষক শ্ৰেষ্ঠ ৰাষ্ট্ৰ হিচাপে গণ্য কৰাৰ লগতে হিন্দু-মুছলমানৰ একতাৰ ওপৰতো গুৰুত্ব দিছিল আৰু অতি গুৰুত্বপূৰ্ণভাৱে তেওঁ দ্বিতীয় কথাংশৰ দ্বাৰা ধৰ্মৰ ওপৰত মন্তব্য দি কৈছিল যে ধৰ্মই কেতিয়াও ব্যক্তিৰ মাজত শত্ৰুতাৰ কথা নিশিকায়। কিন্তু এই একেজন ব্যক্তিয়েই পিছত ভাৰতীয় জাতীয়তাবাদৰ সমালোচক হৈ উঠিছিল আৰু ৰাজনীতিক ধৰ্মৰ অধীন বা ধৰ্মৰ দ্বাৰা পৰিচালিত কৰাৰ পোষকতা কৰিছিল।

উদাৰ চিন্তাধাৰাৰ ইকবাল ধৰ্মৰ প্ৰতি অধিক আকৰ্ষিত হৈ উঠিছিল ইউৰোপত থকা সময়ছোৱাত। এইখিনি সময়তে তেওঁ ধাৰণা কৰিছিল যে পশ্চিমীয়া পুজিবাদী সমাজত অশান্তিৰ মূল কাৰণ হ'ল ধৰ্মীয় উদাসীনতা। ধৰ্মক ৰাজনীতিৰ পৰা পৃথক কৰিব খোজা মেকিয়াভেলীক তেওঁ চয়তানৰ দূত (Messenger of Satan) আখ্যা দিছিল। ইয়াৰ বিপৰীতে তেওঁ ব্যক্তিৰ জীৱনৰ সকলো দিশ ধৰ্মৰ দ্বাৰা পৰিচালিত কৰাৰ পোষকতা

কৰিছিল। বিশ্বৰ সকলো সমস্যা সমাধানৰ পথ হিচাপে তেওঁ ধৰ্মক গ্ৰহণ কৰাৰ পৰামৰ্শ আগবঢ়াইছিল আৰু মত প্ৰকাশ কৰিছিল যে ভগৱানৰ আধিপত্য তথা ধৰ্মীয় আইন অৰ্থাৎ শ্বৰিয়ত (Shariat) ৰ জৰিয়তেহে শাসন ব্যৱস্থা পৰিচালিত হোৱা উচিত। মুঠ কথাত তেওঁ এখন ধৰ্মীয় ৰাষ্ট্ৰ য'ত ধৰ্মৰ সাৰ্বভৌমত্ব থাকে আৰু যি মূলতঃ শ্বৰিয়তৰ দ্বাৰা পৰিচালিত তাৰ প্ৰতিষ্ঠাৰ আহ্বান জনাইছিল আৰু এনে ৰাষ্ট্ৰকে সকলো সমস্যাৰ সমাধান হিচাবে গণ্য কৰিছিল।

## জাতীয়তাবাদ সম্পৰ্কত ইকবালৰ ধাৰণা

## (Iqbal's views on Nationalism)

জাতীয়তাবাদ সম্পৰ্কত ইকবালৰ ধাৰণা পূৰ্বৰ ধাৰণাসমূহৰ দৰেই পৰিৱৰ্তনশীল। তেওঁ প্ৰথম অৱস্থাত ভাৰতীয় জাতীয়তাবাদৰ এজন অন্যতম প্ৰৱক্তা আছিল আৰু সেয়েহে তৰাণা-ই-হিন্দত তেওঁ 'চাৰে জাঁহাসে অচ্ছা' লিখি ভাৰতৰ জয়গান গাইছিল। অৱশ্যে তেওঁৰ এই ধাৰণা পিছলৈ সলনি হৈছিল।

মহম্মদ ইকবাল পশ্চিমীয়া জাতীয়তাবাদৰ এজন তীব্ৰ সমালোচক আছিল। তেওঁ পশ্চিমীয়া জাতি ৰাষ্ট্ৰ আৰু জাতীয়তাবাদক প্ৰত্যাখ্যান কৰি মত প্ৰকাশ কৰিছিল যে এইবোৰে (জাতীয়তাবাদ, ৰাষ্ট্ৰ) সমাজক ভৌগোলিক, জাতিগত, ভাষাগত, বৰ্ণগত ইত্যাদি বিভিন্ন বাহ্যিক কাৰকৰ দ্বাৰা বিভাজন কৰে। আকৌ তেওঁৰ মতে জাতীয়তাবাদে বৈষয়িক নাস্তিকতাক প্ৰতিষ্ঠা কৰে কাৰণ ই ধৰ্মীয় দিশক সম্পূৰ্ণৰূপে অস্বীকাৰ কৰে। তেওঁৰ মতে মানৱীয় সম্পৰ্কৰ ভিত্তি ধৰ্মীয় একতা হোৱাটো প্ৰয়োজনীয় কিন্তু জাতীয়তাবাদে জাতি ৰাষ্ট্ৰকহে এই একতাৰ ভিত্তি হিচাপে গণ্য কৰে। দৰাচলতে তেওঁ এক ধৰ্মীয় আৰু আধ্যাত্মিক সম্প্ৰদায়ৰ কল্পনা কৰিছিল য'ত জাতীয়তাবাদৰ দ্বাৰা একতা প্ৰতিষ্ঠাৰ কোনো প্ৰয়োজনেই নাই কাৰণ ইয়াত ধৰ্মীয় একতাই ব্যক্তিৰ মাজত প্ৰয়োজনীয় বন্ধন বা একতা প্ৰতিষ্ঠা কৰাত সহায় কৰিব। মুঠ কথাত, তেওঁ জাতীয়তাবাদক সমালোচনা কৰি এক ইছলামিক সাৰ্বজনীনতা (Islamic Universalism) প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দিছিল আৰু বিশ্বৰ সকলো মুছলমানৰ মাজত একতা স্থাপনৰ কল্পনা কৰিছিল।

চমুকৈ ক'বলৈ হ'লে বিভিন্ন কাৰণত ইকবালে জাতীয়তাবাদ আৰু ভাৰতীয় জাতীয়তাবাদক সমালোচনা কৰিছিল। যেনে—

1. জাতীয়তাবাদে সমাজক ভৌগোলিক, জাতিগত, ভাষাগত, বৰ্ণগত ভিত্তিত বিভাজন কৰি একতা প্ৰতিষ্ঠাত বাধা দিয়ে।
2. পশ্চিমীয়া জাতীয়তাবাদে একতাৰ ভিত্তি হিচাপে ধৰ্মীয় দিশক নস্যাৎ কৰে।
3. জাতীয়তাবাদী ধাৰণাই বিভিন্ন দেশৰ মুছলমান লোকসকলৰ মনত সংকীৰ্ণ দেশপ্ৰেমমূলক চিন্তাৰ উদ্ৰেক ঘটায় আৰু বিশ্বত ইছলামিক একতা প্ৰতিষ্ঠাত বাধা দিয়ে।
4. ভাৰতীয় জাতীয়তাবাদ প্ৰতিষ্ঠাই ভাৰতত মুছলমান সকলৰ ওপৰত হিন্দুৰ আধিপত্য প্ৰতিষ্ঠা কৰিব কাৰণ ভাৰতত হিন্দুলোকৰ সংখ্যাই অধিক।
5. জাতীয়তাবাদ ব্যক্তিৰ আধ্যাত্মিক বিকাশৰ বাধা কাৰণ ই ব্যক্তিক বৈষয়িক দিশৰ প্ৰতিহে আগ্ৰহী কৰি তোলে। ইকবালৰ মতে ব্যক্তি জীৱনৰ উদ্দেশ্য বৈষয়িক দিশতকৈ অধিক বহল বা উদাৰ আধ্যাত্মিক দিশৰ বিকাশহে হোৱা উচিত।

6. জাতীয়তাবাদে জাতি ৰাষ্ট্ৰৰ মাজত প্ৰতিযোগিতাৰ সৃষ্টি কৰি এক সংঘাতপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি কৰে।

ইকবালে দুখ প্ৰকাশ কৰিছিল যে এই জাতীয়তাবাদী চিন্তাৰ ফলতেই ইছলাম লোকসকলে নিজৰ সাৰ্বজনীন বৈশিষ্ট্য পাহৰি পেলাইছে। তেওঁ জাতীয়তাবাদক মুছলমান লোকসকলৰ বাবে এক মিছা ভ্ৰম আখ্যা দিছিল।

বিভিন্ন বিশ্লেষকৰ মতে জাতীয়তাবাদ সম্পৰ্কে ইকবালৰ ধাৰণাৰ বৈপৰীত্য দেখাৰ মূল কাৰণ হ'ল তেওঁৰ দৰ্শনৰ বিকাশৰ পৰ্য্যায়। প্ৰথম অৱস্থাত তেওঁ ভাৰতীয় জাতীয়তাবাদৰ যেতিয়া প্ৰশংসক হৈ আছিল সেই সময়ত দৰাচলতে তেওঁৰ দৰ্শনৰ প্ৰকৃত বিকাশেই হোৱা নাছিল। পিছৰ পৰ্য্যায়ত যেতিয়া তেওঁৰ চিন্তা পৰিপক্ক হৈছিল তেতিয়াহে তেওঁ কিছু পৃথক ধাৰণা আগবঢ়াইছিল। সেয়েহে তেওঁৰ ধাৰণাত কিছু বৈপৰীত্য দেখা যায়।

**মূল্যায়ণ (Evaluation) ঃ**

মহম্মদ ইকবালৰ সমগ্ৰ ধাৰণা আৰু চিন্তা বৈপৰীত্যৰে পৰিপূৰ্ণ আছিল। এজন জাতীয়তাবাদী তথা হিন্দু মুছলমানৰ একতাত বিশ্বাসী প্ৰগতিশীল ব্যক্তি হিচাপে প্ৰথম অৱস্থাত নিজকে প্ৰতিষ্ঠা কৰা ইকবালেই হৈ উঠিছিল এজন প্ৰতিক্ৰিয়াশীল ব্যক্তি যিয়ে মুছলমান সকলৰ বাবে পৃথক ৰাজ্যৰ দাবী উত্থাপন কৰি পিছলৈ পাকিস্তানৰ দাবীৰ এজন পৰোক্ষ পৃষ্ঠপোষক হিচাপেও ভাৰতত বিভিন্ন জনৰ মনত দোষী সাব্যস্ত হৈছিল। এজন উদাৰ আৰু সংবেদনশীল কবি হিচাপে তেওঁ মানৱতাবাদৰ পৃষ্ঠপোষক হৈছিল যদিও ৰাজনৈতিক ক্ষেত্ৰত তেওঁ এক সংকীৰ্ণ আদৰ্শক সমৰ্থন কৰি নিজকে বিতৰ্কিত কৰিছিল। মানৱতাবাদী হিচাপে তেওঁ জাতীয়তাবাদক সমালোচনা কৰিও মুছলমানৰ বাবে ভাৰতত পৃথক ৰাজ্যৰ দাবী কৰিছিল। ধৰ্মৰ প্ৰৱক্তা হিচাপে তেওঁ ধৰ্ম, ধৰ্মীয় আইনৰ সৰ্বোচ্চতাক গ্ৰহণ কৰাৰ পিছতো ব্যক্তিক নিজৰ যুক্তি আৰু দৰ্শনেৰে এইবোৰ বিশ্লেষণ কৰাৰ পৰামৰ্শ আগবঢ়াইছিল।

ইকবালৰ অন্যতম অৱদান হ'ল 'খুদী' (Self)ৰ ধাৰণা যাৰ জৰিয়তে তেওঁ ব্যক্তিৰ সৰ্বোচ্চতা প্ৰতিষ্ঠা কৰাৰ ওপৰত গুৰুত্ব দিছিল। ব্যক্তিক তেওঁ আধ্যাত্মিকতাৰে সম্পূৰ্ণতা আহৰণৰ পৰামৰ্শ আগবঢ়াইছিল আৰু মত প্ৰকাশ কৰিছিল যে ব্যক্তিৰ সৰ্বোচ্চ বিকাশেহে সমাজক সমৃদ্ধ কৰিব পাৰিব। ব্যক্তিৰ মাজত তেওঁ আত্ম সজাগতা, সংশোধন অনাৰ পৰামৰ্শ আগবঢ়াইছিল যাতে ইয়াৰ জৰিয়তে ব্যক্তিয়ে সমাজৰ প্ৰতি প্ৰয়োজনীয় সেৱা আগবঢ়াব পাৰে। এজন ধৰ্মীয় প্ৰৱক্তা হোৱাৰ পিছতো তেওঁ ধৰ্মীয় আইন সম্পৰ্কত ব্যক্তিয়ে যুক্তিৰ প্ৰয়োগেৰে ইয়াৰ বিশ্লেষণ কৰাটো বিচাৰিছিল।

এক কথাত ক'বলৈ হ'লে ইকবালৰ ৰাজনৈতিক দৰ্শন আধুনিক আৰু সংৰক্ষণশীল মনোভাৱ আৰু প্ৰগতিশীল আৰু প্ৰতিক্ৰিয়াশীল ধাৰণাৰ সংমিশ্ৰণ আছিল।

**Excercise :**

1. Write a note on Iqbal's views on Ideal Community.
2. On what ground did Iqbal criticize nationalism? Discuss in brief.
3. Explain Characteristics of Iqbal's Ideal community.
4. What is Iqbal's concept of Khudi (self)? Discuss in brief.

## নৱম অধ্যায়

# বীৰ দামোদৰ সাৱাৰকাৰ
# (1883-1966)

বিনায়ক দামোদৰ সাৱাৰকাৰ বা বীৰ সাৱাৰকাৰ হিচাপে জনপ্ৰিয় ভাৰতীয় ৰাজনৈতিক চিন্তাবিদ গৰাকীৰ জন্ম হৈছিল 1883 চনত নাচিক (মহাৰাষ্ট্ৰ)ৰ ওচৰৰ এখন গাঁওত। তেওঁৰ পিতৃ আছিল দামোদৰ আৰু মাতৃৰ নাম আছিল ৰাধাবাঈ। বাল্য বয়সতে তেওঁ প্ৰথমতে মাতৃ আৰু পিছত পিতৃক হেৰুৱাই জ্যেষ্ঠ ভাতৃৰ তত্ত্বাৱধানত ডাঙৰ দীঘল হৈছিল। বাৰ বছৰ বয়সতে যমুনাবাঈৰ লগত বিবাহ সম্পন্ন হোৱাত তেওঁৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ দায়িত্ব লৈছিল শহুৰেক ৰামচন্দ্ৰই।

সাৱাৰকাৰ সৰুকালৰ পৰাই বিপ্লৱী আছিল। তেওঁৰ এই চিন্তাত অৱশ্যে বিভিন্ন কাৰকে অৱদান আগবঢ়াইছিল। বিশেষকৈ স্বদেশী আন্দোলন, বংগ ভংগ আন্দোলন, তথা দেশৰ ৰাজনৈতিক পৰিস্থিতি য'ত সেই সময়ত বিদ্ৰোহী নেতা বাল গংগাধৰ তিলকে ৰাজনৈতিক ক্ষেত্ৰ তথা স্বাধীনতা আন্দোলনক এক নতুন মাত্ৰা প্ৰদান কৰিছিল; এই সকলোবোৰে সাৱাৰকাৰৰ মনত বৈপ্লৱিক চেতনাৰ জন্ম দিছিল। তেওঁৰ নিজ ৰাজ্য মহাৰাষ্ট্ৰতো বাল গংগাধৰ তিলকৰ নেতৃত্বত এক সৱল বৈপ্লৱিক ধাৰা আৰম্ভ হৈছিল। সেই সময়তে তিলকে তেওঁৰ 'কেশৰী' নামৰ বাতৰি কাকতখনত বৈপ্লৱিক চেতনাৰে সমৃদ্ধ বিভিন্ন লিখনি প্ৰকাশ কৰি জনসাধাৰণৰ মনত আৰু বিশেষকৈ মহাৰাষ্ট্ৰৰ জনসাধাৰণৰ মনত স্বাধীনতাৰ স্পৃহা আৰু বৈপ্লৱিক সত্বা জাগ্ৰত কৰি তুলিছিল। বীৰ সাৱাৰকাৰে বাল গংগাধৰ তিলকক নিজৰ আদৰ্শ জ্ঞান কৰি গুৰু হিচাপে গ্ৰহণ কৰিছিল। ইয়াৰ উপৰিও সেইখিনি সময়ত ভাৰতীয় নৱজাগৰণৰ ঢৌৱেও সমাজক এক নতুন গতি প্ৰদান কৰিছিল। এফালে যদি তিলকৰ দৰে কিছুমান জনতাই ব্ৰিটিছ শাসনৰ সমালোচনা তথা তীব্ৰ বিৰোধ আৰম্ভ কৰিছিল আনফালে আকৌ কিছুমানে প্ৰাচীন ভাৰতীয় ধৰ্ম, সভ্যতা সংস্কৃতিৰ গৰিমা উদ্ধাৰত ব্যস্ত হৈ পৰিছিল। এই দুয়োটা কাৰকেই পিছত সাৱাৰকাৰৰ চিন্তা আৰু কৰ্মত প্ৰভাৱ পেলাইছিল। তেওঁৰ চিন্তা আৰু দৰ্শনৰ আলোচনাই এই কথা নিশ্চিতভাৱে স্পষ্ট কৰে।

বাল্যকালৰ পৰাই বৈপ্লৱিক কাৰ্যত অংশগ্ৰহণ কৰা সাৱাৰকাৰৰ প্ৰকৃত অৰ্থত বৈপ্লৱিক নেতৃত্বৰ আৰম্ভণি হৈছিল পুনেৰ ফাৰ্গুচন কলেজৰ পৰা। ইয়াৰ বাবে তেওঁ কলেজৰ পৰা বহিস্কৃতও হ'বলগা হৈছিল। অৱশ্যে ইয়াৰ পিছত তেওঁ লোকমান্য তিলকৰ সহযোগত লণ্ডনত অধ্যয়নৰ সুযোগ লাভ কৰিছিল। লণ্ডনত থকা 1906 চনৰ পৰা 1910 চনলৈ তেওঁ এক ছাত্ৰ বিপ্লৱী হৈ পৰিছিল। এই সময়ছোৱাতে তেওঁ লগ পাইছিল লণ্ডনত থকা বহুকেইগৰাকী বৈপ্লৱিক সত্বাক যাৰ চিন্তাই সাৱাৰকাৰক অধিক ইংৰাজ বিদ্বেষী কৰি তুলিছিল। এই সময়ছোৱাতে

তেওঁ 1857 চনৰ চিপাহী বিদ্রোহক ভাৰতৰ প্রথম স্বাধীনতা যুদ্ধ হিচাপে বিশ্লেষণ কৰি লিখি উলিয়াইছিল তেওঁৰ অন্যতম গ্রন্থ The Indian War of Independence of 1857 (1908)। অৱশ্যে ইংৰাজ চৰকাৰে এই গ্রন্থখন লগে লগে নিষিদ্ধ ঘোষণা কৰিছিল। ইয়াৰ পিছত কার্জন উইলীৰ হত্যাত জড়িত থকাৰ অভিযোগত ব্রিটিছ চৰকাৰে সাৱাৰকাৰক গ্রেপ্তাৰ কৰে। বন্দী অৱস্থাত তেওঁক জাহাজেৰে ভাৰতলৈ অনা সময়তে তেওঁ অতি চতুৰতাৰে সাগৰত পৰি পলাবলৈ চেষ্টা কৰিছিল। অৱশ্যে পিছত তেওঁ পুনৰ ধৰা পৰে আৰু 1911 চনত ইংৰাজ চৰকাৰে তেওঁক 50 বছৰৰ কাৰাদণ্ডৰ আদেশ দিছিল। জেলত থকা সময় ছোৱাতেই তেওঁৰ ৰাজনৈতিক চিন্তা আৰু দর্শনৰ গভীৰ বিকাশ আৰম্ভ হৈছিল। 1923 চনত তেওঁ ৰচনা কৰি উলিয়াইছিল তেওঁৰ আটাইতকৈ জনপ্রিয় গ্রন্থ Hindutwa : Who is a Hindu? বিভিন্ন হেঁচাত পৰি ইংৰাজ চৰকাৰে সাৱাৰকাৰৰ কাৰাবন্দীত্ব চর্তসাপেক্ষে উঠাই লৈছিল আৰু 1924 চনত তেওঁ চর্তসাপেক্ষ মুক্তি লাভ কৰিছিল। জেলৰ পৰা ওলোৱাৰ পিছত তেওঁ ইংৰাজ চৰকাৰৰৰ চর্তসাপেক্ষে 1937 চনলৈ সক্রিয় ৰাজনীতিত অংশ গ্রহণ কৰা নাছিল। 1937 চনৰ পৰা তেওঁ অতি সক্রিয়ভাৱে হিন্দু মহাসভাৰ জৰিয়তে ৰাজনীতিত অংশগ্রহণ কৰে। অৱশ্যে ইয়াৰ পূর্বে প্রথমতে তেওঁ তিলকৰ গণতান্ত্রিক স্বৰাজ দলত অংশ গ্রহণ কৰিছিল। 1937 চনত হিন্দু মহাসভাত যোগদান কৰাৰ পিছত তেওঁ 1945 চনলৈ একেৰাহে হিন্দু মহাসভাৰ সভাপতি হিচাপে কার্য পালন কৰিছিল। তেওঁৰ সভাপতিত্বৰ সময়ছোৱাতেই হিন্দু মহাসভাই হিন্দু সমাজৰ মাজত অধিক জনপ্রিয়তা অর্জন কৰিছিল। পিছলৈ অৱশ্যে তেওঁ ইয়াৰ পৰাও পদত্যাগ কৰি এক অকলশৰীয়া জীৱন নির্বাহ কৰিছিল।

বাল্যকালৰ পৰাই বৈপ্লৱিক সত্বাৰ পৰিচয় বহন কৰা সাৱাৰকাৰে গান্ধীৰ অহিংস নীতিৰ তীব্র বিৰোধিতা কৰি মত প্রকাশ কৰিছিল যে আইন অমান্য, অসহযোগ, স্বদেশী আন্দোলন, কৰ প্রদান নকৰা ইত্যাদি কার্য্যই ইংৰাজ চৰকাৰৰ ওপৰত বিশেষ প্রভাৱ নেপেলায়। সেয়েহে ইয়াৰ সলনি ইংৰাজৰ শোষণ আৰু দমণমূলক শাসনৰ অন্ত পেলোৱাৰ বাবে তেওঁ হিংসাত্মক আৰু বৈপ্লৱিক পন্থা গ্রহণৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল।

## সাংগঠনিক কাম-কাজ ঃ

আগতেই উল্লেখ কৰা হৈছে যে ফার্গুচন কলেজৰ পৰাই সাৱাৰকাৰৰ প্রকৃত বৈপ্লৱিক নেতৃত্ব আৰম্ভ হৈছিল। এই সময়ছোৱাতে তেওঁ ফার্গুচন কলেজত অভিনৱ ভাৰত (Abhinav Bharat) নামে এক ৰাজনৈতিক সংগঠন তৈয়াৰ কৰিছিল। ইয়াৰ সদস্য হৈছিল জাতীয়তাবাদী আৰু বৈপ্লৱিক চিন্তাৰ দ্বাৰা সমৃদ্ধ ভাৰতীয় ছাত্রসকল। এই সংগঠনৰ মূল কাম আছিল প্রয়োজনীয় বৈপ্লৱিক পন্থাৰ বিষয়ে আলোচনা কৰা যিবোৰৰ জৰিয়তে ভাৰতৰ স্বাধীনতা অর্জন কৰা সম্ভৱ হ'ব পাৰে। কলেজ কর্তৃপক্ষই এই সংগঠনক বিপদজনক হিচাপে গণ্য কৰি সাৱাৰকাৰক কলেজৰ পৰা বহিস্কৃত কৰিছিল যদিও তেওঁক চূড়ান্ত পৰীক্ষাত অৱতীর্ণ হোৱাৰ সুযোগ প্রদান কৰা হৈছিল।

ইয়াৰ পিছত তেওঁ যেতিয়া লণ্ডনত অধ্যয়ন কৰিবলৈ গৈছিল তেতিয়াও তেওঁ লণ্ডনস্থিত বিখ্যাত ভাৰতীয় আইনবিদ শ্যামজী কৃষ্ণ বার্মাৰ দ্বাৰা প্রতিষ্ঠিত ইণ্ডিয়া হাউচ (India House)ত বাস কৰিবলৈ লৈছিল। ইণ্ডিয়া হাউচো মূলতঃ বৃটেইনলৈ অধ্যয়ন কৰিব অহা ভাৰতীয় ছাত্রসকলৰ মনত জাতীয়তাবাদী চেতনা জাগ্রত কৰাৰ উদ্দেশ্যেই গঠনকৰা এক অনুষ্ঠান আছিল। গতিকে সাৱাৰকাৰ অতি সহজেই এই কাম-কাজৰ লগত জড়িত হৈ পৰিছিল। পিছলৈ সাৱাৰকাৰৰ নেতৃত্বত লণ্ডনস্থিত ইণ্ডিয়া হাউচ ভাৰতীয় বৈপ্লৱিক চিন্তাৰ উৎস হৈ পৰিছিল।

সাৱাৰকাৰে লণ্ডনত আন এটা সংস্থাও স্থাপন কৰিছিল যিটো Free India Society হিচাপে নামকৰণ কৰা হৈছিল। এই সংগঠনৰ মূল কাম আছিল ভাৰতীয় ছাত্ৰসকলক বৈপ্লৱিক উপায়েৰে স্বাধীনতা অৰ্জনৰ প্ৰতি আগ্ৰহী কৰি তোলা।

মুঠ কথাত স্বাধীনতাৰ পথ তেওঁৰ মতে হিংসাত্মক আৰু বৈপ্লৱিক হোৱাটো প্ৰয়োজনীয় আছিল। তেওঁৰ মতে অহিংস, সত্যাগ্ৰহ আদিৰ দৰে পন্থাই জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰিব পাৰে কিন্তু ইংৰাজৰ দৰে দমনমূলক আৰু অন্যায়পূৰ্ণ শাসন ওফৰাই স্বাধীনতা অৰ্জন কৰিব নোৱাৰে। সেয়েহে স্বাধীনতা অৰ্জনৰ বাবে তেওঁ হিংসা আৰু বিপ্লৱকেই একমাত্ৰ পন্থা হিচাপে গ্ৰহণ কৰিছিল। তেওঁৰ মতে হিন্দুস্তান কেৱল হিন্দুৰ; ইয়াৰ অনা হিন্দু অৰ্থাৎ ইংৰাজৰ অধিগ্ৰহণ কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে আৰু সেয়েহে দেশৰ সকলো হিন্দু একেলগ হৈ এই শাসন ওফৰাই পেলাব লাগে। হিন্দুসকলক উৎসাহিত হোৱাৰ বাবে তেওঁ সদায় শিৱাজীৰ বীৰত্বৰ প্ৰশংসা কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে বীৰ শিৱাজীয়ে যিদৰে মুছলমান আগ্ৰাসনক আতৰাই মাৰাঠা শক্তি প্ৰতিষ্ঠা কৰিছিল সেয়া সকলোৰে বাবে অনুকৰণীয় হ'ব লাগে। ভাৰতীয় ইতিহাসৰ মধ্যযুগৰ বীৰ শিৱাজীৰ বীৰত্বৰ কাহিনীয়ে তেওঁৰ মতে হিন্দু জাতীয়তাবাদক প্ৰতিনিধিত্ব কৰিছিল। ঠিক একেদৰে আধুনিক ভাৰতত তেওঁ জাতীয়তাবাদী চিন্তাক চিপাহী বিদ্ৰোহৰ বিশ্লেষণেৰে আগবঢ়াইছিল। তেওঁক প্ৰথম ব্যক্তি আখ্যা দিয়া হয় যিজনে শৃংখলাবদ্ধ বিশ্লেষণেৰে চিপাহী বিদ্ৰোহক ভাৰতৰ প্ৰথম স্বাধীনতাৰ যুদ্ধ আখ্যা দি নিজকে জাতীয়তাবাদৰ অন্যতম আগশাৰীৰ প্ৰৱক্তা হিচাপে প্ৰতিষ্ঠা কৰিছে। তেওঁ তেওঁৰ 1908 চনত প্ৰকাশিত গ্ৰন্থ The Indian War of Independence ত এই বিশ্লেষণ আগবঢ়াইছিল। তেওঁৰ মতে ইংৰাজ শাসক আৰু অন্যান্য কিছুমানে প্ৰতিপন্ন কৰিব বিচৰাৰ দৰে এই বিদ্ৰোহে কেৱল চিপাহীসকলৰে অসন্তুষ্টি প্ৰকাশ কৰা নাছিল; ই ভাৰতীয় জনসাধাৰণৰ স্বাধীনতা লাভৰ ইচ্ছাকো প্ৰতিনিধিত্ব কৰিছিল। তেওঁ চিপাহী বিদ্ৰোহত অংশ লোৱা সৈনিকসকলৰ বীৰত্বৰ প্ৰতি অতি আগ্ৰহী আছিল আৰু তেওঁলোকৰ সাহসত সকলোকে গৌৰাৱান্বিত হ'বলৈ আহ্বান জনাইছিল। তেওঁৰ এই বিশ্লেষণে তেওঁৰ দৰ্শনৰ বৈপ্লৱিক ধাৰাৰ সমৰ্থন কৰে। সাৱাৰকাৰৰ মতে, 1857 ৰ বিদ্ৰোহত অংশ লোৱা প্ৰত্যেকজন চিপাহী প্ৰশংসাৰ যোগ্য তেওঁলোকৰ সাহস আৰু তেওঁলোকে গ্ৰহণ কৰা পন্থাৰ বাবে। তেওঁৰ মতে এই চিপাহীসকলে নিজৰ লক্ষ্য পূৰণ কৰাটো কঠিন বুলি জানিও সাহসেৰে হাতত অস্ত্ৰ তুলি লৈছিল আৰু ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। সাৱাৰকাৰৰ মতে এনে পৱিত্ৰ কাৰ্যৰ বাবে গ্ৰহণ কৰা হিংসাত্মক পন্থা কেতিয়াও গৰিহণাযোগ্য হ'ব নোৱাৰে। তেওঁ কৈছিল, "Therefore the sword of Brutus is holy. Therefore the Baghanakha of shivaji is of fair fame. Therefore, the beheading of charles I is a just deed. Therefore, the arrow of William tell is divine."

## সাৱাৰকাৰৰ হিন্দুত্ব

### (Savarkar's Hindutwa)

1923 চনত প্ৰকাশিত Hindutwa : Who is a Hindu নামৰ বিখ্যাত গ্ৰন্থখনত সাৱাৰকাৰে তেওঁৰ হিন্দুত্বৰ ধাৰণাটো আলোচনা কৰিছিল। হিন্দুত্ব সম্পৰ্কে আলোচনা কৰাৰ পূৰ্বে তেওঁ হিন্দু কোন এই বিষয়ে আলোচনা কৰিছিল। সাৱাৰকাৰৰ মতে সপ্ত সিন্ধুৰ পৰা ভাৰত মহাসাগৰলৈ বাস কৰা, ভাৰতবৰ্ষক নিজৰ মাতৃভূমি (পিতৃপুৰুষৰ জন্মস্থান) আৰু পুণ্যভূমি অৰ্থাৎ নিজ ধৰ্মৰ উৎপত্তিস্থল হিচাপে গণ্য কৰা ব্যক্তিয়েই হ'ল হিন্দু। তেওঁৰ মতে, বৈদিক, সনাতন, জৈন, বৌদ্ধ, শিখ ধৰ্মীয় লোক আৰু লগতে আৰ্যসমাজ, ব্ৰাহ্মসমাজ আৰু প্ৰাৰ্থনা সমাজৰ অন্তৰ্গত লোকসকলো হিন্দু যিহেতু তেওঁলোকৰ ধৰ্মৰ উৎপত্তিস্থল এই ভাৰতবৰ্ষ। গতিকে এই

লোকসকলৰ বাবেও ভাৰতবৰ্ষ পুণ্যভূমি (Holyland)। এই দিশৰ পৰা খ্ৰীষ্টিয়ান, ইছলাম, জিউচ ইত্যাদি ধৰ্মৰ লোকৰ জন্মস্থান ভাৰত হ'লেও তেওঁলোক হিন্দু নহয় কাৰণ তেওঁলোকৰ পুণ্যস্থান বা পুণ্যভূমি ভাৰত নহয়। ঠিক একেদৰে আন দেশৰ মানুহে ভাৰতক পুণ্যভূমি হিচাপে গ্ৰহণ কৰিলেও হিন্দু নহয় যিহেতুকে তেওঁলোকৰ পিতৃ পুৰুষে ইয়াতে জন্মগ্ৰহণ কৰা নাই। অৰ্থাৎ তেওঁৰ মতে হিন্দু হ'বলৈ হ'লে মূলতঃ দুটা চৰ্ত পূৰণ হ'ব লাগিব— জন্মস্থান অৰ্থাৎ পিতৃপুৰুষ ভাৰতীয় হ'ব লাগিব আৰু ভাৰত তেওঁৰ পুণ্যভূমি হ'ব লাগিব।

সাবাৰকাৰৰ মতে হিন্দু কেৱল এক ধৰ্ম নহয়, ই এটা জাতি বা জাতীয়তাবাদী ধাৰণা বা ভাৱধাৰা। জাতিৰ দ্বাৰা তেওঁ একে পূৰ্বপুৰুষৰ পৰা জন্ম লাভ কৰা ব্যক্তিগোষ্ঠীক বুজাইছিল। সাবাৰকাৰে হিন্দু ধৰ্ম আৰু হিন্দুত্বক দুটা পৃথক দিশ হিচাপে আলোচনা কৰিছিল। তেওঁৰ মতে হিন্দুত্বক হিন্দু ধৰ্মৰ লগত সংযুক্ত কৰাটো ভুল। বিভিন্ন ভাগত বিভক্ত হিন্দু ধৰ্ম দৰাচলতে কিছুমান ধৰ্মীয় গ্ৰন্থত থকা নীতি আৰু আধ্যাত্মিক দৰ্শনৰ সমষ্টি। তেওঁৰ মতে হিন্দু ধৰ্ম আনকি বৈদিক ধৰ্মতকৈও পৃথক।

হিন্দুক এক জাতি হিচাপে আলোচনা কৰা সাবাৰকাৰৰ মতে সপ্ত সিন্ধুৰ পৰা ভাৰত মহাসাগৰৰ মাজত বাস কৰা লোকসকলক বুজাবলৈহে হিন্দু শব্দটো ব্যৱহাৰ কৰা হৈছিল। সিন্ধুৰ পাৰত বাস কৰা লোকসকলক সিন্ধু আৰু পিছলৈ হিন্দু বুলি জনা গৈছিল। সিন্ধু শব্দটো হিন্দুলৈ ৰূপান্তৰিত হোৱাৰ কাৰণ আছিল ইয়াৰ উচ্চাৰণগত দিশ। অৱশ্যে সাৱাৰকাৰৰ মতে হিন্দু শব্দটো সিন্ধুতকৈ পুৰণি।

সাৱাৰকাৰৰ মতে, হিন্দু ধৰ্ম হ'ল ভাৰতত উৎপত্তি হোৱা ধৰ্মসমূহৰ ভিতৰত এটা অন্যতম ধৰ্ম। ইয়াৰ বিপৰীতে হিন্দুত্ব হ'ল— বৃহৎ ভাৰতীয় হিন্দু সংস্কৃতি বা বিভিন্ন ভাৰতীয় ধৰ্মৰ সমষ্টি। হিন্দুত্বই ভাৰতৰ সকলো সাংস্কৃতিক আৰু পৰম্পৰাগত দিশক সামৰি লয়। আৰু সেয়েহে ইয়াৰ বৃহত্তৰ সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক দিশ আছে। তেওঁৰ মতে হিন্দু ধৰ্মৰ ভিতৰত থকা বিভিন্ন ধৰণৰ বৈষম্য বা বিভাজনে মানুহৰ মাজত পাৰ্থক্যৰ সৃষ্টি কৰে আৰু ইয়াৰ ফলত একতা প্ৰতিষ্ঠাত সমস্যাৰ সৃষ্টি হয়। সাবাৰকাৰৰ মতে ধৰ্মীয় দিশৰ এনে পাৰ্থক্যই ৰাজনৈতিক দুৰ্বলতা সৃষ্টি কৰে। সেয়েহে ভাৰতত ঔপনিৱেশিকতাবাদৰ সূচনা হোৱা সম্ভৱ হৈছিল বুলিও তেওঁ মত প্ৰকাশ কৰিছিল। হিন্দু ধৰ্মৰ এই সীমাবদ্ধতাৰ বাবেই তেওঁ হিন্দুত্বৰ ব্যাখ্যা আগবঢ়াইছিল আৰু আশা কৰিছিল যে হিন্দুত্বৰ ধাৰণাই এই সীমাবদ্ধতা আতৰ কৰি সসকলো ধাৰা আৰু পৰম্পৰা তথা ভাৰতীয় ধৰ্মক সংযুক্ত কৰি এক ঐক্যবদ্ধ হিন্দু জাতি বা হিন্দু ৰাষ্ট্ৰৰ সৃষ্টি কৰাত সহায় কৰিব। সেয়েহে তেওঁ হিন্দুত্বক ধৰ্মীয় আৰু আধ্যাত্মিক দিশৰ পৰা আলোচনা কৰাতকৈ এক সভ্যতাগত ৰাজনৈতিক আৰু সাংস্কৃতিক দিশৰ পৰাহে আলোচনা কৰিছিল। হিন্দুত্বৰ বাবে প্ৰয়োজনীয় উপাদান তেওঁৰ মতে তিনিটা। যেনে— ৰাষ্ট্ৰ (Territory), জাতি (Race) আৰু সংস্কৃতি (Culture)। অৰ্থাৎ, তেওঁৰ মতে হিন্দুত্বই তিনিটা উমৈহতীয়া পৰিচয় বহন কৰে। ভৌগোলিকভাৱে তেওঁৰ মতে হিন্দু হ'ল সিন্ধুৰ পৰা ভাৰত মহাসাগৰৰ অঞ্চলত বসবাস কৰা লোকসকল যিসকলে ইয়াত জন্মগ্ৰহণ কৰিছে, যাৰ পূৰ্বপুৰুষৰ ইয়াত শিপা আছে আৰু যিজনে এই ভূমিক পুণ্যভূমি হিচাপে গ্ৰহণ কৰে। সাবাৰকাৰৰ হিন্দুত্বৰ দ্বিতীয় উপাদান হ'ল জাতি (Race)। তেওঁৰ মতে প্ৰত্যেক ব্যক্তিয়ে নিজৰ এই জাতি (হিন্দু)ক লৈ গৌৰৱ অনুভৱ কৰিব আৰু নিজৰ জাতিক শ্ৰেষ্ঠ হিচাপে গ্ৰহণ কৰিব। হিন্দুত্বৰ তৃতীয় উপাদান হ'ল এক উমৈহতীয়া সংস্কৃতিৰ উপস্থিতি। তেওঁৰ মতে এটা জাতি আৰু এখন ৰাষ্ট্ৰৰ সংস্কৃতি এক হ'ব লাগে। ইয়াৰ ফলত একতা প্ৰতিষ্ঠা সম্ভৱ হয়। তেওঁৰ মতে, হিন্দু সকলৰ এক উমৈহতীয়া সাংস্কৃতিক বৈশিষ্ট্য থাকিব লাগে যাতে তেওঁলোকে মুছলমান আৰু খ্ৰীষ্টিয়ান সকলৰ পৰা নিজকে পৃথক হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে। অৱশ্যে সাৱাৰকাৰে স্বীকাৰ কৰিছিল যে কিছু পৰিমাণৰ পাৰ্থক্য বিভিন্ন ব্যক্তিগোষ্ঠীৰ মাজত থাকিব পাৰে কিন্তু এই সকলোবোৰৰ মাজত এক সামঞ্জস্যও থাকে। যেনে ঃ অসমৰ বিহুৰ লগত বৈশাখী, পোংগল

ইত্যাদি উৎসৰৰ যথেষ্ট সামঞ্জস্য আছে।

আগতেই উল্লেখ কৰা হৈছে যে সাৱাৰকাৰৰ মতে হিন্দু ধৰ্ম আৰু হিন্দুত্বৰ মাজত পাৰ্থক্য আছে। বৃহত্তৰ হিন্দুত্বৰ এটা অংশ হ'ল হিন্দু ধৰ্ম। তেওঁৰ মতে, হিন্দুত্বই বিভিন্ন ভাৰতীয় ধৰ্মীয় গোটক প্ৰতিনিধিত্ব কৰে যেনে— হিন্দু, বৈদিক, সনাতন, জৈন, বৌদ্ধ, শিখ ইত্যাদি। গতিকে হিন্দু ধৰ্ম হ'ল— হিন্দুত্বৰ এক অংশ। তেওঁৰ মতে হিন্দুত্বই এক সাংস্কৃতিক দিশক বুজায় য'ত সকলো ভাৰতীয় ধৰ্মৰ সমন্বয় ঘটে। অৱশ্যে সাৱাৰকাৰে ভাৰতীয় ধৰ্মসমূহক দুটা ভাগত ভাগ কৰিছিল— ভাৰতত উৎপত্তি (Indian Origin) হোৱা আৰু ভাৰতত প্ৰচলিত (Practice in India) ধৰ্ম। তেওঁৰ মতে, ইচলাম, খ্ৰীষ্টান, জিউছ ইত্যাদি ধৰ্মৰ প্ৰচলন ভাৰতত আছে কিন্তু এইবোৰ ভাৰতত উৎপত্তি হোৱা নাই। ইয়াৰ বিপৰীতে শিখ, জৈন, বৌদ্ধ ইত্যাদি ধৰ্ম ভাৰতত প্ৰচলনো হয় আৰু এইবোৰৰ উৎপত্তিও ভাৰতত হৈছে। গতিকে এইবোৰহে ভাৰতীয় ধৰ্ম।

সাৱাৰকাৰৰ মতে, ভাৰতীয় ধৰ্মৰ সমষ্টিয়েই হ'ল হিন্দুত্ব। সাৱাৰকাৰৰ হিন্দু ৰাষ্ট্ৰৰ ভেটি আছিল এই হিন্দুত্ব।

সাৱাৰকাৰে নিজেও বিশ্বাস কৰিছিল যে তেওঁৰ হিন্দুত্বৰ ধাৰণা যথেষ্ট পৰিমাণে সংৰক্ষণশীল। সেয়েহে তেওঁ মত প্ৰকাশ কৰিছিল যে যেতিয়ালৈকে আন সকলো ধৰ্মই নিজৰ আধিপত্য প্ৰতিষ্ঠাৰ চেষ্টা আৰু দমনমূলক প্ৰকৃতি পৰিহাৰ নকৰে আৰু যেতিয়ালৈকে মানৱীয় মূল্যবোধ সকলো ধৰ্মৰ ভিত্তি নহয় তেতিয়ালৈকে ভাৰতত হিন্দুৰ আধিপত্য থকাটো প্ৰয়োজনীয়। তেওঁৰ হিন্দুৰাষ্ট্ৰৰ মূল ভিত্তি আছিল 'Hindustan belongs to Hindu' অৰ্থাৎ 'হিন্দুস্তান হিন্দুৰ বাবে'।

সাৱাৰকাৰে ভাৰতক ৰাজনৈতিক আৰু ভৌগোলিক জাতীয়তাবাদৰ সলনি এক ধৰ্মীয় আৰু সাংস্কৃতিক তথা সভ্যতাকেন্দ্ৰিক দেশ হিচাবে আলোচনা কৰিছিল। আনকি 1937 চনত তেওঁ হিন্দু মহাসভাৰ সভাপতি হিচাবে প্ৰদান কৰা ভাষণত মত প্ৰকাশ কৰি কৈছিল, "আমি এক জাতি এক ৰাষ্ট্ৰ আৰু এক উমৈহতীয়া সভ্যতাৰ অংশীদাৰ হোৱাৰ বাবেহে ঐক্যবদ্ধ হৈ আছোঁ (We are one because we are a nation, a race and own a common civilization)। তেওঁ ভাৰতত এখন হিন্দু ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভূমিকাকো সমালোচনা কৰিছিল। তেওঁৰ মতে জাতীয় কংগ্ৰেছে বিছৰা ৰাজনৈতিক জাতীয়তাবাদ দৰাচলতে এক ভ্ৰম আৰু এয়া এক ঐক্যবদ্ধ হিন্দু ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ অন্যতম অন্তৰায়। তেওঁৰ মতে ধৰ্মীয়, সাংস্কৃতিক, ঐতিহাসিক দিশসমূহেহে হিন্দুসকলক এক জাতি হিচাবে প্ৰতিষ্ঠা কৰিছে বা কৰিব পাৰিছে।

সাৱাৰকাৰে তেওঁৰ হিন্দুত্বৰ ধাৰণাত হিন্দু একতাৰ প্ৰতি অহা প্ৰত্যাহ্বানসমূহৰ ভিতৰত অন্যতম হিচাপে আলোচনা কৰিছিল ভাৰতীয় হিন্দু সমাজৰ অন্যতম ব্যাধি জাতি ব্যৱস্থা আৰু ইয়াৰ আটাইতকৈ অমানৱীয় প্ৰথা অস্পৃশ্যতাক। তেওঁৰ মতে, অস্পৃশ্যতা মানৱীয় সমাজত হোৱা এক ঘৃণনীয় ঘটনা। ইয়াক কেৱল হিন্দু ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ স্বাৰ্থতে নহয় ব্যক্তিৰ মানৱীয় মৰ্যাদা সুৰক্ষাৰ বাবেও বিলোপ কৰিব লাগে। এক উচ্চ ব্ৰাহ্মণ পৰিয়ালত জন্ম লাভ কৰা সাৱাৰকাৰে সদায় জাতি ব্যৱস্থা। অস্পৃশ্যতাৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁ আনকি নিম্ন জাতিৰ লোকসকলৰ সৱলীকৰণৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে হিন্দু ধৰ্ম আৰু হিন্দু ধৰ্মীয় পৰম্পৰা আৰু ঐতিহ্যৰ ওপৰত নিম্ন জাতিৰ লোকসকলৰো সমান অধিকাৰ আছে। সেয়েহে ধৰ্মীয় বেদ বা পুথি অধ্যয়ন আৰু তেনেকুৱা কাৰ্যৰ পৰা জাতিৰ ভিত্তিত এক শ্ৰেণীৰ লোকক বঞ্চিত কৰাটো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। সাৱাৰকাৰে নিম্ন জাতিৰ লেলোকসকলক আহ্বান জনাইছিল যে তেওঁলোকে হিন্দু ধৰ্মৰ জৰিয়তে নিজকে একত্ৰীত কৰিব লাগে আৰু নিজৰ মৰ্যাদা আৰু অধিকাৰৰ বাবে প্ৰয়োজনীয় দাবী

উত্থাপন কৰিব লাগে। তেওঁৰ মতে ভাৰতীয় জাতি ব্যৱস্থাৰ অৱসান কেৱল এক হিন্দু ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ বাবেই নহয়, ন্যায় আৰু ধৰ্ম প্ৰতিষ্ঠাৰ বাবেও প্ৰয়োজনীয়। সেয়েহে সাভাৰকাৰে বিদেশী শাসনৰ বিৰুদ্ধে প্ৰতিৰোধ সৃষ্টি কৰাৰ দৰে জাতি ব্যৱস্থাৰ বিৰুদ্ধেও প্ৰতিৰোধ সৃষ্টি কৰাটো প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰিছিল। এইদৰে হিন্দু ৰাষ্ট্ৰৰ প্ৰৱক্তা সাভাৰকাৰে হিন্দুৰ একত্ৰীকৰণৰ লগে লগে জাতি ব্যৱস্থাৰ অৱসানৰো দাবী উত্থাপন কৰিছিল। কিন্তু উল্লেখযোগ্য যে তেওঁ কেৱল হিন্দুৰ একত্ৰীকৰণৰ বাবেই জাতি ব্যৱস্থাৰ অৱসানৰ দাবী উত্থাপন কৰা নাছিল। ভাৰতীয় সমাজৰ সংস্কাৰ, নিম্ন জাতিৰ লোকসকলৰ সৱলীকৰণ, মানৱীয় মৰ্যাদা সুৰক্ষিত কৰাৰ স্বাৰ্থত জাতি ব্যৱস্থাৰ তীব্ৰ সমালোচনা কৰিছিল আৰু ইয়াৰ অৱসানৰ দাবী উত্থাপন কৰিছিল।

## সাভাৰকাৰৰ হিন্দুত্বৰ বৈশিষ্ট্য (Characteristics of Savarkar's Hindutwa) ঃ

1923 চনত প্ৰকাশিত Hindutwa : Who is a Hindu গ্ৰন্থত সাভাৰকাৰে তেওঁৰ হিন্দুত্বৰ ধাৰণাটো আলোচনা কৰিছিল। তেওঁৰ মতে হিন্দুত্বই দৰাচলতে হিন্দু গুণ সমৃদ্ধ হোৱাটোকে বুজায়। সেয়েহে হিন্দুত্বৰ ধাৰণাৰ ভিতৰত তেওঁ হিন্দুক অৰ্থাৎ হিন্দু ধৰ্মক ইয়াৰ এটা অংশ হিচাপে বিবেচনা কৰি সকলো ভাৰতীয় অৰ্থাৎ ভাৰতত উৎপত্তি হোৱা ধৰ্মক ইয়াৰ অন্তৰ্ভুক্ত কৰিছিল। সকলো ভাৰতীয় ধৰ্মৰ লোকক আৰু হিন্দু সংস্কৃতিক আকোৱালি লোৱা আদৰ্শগত দিশটোৱেই হ'ল সাভাৰকাৰৰ হিন্দুত্ব। গতিকে ই এক নৃগোষ্ঠীয়, সাংস্কৃতিক আৰু ৰাজনৈতিক ধাৰণা।

1. সাভাৰকাৰৰ হিন্দুত্বৰ ধাৰণা হিন্দু ধৰ্ম (Hinduism)তকৈ পৃথক। হিন্দুত্ব, হিন্দুধৰ্মৰ তুলনাত এক বিস্তৃত ধাৰণা। হিন্দু ধৰ্ম হিন্দুত্বৰ এক অংশহে। ঠিক একেদৰে ভাৰতত উৎপত্তি হোৱা সকলো ধৰ্মই হিন্দু ধৰ্মৰ দৰে হিন্দুত্বৰ অংশ।

2. সাভাৰকাৰৰ মতে হিন্দুত্ব এক সাংস্কৃতিক জাতীয়তাবাদ কাৰণ ই সকলো ভাৰতীয় ধৰ্মকে হিন্দু সংস্কৃতিৰ ডোলেৰে একত্ৰীত কৰি ৰাখে।

3. সাভাৰকাৰৰ হিন্দুত্ব সেয়েহে এক ধৰ্মীয় ধাৰণা নহয়; ই এক সাংস্কৃতিক আৰু ৰাজনৈতিক ধাৰণা। তেওঁৰ মতে হিন্দুত্ব ধৰ্মও নহয় আৰু ৰাষ্ট্ৰও নহয়। ই দৰাচলতে এক সংস্কৃতি আৰু জাতিহে।

4. সাভাৰকাৰৰ হিন্দুত্ব এক ধৰ্মনিৰপেক্ষ ধাৰণা কাৰণ ই হিন্দু ধৰ্মৰ লগতে সকলো ভাৰতীয় ধৰ্মকে সামৰি এক উমৈহতীয়া সংস্কৃতিৰ সমৰ্থন কৰে।

5. সাভাৰকাৰৰ হিন্দুত্বৰ ধাৰণাই ভাৰতত হিন্দু সংস্কৃতি প্ৰতিষ্ঠাৰহে পোষকতা কৰিছিল, হিন্দু ধৰ্মৰ নহয়। তেওঁ হিন্দু ধৰ্মৰ বাহিৰেও আন ধৰ্মৰ লোকক হিন্দু সংস্কৃতি গ্ৰহণৰ জৰিয়তে হিন্দু ৰাষ্ট্ৰ প্ৰতিষ্ঠাত সহায় কৰিবলৈ আহ্বান জনাইছিল।

সাভাৰকাৰৰ হিন্দুত্বৰ ধাৰণা তেওঁৰ প্ৰস্তাৱিত হিন্দুৰাষ্ট্ৰৰ অন্যতম ভেটি আছিল।

সাভাৰকাৰৰ সমগ্ৰ জীৱন আৰু কৰ্ম বিতৰ্ক আৰু সমালোচনাৰে পৰিপূৰ্ণ বুলি কলেও অত্যুক্তি কৰা নহয়। তেওঁৰ কৰ্ম সম্পাদনৰ পদ্ধতি বিশেষকৈ স্বাধীনতাৰ বাবে তেওঁ গ্ৰহণ কৰা ধাৰণা আৰু কৰ্মপন্থা যি মূলতঃ হিংসাৰ ওপৰত প্ৰতিষ্ঠিত আছিল, মহাত্মা গান্ধীৰ বিৰোধিতা, হিন্দু মহাসভাৰ গঠন, হিন্দুত্বৰ ধাৰণা ইত্যাদিয়ে তেওঁক যথেষ্ট বিতৰ্কিত কৰিছিল। বৰ্তমান সময়ত ভাৰতীয় ৰাজনীতিত যি উগ্ৰ সোপন্থী ধাৰাৰ উত্থান দেখা গৈছে তাৰ ভিত্তিও সাভাৰকাৰৰ হিন্দুত্বৰ ধাৰণাই বুলি মতামত প্ৰকাশ হোৱা দেখা যায়। ইয়াৰ বাবেও সাভাৰকাৰ যথেষ্ট সমালোচিত হৈ আহিছে। বিভিন্ন সমালোচকৰ মতে সাভাৰকাৰৰ ধাৰণাই ভাৰতবৰ্ষত থকা ধৰ্মীয় সম্প্ৰীতী

ভংগ কৰাৰহে পোষকতা কৰে যিটো কেতিয়াওঁ গ্ৰহণযোগ্য হ'ব নোৱাৰে। ভাৰতীয় ধৰ্ম আৰু ভাৰতত প্ৰচলিত ধৰ্ম এই দুই ধাৰণাৰ দ্বাৰা তেওঁ স্পষ্টকৈ ধৰ্মৰ মাজত বিভাজন তথা বিদ্বেষ সৃষ্টি কৰা বুলি সমালোচকসকলে মত প্ৰকাশ কৰে।

এই সমালোচনাৰ পিছতো কিন্তু ভাৰতীয় চিন্তাত এক নতুন ধাৰণাৰ সংযোগ ঘটোৱা বাবে সাৱাৰকাৰ চিৰস্মৰণীয় হৈ থাকিব। বিশেষকৈ হিন্দুত্বৰ জৰিয়তে তেওঁ যি সাংস্কৃতি জাতীয়তাবাদৰ ধাৰণা আগবঢ়াইছিল তাৰ বাবে তেওঁ সদায় এক সুকীয়া স্থান লাভ কৰিব। ইয়াৰ উপৰিও চিপাহীবিদ্ৰোহক ভাৰতৰ প্ৰথম স্বাধীনতাৰ যুদ্ধ হিচাপে প্ৰতিষ্ঠা কৰাৰ যি প্ৰচেষ্টা তেওঁ হাতত লৈছিল সেয়াও চিৰস্মৰণীয়। চিপাহী বিদ্ৰোহৰ তাৎপৰ্য্যৰ ব্যাখ্যাৰে তেওঁ চিপাহী বিদ্ৰোহৰ গুৰুত্ব প্ৰতিষ্ঠাত এক অগ্ৰণী ভূমিকা পালন কৰিছিল।

**হিন্দু মহাসভা (Hind Mahasabha) ঃ**

1933 চনত বীৰ সাৱাৰকাৰ, লালা লাজপট ৰয় আৰু মদন মোহন মালব্যৰ নেতৃত্বত হিন্দু মহাসভা নামৰ ৰাজনৈতিক দলটো ব্ৰিটিছ চৰকাৰৰ সাম্প্ৰদায়িক কৰ্ম আৰু আঁচনি আৰু 1906 চনত গঠন হোৱা মুছলিম লীগৰ প্ৰতিক্ৰিয়াস্বৰূপে গঠন হৈছিল। এই দলটোৰ মুখ্য উদ্দেশ্য আছিল হিন্দু লোকসকলৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত কৰা। সাৱাৰকাৰ 1937 চনৰ পৰা 1943 চনলৈ ইয়াৰ সভাপতি আছিল।

**সাৱাৰকাৰৰ লিখনি ঃ**

- **The Indian War of Independence (1908) ঃ** এই গ্ৰন্থখনত সাৱাৰকাৰে 1857 চনৰ ভাৰতত ইংৰাজৰ প্ৰতিবাদস্বৰূপে হোৱা চিপাহী বিদ্ৰোহক ভাৰতৰ প্ৰথম স্বাধীনতাৰ যুদ্ধ হিচাপে আলোচনা কৰিছিল।
- **Hindutwa : Who is a Hindu (1923) ঃ** এই গ্ৰন্থখনত সাৱাৰকাৰে তেওঁৰ মূল আদৰ্শগত বিষয় হিন্দুত্বৰ ধাৰণাটো বিস্তৃতভাৱে আলোচনা কৰিছিল।
- **Hindu pud Padshahi (1925) ঃ** এই গ্ৰন্থখনত সাৱাৰকাৰে ভাৰতত মাৰাঠা সকলৰ উত্থান আৰু বীৰ শিৱাজীৰ বীৰত্বৰ আলোচনা কৰিছিল। ভাৰতৰ অন্যান্য প্ৰান্তত যিসময়ত মুছলমান শাসনৰ আগ্ৰাসন চলিছিল সেইখিনি সময়ত শিৱাজীয়ে যি মাৰাঠা শক্তিৰ উত্থান ঘটাইছিল সেয়া তেওঁ এই গ্ৰন্থত আলোচনা কৰিছিল।

**Excercise :**

1. Analyse Veer Savarkar as a Nationalist.
2. Analyse in brief Savarkar's views on Hindutwa.
3. How did Savarkar's differentiate Hinduism and Hindutwa? Discuss in brief.
4. Mention the characteristics of Savarkar's Hindutwa. What are its main criticism?

✦✦✦

দশম অধ্যায়

# জৱাহৰলাল নেহৰু
# (Jawahalal Nehru)

**নেহৰুৰ কৰ্মৰাজি ঃ**

(i) আত্মজীৱনী (Autobiography 1936).

(ii) ভাৰত আৱিষ্কাৰ (Discovery of India, 1946)

(iii) বিশ্ব ইতিহাসৰ জিলিঙণি (Glimpses of World History, 1938)

(iv) ভাৰত সংহতি (The Unity of India 1941)

(v) পিতাৰ পৰা পুত্ৰীলৈ চিঠি (Letter from a father to daughter, 1938)

**জীৱন পৰিক্ৰমা ঃ**

ভাৰতৰ যিসকল চিন্তাবিদৰ নেতৃত্বত ভাৰতৰ আৰ্থ-ৰাজনৈতিক পৰিকাঠামোটো তৈয়াৰ কৰা হৈছে তাৰ ভিতৰত জৱাহৰলাল নেহৰুৰ নাম অন্যতম। নেহৰু এলাহবাদৰ এক সম্ভ্ৰান্ত পৰিয়ালত 1889 চনৰ 14 নৱেম্বৰৰ দিনা জন্মলাভ কৰিছিল। পিতৃ- মতিলাল নেহৰু আৰু মাতৃ-স্বৰূপবাণী।

নেহৰু সৰুৰ পৰাই আছিল প্ৰখৰ বুদ্ধি সম্পন্ন। অৱশ্যে প্ৰাথমিক শিক্ষা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হোৱা নাছিল তাৰ পৰিৱৰ্তে ফাৰ্ডিনান্ড টীব্ৰুকম নামৰ এজন ইউৰোপীয় ভদ্ৰলোকৰ তত্ত্বাৱধানতে ইংৰাজী শিক্ষা ঘৰতে আৰম্ভ হৈছিল। 15 বছৰ কাল গৃহশিক্ষাৰ পিছত 1905 চনত উচ্চশিক্ষাৰ বাবে ইংলেণ্ডৰ স্কুলত অধ্যয়নৰ বাবে পঠাই দিয়ে ইয়াৰ পিছত কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজত কলেজীয়া শিক্ষা লাভ কৰে। এই অনুষ্ঠানতে তেওঁ ভালেমান সমাজবাদী চিন্তাবিদৰ সান্নিধ্যলৈ আহি সমাজবাদৰ প্ৰতি প্ৰভাৱিত হয়। ইয়াৰ পিছত তেওঁ লণ্ডনত বেৰিষ্টাৰ পাচ কৰে।

1912 চনত তেওঁ ভাৰতলৈ উভতি আহে আৰু ওকালতিৰ কাম আৰম্ভ কৰে। অৱশ্যে তেওঁ ওকালতিৰ কাম মুঠেই ভাল পোৱা নাছিল যাৰ বাবে তেওঁ এই কাম ত্যাগ কৰি স্বাধীনতা আন্দোলনৰ প্ৰতিহে আকৰ্ষিত হয়। 1912 চনত তেওঁ পাটনা কংগ্ৰেছত যোগদান কৰে আৰু জীৱনৰ শেষ মুহূৰ্তলৈ কংগ্ৰেছৰ লগত জড়িত হৈ

আছিল। কংগ্ৰেছত যোগদান কৰিয়েই গান্ধীজীৰ আন্দোলনৰ বিভিন্ন গতিৰ প্ৰতি আকৃষ্ট হয়। ইয়াৰ উপৰিও তিলক, এনি বেচাণ্ট আৰম্ভ কৰা হোমৰুল আন্দোলনত যোগদান কৰে। 1921 চনত গান্ধীৰ অসহযোগ আন্দোলনত যোগদান কৰি কাৰাবাস খাটিব লগা হয়। 1923 চনত তেওঁ কাৰাবাসৰ পৰা মুক্তি লাভ কৰে আৰু সেই বছৰতে এফালে জাতীয় কংগ্ৰেছৰ সম্পাদক স্বৰূপে নিযুক্ত হয় আনফালে এলাহবাদ মিউনিচিপালটি বৰ্ডৰ চেয়াৰমেন পদবী লাভ কৰে। অৱশ্যে এই চেয়াৰমেন পদবী 1926 চনত তেওঁ ত্যাগ কৰে। ইয়াৰ পিছতে পত্নীৰ ৰোগৰ বাবে চুইজাৰলেণ্ডলৈ যায়। ইয়াৰ পৰাই 1927 চনত ব্ৰুচেলত বহা এক সন্মিলনত জাতীয় কংগ্ৰেছক তেওঁ প্ৰতিনিধিত্ব কৰে। 1927 চনত পুনৰ ভাৰতলৈ ঘুৰি আহি কংগ্ৰেছৰ মাদ্ৰাজ অধিবেশনত অংশ লয়। এই অধিবেশনত তেওঁ সভাপতি হিচাপে নিৰ্বাচিত হয় আৰু তেওঁৰ নেতৃত্বতে 1929 চনৰ কংগ্ৰেছ অধিবেশনত পূৰ্ণ স্বৰাজৰ প্ৰস্তাৱ উত্থাপন কৰা হয়।

1930 আৰু 1942 চনত চলা আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলনৰ তেওঁ গান্ধীৰ মূল সমৰ্থক আছিল। 1946 চনত যি অন্তৰ্বৰ্তীকালিন মন্ত্ৰী পৰিষদ গঠন কৰিছিল তাত নেহৰুকে প্ৰধানমন্ত্ৰীৰ দায়িত্ব প্ৰদান কৰা হৈছিল। স্বাধীনতাৰ ঠিক পিছৰ পৰাই মৃত্যু পৰ্যন্ত তেওঁ প্ৰধানমন্ত্ৰী হিচাপেই দায়িত্ব পালন কৰি গৈছিল।

নেহৰুৰ প্ৰধানমন্ত্ৰীত্বৰ কালত ভাৰতে সন্মুখীন হোৱা বিভিন্ন সমস্যাক তেওঁ সাহসেৰে প্ৰত্যাহ্বান হিচাবে লৈ সমাধানৰ পথ প্ৰশস্ত কৰিছিল আৰু তাৰ ভেটিতেই আজিৰ ভাৰতবৰ্ষ থিয় দি আছে। সেয়ে বহুতে তেওঁক আধুনিক ভাৰতৰ পিতৃ আখ্যা দিয়ে।

## জৱাহৰলাল নেহৰুৰ চিন্তাধাৰা সমূহ

## (Thoughts of Jawahalal Nehru)

জৱহৰলাল নেহৰুৱে কোনো মৌলিক তত্বৰ জন্ম দিয়া নাছিল। তাৰ পৰিৱৰ্তে প্ৰচলিত ধাৰণা সমূহৰ ওপৰত তেওঁৰ নিজৰ বক্তব্য আলোচনা কৰিছিল। ইয়াৰ ভিত্তিতে নেহৰুৰ বিভিন্ন চিন্তাধাৰাবোৰ গঢ় দিয়া হৈছে। তলত নেহৰুৰ মূল চিন্তাধাৰাবোৰ আলোচনা কৰা হ'ল—

## গণতন্ত্ৰৰ ধাৰণা

## (Concept of Democracy)

জৱাহৰলাল নেহৰু গণতন্ত্ৰৰ এজন সাধক আছিল। গণতান্ত্ৰিক ব্যৱস্থাৰ ওপৰত তেওঁৰ অগাধ বিশ্বাস আছিল। গণতন্ত্ৰৰ ভিতৰত প্ৰতিনিধিত্বমূলক গণতন্ত্ৰক উত্তম শাসন আখ্যা দিছিল। নেহৰুৰ গণতন্ত্ৰ সম্পৰ্কে থকা মূল ধাৰণাবোৰ হ'ল—

1. **প্ৰতিনিধিত্বমূলক গণতন্ত্ৰক সমৰ্থন ঃ** নেহৰুৱে প্ৰতিনিধিত্বমূলক গণতন্ত্ৰক উত্তম শাসন ব্যৱস্থা হিচাবে আখ্যা দিছে। এনে শাসনত চৰকাৰ গঠিত হয় জনতাৰ প্ৰতিনিধিৰ দ্বাৰা। যাৰ ফলত চৰকাৰৰ প্ৰতিনিধিবোৰ জনসাধাৰণৰ ওচৰত দায়বদ্ধ থাকে।

2. **সংখ্যালঘুক গুৰুত্ব প্ৰদান ঃ** নেহৰুৱেও গণতন্ত্ৰক সংখ্যাগৰিষ্ঠ লোকৰ শাসন হিচাবেই অভিহিত কৰিছে 'If government is in the line with the thought of majority of people; It is democratic government,' অৱশ্যে সংখ্যাগৰিষ্ঠ শাসনৰ সীমাবদ্ধতাবোৰৰ সৈতে তেওঁ বাৰুকৈয়ে পৰিচিত আছিল।

সংখ্যাগৰিষ্ঠ শাসনে সংখ্যালঘুৰ স্বাৰ্থ ক্ষুণ্ণ কৰিব পাৰে। ইয়াৰ বাবে সংখ্যালঘুৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে কেতবোৰ সাংবিধানিক অধিকাৰৰ ব্যৱস্থা থাকিব লাগে। বিশেষকৈ সাংস্কৃতিক আৰু ধৰ্মীয় অধিকাৰৰ সুৰক্ষাৰ ব্যৱস্থা থাকিব লাগে। তেওঁ ভাৰতৰ দৰে বিশাল দেশত এনে ব্যৱস্থাৰ প্ৰয়োজনীয়তা সম্পৰ্কে কৈছিল। "In a vast and varied country like India a simple type of democracy giving full power to a majority to curb or over rule minority groups in all matters was not satisfactory or desirable.."

3. **ৰাজনৈতিক দলৰ অপৰিহাৰ্যত ঃ** নেহৰুৰ মতে গণতান্ত্ৰিক শাসন ব্যৱস্থা কাৰ্যকৰী হ'বলৈ হ'লে ৰাজনৈতিক দলৰ ভূমিকা অপৰিহাৰ্য। প্ৰাৰম্ভিক অৱস্থাত জনতাৰ পচন্দক অধিক প্ৰাধান্য দি দ্বিদলীয় শাসন ব্যৱস্থাৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে দ্বিদলীয় শাসন ব্যৱস্থাই জনতাৰ পচন্দ সীমিত কৰে। অৱশ্যে পৰৱৰ্তী পৰ্যায়ত তেওঁ অনুভৱ কৰিছিল যে দক্ষ প্ৰশাসনৰ বাবে সু-সংগঠিত ৰাজনৈতিক দলৰ প্ৰয়োজন। শৃঙ্খলাবদ্ধ নোহোৱা বহুদলীয় ব্যৱস্থাতকৈ দ্বিদলীয় শাসনেই ভাল।

4. **সামাজিক আৰু অৰ্থনৈতিক সমতা ঃ** নেহৰুৱে গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ সফলতাৰ বাবে সামাজিক আৰু অৰ্থনৈতিক সমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ৰাজনৈতিক সমতা গণতন্ত্ৰৰ ভিত্তি হ'লে সামাজিক আৰু অৰ্থনৈতিক সমতাও সমানেই গুৰুত্বপূৰ্ণ। সামাজিক সমতা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভাৰতৰ জাতিভেদ প্ৰথাক তেওঁ অন্তৰায় হিচাপে চিনাক্ত কৰিছিল। সেয়েহে জাতিভেদ তথা অস্পৃশ্যতা ভাৰতীয় সমাজৰ পৰা নিৰ্মূল হোৱাটো তেওঁ বিচাৰিছিল।

   সামাজিক অসমতাৰ দৰে অৰ্থনৈতিক অসমতাকো গণতন্ত্ৰ কাৰ্যকাৰিতাৰ প্ৰতিবন্ধক হিচাবে আখ্যা দিছিল। সমাজত যাতে এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক শোষণ কৰিব নোৱাৰে তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ওপৰত তেওঁ গুৰুত্ব প্ৰদান কৰিছিল। ভাৰতৰ দৰে শাসন ব্যৱস্থাত আৰ্থিক অসমতা দূৰীকৰণৰ বাবে দৰিদ্ৰতা নিৰ্মূলকৰণৰ ওপৰত গুৰুত্ব দিছিল।

5. **সহনশীলতা আৰু শান্তিপূৰ্ণ পদ্ধতিৰ প্ৰয়োগ ঃ** নেহৰুৱে গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ সফল কাৰ্যকাৰিতাৰ বাবে জনসাধাৰণৰ মাজত সহনশীল মনোভাৱ আৰু লক্ষ্য সাধনৰ বাবে শান্তিপূৰ্ণ পদ্ধতি প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। গণতান্ত্ৰিক শাসন যিহেতু ৰাইজৰ শাসন সেয়েহে যিকোনো সিদ্ধান্ত গ্ৰহণতে মত পাৰ্থক্য থকা তেনেই স্বাভাৱিক। এনে অৱস্থাত জনসাধাৰণে এটা আনটোৰ প্ৰতি সহনশীল হ'ব লাগে। ঠিক তেনেদৰে জনসাধাৰণে নিজৰ দাবীবোৰ পূৰণ কৰাৰ বাবে হিংসা বা শক্তি প্ৰয়োগৰ পথ গ্ৰহণ নকৰি গণতান্ত্ৰিক পদ্ধতিহে অৱলম্বন কৰিব লাগে।

6. **সৰ্বাঙ্গীন উন্নতি সাধন ঃ** নেহৰুৰ মতে গণতান্ত্ৰিক শাসন ব্যৱস্থাই সকলো শ্ৰেণীৰ লোকৰ কাৰণে সকলো ধৰণৰ সুবিধাৰ ব্যৱস্থা কৰিব লাগে। পৰিৱৰ্তিত সমাজ ব্যৱস্থাত সকলোৱে যাতে সকলো ধৰণৰ সুবিধা পায় তাৰ ব্যৱস্থা গণতন্ত্ৰই কৰিব লাগে। অৰ্থাৎ গণতন্ত্ৰৰ অৰ্থ সকলো শ্ৰেণীক সামৰি লোৱা আৰু সকলো ধৰণৰ মঙ্গলৰ ব্যৱস্থা কৰা।

**নেহৰুৰ মতে গণতন্ত্ৰ সফলতাৰ চৰ্তবোৰ ঃ**

নেহৰুৱে গণতন্ত্ৰক কিদৰে কৃতকাৰ্য কৰিব পাৰি সেই সম্পৰ্কেও মন্তব্য প্ৰকাশ কৰিছে। ইয়াৰ বাবে তেওঁ কিছুমান চৰ্ত উল্লেখ কৰিছিল। সেইবোৰ হ'ল— প্ৰাপ্তবয়স্ক ভোটাধিকাৰ, দায়িত্বশীল ৰাজনৈতিক দল, সুদৃঢ় নেতৃত্ব, মুক্ত নিৰ্বাচন, মুক্ত সংবাদ সেৱা, বিভিন্ন পৌৰ ৰাজনৈতিক অধিকাৰ জনসাধাৰণক প্ৰদান আদি।

নেহৰুৱে গণতন্ত্ৰক শ্ৰেষ্ঠ শাসন ব্যৱস্থা আখ্যা দিছে। ফেচীবাদ, নাজিবাদৰ দৰে বৰ্বৰতাৰ বিৰুদ্ধে গণতান্ত্ৰিক শাসন ব্যৱস্থাই জনসাধাৰণক সহায় কৰিব বুলি তেওঁৰ দৃঢ় বিশ্বাস আছিল। আচলতে নেহৰু আছিল স্বাধীনতাৰ তীব্ৰ সমৰ্থক। ব্যক্তি স্বাধীনতা ক্ষুণ্ণ কৰা বাবে ৰাছিয়াৰ শাসন ব্যৱস্থাকো তেওঁ সমৰ্থন কৰা নাছিল। তেওঁৰ গণতান্ত্ৰিক ধাৰণা বহু পৰিমাণে ল'ক, ৰুচো, মণ্টেস্কুৰ দ্বাৰা প্ৰভাবান্বিত। অৱশ্যে অৰ্থনৈতিক সমতা প্ৰতিষ্ঠাৰ ধাৰণাটো মাৰ্ক্সীয় আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত। ভাৰতৰ গণতান্ত্ৰিক পৰিকাঠামোটোক তেওঁ উদাৰতাবাদ আৰু সমাজবাদৰ সংমিশ্ৰণত গঢ়ি তোলাৰ বাবে প্ৰয়াস কৰিছিল। পৰৱৰ্তী সময়ত তেওঁৰ চিন্তাধাৰা আৰু কাৰ্য ব্যৱস্থাৰ ভেটিতে ভাৰতীয় গণতন্ত্ৰ গঢ়ি উঠিছে।

## নেহৰুৰ সমাজবাদী চিন্তাধাৰা

## (Nehru's Concept of Socialism)

জৱাহৰলাল নেহৰুৱে যিবোৰ ধাৰণাৰ ওপৰত নিজৰ বক্তব্য প্ৰকাশ কৰিছিল তাৰ ভিতৰত অন্যতম হ'ল সমাজবাদ। নেহৰুৰ চিন্তাধাৰাৰ এক অন্যতম আকৰ্ষণীয় দিশ হৈছে তেওঁ ৰাজনৈতিক ক্ষেত্ৰত উদাৰতাবাদী আদৰ্শক সমৰ্থন কৰে আনহাতে অৰ্থনৈতিক ক্ষেত্ৰত সমাজবাদী আদৰ্শক সমৰ্থন কৰে। নেহৰুৰ অন্তৰত সমাজবাদৰ অংকুৰণ হৈছিল ছোভিয়েট ৰাছিয়া ভ্ৰমণৰ পৰা। 1927 চনত নৱেম্বৰ মাহত ছোভিয়েট সমাজতন্ত্ৰৰ দশম বছৰেকীয়া অধিৱেশনত যোগদান কৰি জৱাহৰলাল নেহৰু মস্কো চহৰৰ পৰা উভতি আহে। তেতিয়াৰ পৰাই তেওঁৰ ৰাজনৈতিক চিন্তাধাৰাৰ মাজত সমাজবাদে শিপাবলৈ লয়। নেহেৰুৱে পৰৱৰ্তী সময়ত ভাৰতক অৰ্থনৈতিক গাঁথনিটো সমাজবাদৰ আৰ্হিৰে আগবঢ়াই নিয়াৰ পোষকতা কৰিছিল। 1936 চনত ফৈজপুৰত হোৱা কংগ্ৰেছৰ বছৰেকীয়া অধিৱেশনত স্পষ্ট ভাষাৰে কৈছিল '... মই বিশ্বাস কৰো ভাৰতৰ দুখ কষ্ট আৰু অপায় অমঙ্গল একমাত্ৰ সমাজতন্ত্ৰবাদেহে নাশ কৰিবলৈ সমৰ্থ।'

নেহৰুৰ সমাজবাদী ধাৰণাৰ মূল দিশবোৰ তলত আলোচনা কৰা হ'ল—

**(ক)** **পৰিকল্পিত অৰ্থনীতি ঃ** নেহৰুৰ সমাজবাদৰ মূল আহিলা আছিল পৰিকল্পিত অৰ্থনীতি। নেহৰুৰ সমাজবাদক ভাৰতত ৰূপায়ণৰ বাবে পৰিকল্পনাকে আটাইতকৈ উত্তম আহিলা হিচাবে গ্ৰহণ কৰিছিল। অৰ্থনৈতিক পৰিকল্পনাৰ ধাৰণা তেওঁ ৰাছিয়ালৈ যাওঁতে গ্ৰহণ কৰিছিল। তেওঁ দেখা পাইছিল পৰিকল্পনাৰ যোগেদি কিদৰে ৰাচিয়াই বিভিন্ন দিশত প্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতবৰ্ষত পৰিকল্পনাৰ জৰিয়তে এহাতেদি দৰিদ্ৰতা আৰু আনহাতেদি অৰ্থনৈতিক স্থবিৰতা আতৰ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ মতে অৰ্থনৈতিক সম্পদ বৃদ্ধি নোহোৱাকৈ সমাজবাদ প্ৰতিস্থা কৰিব নোৱাৰি ঠিক সেইদৰে অৰ্থনৈতিক প্ৰগতিৰ বাবে পৰিকল্পনাৰ প্ৰয়োজন। ভাৰতত সমাজবাদ প্ৰতিষ্ঠাৰ বাবে তেওঁৰ কাৰ্যকালত কেবাখনো পৰিকল্পনা গ্ৰহণ কৰিছিল।

**(খ)** **মিশ্ৰ অৰ্থনীতি ঃ** নেহৰুৰ সমাজবাদৰ আন এক অন্যতম বৈশিষ্ট হ'ল তেওঁ মিশ্ৰ অৰ্থনীতিক সমৰ্থন কৰিছিল। নেহৰুৱে ৰাষ্ট্ৰ নিয়ন্ত্ৰণাধীন অৰ্থনীতিক সম্পূৰ্ণৰূপে সমৰ্থন কৰা নাছিল অৰ্থাৎ দেশৰ উৎপাদন বৃদ্ধিৰ বাবে কেৱল চৰকাৰী পৰ্যায়তে সকলো দায়িত্ব অৰ্পণ নকৰি বেচৰকাৰী পৰ্যায়তো উৎপাদন আৰু বিতৰণৰ ব্যৱস্থা কৰিব লাগে। তেওঁ চৰকাৰী আৰু বেচৰকাৰী খণ্ডক সমানে গুৰুত্ব দিছিল। অৱশ্যে বেচৰকাৰী খণ্ডত উৎপাদনৰ স্বাধীনতা থাকিলেও সামাজিক ন্যায়ৰ বৃহৎ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি বেচৰকাৰী খণ্ডক নিয়ন্ত্ৰিত কৰিব লাগে। মিশ্ৰ অৰ্থনীতিৰ যোগেদি নেহৰুৱে অৰ্থনৈতিক প্ৰগতি সাধনৰ লগতে ধনী

দুখীয়াৰ মাজৰ ব্যৱধান কমোৱাৰ ব্যৱস্থা কৰিছিল।

(গ) **গণতান্ত্ৰিক সমাজবাদ ঃ** নেহৰুৰ সমাজবাদ আছিল গণতান্ত্ৰিক সমাজবাদ। এই সমাজবাদৰ মূল লক্ষ্য হ'ল শান্তিপূৰ্ণ উপায়েৰে পুজিবাদৰ অবসান ঘটোৱা আৰু সমাজবাদ প্ৰতিষ্ঠা কৰা। এই মতবাদেও বিপ্লৱত বিশ্বাস নকৰে। নেহৰুৱে সামাজিক পৰিৱৰ্তন গণতান্ত্ৰিক উপায়েৰে হোৱাটো বাঞ্চা কৰিছিল। অৰ্থাৎ সাংবিধানিক উপায়েৰে নিৰ্বাচন অনুষ্ঠিত কৰিহে সামাজিক পৰিৱৰ্তন সাধন কৰিব পাৰি।

(ঘ) **বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত গুৰুত্ব ঃ** নেহৰুৱে তেওঁৰ সমাজবাদত উৎপাদন বৃদ্ধিৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰয়োগৰ ওপৰত গুৰুত্ব দিছে। 1955 চনৰ 2 অক্টোবৰত জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্মদিনত তেওঁ দৃঢ়ভাৱে কৈছিল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সফল প্ৰয়োগৰ দ্বাৰা বৃহৎ উদ্যোগ প্ৰতিষ্ঠা নকৰাকৈ আমি আমাৰ লক্ষ্যত উপনীত হ'ব নোৱাৰো। তেওঁ নদীবান্ধক ভাৰতৰ প্ৰগতিৰ মন্দিৰ আখ্যা দিছিল। অৱশ্যে সেয়া ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ বিজ্ঞান প্ৰযুক্তিৰ সফল প্ৰয়োগৰ দ্বাৰা সামাজিক আৰু অৰ্থনৈতিক বৈষম্য দূৰ কৰি জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব বিচাৰিছিল।

(ঙ) **সমাজবাদৰ লক্ষ্য ব্যক্তিস্বাধীনতা আৰু অৰ্থনৈতিক সমতা প্ৰতিষ্ঠা ঃ** নেহৰুৱে সমাজবাদৰ যোগেদি এহাতেদি ব্যক্তি স্বাধীনতাৰ সুৰক্ষা কৰিব বিচাৰিছিল আৰু অন্যহাতেদি অৰ্থনৈতিক সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। সমাজবাদ প্ৰতিষ্ঠাৰ নামত কোনো কাৰণতে তেওঁ ব্যক্তি স্বাধীনতা খৰ্ব কৰিব বিচৰা নাছিল। তেওঁৰ মতে "I do not see why under socialism there should not be a great deal of freedom for the individual, Indeed for greater freedom than the present system gives... above all he will have the freedom which comes from economic security which only a small number posess today."

নেহৰুৱে ব্যক্তি স্বাধীনতাৰ লগতে অৰ্থনৈতিক সমতাকো প্ৰাধান্য দিছিল। অৰ্থনৈতিক ন্যায় প্ৰদানৰ বাবে দুখীয়া আৰু অৰ্থনৈতিক ভাবে দুৰ্বল শ্ৰেণীৰ অৰ্থনৈতিক উন্নতিৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব দিছিল। অৰ্থনৈতিক শোষণ আতৰোৱাৰ বাবে তেওঁৰ আমোলতে জমিদাৰী প্ৰথাৰ বিলুপ্তি সাধন কৰা হৈছিল আৰু মাটিৰ উচ্চ নিৰিখ বান্ধি দিয়া হৈছিল।

নেহৰুৰ সমাজবাদত কৃষি আৰু উদ্যোগ খণ্ডৰ বিকাশৰ মাজত এক ভাৰসম্য প্ৰতিষ্ঠাৰ প্ৰচেষ্টা চলোৱা হৈছিল। এহাতেদি সমাজত বৃহৎ উদ্যোগ প্ৰতিষ্ঠাৰ বাবে যিদৰে প্ৰচেষ্টা হাতত লৈছিল তেনেদৰে কৃষিৰ উন্নতিৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিছিল।

নেহৰুৰ সমাজবাদী ধাৰণাটো আলোচনা কৰিলে দেখা যায় যে নেহৰুৰ সমাজবাদ মূলতঃ উদাৰতাবাদ আৰু সমাজবাদৰ এক মধ্যৱৰ্ত্তী স্তৰ। তেওঁৰ সমাজবাদক সেয়ে উভয় দিশৰ পৰা সমালোচনা কৰা হয়। পুজিবাদী সকলে নেহৰুৱে আগবঢ়োৱা ৰাষ্ট্ৰীয়কৰণ ব্যৱস্থা সমালোচনা কৰাৰ বিপৰীতে সমাজবাদী সকলে বৃহৎ উদ্যোগ প্ৰতিষ্ঠা তথা আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰণত সমৰ্থন জনোৱাৰ বাবে নেহৰুৰ সমাজবাদ গ্ৰহণ কৰা নাই। অৱশ্যে এইটো স্বীকাৰ্যয়ে স্বাধীনতাৰ পৰৱৰ্তী সময়ত ভাৰতক আগবঢ়াই নিয়াৰ স্বাৰ্থতে নেহৰুৱে এনে সিদ্ধান্ত লৈছিল। এনে সিদ্ধান্ত বহু পৰিমাণে সুফলদায়কো আছিল।

# নেহৰুৰ জাতীয়তাবাদ সম্পৰ্কে ধাৰণা

## (Nehru's views on Nationalism)

ভাৰতৰ জাতীয়বাদী চিন্তাধাৰাৰ ক্ষেত্ৰত অন্যতম বৰঙণি আগবঢ়োৱা ব্যক্তি সকলৰ ভিতৰত নেহৰু অন্যতম। নেহৰু এজন প্ৰকৃত জাতীয়তাবাদী নেতা আছিল। বৃটিছ কবলৰ পৰা ভাৰতক পৰিত্ৰান দিয়াৰ বাবে ভাৰতৰ জাতীয়তাবাদী ভাৱধাৰা শক্তিশালী কৰাৰ বাবে তেওঁ প্ৰচেষ্টা চলাইছিল। নেহৰুৱে জাতীয়বাদৰ তত্বৰ ওপৰত বিশেষ চিন্তাচৰ্চা কৰা নাছিল যদিও ভাৰতৰ জাতীয়তাবাদৰ প্ৰতি তেওঁৰ মনোভাবকে ইয়াত আলোচনা কৰা হয়।

অধ্যাপক V.P. Verma ৰ মতে নেহৰুৰ অন্তৰত জাতীয়তাবোধ উদ্বুদ্ধ হোৱাৰ মূল কাৰণ তিনিটা। সেইকেইটা হ'ল—

(ক) জৱাহৰলাল নেহৰুৰ মনত জাতীয়তাবাদৰ চিন্তাধাৰা অংকুৰণৰ ক্ষেত্ৰত প্ৰথম কাৰক আছিল ইংৰাজ জাতিৰ বৰ্ণবৈষম্য নীতি। ইংৰাজৰ এই নীতিৰ ফলত তেওঁৰ পৰিয়ালৰ লোকেই তিক্ত অভিজ্ঞতা পাইছিল। পৰৱৰ্তী সময়ত ইয়েই তেওঁৰ অন্তৰত জাতীয়তাবাদৰ বীজৰোপণ কৰে।

(খ) জৱাহৰলাল নেহৰুৰ অন্তৰত জাতীয়তাবাদী চিন্তাধাৰা অংকুৰণৰ দ্বিতীয়টো কাৰক হ'ল ইংৰাজৰ শোষণ নীতি। ইংৰাজৰ অৰ্থনৈতিক শোষণ নীতিয়ে নেহৰুক যথেষ্ট বিতুষ্ট কৰিছিল। নেহৰুৱে লক্ষ্য কৰিছিল যে যিবোৰ অঞ্চলত বৃটিছ শাসন স্থায়ী হৈছে সেইবোৰ অঞ্চলতে দৰিদ্ৰতাৰ দৰে ব্যাধিয়ে গ্ৰাস কৰিছে। সেয়ে তেওঁ ভাৰতীয় জাতীৰ উদ্ধাৰ কৰিবলৈ জাতীয়তাবাদী চেতনা সমগ্ৰ ভাৰতবাসীৰ মাজত জগাই তুলিবলৈ বদ্ধ পৰিকৰ হৈছিল।

(গ) নেহৰুৰ অন্তৰত জাতীয়তাবাদী চিন্তাধাৰা জাগ্ৰত কৰাৰ আন এটি কাৰক হ'ল ইংৰাজৰ ৰাজনৈতিক আৰু প্ৰশাসনিক কাম-কাজ। বৃটিছ সাম্ৰাজ্যবাদী শক্তিয়ে সিদ্ধান্ত গ্ৰহণৰ সকলো ক্ষমতা নিজৰ হাতত কেন্দ্ৰীভূত কৰি ভাৰতীয় জনসাধাৰণৰ শাসন কৰিবলৈ জনসাধাৰণৰ মাজত বিভিন্ন বিভেদৰ বীজ সিচি দিছিল। সেয়ে নেহৰুৱে বৃটিছক বিতাৰণ কৰিবলৈ ভাৰতবাসীৰ মাজত আধুনিক জাতীয়তাবাদৰ আদৰ্শ জাগ্ৰত কৰিবলৈ বিচাৰিছিল।

ওপৰোক্ত ৩ টা কাৰণতে জাতীয়তাবাদৰ মন্ত্ৰ জৱাহৰলাল নেহৰুৰ অন্তৰত স্থান পাইছিল আৰু পৰবৰ্তী সময়ত ইয়াক আন জনসাধাৰণৰ অন্তৰতো স্থাপন কৰি বৃটিছ শাসকৰ বিৰুদ্ধে এক জাগৰণ আনিব বিচাৰিছিল।

নেহৰুৱে তেওঁৰ 'Discovery of India' ত কৈছে। 'Nationalism is essentially a group memory of past achievement, traditions and experiences and nationalism is stronger today then it was ever been.... whenever a crisis has been arisen nationalism has emerged again and dominated the scene and people had sought comfort and strength in their old traditions. One of the remarkable development of the present age has been the rediscovery of the past and of the nation.' (জাতীয়তাবাদ হ'ল অতীতৰ সাফল্য, ঐতিহ্য আৰু অভিজ্ঞতাৰ সমষ্টি। আধুনিক কালত জাতীয়তাবাদৰ প্ৰভাৱ আগতকৈ শক্তিশালী হোৱা দেখা যায়। যেতিয়াই কোনো সমস্যাই গা কৰি উঠে অতীত ঐতিহ্যৰ ভেটিত জাতীয়তাবাদী চেতনাবোধ শক্তিশালী ৰূপ লয়। বৰ্তমান সময়ৰে ই এক উল্লেখনীয় বিকাশ)। নেহৰুৱে পুনৰ কৈছিল জাতীয়তাবাদৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ভিত্তি আছে। এইবোৰে জাতীয়তাৰ ভেটি মজবুত কৰে।

নেহৰুৰ জাতীয়তাবাদৰ কেইটামান বিশেষ দিশ দেখা যায়। সেইকেইটা তলত আলোচনা কৰা হ'ল—

(i) **জাতিৰ আত্মনির্দ্ধাৰণ ঃ** নেহৰুৱে প্ৰত্যেক জাতিৰ আত্মনির্দ্ধাৰণ অধিকাৰক সমর্থন কৰিছিল। তেওঁৰ দৃষ্টিত প্ৰত্যেক জাতিয়ে নিজকে শাসন কৰাৰ অধিকাৰ থাকিব লাগে। তেওঁ সেয়েহে 1927 চনৰ 10 ফেব্ৰুৱাৰীত ব্ৰচেলচত হোৱা সাম্ৰাজ্যবাদ বিৰোধী অধিৱেশনত জাতিৰ আত্মনির্দ্ধাৰণ অধিকাৰৰ দাবী সজোৰে উত্থাপন কৰিছিল। জৱাহৰলাল নেহৰুৱে কংগ্ৰেছৰ অধিবেশনত ভাৰতীয় দাবী পূর্ণ স্বৰাজ লাভ হোৱা উচিত বুলি মন্তব্য প্ৰকাশ কৰিছিল। জৱাহৰলাল নেহৰুৱে ইয়াৰ বাবে ভাৰতীয় সকলক লৈ এক সাংবিধানিক সভা গঠনৰ প্ৰস্তাৱ আগবঢ়াইছিল।

(ii) **ধর্মনিৰপেক্ষতা ঃ** নেহৰুৰ জাতিয়তাবাদৰ ধাৰণাই ধর্ম নিৰপেক্ষতাক মানি লয়। তেওঁৰ মতে যদি জাতিয়তাবাদ ধর্ম ভিত্তিত গঢ়ি উঠে তেতিয়া ভাৰতত কেৱল দুটা নহয় বহুতো জাতিয়তাবাদৰ জন্ম হ'ব। তেওঁ জাতিয়তাবাদক জনসাধাৰণৰ আবেগিক ঐক্যৰ প্ৰতীক হিচাবে অভিহিত কৰিছে। সেয়েহে তেওঁ হিন্দু মহাসভাক কটু সমালোচনা কৰিছিল। তেওঁ হিন্দু মহাসভাক শক্তিশালী ভাৰতীয় জাতিয়তাবোধ গঢ়ি তোলাৰ প্ৰতিবন্ধক হিচাবে অভিহিত কৰিছে। নেহৰুৰ দৃষ্টিত হিন্দু মুছলমানৰ মাজত হোৱা সংঘাত মূলতঃ অর্থনৈতিক।

(iii) **নৰম পন্থা অবলম্বন ঃ** নেহৰুৱে শক্তিশালী জাতীয়তাবাদ গঢ়ি তোলাৰ সপক্ষে মন্তব্য প্ৰকাশ কৰিলেও তেওঁ কোনো কাৰণতে উগ্ৰ জাতিয়তাবাদক সমর্থন কৰা নাই। তেওঁ তাৰ পৰিৱর্তে নৰম পন্থা গ্ৰহণ কৰিয়ে জাতিয়তাবোধ গঢ়ি তোলাৰ সপক্ষে মন্তব্য দিছিল। তেওঁ মন্তব্য কৰিছিল "বৃটিছ চৰকাৰৰ লগত ইচ্ছা কৰি কৰা সহযোগিতা বন্ধ কৰি আমি নিজকে সাজু কৰি ল'ম আৰু খাজনা বন্ধ কৰাকে ধৰি সকলো আইন অমান্য আন্দোলনৰ কাৰণে সাজু হ'ম। আমাৰ দৃঢ় বিশ্বাস হৈছে যে আমি যদি ইচ্ছা কৰি কৰা সাহায্যখিনি নিদিয়া হওঁ আৰু প্ৰৰোচনাৰ মুখতো অহিংসভাৱে থাকি খাজনা বন্ধ কৰি দিব পাৰোঁ তেন্তে এই অমানুষিক শাসনৰ অন্ত পৰাটো নিশ্চিত।" অর্থাৎ নেহৰুৰ মতে নৰম পন্থাৰ দ্বাৰাই কেৱল ঐক্যবদ্ধ ভাৱে যুজিলেই বৃটিছ শোষণৰ অন্ত পৰিব।

নেহৰুৰ জাতিয়তাবাদ সম্পর্কে চিন্তাধাৰাৰ পৰা আমি জানিব পাৰিছোঁ যে তেওঁৰ জাতিয়তাবাদ সংকীর্ণ পৰিসৰত আবদ্ধ নহয়। নিজৰ জাতিক ভাল পায় কিন্তু আন জাতিক হিংসা কৰাৰ মনোভাৱ তেওঁৰ নাছিল। জাতিয়তাবাদৰ উদ্দেশ্য হ'ল শোষণৰ অৱসান ঘটোৱা আৰু জনসাধাৰণৰ মঙ্গল সাধন কৰা। বিশ্বৰ সকলো সাম্ৰাজ্যবাদৰ বিৰুদ্ধে গঢ়ি উঠা জাতিয়তাবাদী আন্দোলনলৈ তেওঁ সমর্থন আগবঢ়াইছিল। তেওঁৰ বাবে জাতিয়তাবাদ হ'ল আত্মবিকাশ আৰু আত্মপ্ৰকাশ কৰাৰ এক উপায়। তেওঁৰ বাবে জাতিয়তাবাদ কোনো কাৰণতে আন্তর্জাতিকতাবাদৰ বিৰোধী হ'ব নোৱাৰে। সুস্থ নীতিৰ ভিত্তিত গঢ়ি উঠা জাতিয়তাবোধে আন্তর্জাতিকতাবাদ সৃষ্টিত অৰিহণাহে যোগায়।

## নেহৰুৰ আন্তর্জাতিকতাবাদ

## (Internationalism of Nehru)

ভাৰতৰ স্বাধীনতা আন্দোলনৰ অগ্ৰণী নেতা জৱাহৰলাল নেহৰুৰ চিন্তা আৰু কর্মক্ষেত্ৰ কেৱল ভাৰতৰ চাৰিসীমাৰ মাজতে আৱদ্ধ নাছিল। দৰাচলতে তেওঁ আছিল এজন আন্তর্জাতিক চিন্তাবিদ। তেওঁৰ চিন্তা পৰিসৰৰ মাজত আৱদ্ধ হৈছিল বিশ্বশান্তি প্ৰতিষ্ঠাৰ ধাৰণা। এনে চিন্তাধাৰাৰ দ্বাৰাই প্ৰভাবান্বিত হৈ তেওঁ আন্তর্জাতিক

ক্ষেত্ৰত কিছু কৰ্ম কৰিও থৈ গৈছে।

নেহৰুৰ আন্তৰ্জাতিকতাবাদ সঠিক বিশ্লেষণৰ বাবে বিশ্ব শান্তি আৰু আন্তৰ্জাতিক সহযোগিতা প্ৰতিষ্ঠাৰ বাবে কৰি থৈ যোৱা কৰ্মৰাজি তলত আলোচনা কৰা হ'ল—

**(ক) গোষ্ঠী নিৰপেক্ষতা ঃ**

প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকা জনসাধাৰণৰ অন্তৰৰ পৰা মাৰ নৌযাওতেই সমগ্ৰ বিশ্বখন দুই শক্তিকেন্দ্ৰীক হৈ আন এক যুদ্ধৰ পৰিৱেশ সূচনা কৰিছিল। এনে এক প্ৰেক্ষাপটতে পৃথিৱীত শান্তি প্ৰতিষ্ঠাৰ বাবে জৱাহৰলাল নেহৰুৱে গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ জন্ম দিছিল। একাংশ তৃতীয় বিশ্বৰ নেতৃবৃন্দৰ সহযোগত গঢ় দিয়া গোষ্ঠী নিৰপেক্ষ আন্দোলন দুই শক্তিগোষ্ঠীৰ পৰা সমদূৰত্বত অৱস্থান কৰি এক তৃতীয় শক্তিগোষ্ঠী হিচাবে থিয় দিছিল। এই গোষ্ঠীয়ে আন্তৰ্জাতিক শান্তি আৰু সম্প্ৰীতি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। নেহৰুৱে এই নীতিৰ দ্বাৰা এহাতেদি সম্প্ৰীতিৰ মনোভাৱ তৃতীয় বিশ্বৰ ৰাষ্ট্ৰৰ মাজত গঢ়ি তোলাৰ লগতে দুই শক্তিগোষ্ঠীৰ মাজত যুদ্ধ সৃষ্টিৰ প্ৰতিৰোধক হিচাবে কাম কৰিছিল।

**(খ) পঞ্চশীল নীতি ঃ**

নেহৰুৰ আন্তৰ্জাতিকতাবাদী চিন্তাধাৰাৰ আন এক পৰিচয় হ'ল পঞ্চশীল নীতি। আন্তৰ্জাতিক শান্তি আৰু সহযোগিতা সৃষ্টিৰ বাবে ৰাষ্ট্ৰ সমূহৰ মাজত এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰাটো অত্যন্ত প্ৰয়োজনীয়। এনে পৰিৱেশ ৰচনা কৰাৰ বাবেই তেওঁ পঞ্চশীলৰ সৃষ্টি কৰিছিল।

পঞ্চশীল বুলিলে আন্তৰ্জাতিক শান্তি সম্প্ৰীতি প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয় 5 টা নীতিক বুজায়। 1954 চনত নেহৰুৱে চীনৰ চৌ এন লাইৰ সৈতে এক ঘোষণা পত্ৰত সাক্ষৰ কৰিছিল য'ত এই 5 টা নীতি অন্তৰ্ভুক্ত আছিল। নীতিকেইটা হ'ল—

(১) প্ৰত্যেক ৰাষ্ট্ৰই আন ৰাষ্ট্ৰৰ ভুখণ্ড আৰু সৰ্বভৌমত্বৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা।

(২) আন ৰাষ্ট্ৰক আক্ৰমণ নকৰা।

(৩) আন দেশৰ আভ্যন্তৰীণ কথাত হস্তক্ষেপ নকৰা।

(৪) সমতা আৰু পাৰস্পৰিক সা-সুবিধা বৃদ্ধি কৰা।

(৫) শান্তিপূৰ্ণ সহাৱস্থান আৰু অৰ্থনৈতিক সহযোগিতা।

পঞ্চশীল নীতিক বৈদেশিক নীতিৰ মূলমন্ত্ৰ হিচাবে ভাৰতত প্ৰথম গ্ৰহণ কৰা হয়। লাহে লাহে এই আদৰ্শ এচিয়া, তথা ইউৰোপৰ দেশ সমূহৰ মাজতো সমাদৃত হয়। যুগোশ্লোভিয়াৰ টিটোৱে এই আদৰ্শক উগ্ৰ প্ৰশংসা কৰাৰ লগতে এনে আদৰ্শই বিশ্বত শান্তি স্থাপন কৰিব পাৰিব বুলি দৃঢ় মত পোষণ কৰে।

**(গ) অৰ্থনৈতিক আন্তৰ্জাতিকতাবাদ ঃ**

নেহৰুৱে অৰ্থনৈতিক ক্ষেত্ৰতো ৰাষ্ট্ৰসমূহৰ মাজত আত্মনিৰ্ভৰশীলতা বৃদ্ধিৰ সপক্ষে মত পোষণ কৰিছিল। তেওঁৰ মতে বৰ্তমান উদ্যোগ ব্যৱস্থাই সকলোতে আন্তৰ্জাতিকতাবাদৰ বাট সূচল কৰিছে। উৎপাদন, বজাৰ, যোগাযোগ সকলোবোৰেই আন্তৰ্জাতিক হৈছে। কোনো ৰাষ্ট্ৰই অকলে স্বাধীনভাৱে থাকিবও নোৱাৰে। দৰাচলতে সকলো পৰস্পৰে নিৰ্ভৰশীল। এনে নিৰ্ভৰশীলতাৰ ভিত্তিতে অৰ্থনৈতিক আন্তৰ্জাতিক সহযোগিতা গঢ়ি তুলিব লাগে।

দৰাচলতে নেহৰুৱে আন্তৰ্জাতিক সহযোগিতা, শান্তি বৃদ্ধিৰ বাবে যথেষ্ট প্ৰচেষ্টা চলাইছিল। আন অৰ্থত তেওঁ এজন বিশ্বৰাষ্ট্ৰৰ আদৰ্শক সমৰ্থনকাৰী ব্যক্তি। কিন্তু তেওঁ কেতিয়াও জাতিভিত্তিক ৰাষ্ট্ৰ গঠনৰ বিৰোধিতাও কৰা নাই। তেওঁৰ মতে বিশ্বত প্ৰতিখন ৰাষ্ট্ৰই নিৰস্ত্ৰীকৰণ নীতি মানি চলিব আৰু ৰাষ্ট্ৰবোৰে নিজকে বিকাশ কৰিবলৈ আনৰ লগত সহযোগিতাৰ মনোভাৱ গঢ়ি তুলিব লাগে। ইয়াৰ বাবে ৰাষ্ট্ৰবোৰে ইয়াৰ ক্ষমতাৰ এক অংশ আন্তৰ্জাতিক গোটৰ হাতত সমৰ্পণ কৰিব। এইক্ষেত্ৰত তেওঁ ৰাষ্ট্ৰসংঘৰ প্ৰতি সমৰ্থন প্ৰদান কৰিছিল।

নেহৰুৱে আন্তৰ্জাতিকতাবাদ প্ৰতিষ্ঠাৰ নামত সাম্ৰাজ্যবাদৰ দমন শোষণ নীতিৰ তীব্ৰ বিৰোধীতা কৰিছিল। নেহেৰুৰ জাতিয়তাবাদৰ ধাৰণাতে কোৱা হৈছে যে নেহেৰুৱে প্ৰত্যেক স্বাধীন জাতিৰ বাবে একোখন স্বাধীন দেশক সমৰ্থন কৰিছিল। ইয়াৰ বাবে বিভিন্ন উপনিবেশবাদ বিৰোধী আন্দোলনলৈ তেওঁ তেওঁৰ সমৰ্থনো প্ৰদান কৰিছিল।

অৰ্থাৎ নেহৰুৰ আন্তৰ্জাতিকতাবাদৰ উদ্দেশ্য হ'ল শান্তিপূৰ্ণ বিশ্ব সমাজ প্ৰতিষ্ঠা, য'ত প্ৰতিখন দেশৰে নিজা অস্তিত্ব থাকিব আৰু প্ৰয়োজনত এখনে আনখনৰ প্ৰতি সহায় আগবঢ়াব। আন্তৰ্জাতিকতাবাদৰ নামত বৰ্তমান প্ৰচলিত শোষণ, দমন, আধিপত্যবাদৰ তেওঁ বিৰোধী আছিল।

## নেহৰুৰ ধৰ্মনিৰপেক্ষতাবাদৰ ধাৰণা

## (Nehru's Concept of Secularism)

ভাৰতৰ ৰাজনৈতিক চিন্তাধাৰালৈ নেহৰুৱে যোগোৱা অৱদান সমূহৰ ভিতৰত ধৰ্মনিৰপেক্ষতাৰ ধাৰণা অন্যতম। প্ৰাচ্য বা ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো মূলতঃ জৱাহৰলাল নেহৰুৰ চিন্তাধাৰাৰ ফচল বুলি ক'লেও বঢ়াই কোৱা নহয়। নেহেৰুৰ ধৰ্মনিপেক্ষতাৰ ধাৰণাটো মূলতঃ তেওঁৰ শৈশৱ কালৰ পৰিৱেশ, তেওঁৰ পশ্চিমীয়া শিক্ষা ব্যৱস্থাত লাভ কৰা অভিজ্ঞতা আৰু প্ৰাক স্বাধীনতাৰ কালৰ ৰাজনৈতিক পৰিৱেশৰ ভেটিত গঢ় লৈ উঠিছিল।

নেহৰু সম্ভ্ৰান্ত কাশ্মিৰী ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিলেওঁ পৰিয়ালৰ পৰিবেশ সম্পূৰ্ণ ধৰ্মীয় ক্ষেত্ৰত উদাৰ আছিল। তেওঁৰ গৃহ শিক্ষক ফাৰ্দিনাণ্ট টি ব্ৰুক এজন থিচফিষ্ট আছিল, নিকট ইছলাম ধৰ্মালম্বী লোকসকলৰ লগত অতি মধুৰ সম্পৰ্ক আছিল। মুঠতে ধৰ্ম উদাৰতা তেওঁলোকৰ পৰিয়ালৰ এটা বৈশিষ্ট আছিল। ফলত এনে পৰিৱেশত ডাঙৰ দীঘল হোৱাৰ বাবে নেহৰুৰ মানসিকতা সদায় ধৰ্মীয় সংকীৰ্ণতাবোধৰ পৰা উৰ্দ্ধত আছিল।

নেহৰুৰ ধৰ্মনিৰপেক্ষতা চিন্তাধাৰাত উদ্‌গনি যোগোৱা আন এটি কাৰক আছিল পশ্চিমীয়া শিক্ষা ব্যৱস্থাৰ প্ৰভাৱ। পশ্চিমীয়া শিক্ষা ব্যৱস্থাৰ দাৰ্শনিক সকলৰ চিন্তাধাৰাত দেখা পোৱা ধৰ্মীয় উদাৰতা, বৈজ্ঞানিক মানসিকতা আৰু যুক্তিনিষ্ঠ জ্ঞানে তেওঁৰ মন-মগজুত ক্ৰিয়া কৰিছিল। এনে শিক্ষাই তেওঁক গোড়ামী, ৰক্ষণশীলতা আদিৰ পৰা উৰ্দ্ধত ৰাখিছিল। পশ্চিমীয়া শিক্ষাই বুৰঞ্জীপ্ৰৱনতাক উৎসাহ যোগাইছিল। ভাৰতৰ অতীত বুৰঞ্জী অধ্যয়নে নেহৰুক দৃঢ়মনা কৰি তুলিছিল যে ভাৰত এখন বহুসংস্কৃতিপূৰ্ণ সমাজযুক্ত ৰাষ্ট্ৰ। নিৰ্দিষ্ট এটা চিন্তাধাৰাৰ দ্বাৰা ইয়াক আবদ্ধ বা পৰিচালিত কৰাটো উচিত নহয়।

নেহৰুৰ ধৰ্মনিৰপেক্ষ চিন্তাধাৰাক শক্তিশালীকৰণত বিশেষ অৰিহণা যোগাইছিল স্বাধীনতা আন্দোলনে। হিন্দু-মুছলিম একত্ৰিতভাৱে আৰম্ভ কৰা আন্দোলনৰ শক্তিয়ে তেওঁক আকৰ্ষিত কৰাৰ সমান্তৰালকৈ স্বাধীনতা আন্দোলনৰ আলমতে গা কৰি উঠা সাম্প্ৰদায়িক শক্তিসমূহৰ কু-অভিপ্ৰায়বোৰে তেওঁক বিচলিত কৰিছিল। ফলত স্বাধীন ভাৰতৰ নিৰ্মাতাৰ দায়িত্ব লাভ কৰাৰ পিছতে ভাৰতক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাবে গঢ়ি তোলাৰ

বাবে আহোপুৰুষাৰ্থ চেষ্টা কৰিছিল আৰু তেওঁ সম্পূৰ্ণৰূপে ভাৰতীয় সমাজ ব্যৱস্থাৰ লগত খাপখোৱা ধৰণৰ এক ধৰ্মনিৰপেক্ষতাৰ আৰ্হি প্ৰস্তুত কৰি তুলিছিল। Chester Bowles য়ে এই ক্ষেত্ৰত মন্তব্য আগবঢ়াইছিল এনেদৰে— 'One of his greatest achievements is the creation of a secular state in which forty five Millions Muslims who choose not to go to Pakistan may live peacefully and worship as they please.'

নেহৰুৱে ভাৰতীয় সমাজ সম্পৰ্কে লাভ কৰা অভিজ্ঞতাই তেওঁক পতিয়ন নিয়াইছিল যে পশ্চিমীয়া দেশসমূহত প্ৰচলিত ধৰ্মনিৰপেক্ষতাৰ ধাৰণা ভাৰতত অকাৰ্যকৰী। পশ্চিমীয়া ধৰ্মনিৰপেক্ষতাৰ আৰ্হিয়ে ধৰ্ম বিমূখতা বা সম্পূৰ্ণৰূপে ধৰ্মীয় ক্ষেত্ৰত ৰাষ্ট্ৰৰ অহস্তক্ষেপক সমৰ্থন কৰে। ভাৰতৰ সভ্যতা, সমাজ আৰু সংস্কৃতিৰ লগত ধৰ্ম এনেভাৱে সংপৃক্ত হৈ আছে যে ধৰ্ম-বিমুখ চিন্তাধাৰা অসম্ভৱ। ফলত ভাৰতীয় সমাজৰ লগত খাপ খোৱাকৈ এক নতুন ধৰ্মনিৰপেক্ষতাৰ আৰ্হি প্ৰস্তুত কৰি তুলিছিল।

নেহৰুৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণা চাৰিটা মূল দিশৰ ওপৰত আধাৰিত। সেইকেইটা হ'ল—

1. নেহৰুৰ মতে ধৰ্মনিৰপেক্ষতা সমতা আৰু ন্যায় নীতিৰ ওপৰত আধাৰিত। অৰ্থাৎ সকলো ধৰ্মৰ প্ৰতি সমভাৱ প্ৰদৰ্শন আৰু কোনো বিশেষ ধৰ্মৰ প্ৰতি বিশেষ দৃষ্টিভংগী প্ৰদৰ্শন নকৰাই হ'ল ধৰ্মনিৰপেক্ষতা। নেহৰুৰ মতে ধৰ্মনিৰপেক্ষ সমাজত সকলো ধৰ্মৰে স্থিতি সমান, কোনো উৰ্দ্ধ বা কোনো নীচ নহয়। প্ৰত্যেক ধৰ্মই সম প্ৰস্থিতি আৰু স্বাধীনতা লাভ কৰে। ভাৰতক ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ গঢ়ি তোলাৰ সময়ত তেওঁ মন্তব্য কৰিছিল We are building a free secular state where every religion and belief has full freedom and equal honour, whose every citizen has equal liberty and equal oppurtunity. অৰ্থাৎ আমি এখন মুক্ত ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ গঢ়ি তুলিছোঁ, য'ত প্ৰতিটো ধৰ্ম আৰু বিশ্বাসৰ সম্পূৰ্ণ স্বাধীনতা আৰু সম সন্মান আছে, য'ত প্ৰতিজন নাগৰিকৰ সম-স্বাধীনতা আৰু সম সুবিধা বিৰাজমান। ধৰ্মনিৰপেক্ষতাৰ মাজেৰে নেহৰুৱে যিখন সমতাপূৰ্ণ সমাজ প্ৰতিস্থা কৰিব বিচাৰিছিল তাত জাতি-ভেদ প্ৰথাৰ কোনো স্থান নাই। নেহেৰুৰ মতে জাতি প্ৰথাৰ দ্বাৰা পৰিচালিত সমাজ এখন ধৰ্মনিৰপেক্ষ হ'ব নোৱাৰে।

2. নেহৰুৱে ধৰ্মনিৰপেক্ষতাৰ দ্বাৰা ধৰ্মীয় দিশত ৰাষ্ট্ৰৰ নিৰপেক্ষতাক বুজাইছিল অৰ্থাৎ ৰাষ্ট্ৰৰ কোনো নিৰ্দিষ্ট ধৰ্ম নথকা বা কোনো এটা বিশেষ ধৰ্মৰ প্ৰতি ৰাষ্ট্ৰই আনুগত্য প্ৰদৰ্শন নকৰাই হ'ল ধৰ্মনিৰপেক্ষতাবাদ। গণতান্ত্ৰিক ৰাষ্ট্ৰত ধৰ্মৰ প্ৰতি আনুগত্য প্ৰদৰ্শনে সমাজ এখনক বিভাজিত বা খণ্ডিত কৰে, একাংশ লোকে অধিক সুবিধা পোৱাৰ বিপৰীতে আন একাংশই তেনে সুবিধাৰ পৰা বঞ্চিত কৰে ফলত ই সমাজত বৈষম্যতা সৃষ্টি কৰে আৰু ই বিকাশৰ পৰিপন্থী। ভাৰতৰ ধৰ্মনিৰপেক্ষতা প্ৰসংগত নেহৰুই মন্তব্য কৰিছিল 'I am convinced that the future government of free India must be secular in the sense that the government will not associate itself directly with any religious faith.' অৰ্থাৎ 'মই এইক্ষেত্ৰত নিশ্চিত যে স্বাধীন ভাৰতৰ ভৱিষ্যতৰ চৰকাৰসমূহে প্ৰত্যক্ষভাৱে কোনো ধৰ্মীয় বিশ্বাসৰ সৈতে সন্মিলিত নহৈ ধৰ্মনিৰপেক্ষতা অটুত ৰাখিব'।

3. নেহৰুৰ মতে ধৰ্মনিৰপেক্ষতাই এক মানসিক অৱস্থাক বুজায়। প্ৰত্যেকে প্ৰত্যেকৰ প্ৰতি সন্মানসূচক আৰু সহনশীল মানসিকতা গ্ৰহণ কৰাই ধৰ্মনিৰপেক্ষতা। এনে মানসিকতাই সম্প্ৰীতি আৰু শান্তিৰ পৰিৱেশ সূচনা কৰে। ভাৰতক এখন সফল ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাবে গঢ়ি তোলাৰ বাবে সংখ্যাগৰিষ্ঠ হিন্দু সকলৰ প্ৰতি আহ্বান জনাই কৈছিল যে সংখ্যালঘু সকলৰ স্বাৰ্থ সুৰক্ষিত কৰাটো হিন্দুসকলৰ এটা পূণ্য দায়িত্ব

আকৌ সংখ্যালঘু লোক সকলোকো সহনশীল হ'বলৈ আহ্বান জনাই লৈছিল যে ভাৰতৰ একতা আৰু সংহতি ব্যাহত হ'ব পৰা কোনো কামকে তেওঁলোকে প্ৰশ্ৰয় দিব নালাগে। মুঠতে সহযোগিতা আৰু সহনশীল মনোভাবেহে ধৰ্মনিৰপেক্ষতাৰ ভেটি শক্তিশালী কৰে।

2. নেহৰুৰ মতে ধৰ্মনিৰপেক্ষতাৰ সফল ৰূপায়নৰ বাবে সমগ্ৰ লোকৰ বাবে একেধৰণৰ নাগৰিক সংহিতা (Uniform civil code)ৰ আৱশ্যক। তেওঁৰ মতে পৃথক পৃথক সমূহৰ বাবে পৃথক পৃথক আইনৰ প্ৰৱৰ্তনে ধৰ্মনিৰপেক্ষতাৰ ধাৰণাত আঘাত কৰিব।

মুঠতে নেহৰুৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণাই ৰাজনৈতিক জীৱনৰ লগতে সামাজিক জীৱন আৰু মানসিক অৱস্থাকো সামৰি লৈছে। নেহৰুৰ দৃষ্টিত ভাৰতীয় গণতন্ত্ৰৰ মেৰুদণ্ড শক্তিশালী কৰিবলৈ ধৰ্মনিৰপেক্ষতাৰ অতি আৱশ্যক। ধৰ্মনিৰপেক্ষতা আৰু গণতন্ত্ৰ সহোদৰ স্বৰূপ। বিকাশ আৰু শান্তিৰ মাপকাঠি হিচাবে নেহৰুৱে ধৰ্মনিৰপেক্ষতাক প্ৰয়োগিক কৰি তুলিবলৈ আহোপুৰুযাৰ্থ চেষ্টা কৰিছিল। তেওঁৰ প্ৰচেষ্টা আৰু সবল নেতৃত্বৰ বাবেই ধৰ্মভিত্তিত ভাৰত বিভাজন হোৱাৰ পিছতো এখন সফল ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষক প্ৰতিষ্ঠা কৰাত সফল হৈছিল। ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ ভেটিৰ শক্তিশালী পৰিকাঠামো আজিও অক্ষত হৈ আছে। সময়ে সময়ে সাম্প্ৰদায়িক শক্তিসমূহে ধৰ্মনিৰপেক্ষতাৰ ভাৱামূৰ্ত্তিক আঘাত কৰিবলৈ প্ৰচেষ্টা কৰি আহিছে যদিওঁ অতি সহজে ভাৰতে তাক মষিমুৰ কৰিবলৈ সক্ষম হৈছে। ধৰ্মনিৰপেক্ষতা ভাৰতৰ এক শক্তি, এক আদৰ্শ আৰু বিশ্বত এক পৰিচয়। ইয়াক যিকোনো কষ্টৰ বিনিময়তে ৰক্ষা কৰাটো প্ৰতিজন ভাৰতীয়ৰ দায়িত্ব।

## ৰাজনৈতিক চিন্তাধাৰালৈ নেহৰুৰ অৱদান

## (Nehru's Contribution towards the Political Thought)

ভাৰতৰ জাতীয় আন্দোলনৰ অন্যতম কাণ্ডাৰী ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু এজন বিচক্ষণ ব্যক্তি আছিল। তেওঁৰ সহিষ্ণুতা, কৰ্তব্যনিষ্ঠা, গভীৰ জ্ঞানৰ সম্ভাৰতে ভাৰতীয় গণতন্ত্ৰৰ ভেটি প্ৰতিস্থাপিত হৈছে। এইজনা ব্যক্তিৰ অৱদান ক্ষুদ্ৰ কলেবৰত সীমাবদ্ধ কৰা সহজ নহয়। তথাপি নেহৰুৱে চিন্তাজগতলৈ আগবঢ়োৱা অৱদানবোৰ অতি চমুকৈ উল্লেখ কৰা হ'ল—

(ক) **উদাৰ গণতান্ত্ৰিক ধাৰণা ঃ** নেহৰুৰ চিন্তাধাৰাৰ এক অন্যতম ধাৰণা হ'ল উদাৰ গণতন্ত্ৰৰ ধাৰণা। ইয়াক তেওঁৰ সমস্ত চিন্তাধাৰাৰ ভেটি বুলিও ক'ব পাৰি। এই ক্ষেত্ৰত তেওঁ বহু পৰিমাণে পশ্চিমীয়া চিন্তাধাৰাৰ দ্বাৰা প্ৰভাবান্বিত। তেওঁ গণতান্ত্ৰিক নীতি আৰু কৰ্মপন্থা সম্পৰ্কে মন্তব্য প্ৰকাশ কৰিছে। সংসদীয় শাসন ব্যৱস্থাক সমৰ্থন, মুক্ত নিৰ্বাচন, বাক স্বাধীনতা, ধৰ্মনিৰপেক্ষতা, সাংবিধানিকতাবাদ, মৌলিক অধিকাৰ সুৰক্ষা আদি উপাদানসমূহৰ দ্বাৰা তেওঁৰ উদাৰ গণতান্ত্ৰিক ধাৰণা সমৃদ্ধ। নেহৰুৰ এই চিন্তাধাৰাৰ স্পষ্ট প্ৰভাৱ ভাৰতীয় সংবিধানত পৰিছে।

(খ) **সমাজবাদ ঃ** নেহৰুৰ আন এক গুৰুত্বপূৰ্ণ অৱদান হ'ল তেওঁৰ সমাজবাদী ধাৰণা। নেহৰুৰ সমাজবাদী ধাৰণা আন ভালেমান চিন্তাবিদতকৈ পৃথক। নেহৰুৰ সমাজবাদৰ ধাৰণা ভাৰতৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰৰ বাবে উপযোগী। তেওঁৰ সমাজবাদৰ ভিত্তি হ'ল পৰিকল্পিত অৰ্থনীতি। দেশৰ প্ৰগতিৰ দ্ৰুত উন্নয়নৰ বাবে তেওঁ সম্পূৰ্ণ ৰাষ্ট্ৰীয়কৰণৰ পৰিৱৰ্তে মিশ্ৰিত অৰ্থনীতিৰহে পোষকতা কৰিছিল। তেওঁ এহাতেদি জাতীয় পুজি বৃদ্ধিৰ বাবে বেচৰকাৰী প্ৰচেষ্টাতো উদ্যোগ গঢ়াৰ সমৰ্থন কৰিছিল যদিও সামাজিক ন্যায়ৰ স্বাৰ্থত বৃহৎ উদ্যোগবোৰ ৰাষ্ট্ৰীয়কৰণৰ কৰাৰ সপক্ষে অভিমত দিছিল।

(গ) **গোষ্ঠী নিৰপেক্ষতা ঃ** আন্তৰ্জাতিক চিন্তাজগতলৈ নেহৰুৰ অন্যতম অৱদান হ'ল তেওঁৰ গোষ্ঠী নিৰপেক্ষতাৰ ধাৰণা। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ত সমগ্ৰ বিশ্বতে যি দ্বিমেৰুকেন্দ্ৰীক শক্তি ব্যৱস্থা গঢ়ি উঠিছিল তাৰ প্ৰতিক্ৰিয়া স্বৰূপে সদ্য স্বাধীনতা প্ৰাপ্ত ৰাষ্ট্ৰবোৰৰ স্বাধীনতা অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত একাংশ তৃতীয় বিশ্বৰ নেতাৰ সহযোগত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ জন্ম দিছিল। এই গোষ্ঠী নিৰপেক্ষ আন্দোলন জন্মৰ অন্যতম কাণ্ডাৰী জৱাহৰলাল নেহৰুৱে ইয়াৰ যোগেদি তৃতীয় বিশ্বৰ ৰাষ্ট্ৰৰ মাজত এক সহযোগিতাৰ মনোভাৱ সৃষ্টিৰ লগতে বিশ্বশান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো অৱদান যোগাইছিল।

(ঘ) **পঞ্চশীল ঃ** আন্তৰ্জাতিক চিন্তাজগতলৈ নেহৰু আন এক গুৰুত্বপূৰ্ণ অৱদান হ'ল পঞ্চশীল। বিশ্ব ৰাষ্ট্ৰৰ মানসিকতা অন্তৰত ৰাখি ৰাষ্ট্ৰসমূহৰ মাজত মিলাপ্ৰীতি আৰু সহযোগিতাৰ মনোভাৱ বৃদ্ধিৰ বাবেই তেওঁ পঞ্চশীলৰ ধাৰণা আগবঢ়াইছিল। পঞ্চ মানে পাঁচ আৰু শীল মানে নীতি অৰ্থাৎ পঞ্চশীল হ'ল পাঁচটা নীতিৰ সমষ্টি। পৰৱৰ্তী সময়ত পঞ্চশীলৰ আদৰ্শবোৰক চীন, ইজিপ্ত আদি দেশেও সমৰ্থন আগবঢ়াইছিল।

(ঙ) **ৰাষ্ট্ৰ সম্পৰ্কীয় ধাৰণা ঃ** নেহৰুৱে ৰাষ্ট্ৰ সম্পৰ্কেও অভিমত ব্যক্ত কৰিছে। তেওঁ দৰাচলতে কল্যাণকামী ৰাষ্ট্ৰৰ এজন অন্যতম সমৰ্থক আছিল। মেকিয়াভেলিৰ ৰাষ্ট্ৰ সম্পৰ্কীয় ধাৰণাৰ প্ৰতি তীব্ৰ সমালোচনা আগবঢ়াই মন্তব্য কৰিছে যে এনে ৰাষ্ট্ৰই জনসাধাৰণৰ লক্ষ্য পূৰণত কোনো সহায় নকৰে।

নেহৰুৰ মতে ৰাষ্ট্ৰ লক্ষ্য নহয়, ই লক্ষ্য সাধনৰ এক উপায় আৰু ৰাষ্ট্ৰৰ লক্ষ্য হ'ল জনসাধাৰণৰ কল্যাণ সাধন। নেহৰুৰ মতে ৰাষ্ট্ৰই কেৱল আইন শৃঙ্খলা ৰক্ষা কৰা আৰু বহিঃ শত্ৰুৰ আক্ৰমণৰ পৰা জনসাধাৰণক ৰক্ষা কৰাতেই নিজৰ দায়িত্ব আবদ্ধ কৰি ৰাখিব নোৱাৰে। স্বাস্থ্য, শিক্ষা, দুৰ্বলক সহায়ৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰত ৰাষ্ট্ৰই সেৱা আগবঢ়াব লাগে।

নেহৰুৰ চিন্তাধাৰালৈ লক্ষ্য কৰিলে দেখা যায় তেওঁ দৰাচলতে এজন প্ৰকৃত গণতান্ত্ৰিক আৰু জনকল্যাণকামী ধাৰণাৰ সমৰ্থক আছিল। তেওঁ কোনো ৰাজনৈতিক দাৰ্শনিক নাছিল। কোনো স্পষ্টভাৱে ৰাজনৈতিক তত্ত্বও প্ৰকাশ কৰা নাই। কিন্তু তেওঁ আছিল এজন বিচক্ষণ ৰাজনীতিজ্ঞ লোক। ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি ভাৰতৰ জাতি গঠন প্ৰক্ৰিয়াক শক্তিশালী ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লৈছিল। একেৰাহে ১৭ বছৰ কাল প্ৰধানমন্ত্ৰীত্বৰ পদ গ্ৰহণ কৰা নেহৰুৱে ভাৰতৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। জাতীয় অৱদানৰ উপৰিও আন্তৰ্জাতিক ক্ষেত্ৰখনলৈও নেহৰুৰ অৱদান আছিল অতি প্ৰসংশনীয়। বিশ্ব শান্তি, বিশ্ব নিৰাপত্তা সুৰক্ষিত কৰি ৰখাৰ বাবে তেওঁ ভালেমান পৰামৰ্শ আগবঢ়োৱাৰ লগতে কাৰ্য ব্যৱস্থাও গ্ৰহণ কৰিছিল। গোষ্ঠী নিৰপেক্ষতাৰ ধাৰণা আৰু পঞ্চশীল ইয়াৰ অন্যতম উদাহৰণ।

## গান্ধী আৰু নেহৰুৰ চিন্তাধাৰাৰ তুলনা

ভাৰতৰ স্বাধীনতাৰ আন্দোলনৰ দুই বৰণ্য ব্যক্তি হ'ল জৱাহৰলাল নেহৰু আৰু মহাত্মা গান্ধী। স্বাধীনতা আন্দোলন আৰু স্বৰজোত্তৰ পৰ্যায়ত দুইজন নেতাৰ প্ৰভাৱ ভাৰতৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত বাৰুকৈয়ে আছে। মহাত্মা গান্ধীক তেওঁৰ সমগ্ৰ অৱদানৰ বাবে জাতিৰ পিতা আখ্যা দিয়াৰ দৰে জৱাহৰলাল নেহৰুক আধুনিক ভাৰতৰ পিতৃ আখ্যা দিয়া হয়। দুয়োজন ব্যক্তিৰ চিন্তাধাৰাৰ এক তুলনামূলক আলোচনা তলত দাঙি ধৰা হ'ল—

**সাদৃশ্য ঃ**

1. নেহৰু আৰু গান্ধী উভয়ৰে উদ্দেশ্য আছিল ভাৰতীয় জনসাধাৰণক সকলো ধৰণৰ শোষণৰ পৰা মুক্ত কৰা।

2. দুয়োজন ৰাজনৈতিক চিন্তাবিদে গণতান্ত্রিক শাসন ব্যৱস্থাৰ প্ৰতি আকুণ্ঠ সমৰ্থন প্ৰদান কৰিছিল। তেওঁলোকৰ মতে চৰকাৰ আৰু জনসাধাৰণ উভয়ে গণতান্ত্রিক মানসিকতাৰ হ'ব লাগে। চৰকাৰে যিদৰে জনতাৰ অভিমতক গুৰুত্ব দিব লাগে ঠিক তেনেদৰে জনসাধাৰণেও অধিকাৰ সাব্যস্তৰ বাবে গণতান্ত্রিক মাধ্যমহে গ্ৰহণ কৰিব লাগে।

3. গান্ধী আৰু নেহৰু উভয়ে পঞ্চায়ত ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। পঞ্চায়তৰ দ্বাৰাই দেশৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ভেটি মজবুত কৰিব পৰা যাব বুলি উভয়ে মত পোষণ কৰিছিল।

4. দুয়োজন ব্যক্তিয়ে সাম্রাজ্যবাদ, ঔপনিবেশিকবাদ আৰু বৰ্ণবৈষম্য তথা অস্পৃশ্যতাৰ তীব্ৰ বিৰোধ কৰে।

গান্ধীজী আৰু নেহৰুৰ চিন্তাধাৰাৰ মাজত কিছু সাদৃশ্য থাকিলেও অনেক বিষয়তে এওঁলোকৰ মাজত মতদ্বৈধতা আছিল। যাৰ বাবেই দুয়োজন নেতাৰ মাজত অনেক সময়তে তিক্ততাপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছিল। অৱশ্যে উদ্দেশ্য দুয়োজন নেতাৰ একে হোৱা বাবে তেওঁলোকে এখন ক্ষেত্ৰত একেলগে কাম কৰা দেখা যায়।

**বৈসাদৃশ্য ঃ**

1. ধৰ্মনিৰপেক্ষতা সম্পৰ্কত দুয়োজন নেতাৰ চিন্তাৰ পাৰ্থক্য থকা দেখা যায়। নেহৰুৱে এই ক্ষেত্ৰত বহু পৰিমাণে পাশ্চাত্যৰ চিন্তাধাৰাৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল। নেহৰুৱে কোনো স্তৰতে ধৰ্মৰ লগত ৰাজনীতিৰ সম্পৰ্ক থকাটো বিচৰা নাছিল। তেওঁৰ সকলো চিন্তা ধৰ্মীয় পৰিসৰৰ উৰ্দ্ধত। আনহাতে গান্ধীৰ জীৱনত ধৰ্মৰ প্ৰভাৱ অপৰিসীম। তেওঁ ধৰ্মীয় সংকীৰ্ণতাৰ পৰা মুক্ত আছিল যদিও ৰাজনীতিৰ লগত ধৰ্মৰ পাৰস্পৰিক সম্পৰ্ক থকাতো অনুভৱ কৰিছিল। তেওঁৰ মতে ধৰ্মীয় পৰিসীমাই ৰাজনীতিক কলুষতাৰ পৰা মুক্ত কৰে। গতিকে ৰাজনীতিৰ পৰা ধৰ্মক বিছিন্ন কৰিব নালাগে।

2. ৰাষ্ট্ৰৰ ধাৰণা সম্পৰ্কতো নেহৰু গান্ধীৰ মাজত পাৰ্থক্য থকা দেখা যায়। গান্ধী ৰাষ্ট্ৰবিৰোধী আছিল। তেওঁৰ দৃষ্টিত ৰাষ্ট্ৰ এক প্ৰাণহীন যন্ত্ৰস্বৰূপ। কিন্তু নেহৰু আছিল কল্যাণকামী ৰাষ্ট্ৰ ধাৰণাৰ সমৰ্থক। তেওঁৰ মতে ৰাষ্ট্ৰৰ সবল তথা সক্ৰিয় ভূমিকাইহে নাগৰিকৰ মাজত থকা সমস্যাবোৰ আতৰ কৰিব পাৰে।

3. দেশৰ অৰ্থনৈতিক নীতিৰ ওপৰতো দুয়োজন চিন্তাবিদৰ মাজত পাৰ্থক্য আছিল। গান্ধীজীয়ে শিল্পকৰণ আৰু বৃহৎ উদ্যোগীকৰণৰ বিৰুদ্ধাচৰণ কৰিছিল। তেওঁৰ মতে বৃহৎ উদ্যোগ আৰু কল-কাৰখানাই দেশৰ সম্পদ মুষ্টিমেয় কেইজনমান লোকৰ হাতততহে কেন্দ্ৰীভূত কৰিব। এই ব্যৱস্থাই দেশত নিবনুৱা সমস্যা সৃষ্টিৰ লগতে শ্ৰমিকক শোষণ কৰাৰ পথ মুকলি কৰিব। গান্ধীয়ে অধিক উন্নত প্ৰযুক্তিবিদ্যা ব্যৱহাৰৰো বিৰোধী আছিল। তেওঁৰ মতে যি প্ৰযুক্তিয়ে সমাজত কৰ্মহীনতাৰ সৃষ্টি কৰে তেনে প্ৰযুক্তি ব্যৱহাৰ কৰিব নেলাগে। কিন্তু এনে ক্ষেত্ৰ সমূহত নেহৰুৰ ভূমিকা আছিল সম্পূৰ্ণ বিপৰীত। নেহৰুৱে ভাৰতৰ অৰ্থনৈতিক প্ৰগতি ক্ষীপ্ৰ কৰাৰ স্বাৰ্থত বৃহৎ উদ্যোগ ব্যৱস্থাক সমৰ্থন কৰিছিল। আকৌ উন্নত বৈজ্ঞানিক কৌশল আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ সপক্ষেও তেওঁ মন্তব্য দিছিল।

নেহৰু আৰু গান্ধীৰ চিন্তাধাৰাৰ ক্ষেত্ৰত কিছুমান পাৰ্থক্য আছিল যদিও দুয়োৰে মাজত এক আন্তৰিক

সম্পৰ্ক আছিল। নেহৰু বহুপৰিমাণে গান্ধীৰ চিন্তা আৰু আদৰ্শৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল। গান্ধীয়েও নেহৰুৰ নেতৃত্বৰ ওপৰত অগাধ বিশ্বাস ৰাখিছিল। আকৌ দুয়োজন নেতাৰে মূল উদ্দেশ্য আছিল ভাৰতক স্বাধীনতা প্ৰদান কৰা লগতে ভাৰতীয় জনসাধাৰণৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰগতি সাধন কৰা।

**Excercise :**

1. Answer the following :

   A. Nehru birthday is observe as–

      1. Teacher Day
      2. Children Day
      3. Nehru Jayanti Day.
      4. Republic Day

   (Which one is correct)

   B. Who wrote the book "Discovery of India?".

   C. Which of the following book was not written by Nehru–

      1. Glimpses of world history.
      2. Discovery of India.
      3. My Experiment with truth.

2. Mention two characteristics of Nehru's socialism.
3. Write a short note on Panchsheel.
4. Make a comparative study between the thought of Nehru and Gandhi.
5. Discuss Nehru's views on democracy.
6. Discuss Nehru's Views on Nationalism.
7. Discuss Nehru's Views on Internationalism.
8. Discuss Nehru's contribution towards political thought.
9. Discuss Nehru's views on socialism.
10. Discuss Nehru's views on secularism.

✦✦✦

## একাদশ অধ্যায়

# ৰাম মনোহৰ লোহিয়া
# (1910-68)

ভাৰতৰ স্বতন্ত্ৰতা আন্দোলনৰ লগতে সমাজবাদী আন্দোলনত সক্ৰিয় অংশগ্ৰহণকাৰী ড° ৰাম মনোহৰ লোহিয়া (1910-68) আধুনিক ভাৰতৰ এগৰাকী দীপ্তিমান ৰাজনৈতিক চিন্তাবিদ। স্বাধীনোত্তৰ ভাৰতীয় ৰাজনীতিত, তিনিটা বিতৰ্কিত বিষয়ত লোহিয়াৰ অৱস্থানে তেখেতক বিশিষ্টতা প্ৰদান কৰিছিল—

(a) ভাৰতৰ সকলো পিছপৰা শ্ৰেণীক একত্ৰিত কৰি নিৰ্বাচনত ভাৰতীয় জাতীয় কংগ্ৰেছক পৰাস্ত কৰিব বিচাৰিছিল,

(b) পিছপৰা শ্ৰেণী (OBC) লোকৰ বাবে ইতিবাচক পদক্ষেপৰ আবেদন।

(c) ভাৰতীয় ভাষাৰ অভ্যুত্থানৰ বাবে ইংৰাজসকলক ভাৰতৰ পৰা নিৰ্বাসিত কৰাৰ বাবে ৰাম মনোহৰ লোহিয়াই প্ৰচাৰ অভিযান চলাইছিল।

ভাৰতীয় সমাজ আৰু ভাৰতীয় ৰাজনীতিত উচ্চ বৰ্গৰ অভিজাত শ্ৰেণীৰ আধিপত্যৰ দুৰ্গ চূৰ্ণ কৰাৰ উদ্দেশ্যেই লোহিয়াই এই কাৰ্যসূচীসমূহ গ্ৰহণ কৰিছিল। সেয়েহে তেখেতৰ অনুসৰণকাৰীসকলে লোহিয়াক 'সামাজিক ন্যায়'ৰ যোদ্ধা হিচাপে গণ্য কৰিছিল।

সমাজবাদী চিন্তাবিদ হিচাপে ৰাম মনোহৰ লোহিয়াৰ মতে ভাৰতত মাৰ্ক্সবাদৰ অনুগামীসকলে শ্ৰেণী গাঁথনি (Class-structure) ৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় সমাজৰ বিশ্লেষণ কৰাৰ লগতে সমাজৰ সমস্যাসমূহৰ সমাধান পথৰ সন্ধানত বিশ্বাস কৰিছিল। কিন্তু ভাৰতীয় সমাজ যে এখন মাৰ্ক্সীয় শ্ৰেণী-গাঁথনিৰ পৰিৱৰ্তে জাতি-বৰ্ণ অধ্যুষিত সমাজহে, সেইটো সত্য ৰাম মনোহৰ লোহিয়াই মাৰ্ক্সবাদৰ অনুগামীসকলৰ আগত দাঙি ধৰিছিল। সামন্তবাদৰ ঐতিহ্য স্বৰূপ বৰ্ণ কাঠামোৰ পৰিপ্ৰেক্ষিতততহে ভাৰতীয় সমাজৰ সমস্যাসমূহ বোধ লোৱাৰ লগতে বিশ্লেষণ কৰা উচিত। ভাৰতত শ্ৰেণী কাঠামোৰ অভ্যুত্থানৰ লগতে সমাজবাদলৈ ইয়াৰ স্থানান্তৰকৰণৰ ক্ষেত্ৰত বাট মুকলি কৰাৰ বাবে প্ৰথমতে ভাৰতীয় সমাজৰ বৰ্ণ ব্যৱস্থা চূৰ্ণ কৰাটো প্ৰয়োজনীয়। লোহিয়াৰ মতে, পিছপৰা শ্ৰেণীৰ লোকসকলক সতৰ্ক আৰু বন্ধনমুক্তকৰণৰ দ্বাৰা বৰ্ণ ব্যৱস্থা দুৰ্বল কৰিব পৰা যায়। লোহিয়াৰ শ্ৰেণী আৰু বৰ্ণৰ মাজৰ পাৰ্থক্য তেখেতৰ 'ইতিহাস চক্ৰ' (Wheel of history) ধাৰণাত দেখিবলৈ পোৱা যায়।

**'ইতিহাস-চক্ৰ' ধাৰণা (Concept of the Wheel of History) ঃ**

ৰাম মনোহৰ লোহিয়াই তেখেতৰ বিখ্যাত গ্ৰন্থ ‘Wheel of History (1955)’ তেখেতৰ ইতিহাস তত্ত্ব আগবঢ়াইছিল। মাৰ্ক্সীয় ইতিহাস তত্ত্বই ইউৰোপীয় ইতিহাসক সমগ্ৰ মানৱ ইতিহাস হিচাপে অভিক্ষেপ কৰে। মাৰ্ক্সৰ মতে, বিৰোধী শ্ৰেণীৰ মাজৰ সংগ্ৰামেই হৈছে ইতিহাসৰ অন্তৰালৰ উদ্দেশ্য শক্তি। কিন্তু মাৰ্ক্সৰ বিপৰীতে লোহিয়াই ঐতিহাসিক পৰিৱৰ্তনৰ প্ৰাথমিকভাৱে দুটা নীতিৰ কথা অনুমান কৰিছিল—

**(a) ক্ষমতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত আধিপত্য লাভৰ বাবে বিভিন্ন সমাজৰ মাজত সংগ্ৰাম (The strugle among various societies for supremacy in terms of Power and Prosperity)** ঃ ইতিহাস এক চক্ৰৰ নিচিনাকৈ গতি কৰে, কিয়নো কোনো সমাজে সদায় শীৰ্ষস্থানত অৱস্থান কৰিব নোৱাৰে। ইতিহাস ব্যাপী ক্ষমতা আৰু সমৃদ্ধিৰ কেন্দ্ৰ সদায় এক অঞ্চলৰ পৰা আন এক অঞ্চললৈ স্থানান্তৰিত হৈ থাকে।

**(b) প্ৰত্যেক সমাজৰ বিভিন্ন অংশৰ মাজৰ সংগ্ৰাম (The strugle among various divisions within every society)** ঃ প্ৰত্যেক সমাজত দুই প্ৰকাৰৰ সামাজিক বিভাজন— শ্ৰেণী (Class) আৰু জাতি (Caste) য়ে অবিৰতভাৱে সিহঁতৰ অৱস্থানৰ পৰিৱৰ্তন কৰে। শ্ৰেণী ব্যৱস্থাৰ ক্ষেত্ৰত সামাজিক গতিশীলতা আছে; ইয়ে ব্যক্তিক উচ্চতৰ অথবা নিম্নতৰ অৱস্থানলৈ চলাচল কৰাত অনুমতি প্ৰদান কৰে। জীৱন ধাৰণৰ মানদণ্ড উন্নত হোৱাৰ ফলত নিম্ন শ্ৰেণীৰ লোকে উচ্চ শ্ৰেণীৰ অৱস্থান গ্ৰহণ কৰে। ইয়াৰ বিপৰীতে, বৰ্ণব্যৱস্থাত সামাজিক গতিশীলতা দেখা নাযায়। ব্যক্তিয়ে যি বৰ্ণ ব্যৱস্থাতে জন্ম লাভ কৰে, তাতে বা সেই সামাজিক অৱস্থানতে গোটেই জীৱন অতিবাহিত কৰে। বৰ্ণব্যৱস্থা এক অচ্ছেদ্য চক্ৰত ক্ৰীয়াশীল হৈ থাকে নিয়ন্ত্ৰিত সুযোগ-সুবিধাসমূহে ব্যক্তিৰ দক্ষতা বিকাশত সীমাবদ্ধতা আৰোপ কৰে, যিয়ে পলক্ৰমে সুযোগ-সুবিধাসমূহ অধিকতৰ নিয়ন্ত্ৰণ কৰে আৰু এই প্ৰক্ৰিয়াটো চলি গৈ থাকে। এক কথাত, বৰ্ণ হ’ল এক অচল সামাজিক অনুক্ৰম/বৰ্গীকৰণৰ লক্ষণ। শ্ৰেণী আৰু বৰ্ণৰ মাজত প্ৰত্যেক সমাজৰ আভ্যন্তৰীণ প্ৰতিষ্ঠান দোদুল্যমান হোৱা দেখা যায়।

লোহিয়াই কৈছিল— “জাতি-বৰ্ণই সুযোগ-সুবিধা সীমাবদ্ধ কৰে। নিয়ন্ত্ৰিত সুযোগ-সুবিধাই কাৰ্যক্ষমতা/দক্ষতা সংকুচিত কৰে। সংকুচিত দক্ষতাই পুনৰ সুযোগ-সুবিধাসমূহ সীমাবদ্ধ কৰে। জাতি-বৰ্ণ য’ত অধিকতৰ প্ৰভাৱশালী হয়, ব্যক্তিৰ ক্ৰমবৰ্ধমান চক্ৰৰ সুযোগ-সুবিধাসমূহো নিয়ন্ত্ৰিত বা সীমাবদ্ধ হয়।”

(“Caste restricts opportunity. Restricted apportunity constricts ability. Constricted ability further restricts opportunity. Where caste prevails, opportunity and ability are restricted to ever-growing circles of the people”– Ram Manohar Lohia.)

লোহিয়াৰ মতে, ইতিহাসৰ দুয়োটা নীতিয়ে একে সময়তে ক্ৰিয়াশীল হৈ থাকে। যিহেতু শ্ৰেণী ব্যৱস্থা গতিশীল, গতিকে এখন উন্নত সমাজ শ্ৰেণী বিভাজনৰ বৈশিষ্ট্যৰে বৈশিষ্ট্যপূৰ্ণ হয়। আনফালে, পিছপৰা সমাজ এখনত সদায় জাতি-বৰ্ণ ব্যৱস্থাৰ বিকাশ হয়। বিশ্বত কৰ্তৃত্ব বজাই ৰাখিবলৈ হ’লে সমাজ এখন জাতি-বৰ্ণ ব্যৱস্থা ধ্বংস কৰি গতিশীল হোৱাটো প্ৰয়োজনীয়। লোহিয়াৰ মত অনুসৰি, প্ৰযুক্তিগত দক্ষতাৰ দ্বাৰা যিকোনো সমাজৰ স্থবিৰতাৰ প্ৰৱণতা ৰোধ কৰিব পৰা যায়। প্ৰযুক্তিগত দক্ষতা আহৰণ কৰা সমাজ এখনে বাহ্যিক আৰু আভ্যন্তৰীণ দুয়োটা ক্ষেত্ৰতে নিজৰ অৱস্থা উন্নত কৰিব পাৰে। বাহ্যিক ক্ষেত্ৰত বিশ্বৰ আন দেশসমূহতকৈ প্ৰযুক্তিগত দক্ষতাসম্পন্ন দেশসমূহ অধিক শক্তিশালী আৰু সমৃদ্ধিশালী হয়। আভ্যন্তৰীণ ক্ষেত্ৰত, প্ৰযুক্তিগত দক্ষতাসম্পন্ন সমাজ এখনে গতিশীলতা আৰু সংগ্ৰামৰ মাজত সংগতিপূৰ্ণ সম্পৰ্ক স্থাপনত সক্ষম হয়। কিন্তু সমাজ এখনে

যেতিয়া ক্ষমতা আৰু সমৃদ্ধি লাভৰ ক্ষেত্ৰত পৰিপূৰ্ণতা লাভ কৰে, তেতিয়া ই স্থবিৰ হৈ পৰে আৰু বৰ্ণব্যৱস্থাৰ কঠোৰতাৰ জালত সোমাই পৰে। ফলত ক্ষমতাৰ কেন্দ্ৰ আন এক স্থান (দেশ)লৈ স্থানান্তৰিত হয়। এইদৰে ইতিহাস চক্ৰ গতি কৰে।

ইতিহাস চক্ৰ ধাৰণাত লোহিয়াই আন এক তৃতীয় নীতিৰ ব্যাখ্যাও আগবঢ়াইছিল, যিয়ে 'মানৱীয় ঐক্য'ৰ (Human Unity) হ'কে কাম কৰে আৰু জীৱনৰ ভিন ভিন ক্ষেত্ৰত মনুষ্যত্বক (মানৱীয়তাক) ওচৰ চপাই আনে, যেনে— উৎপাদনৰ প্ৰযুক্তিবিদ্যা, ধাৰণা, ভাষা, ধৰ্ম ইত্যাদি। মানুহৰ ইচ্ছাশক্তিৰ পৰা স্বতন্ত্ৰভাৱে এই নীতিয়ে কাৰ্য কৰে। কিন্তু বৰ্তমান সময়ত আমি এনে এক পৰ্যায়ত উপনীত হৈছোঁ, য'ত আমি মানৱ প্ৰজাতিয়ে আমাৰ সচেতন প্ৰচেষ্টাৰ দ্বাৰাহে একত্ৰিত হওঁ। লোহিয়াৰ এই নীতিৰ সূচনাই তেখেতৰ মানৱ উন্নয়ন দৰ্শনকে সুস্পষ্ট কৰে।

### এছিয়াৰ পটভূমিক সমাজবাদ (Asian Context of Socialism) ঃ

লোহিয়াই গান্ধীৰ চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত হৈ এচিয়াৰ পটভূমিত সমাজতান্ত্ৰিক পুণৰ্গঠনৰ এক নতুন ব্যাখ্যা আৰু এক নতুন কাৰ্যসূচী আগবঢ়াইছিল। এচিয়াৰ সামজবাদীসকলক এচিয়া মহাদেশৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ নীতিসমূহ প্ৰস্তুত কৰাৰ বাবে ৰাম মনোহৰ লোহিয়াই তেওঁলোকক পৰামৰ্শ প্ৰদান কৰিছিল। শতিকা জোৰা পুৰণি স্বৈৰাচাৰী শাসনতন্ত্ৰ আৰু সামন্তবাদৰ ফলত এই অঞ্চলত মানৱ সভ্যতা গঢ় লৈ উঠিছিল বা আৱিৰ্ভাৱ হৈছিল। অনমনীয় ধৰ্মমত আৰু ৰাজনৈতিক নিয়মাৱলীৰ মিশ্ৰণৰে গঠিত এচিয়াৰ ৰাজনীতিয়ে মানসিক সংকীৰ্ণতা আৰু সাম্প্ৰদায়িকতাৰ জন্ম দিয়ে।

লোহিয়াৰ মতে, আমোলাতন্ত্ৰ আৰু প্ৰাদ্যোগিক তন্ত্ৰৰ (Technocracy) ৰ বিকাশৰ ফলত সমাজত এক নতুন শ্ৰেণীৰ জন্ম হৈছে, যিয়ে এচিয়াৰ ৰাজনীতি অধিক জটিল কৰি তুলিছে, ফলত জনসাধাৰণৰ আৱেগৰ সৈতে খেলা কৰি নিজকে ক্ষমতাত বৰ্তাই ৰাখিবলৈ শব্দচয়নৰ অৱলম্বনৰ দ্বাৰা এক নতুন নেতৃত্বৰ শৈলী গঢ় লৈ উঠিছে। গতিকে এচিয়া মহাদেশৰ সমাজবাদী সকলে এই সকলোবোৰ অশুভ আৰু অনিষ্টকাৰী কাৰকৰ বিৰুদ্ধে যুদ্ধ কৰিব লাগিব। এচিয়াৰ সমাজৰ দুৰ্ভাগ্য, দুৰ্দশাসমূহৰ প্ৰতিকাৰৰ উদ্দেশ্যে তেওঁলোকে এক মৌলিক আৰু বিস্তৃত সামাজিক দৰ্শনৰ বিকাশ কৰিব লাগিব।

ৰাম মনোহৰ লোহিয়াই সমাজত এক নতুন প্ৰকাৰৰ সমাজবাদ প্ৰতিষ্ঠাৰ প্ৰতি আগ্ৰহী আছিল, যিয়ে ব্যক্তি স্বতন্ত্ৰতাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিব। লোহিয়াই নাগৰিক স্বাধীনতা (Civil Liberty)ৰ তাৎপৰ্য্যৰে বিষয়ে বিশদভাৱে আলোচনা কৰিছিল আৰু লগতে গণতন্ত্ৰৰ সমস্যাসমূহৰ বিষয়েও বিশ্লেষণ কৰিছিল।

লোহিয়াৰ মতে, পশ্চিমীয়া সমাজত প্ৰচলিত গণতান্ত্ৰিক ব্যৱস্থা, ভাৰতীয় সমাজৰ সমস্যাসমূহ সমাধানৰ উপযোগী নহয়। প্ৰকৃত গণতন্ত্ৰই ৰাজনৈতিক প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লোহিয়াৰ মত অনুসৰি কেৱল সংসদীয় ব্যৱস্থা গ্ৰহণৰ দ্বাৰা এখন দেশ গণতান্ত্ৰিক হ'ব নোৱাৰে। গণতন্ত্ৰ জীৱন ধাৰণৰ এক উপায় হিচাপেহে অধিক অৰ্থবহ হয়। ভাৰতৰ দৰে ৰাষ্ট্ৰ এখনত নাগৰিকে যেতিয়া ৰাজহুৱা খণ্ডত সক্ৰিয় অংশগ্ৰহণ কৰে অথবা, যাতে যেতিয়াই নাগৰিক সকলে কোনো অন্যায়ৰ মুখামুখি হ'লে ইয়াৰ বিৰুদ্ধে থিয় হ'ব পাৰে, তেতিয়াহে প্ৰকৃত গণতন্ত্ৰৰ প্ৰতিষ্ঠা হয়। লোহিয়াৰ এই অভিমতে গান্ধীৰ 'স্বৰাজ'ৰ ধাৰণাকে প্ৰতিধ্বনিত কৰে। লোহিয়াই তেখেতৰ এই পৰিকল্পনাটো বাস্তৱায়িত কৰাৰ বাবে সংসদীয় গণতন্ত্ৰৰ সলনি বিকেন্দ্ৰীকৃত ব্যৱস্থাৰ ধাৰণা আগবঢ়াইছিল, যিটো তেখেতে 'Four-pillars' ৰাষ্ট্ৰ হিচাপে বৰ্ণনা কৰিছিল। লোহিয়াই তেখেতৰ গ্ৰন্থ 'Fragments of World

Mind' (1965)ত কৈছে যে যেতিয়া ৰাষ্ট্ৰৰ গঠন প্ৰণালী গাঁও, জিলা, ৰাজ্য বা প্ৰদেশ আৰু কেন্দ্ৰ এই চাৰিটা স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত হয় আৰু এই চাৰিস্তম্ভক সমান কৰ্তৃত্ব প্ৰদান কৰা হয়, তেতিয়াহে গণতান্ত্ৰিক ব্যৱস্থাই সাধাৰণ জনতাক শক্তিশালী কৰিবলৈ সক্ষম হয়। লোহিয়াৰ মতে, যদিও এই চাৰি স্তম্ভ এটা আনটোৰ পৰা স্বতন্ত্ৰ, কিন্তু ইয়াৰ উদ্দেশ্য একে। কেন্দ্ৰীকৰণ আৰু বিকেন্দ্ৰীকৰণ— এই দুই পৰস্পৰ বিৰোধী ধাৰণাৰ মাজত চাৰি স্তম্ভৰ এই ব্যৱস্থাই সম্প্ৰীতিৰ সৃষ্টি কৰিব। গতিকে 'Functional federalism' (কাৰ্যকৰী যুক্তৰাষ্ট্ৰ) নীতিৰ দ্বাৰা প্ৰশাসনৰ এই চাৰিটা স্বায়িত্বশাসিত অংগ, যেনে— গাঁও, জিলা, প্ৰদেশ আৰু কেন্দ্ৰ এটা আনটোৰ লগত জড়িত হৈ থাকিব। লোহিয়াই উল্লেখ কৰিছিল যে বৰ্তমান প্ৰচলিত Federalism (যুক্তৰাষ্ট্ৰীয়) ব্যৱস্থাত কেন্দ্ৰ, ৰাজ্য আৰু স্থানীয় প্ৰশাসনৰ মাজত ক্ষমতাৰ বিতৰণ প্ৰক্ৰিয়াই বিকেন্দ্ৰীকৃত গণতন্ত্ৰৰ ধাৰণাৰ সৈতে অনুৰূপ নহয়। ই শাসন প্ৰক্ৰিয়া সহজ আৰু বাস্তবায়িত কৰি তোলে, কিন্তু শাসন পদ্ধতিত জনসাধাৰণৰ পৰ্যাপ্ত অংশগ্ৰহণ নিশ্চিত নকৰে।

লোহিয়া বিশ্বাসী যে তেখেতৰ ৰাষ্ট্ৰৰ 'four-pillar' পৰিকল্পনাই সমাজবাদ আৰু গণতন্ত্ৰ এই দুয়োটাৰে প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব। লোহিয়াৰ মতে, সামাজিক মালিকীস্বত্ব আৰু উৎপাদনৰ উপায়সমূহৰ ওপৰত নিয়ন্ত্ৰণ, বিকেন্দ্ৰীকৰণ ব্যৱস্থাৰ সৈতে সংগতি ৰাখি প্ৰতিষ্ঠা কৰিব লাগিব আৰু লগতে মানৱ অধিকাৰ সমূহৰ সম্পূৰ্ণ সুৰক্ষাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিব লাগিব যাতে সমাজত সমতা প্ৰতিষ্ঠা কৰিব পৰা যায়। সমতা হৈছে গণতন্ত্ৰৰ মূল বিষয়বস্তু। কিন্তু পশ্চিমৰ উদাৰনৈতিক গণতন্ত্ৰ আৰু পূৰ্বসমাজৰ প্ৰচলিত সাম্যবাদে এই উদ্দেশ্য আহৰণত ব্যৰ্থ হোৱা দেখা যায়। গতিকে, প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে বিকেন্দ্ৰীকৰণ পদ্ধতিৰ দ্বাৰা শাসনপ্ৰক্ৰিয়াত জনসাধাৰণৰ অধিক্য আৰু সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাটো অতিকৈ প্ৰয়োজনীয়।

বৰ্তমান সময়ত বিকেন্দ্ৰীকৰণ ধাৰণাৰ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত থকা অসুবিধাসমূহৰ বিষয়ে লোহিয়া অজ্ঞাত নহয়। অতীজত এই প্ৰকাৰৰ গণতন্ত্ৰ প্ৰচলিত আছিল আৰু ই সৰু সৰু নগৰ-ৰাষ্ট্ৰৰ ক্ষেত্ৰতে সীমাবদ্ধ আছিল। তাতো মুষ্টিমেয় এক শ্ৰেণীৰ লোকেহে শাসন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছিল। কিন্তু বৰ্তমান সময়ত ৰাষ্ট্ৰসমূহৰ আকাৰ অতি বৃহৎ। বৰ্তমান সময়ত ৰাজনৈতিক প্ৰক্ৰিয়া ক্ষমতাৰ কিছু কিছু কেন্দ্ৰৰ ক্ষেত্ৰতে সীমাবদ্ধ। এই প্ৰক্ৰিয়াত সাধাৰণ জনতাৰ সক্ৰিয় অংশগ্ৰহণ অৰ্থহীন/নিষ্ফল। আধুনিক সময়ত ৰাজনৈতিক বিষয়সমূহো অধিক জটিল হৈ উঠিছে। চৰকাৰে বহুতো প্ৰযুক্তিগত বিষয় আদিৰ দৰে ক্ষেত্ৰত সিদ্ধান্ত লয়, যিসমূহ সাধাৰণ জনতাই উপলব্ধি কৰিব নোৱাৰে। গতিকে তেনে পৰিস্থিতিত জনসাধাৰণে তেওঁলোকৰ প্ৰকৃত প্ৰতিনিধি সঠিকভাৱে বাছনি কৰিব নোৱাৰে। ফলস্বৰূপে শাসন প্ৰক্ৰিয়াত অংশগ্ৰহণৰ সুবিধা ভালকৈ ল'ব নোৱাৰে। কিন্তু লোহিয়া নিশ্চিত আছিল যে যদি তেখেতৰ 'four-pillar' ৰাষ্ট্ৰৰ ধাৰণাটো গুৰুত্বসহকাৰে সম্পাদন কৰা হয়, তেতিয়াহ'লে এই সমস্যাসমূহ সমাধান কৰাটো কঠিন নহ'ব।

**সাত প্ৰকাৰৰ বিপ্লৱ ঃ**

সামাজিক ন্যায় প্ৰতিষ্ঠাৰ হ'কে ৰাম মনোহৰ লোহিয়াৰ বিস্তৃত পৰিকল্পনা তেখেতৰ সাত প্ৰকাৰৰ বিপ্লৱৰ বৰ্ণনাত সন্নিৱিষ্ট হৈ আছে। দৰাচলতে, লোহিয়াই প্ৰচলিত সমাজ ব্যৱস্থাৰ সম্পূৰ্ণ ৰূপান্তৰৰ বা পৰিৱৰ্তনৰ দ্বাৰা তেখেতৰ সমাজবাদ আৰু গণতন্ত্ৰৰ পৰিসৰ বৃদ্ধি কৰিব বিচাৰিছিল। অৰ্থনৈতিক অসমতা দূৰীকৰণতে নিজকে সীমাবদ্ধ নাৰাখি লোহিয়াই সমাজৰ সকলো প্ৰকাৰৰ অন্যায়ৰ বিৰুদ্ধে যুঁজ দিব বিচাৰিছিল। 1962 চনত লোহিয়াৰ দ্বাৰা লিখিত এখন কাকতত (Paper) তেখেতে সৰ্বাঙ্গীন সামাজিক পৰিৱৰ্তনৰ উদ্দেশ্যে সাত প্ৰকাৰৰ বিপ্লৱৰ বৰ্ণনা আগবঢ়াইছিল—

(i) অৰ্থনৈতিক অন্যায়ৰ বিৰুদ্ধে বিপ্লৱ (Revolution against Economic injustice)

(ii) বৰ্ণ-ব্যৱস্থাৰ বিৰুদ্ধে বিপ্লৱ (Revolution against Caste system)

(iii) লিংগ-বৈষম্যৰ বিৰুদ্ধে বিপ্লৱ (Revolution against gender discrimination)

(iv) সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জাতীয়তাবাদী বিপ্লৱ (Nationalist Revolution against imperialism)

(v) বৰ্ণ বৈষম্যৰ বিৰুদ্ধে বিপ্লৱ (Revolution against colour discrimination.)

(vi) সামূহিকতাৰ পৰিৱৰ্তে ব্যক্তিৰ অধিকাৰৰ হ'কে বিপ্লৱ (Revolution for individual rights instead of collectivism)

(vii) অহিংস আইন অমান্যৰ প্ৰক্ৰিয়াগত বিপ্লৱ (Proceduaral revolution of non-violent civil disobedience)

চমুকৈ, লোহিয়া এক নতুন সামাজিক ব্যৱস্থাৰ প্ৰত্যাশী আছিল, য'ত অৰ্থনৈতিক অসমতাৰ লগতে জন্মৰ দ্বাৰা ব্যক্তিৰ স্ব-বিকাশৰ সা-সুবিধাসমূহৰ ক্ষেত্ৰত নিৰ্ধাৰিত সীমাবদ্ধতাসমূহ নাইকীয়া হ'ব, য'ত মহিলাসকলে বিকাশৰ বাবে পুৰুষৰ সমানে সা-সুবিধা লাভ কৰিব আৰু ব্যক্তিৰ জাতীয় স্বতন্ত্ৰতাৰ ক্ষেত্ৰত অহা যিকোনো সাম্ৰাজ্যবাদী শক্তিক বাধা প্ৰদান কৰাৰ লগতে য'ত ব্যক্তিৰ গাৰ বৰণৰ দ্বাৰা নান্দনিক মান নিৰ্ধাৰিত নহয়, য'ত ব্যক্তিৰ অধিকাৰক সামূহিকতাৰ তলতীয়া হিচাপে গণ্য কৰা নহয় আৰু শেষত, য'ত গণবিধ্বংসী অস্ত্ৰৰ পৰিৱৰ্তে যুক্তি আৰু নৈতিক মনোবলক ক্ষমতাৰ প্ৰতীক হিচাপে গণ্য কৰা হয়।

গতিকে লোহিয়াই প্ৰচলিত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনৰ দ্বাৰা এক নতুন সামাজিক শৃঙ্খলা প্ৰতিষ্ঠা কৰিব বিচাৰিছিল।

## সামৰণি (Coneclusion) ঃ

সাম্প্ৰতিক অৰ্থনৈতিক ব্যৱস্থাৰ বিশ্লেষণৰ দ্বাৰা লোহিয়াই উপলব্ধি কৰিছিল যে পুঁজিবাদ আৰু সাম্যবাদ— এই দুয়োটা ব্যৱস্থা বিশ্বৰ দুই-তৃতীয়াংশ জনসাধাৰণৰ বাবে অনুপযুক্ত। এই দুয়োটা ব্যৱস্থাতে উৎপাদনৰ বাবে বৃহৎ বৃহৎ যন্ত্ৰপাতিৰ ব্যৱহৃত হয়। ফলস্বৰূপে, ব্যক্তি স্বতন্ত্ৰতাৰ দমনৰ লগতে অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতা কিছু সংখ্যক লোকৰ হাতত কেন্দ্ৰীভূত হয়। এচিয়া মহাদেশৰ দেশসমূহত ইয়াৰ শ্ৰমশক্তিৰ সদব্যৱহাৰ নিশ্চিত কৰাৰ বাবে কুটিৰ শিল্প প্ৰসাৰ কৰাটো অতি প্ৰয়োজনীয়, য'ত বৃহৎ বৃহৎ যন্ত্ৰপাতিৰ পৰিৱৰ্তে ক্ষুদ্ৰ সা-সৰঞ্জাম ব্যৱহাৰত গুৰুত্ব প্ৰদান কৰা হয়। গতিকে, লোহিয়া গান্ধীবাদী পদ্ধতিৰে অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ধাৰণাৰ সমৰ্থক আছিল। একে সময়তে লোহিয়াই গণতান্ত্ৰিক ব্যৱস্থাৰ লগতে ৰাজনৈতিক স্বাধীনতা, যেনে— চিন্তা আৰু মত প্ৰকাশৰ অধিকাৰ, সংস্থা গঠনৰ অধিকাৰ আৰু ব্যক্তিৰ ব্যক্তিগত ক্ষেত্ৰৰ সুৰক্ষা আদি বৰ্তাই ৰখাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। ভাৰতত গণতান্ত্ৰিক সমাজবাদৰ প্ৰসাৰৰ বাবে লোহিয়াৰ সমাজবাদী চিন্তাধাৰা বিশেষভাৱে উল্লেখনীয় হিচাপে বিবেচিত হয়।

(গণতান্ত্ৰিক সমাজবাদ (Democratic Socialism)– গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ দ্বাৰা সমাজবাদৰ উদ্দেশ্যসমূহ সাধন কৰা।)

লোহিয়াৰ মতে, সমাজৰ সকলো বঞ্চিত, অৱহেলিত আৰু পিছপৰা শ্ৰেণীৰ লোক যেনে— শূদ্ৰ, দলিত আৰু মহিলাসকলৰ সৱলীকৰণৰ দ্বাৰা ভাৰতীয় সমাজে উন্নয়নৰ দক্ষতা আহৰণ কৰিব পাৰে। বি. আৰ.

আম্বেদকাৰে দলিও শ্ৰেণীৰ লোকসকলৰ বাবে সামাজিক ন্যায়ৰ প্ৰতিষ্ঠাৰ কথা কৈছিল। কিন্তু লোহিয়াই সমাজৰ দলিও শ্ৰেণীৰ লগতে মহিলাসকলক আৰু পিছপৰা শ্ৰেণীৰ লোকসকলকো তেখেতৰ সামাজিক ন্যায়ৰ পৰিসৰত সাঙুৰি লৈছিল।

সমালোচকসকলৰ মতে, আম্বেদকাৰৰ দৰে লোহিয়াই জাতি-বৰ্ণ ব্যৱস্থাৰ সম্পূৰ্ণ বিনাশ দাবী কৰিছিল যদিও লোহিয়াৰ কৰ্মশৈলীয়ে বৰ্ণ ব্যৱস্থাক অধিক শক্তিশালীহে কৰিছিল। প্ৰকৃত উদ্দেশ্যৰ বিপৰীতে ইয়ে বৰ্ণ ভিত্তিক এক অহং মনোভাৱৰহে প্ৰচাৰ কৰিছিল।

আকৌ, লোহিয়াৰ কংগ্ৰেছ শাসনক উৎখাত কৰাৰ বাবে পিছপৰা জাতিৰ লোকসকলক একত্ৰিকৰণৰ প্ৰচেষ্টাই ভিন ভিন সমাজবাদীসকলৰ মাজত নিৰ্দ্দিষ্ট সাম্প্ৰদায়িক উপাদানৰ সৈতে সংযোগ ঘটাইছিল যিয়ে ভাৰতত সাম্প্ৰদায়িক উত্তেজনাৰ সৃষ্টি কৰিছিল।

**Excercise :**

1. Discuss Ram Manohar Lohia's concept of the 'Wheel of History".
2. Critically evaluate Ram Manohar Lohia as a socialist thinker.
3. Discuss seven types of revolution pointed out by Ram Manohar Lohia.
4. Evaluate Ram Manohar Lohia's contribution to the development of asian model of socialism or asian context of socialism.

# BIBLIOGRAPHY


1. Chakrabarty, Bidyut and Pandey, Rajendra kumar. Modern Indian Political Thought, SAGE, New Delhi, 2009.

2. Roy, Himanshu. Singh, M. P. Indian Political Thought, Pearson, 2017

3. Gauba, O. P. Indian Political Thought, Mayur Books, 2019.

4. Tagore, Rabindranath. Nationalism, Maple press, 2019

5. Hazarika, Niru. Talukdar, Saiki. Kakati, Bhaben. Bharatiya Rajnoitik Chintabid(in Assamese), Royal Books International, Guwahati, 2014